প্রেম আৰু দৰ্শন

পূৰ্ণ কলিতা

STATE CENTRAL LIBRARY
GAUHATI
ASSAM

PREM ARU DARSAN (Love and Philosophy): A collection of articles written by Sri P. Kalita, M. A. Published by the author with the financial assistance of Publication Board Assam, Gauhati. First published in 1973. Price 6·00.

প্ৰকাশক :
শ্ৰীপূৰ্ণ কলিতা
মাজপাঠৰী হাই স্কুল
পোঃ মাজপাঠৰী,
নগাওঁ, অসম

প্ৰথম প্ৰকাশ :
বিহু, ১৩৮০
(ইং—১৯৭৩)

মূল্য : ছটকা

('অসম প্ৰকাশন পৰিষদ'ৰ অৰ্থ-সাহায্যত প্ৰকাশিত)

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

নিবেদন

মানুহ আৰু সৃষ্টি ; জীৱন আৰু শান্তি।·····

সংসাৰখন কাঁইটেৰে ভৰা এজোপা বনফুল। সাৱধানে হাত দিলেও জোঙা জোঙা কাঁইটবোৰে ঠহৰ্ ঠহৰ্ কৰে বিন্ধে। ইমান দুখ পায়!·····

জীৱনটো আৰকালিৰ জুহালৰ কৈচাথৰিৰে জ্বলোৱা জুইকুৰাৰ দৰে। ধোঁৱাবোৰে বৰ আমনি দিয়ে। অথচ জুইৰ কাষৰপৰা আৰত আঁতৰি যাবও নোৱাৰি।

যৌৱনটো শেলুৱৈৰে ভৰা এটা পিছল বাট। উফৰি পৰাৰে ভয়। খুপি খুপি খোজ কাঢ়োঁতে ভৰি বিৰাই যায়। নগ'লেও নহয়। কতই যে কিমান ঠেকেচা খাইছে!·····

—এনেকুৱা মনোভাৱ লৈয়েই সককালতে চিন্তা-সাগৰত পাল তৰিছিলোঁ। সংসাৰৰ দুখ আৰু দুমুনিয়াবোৰে সদায় মনক আকৰ্ষণ কৰি আহিছে। জনা-নজনা কালৰেপৰা চিন্তা—সৃষ্টিৰ উদ্দেশ্য কি? জীৱনৰ কৰ্ত্তব্য কি?—চিন্তাৰ শেষ কেতিয়া হব?·····মন আৰু মানুহ থাকেমানে চিন্তা থাকিবই।

এইয়া মোৰ (ব্যক্তিগত) জীৱনৰ জমা-খৰছৰ খতিয়ান।·····

জীৱনত কি পালোঁ, হিচাপ কৰি চাইছোঁ। জীৱনৰ মূলধন হিচাপে পোৱা দুকুৰি বছৰৰ দিনবোৰেৰে খৰছৰ ঘৰ পূৰ্ণ হৈছে। সৰল বিশ্বাস অকণিৰে ধৰ্ম্ম-কৰ্ম্মৰ পথত আগুৱাই যাবলৈ চেষ্টা কৰিছোঁ। আশা—পোহৰৰ দেশ পামগৈ। শান্তি পাম যেন লাগিছে। জীৱনৰ জমা-খৰছৰ হিচাপত মোৰ লাভেই হৈছে ; শূন্য বাকী ৰোৱা নাই।

তেনেকুৱাই এক ভাৱধাৰা এই প্ৰবন্ধ কেইটাত প্ৰকাশ পাইছে। প্ৰকাশিকা শক্তি বা কলা-কৌশলৰ মোৰ অভাৱ। যেনেতেনে মনোভাৱ ব্যক্ত কৰিছোঁ। ইয়াৰদ্বাৰা দুই-চাৰিজন পাঠকৰো যদি শাস্ত্ৰ-বাক্যলৈ শ্ৰদ্ধা ওপজে, চেষ্টা সাৰ্থক হব।

মানুহে বহুত কৰিছে আৰু আগলৈকো কৰিয়েই থাকিব। মানুহে কৰা সৃষ্টিত বিস্ময় আৰু আনন্দ দুয়োটাই আছে। আৰ্টৰ (Art) মাধ্যমত,

বিজ্ঞানৰ সহায়ত মানুহে যিমানবোৰ মহৎ কাম কৰিছে, সেইবোৰলৈ থৰ লাগি চাই থাকিলে, আমি ভগৱানৰ সৃষ্টিৰ বিচিত্ৰতা আৰু অন্তহীন বিশালতাৰ কথা খন্তেকৰ কাৰণে হ'লেও পাহৰি পেলাওঁ। তেনেহলে আৰ্ট আৰু বিজ্ঞানতকৈ জীৱন ডাঙৰ নহয়নে কি? সন্দেহ হয়।

তেন্তে, জীৱনতকৈ ডাঙৰ কি? মৃত্যুতকৈ শ্ৰেষ্ঠ কি? কালৰ নিষ্ঠুৰ পীড়নৰপৰা উদ্ধাৰ পাব পাৰি নে? কাল আৰু মৃত্যুক জয় কৰিব পাৰি নে? মানুহে অসীমৰ সীমা চুই থকা আনন্দ-ভাণ্ডাৰৰ চাবি-কাঠি হাত কৰিব পাৰে নে? পাৰে;—মই বিশ্বাস কৰোঁ। সেই বিশ্বাস সত্য নে অসত্য?—জীৱনেৰে তাক প্ৰমাণ কৰিব লাগিব……।

অনুভূতিৰ প্ৰেৰণাত লিখিবলৈ লৈছোঁ; কিজানি কাৰোবাৰ কিঞ্চিৎ উপকাৰ হয়েই। অজস্ৰ ভুল-ভ্ৰান্তি ইয়াত থাকিব পাৰে। সুধীসকলে যেন দয়া কৰি আঙুলিয়াই দিয়ে।

প্ৰবন্ধকেইটা লিখাত অ'ৰ ত'ৰ সহায় লোৱা হৈছে। যথাস্থানত তাৰ উল্লেখ আছে। গীতাৰ সহায়ত লিখা দুটা প্ৰবন্ধ ইয়াত আছে। গীতাৰ গূঢ় তত্ত্ব আমি নুবুজোঁ। ওপৰে ওপৰে চাইছোঁ মাথোন।

কেইবাটাও প্ৰবন্ধত মাজে মাজে পুনৰুক্তি দোষ ঘটিছে। তাৰ কাৰণ অৱশ্যে নোহোৱা নহয়। প্ৰবন্ধকেইটা বিভিন্ন সময়ত লিখা। 'প্ৰেম কি?'—এই কথাকে কেইবাঠাইতো উল্লেখ কৰিবলগীয়া হৈছে—পাঠকৰ যাতে মূল বিষয়টো বুজিবলৈ সুবিধা হয়—সেইকাৰণে। প্ৰত্যেকটো প্ৰবন্ধকে স্বয়ং-সম্পূৰ্ণ কৰিবলৈ ইচ্ছা কৰা কাৰণেও পুনৰুল্লেখ হৈছে। মোৰ মনৰ মাজত সদায় এটা সুৰ বাজি থকাও তাৰ অন্যতম কাৰণ হব পাৰে। এই দোষ মাৰ্জ্জনীয়।

অনুজপ্ৰতিম অধ্যাপক শ্ৰীকৃষ্ণ বৰা, শিক্ষক শ্ৰীহিতেশ্বৰ বৰা আৰু লিখক শ্ৰীকৃষ্ণ বৰুৱা, বি, এ·ৰ পৰা পোৱা উৎসাহ-উদ্দীপনাৰ কাৰণে ইয়াতে তেওঁ-লোকৰ শলাগ লওঁ। মাজপাঠৰী হাইস্কুলৰ হেড্‌মাষ্টৰ শ্ৰীকমল ভূঞা, এম, এ, এল, এল, বি, বি, টি, আৰু অন্যান্য শিক্ষক বন্ধুসকললৈকো মোৰ কৃতজ্ঞতা জনালোঁ। বহুখিনি সহায়-সহানুভূতিৰে উপকৃত কৰা বাবে নগাওঁ ছোৱালী কলেজৰ অধ্যাপক শ্ৰীতিলকচন্দ্ৰ মজুমদাৰ আৰু ডঃ শ্ৰীসৰ্ব্বেশ্বৰ বাজগুৰুলৈ আন্তৰিক ধন্যবাদ আগবঢ়ালোঁ।

'অসম প্ৰকাশন পৰিষদে' ইয়াৰ পাণ্ডুলিপিখন গ্ৰহণযোগ্য বুলি বিবেচনা কৰি অৰ্থসাহায্য আগবঢ়াই মোক ঋণ আৰু কৃতজ্ঞতাৰ পাশত বান্ধি ৰাখিছে। এয়ে নোহোৱা হ'লে, ইয়াক পোহৰলৈ উলিয়াবলৈ মোৰ ব্যক্তিগত সামৰ্থ্যৰ অভাৱ হ'লহেঁতেন। পৰিষদৰ মাননীয় সচিব আৰু সদস্যসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। সচিব মহোদয়ৰ ব্যক্তিগত পৰামৰ্শ, সদয় ব্যৱহাৰ আৰু সহায়-সহানুভূতিৰ কথা কেতিয়াও পাহৰিব নোৱাৰিম।

প্ৰবন্ধকেইটাত যদি কিবা ভাল কথা আছে, সেইয়া মহাপুৰুষসকলৰ পবিত্ৰ বাণীৰ গুণ—যাৰ দ্বাৰা জীৱনত উপকৃত হৈছোঁ—বিণিকি বিণিকি পোহৰ দেখিছোঁ। ভুল-ত্ৰুটিখিনি মোৰ নিজৰ। অজ্ঞতাৰ কাৰণে ৰাইজৰ ওচৰত ক্ষমা মাগিছোঁ।

বৰষুণৰ পানী মিহলি গঙ্গাজলৰ দৰে ইয়াৰ যদি কিবা মূল্য আছে, তেন্তে ৰাইজে ইয়াক আদৰ কৰিব, উপকাৰো হ'ব—

এই আশাৰে

পূৰ্ণ কলিতা

প্ৰণিপাত

যি জনাৰ কৃপাত
জীৱনৰ পোহৰ পাইছোঁ।

পূৰ্ণ কলিতা

সূচীপত্ৰ

প্ৰথম দৃষ্টিৰ প্ৰেম	১
প্ৰেমৰ স্বৰূপ	১১
নাৰী বন্দনা	২৭
কবিতা কি ?	৩৩
প্ৰেমিকা ৰুক্মিণী	৩৮
সাহিত্যত প্ৰেমৰ স্থান	৪৬
কুমাৰ-সম্ভৱ কাব্যৰ সৌন্দৰ্য্য	৬০
শেৱালিৰ সুৰভি	৭৪
সোণৰ প্ৰতিমা—পদ্মিণী	৮৫
'পৰিণীতা'ৰ ললিতা	৯১
প্ৰেম আৰু ভক্তি	৯৯
ঈশ্বৰৰ অস্তিত্ব আৰু ধৰ্ম্মৰ ধাৰণা	১০৯
প্ৰেম আৰু দৰ্শন	১২০
মানৱ-বন্দনা আৰু ধৰ্ম্ম	১২৯
মহাগ্ৰন্থ কীৰ্ত্তনৰ ঈশ্বৰ	১৩৭
মহাগুৰু বুদ্ধ আৰু সাধ্বী সুজাতা	১৪৫
সংশয়হীন বিশ্বাস	১৫৩
আনন্দ আৰু পৰমানন্দ	১৬৪
চাতুৰ্ব্বৰ্ণ্যং ময়া সৃষ্টং	১৭০
মূল প্ৰশ্ন	১৭৫
কাম আৰু কৰ্ম্মযোগ	১৮২
সাংখ্য দৰ্শনৰ মূল কথা	১৯০
সংসাৰৰ দুবিধ মানুহ	১৯৯
ভক্তি আৰু জ্ঞানৰ পথ	২০৬
মহাপুৰুষৰ সাহিত্য-প্ৰতিভা	২১০

তুমি আছা।—

তুমি যদি নাই, তেন্তে কিহৰ আশাত
কিয় থাকে মানুহ জীয়াই ?
অপূৰ্ণ কামনা ক'ৰ ? অখণ্ড তৃপিতি
কিয় আছে মানুহে খিয়াই ?
সনাতন, সত্য, নিত্য জনম-জেউতি
তুমি যদি সঁচাকৈয়ে নাই,
মানুহে বন্দনা কৰা ধৰ্ম্মগুৰু বোৰে
কাৰ সত্তা অনুভূতি পায় ?
অবুজ নাস্তিকে কয়—তুমি হেনো নাই,
মিছা হেনো অস্তিত্ব তোমাৰ;
তুমি যদি নাই, তেন্তে ক'ৰপৰা হ'ল
বিশ্বৰ সৌন্দৰ্য্য সুকুমাৰ ?
তুমি যদি নাই, তেন্তে মিছা নেকি 'মই',
মিছা সৃষ্টি, জীৱন-মৰণ ?
কোনে কব 'মিছা' বুলি ?—সঁচা তুমিয়েহে;
মৰণতো তুমিয়ে জীৱন।

মই তোমাৰেই চৰণৰ দাস
তুমিও মোৰেই হয় ;
তোমাকে নেপাই চকুলো টুকিছো,
আকুল প্ৰেমৰ জয় ।

প্ৰথম দৃষ্টিৰ প্ৰেম
(Love at the first sight)

পোন প্ৰথম দেখাদেখি হওঁতেই দুজন মানুহৰ অন্তৰত হঠাৎ কেতিয়াবা এক অভিনৱ অনুভূতিৰ উদ্ৰেক হয়; উভয়ে উভয়ক ভালপোৱাৰ এক অভূতপূৰ্ব্ব শিহৰণ অনুভৱ কৰে। বহু ত কালৰে যেন চিনাকি, অতীতৰ যেন কোনোবা আপোনজন—হৃদয়ৰ মাজত এখন সোণৰ সিংহাসন তেওঁৰ কাৰণেই যেন পাতি থোৱা আছে —এনে এক অনুভৱে দেহ-মন ৰঞ্জিত কৰি তোলে—যাৰ প্ৰভাৱ জীৱন-জোৰা হৈ পৰে। তাকে প্ৰথম দৃষ্টিত ওপজা প্ৰেম বোলে। বাস্তৱ জীৱনত ঘটি থকা, এনেবোৰ ঘটনাৰ হিচাপ আমাৰ হাতত নাই সঁচা, কিন্তু অনেক কবি সাহিত্যিকে তেওঁলোকৰ ৰচনাত এনে প্ৰথম প্ৰেমৰ পৱিত্ৰ আৰু মনোহৰ চিত্ৰ অঙ্কন কৰি গৈছে। খন্তেকৰ দৰ্শনতে মনৰ মাজত সৃষ্টি হোৱা আলোড়নৰ স্মৃতিয়েই শেষত গৈ দুখনি হৃদয়ৰ, দুটি জীৱনৰ মহামিলনৰ যোগসূত্ৰ হৈ পৰা দেখা যায়। ইয়াৰ প্ৰভাৱ গোটেই জীৱনৰ ওপৰত পৰে— ইয়াক অস্বীকাৰ কৰিব নোৱাৰি। কোনোৱে অৱশ্যে ইয়াত পৱিত্ৰ প্ৰেমৰ বিশুদ্ধ গন্ধ নাই বুলি ক'ব খোজে। তেওঁলোকৰ মতে ই জৈৱিক আৰু সাময়িক অনুভূতি মাথোন; দেহ-মনৰ আকৰ্ষণৰ ফলত ওপজা মোহ মাথোন। সাধাৰণতে ডেকা বয়সত ইয়াৰ বিকাশ দেখা যায়। গতিকে ই এক অস্থায়ী আবেগ। ই ভ্ৰমাত্মক। এই আবেগিক অনুভূতিয়ে জৰীডালকে সাপ যেন দেখুৱায়, আৰু মৰুভূমিৰ মাজৰ মৰীচিকাৰ দৰে মিছাকৈয়ে হাৰাশাস্তি কৰে মাথোন। সময় পাৰ হৈ যোৱাৰ লগে লগে, অনুভূতিৰ তীব্ৰতা

হ্ৰাসপ্ৰাপ্ত হৈ, ক্ৰমে ক্ৰমে শেষত নোহোৱা হৈ পৰে। এই ধৰমত নিকৰুণ কালৰ মামৰ লাগে, আৰু ভিতৰি ভিতৰি তাক নিঃশেষ কৰি দিয়ে। গতিকে ই প্ৰেম নহয়—ৰূপৰ মোহ—যৌৱনৰ আকৰ্ষণ। এনে মনোভাবত লিখা ৰসৰাজ বেজবৰুৱাদেৱৰ সৰু গল্প এটিলৈ মনত পৰিছে :

এদিন এজন চহৰীয়া ডেকা গাঁৱৰ ফালে ফুৰিবলৈ গৈছিল। গাঁৱৰ সোণবৰণীয়া পকা ধাননিৰ মনোহৰ দৃশ্য চাই চাই ডেকাৰ মন মতলীয়া হৈ অজানিত আনন্দত নাচি উঠিছিল। হঠাৎ এটা ভয় লগা দৃশ্য তেওঁৰ চকুত পৰিল। দুৰ্দ্দান্ত ম'হ এটাই পথাৰত ধান কাটি থকা গাভৰু কেইগৰাকী মানৰ ফাললৈকে খেদা মাৰি অহাদি আহিল। প্ৰাণৰ ভয়ত ছোৱালীহঁতে ফৰিং-ছিটিকা দিলে। তাৰ মাজৰে এজনী গাভৰুৱে কিন্তু হাতৰ কাচিখনকে দাঙি ধৰি সদৰ্পে ঠিয় দিলে। ম'হটো আঁতৰি গ'ল। ধুনীয়া গাভৰু ছোৱালীজনীৰ সাহ আৰু মনোবল দেখি ডেকাৰ মন-প্ৰাণ বিস্ময়ানন্দত বুৰ গ'ল। তাইৰ প্ৰতি স্নেহ-শ্ৰদ্ধাত তেওঁৰ মূৰ যেন নত হৈ পৰিল। তেওঁ হেনো প্ৰথম দৰ্শনতে সেই বীৰাঙ্গনাসদৃশ ছোৱালীজনীৰ প্ৰেমত পৰিল। তেওঁ তাইক জীৱনৰ লগৰী কৰি লবলৈ প্ৰবল আগ্ৰহ কৰিলে।

ইয়াৰ পিচত কোনো বন্ধুৰ সহায়ত তেওঁ গাভৰুৰ পৰিচয় যোগাৰ কৰিলে। লাহে লাহে তেওঁলোকৰ ঘৰলৈ সঘন যাতায়াতো চলিল। "ফুৰি আহোঁগৈ ধনৰ চুবুৰীত, লগাই আহোঁগৈ মাত"—এই ভাবটোৱেই কল্পনাত ৰং-চঙীয়া পখিলা কিছুমানৰ ৰূপ ধৰি তেওঁৰ মনৰ মাজত জাকি মাৰি মাৰি উৰি নাচি ফুৰিবলৈ ধৰিলে। কিছুদিনৰ পিচতে ডেকাৰ হৃদয়-ফুলনিৰ আশা-লতা জুপি ফুলে পাতে জক্‌মকীয়া হৈ উঠিল।······ডেকাৰ লগত গাভৰুৰ শুভ-পৰিণয় সমাৰোহেৰে সম্পন্ন হৈ গ'ল।······

বিয়াৰ পিচত ডেকাই বৰ আগ্ৰহেৰে সেই দিনাৰ ম'হে খেদা

ঘটনাটো উলিয়ালে। গাভৰু ঘৈণীয়েকে ঘটনাৰ বৰ্ণনা দি শেষত ক'লে যে হাতত কাচি লৈ ঠিয় হোৱা ছোৱালীজনী তেওঁ নহয়—আন এজনীহে। কথাটো শুনাৰ লগে লগে ডেকাৰ মুখ বিবৰ্ণ হৈ গ'ল। তেওঁ যেন হঠাৎ আকাশৰপৰাহে পৰিল। মূৰ ঘূৰাই গ'ল।······অদ্ভুত সাহ-বল দেখি যিজনী গাভৰুক তেওঁ ইমানকৈ ভাল পাই পেলাইছিল, আৰু জীৱনৰ সঙ্গিনী কৰি লবলৈ হাবিয়াস কৰিছিল, তেওঁ যদি এওঁ নহয়, তেন্তে তেওঁৰ (প্ৰথম দৃষ্টিৰ) প্ৰেম দেখোন অথলে গ'ল! প্ৰেম-যজ্ঞৰ পূৰ্ণাহুতি দিয়া হৈ গ'ল; কিন্তু অগ্নিত নপৰিল, ভস্মতহে সোপাই পৰিল।······

গল্পকাৰে ইয়াত এইবুলি ব্যঙ্গ কৰিছে যে প্ৰথম দৃষ্টিত ওপজা প্ৰেম খন্তেকৰ মোহ আৰু চঞ্চল মনৰ উন্মাদনা মাথোন। ইয়াৰ যথাৰ্থ মূল্য নাই। এদিন হেমন্ত কালৰ সোণালী ধাননি পথাৰত এজনী ধুনীয়া গাভৰুৰ ৰূপ-যৌৱন আৰু মনোবল দেখি এজন ডেকা মুগ্ধ আৰু প্ৰলুব্ধ হ'ল। আকৌ ভুলক্ৰমে তেনে অন্য এজনী গাভৰুৰ লগত পৰিচয় হোৱাত, ইজনীকে সিজনী বুলি ভাবি, সেইবাৰো সেই একেদৰেই আকৃষ্ট আৰু লোভাবিষ্ট হৈ পৰিল। দেখা যায়, এই বিমুগ্ধতা বা প্ৰলুব্ধতাৰ কাৰণ অন্তৰৰ গভীৰতম স্থলৰপৰা উদ্ভৱ হোৱা পবিত্ৰ প্ৰেমৰ প্ৰথম প্ৰকাশ নহয়; প্ৰেমপূৰ্ণ জীৱন-আকাশৰ পূৰ্ব্বাচলত ৰক্তিম ৰাগেৰে উদিত হোৱা উষা-ৰাণীৰ শুভাগমন নহয়। ই ভোগবাঞ্ছিত যৌৱনৰ, আবেগ জড়িত হৃদয়ৰ, কামনাসিক্ত মানসৰ উদ্ভ্ৰান্ত আকৰ্ষণ। ই পৰিপূৰ্ণ মোহ। হয়তো সৌন্দৰ্য্যৰ। হয়তো কেতিয়াবা সত্য, হয়তো কেতিয়াবা অসত্য।

এনে উদাহৰণ সংসাৰত অসংখ্য। মানুহৰ জীৱনত—বিশেষকৈ যৌৱনত মাদকতাৰ পয়োভৰে দলদোপ-হেন্দোলদোপ কৰি থকা কালত, এনে ঘটনা সংঘটনৰ অলেখ পটন্তৰ বিচাৰিলেই পোৱা যায়। ইয়াৰে সৰহভাগৰ কোনো স্থায়ী মূল্য নাই। সেইবোৰক

'ভুল' বুলিলেহে শুদ্ধ কোৱা হব। যৌৱনৰ খলা-বমা পিছল বাটত সেইয়া একোটা সৰু-ডাঙৰ 'দুৰ্ঘটনা'।

সাহিত্যৰ মাজত, গল্প-উপন্যাসৰ পাতত এনে ঘটনা বা দুৰ্ঘটনাৰ উল্লেখ সৰহকৈয়ে পোৱা যায়। আজিকালিৰ সাহিত্যত এইবোৰৰ লেখ আৰু বাঢ়িছে। তাৰ সৰহভাগেই মোহ আৰু ভুল; সৰহ-ভাগেই মূল্যহীন আৰু সমাজৰ পক্ষে অহিতকৰ।

যি হওক, বেজবৰুৱাৰ গল্পটিৰ ভাবাৰ্থ অনেক ক্ষেত্ৰত সত্য হলেও, এইটোও ঠিক যে প্ৰথম দৃষ্টিত ওপজা প্ৰেম সদায় সকলো ক্ষেত্ৰতে ভুল বা নিৰৰ্থক নহয়। সকলোৰে ক্ষেত্ৰত ই সাময়িক উত্তেজনা বা অস্থিৰ আৱেগ মাথোন হব নোৱাৰে। পোনতে দেখাদেখি হোৱাৰ লগে লগে দুটি মনৰ মাজত যি অভিনৱ অনুভূতিৰ উদ্ৰেক হয়, তাক নিজে অনুভৱ নকৰিলে, সাহিত্যৰ বৰ্ণনা পঢ়ি সম্পূৰ্ণৰূপে হৃদয়ঙ্গম কৰিব নোৱাৰি। 'চাৰি চকুৰ মিলনে' শৰীৰত এক শিহৰণ, আৰু মনত অনুভূতিৰ এক অনুৰণন তোলে। এজনৰ ৰূপ আনজনৰ হিয়াত অনুপম-নিৰূপমৰূপে অঙ্কিত হৈ ৰয়। পাষাণত যেতিয়া মূৰ্ত্তিৰ চাপ পৰে, পাষাণ ভাগি টুকুৰাটুকুৰ নহলে যিদৰে সেই চাপ নষ্ট নহয়, হৃদয় পুৰি নগলে বা জীৱন শেষ নহলে, সেই ৰূপৰ চাপো আঁতৰ নহয়। এই প্ৰেম-অনুভূতি প্ৰকৃত আৰু সত্য। এই প্ৰেমে দুটা বিভিন্নমুখী জীৱনৰ সোঁত একেমুখী কৰি মিলনৰ পৱিত্ৰ প্ৰয়াগ-স্থল সৃষ্টি কৰে। এই মিলন—দুটি প্ৰাণৰ, দুখনি নিৰ্ম্মল হৃদয়ৰ, দুটি অন্তহীন জীৱন-সত্তাৰ। প্ৰথম দৃষ্টিত ওপজা, প্ৰথম প্ৰেমৰ একোটি স্ফুলিঙ্গৰ পৰাই হোমাগ্নি প্ৰজ্জ্বলিত হৈ গোটেই জীৱন-যৌৱন পোহৰাই তোলে। ই এক অমৃত-বিন্দু। এটোপাল অমৃত আৰু একলহ অমৃতৰ মাজত যিদৰে পাৰ্থক্য নাই (এটোপ খালেই অমৰ হব পাৰে); সেইদৰে প্ৰথম দৰ্শনতে ওপজা অপূৰ্ব্ব প্ৰেমানুভূতি আৰু জীৱন-জোৰা, হৃদয়-ভৰা প্ৰেমানুৰাগৰ মাজতো একো মৌলিক পাৰ্থক্য নাই।

মহাকবি কালিদাসে তেওঁৰ তিনিওখন নাটকতে এইবিধ প্ৰেমৰ অৱতাৰণা দেখুৱাইছে। তেওঁৰ নাটক 'মালৱিকাগ্নিমিত্ৰম্'ত ৰজা অগ্নিমিত্ৰই এদিন মালৱিকা নামেৰে এগৰাকী অচিন ৰূপহীৰ চিত্ৰৰূপ (ছবি) দেখিয়েই প্ৰেমাসক্ত হৈ পৰিছিল ; সেই ৰূপহীক পিচতহে সশৰীৰে দেখা পাইছিল। সেই প্ৰেমে অনেক বাধা-বিঘিনি অতিক্ৰম কৰি মিলনৰ মাজেদি সাৰ্থকতা লাভ কৰিছিল।

আন এখন নাটক—বিক্ৰমোৰ্ব্বশীয়ম্। ইয়াত মহাকবিয়ে ৰজা পুৰুৰৱা আৰু অনন্ত-যৌৱনা অনিন্দ্য-সুন্দৰী অপ্সৰী উৰ্ব্বশীৰ অমৰ প্ৰেমৰ চিত্ৰ আঁকিছে। এই প্ৰেমো এদিনৰ—এখন্তেকৰ দৰ্শনতে ওপজা প্ৰেম। কালিদাসৰ 'শকুন্তলা'ৰ কাহিনী সৰ্ব্বজনবিদিত। গছৰ আঁৰৰপৰা ফুলগছত পানী দি থকা সুন্দৰী শকুন্তলাক দেখি ৰজা দুষ্যন্ত স্তম্ভিত আৰু বিমোহিত হৈ পৰিছিল। তাৰ পাৰণতি তেওঁলোকৰ মিলন। অনেক বাধা-বিঘিনি নেওচি শেষত সেই প্ৰেমৰে জয় হ'ল। প্ৰথম অৱস্থাত দুষ্যন্ত-শকুন্তলাৰ প্ৰেমত কামনাৰ মলি আছিল যদিও, পিচত, বিৰহৰ অন্তত জুয়ে পুৰি নিকা কৰা সোণৰ দৰে, সেই প্ৰেম নিৰ্ম্মল হৈ পৰিল, আৰু সাৰ্থক প্ৰেমলৈ ৰূপান্তৰিত হ'ল। কালিদাসৰ এই প্ৰেমৰ চিত্ৰ বাস্তৱিকতে মনোহৰ আৰু মানৱ-জাতিৰ পক্ষে মঙ্গলকৰ। এই প্ৰেমৰ ফল দিগন্ত-বিয়পা, জীৱন-প্ৰসাৰী। এই প্ৰেম মোহ নহয়, উত্তেজনা নহয়, খন্তেকীয়া অনুৰাগ নহয়, ধানখেৰৰ জুইৰ নিচিনা খন্তেকতে নুমাই যোৱা আবেগৰ অগনি নহয় ; জীৱন জোঁকাৰি যোৱা যৌৱনৰ ধুমুহা নহয় ; দেহ-মন কঁপাই দি যোৱা যৌৱনানুভূতিৰ প্ৰবল পছোৱা বতাহ নহয় ; অদম্য সম্ভোগ-তৃষ্ণাৰে হৃদয়-দেশ আন্দোলিত কৰি তোলা ভূমিকম্পৰ হেন্দোলনি নহয়। ই বাস্তৱ প্ৰেমৰ প্ৰথম প্ৰকাশ ; পৰিপূৰ্ণ প্ৰেমৰ পুৱাৰ অৰুণোদয়। এই প্ৰেমে মন সঙ্কুচিত নকৰে, প্ৰশস্ত কৰে ; জীৱন কলুষিত নকৰে, বিভূষিত কৰে ; হৃদয় দুৰ্ব্বল নকৰে, প্ৰেৰণাৰে উদ্বেলিত কৰে ; যৌৱনক প্ৰলোভিত নকৰে,

অনুৰাগেৰে সুৰভিত কৰে; নিষ্পাপ ভালপোৱাৰে পৰিশোধিত কৰে; জীৱনৰ যমুনাত মন্দাকিনীৰ ধাৰা প্ৰৱাহিত কৰে।

এইবিধ প্ৰেমৰ জ্বীৱন্ত আৰু অমৰ চানেকি হৈছে ডাণ্টে আৰু বিয়েত্ৰিচৰ প্ৰেম। মহাকবি ডাণ্টে ইটালী দেশৰ মানুহ আছিল। তেওঁ সৰুকালতে এদিন ন বছৰ বয়সীয়া ৰঙা সাৰী পিন্ধা ছোৱালী এজনীক দেখা পাইছিল। বাণীকান্ত কাকতিদেৱে তেওঁলোকৰ প্ৰথম দৰ্শনৰ বৰ্ণনা এইদৰে দিছে—"ছোৱালীজনীক দেখিয়েই ডাণ্টেৰ সৰ্ব্বশৰীৰ এনেভাৱে কঁপি উঠিল যে তেওঁ কান্দি পেলালে। কান্দোনতেই তেওঁৰ অন্তৰাত্মাই এনেদৰে কোৱা যেন শুনিলে—"এইজনীয়েই তোমাৰ জীৱন-দেৱতা; তোমাৰ অন্তৰাত্মাৰ ওপৰত এৰেঁই প্ৰভুত্ব কৰিব।' সেইদিনাৰ পৰাই তেওঁৰ মনত প্ৰেমৰ প্ৰবেশ হ'ল; আৰু বিয়েত্ৰিচৰ ছবি তেওঁৰ অন্তৰত ওপঙিবলৈ ধৰিলে।······দেৱী-মূৰ্ত্তি ছোৱালীজনীৰ চিন্তাতেই ডাণ্টে খিনাই শুকাই যাবলৈ ধৰিলে।······"

জীৱনকালত ডাণ্টেই বিয়েত্ৰিচক মাথোন তিনিবাৰ মানহে দেখা পাইছিল বুলি জনা যায়। কিন্তু সেই ছোৱালীজনীৰ দেহ-সৌন্দৰ্য্যৰ মাজেদি মহাকবিয়ে বিশ্ব-সৌন্দৰ্য্যৰ অপূৰ্ব্ব ৰূপ-জ্যোতি দেখা পাইছিল। এই প্ৰেমলীলা এলেহুৱা ডেকা প্ৰেমিকৰ মনৰ উন্মাদনা নহয়; ই সম্ভোগ-লালসাৰ মানসিক বিকৃতিও নহয়। কিছুদিনৰ পিচত হেনো বিয়েত্ৰিচৰ মৃত্যু হৈছিল আৰু ডাণ্টেই বিয়াবাৰু কৰাই গৃহস্থী জীৱন যাপন কৰিছিল। তথাপি বিয়েত্ৰিচৰ প্ৰতি তেওঁৰ যি কামগন্ধবিহীন 'অহৈতুকী প্ৰীতি'—সেয়েই তেওঁৰ জীৱন-ৰস স্বৰূপ আছিল। সেই প্ৰেমৰ প্ৰেৰণাতে বিশ্ব-বিখ্যাত মহাকাব্য 'ডিভাইন কমেডি'ৰ সৃষ্টি হৈছিল। ই সামান্য ৰমণীপ্ৰীতি নহয়; অসামান্য, অনন্যসাধাৰণ অনন্ত সৌন্দৰ্য্য-তৃষ্ণা আৰু তাৰ ঐকান্তিক সাধনা। ই—'ৰূপ-তৃষ্ণা চিৰসুন্দৰৰ'। এই প্ৰেম সসীমত আৰম্ভ হৈ অসীমত শেষ হৈছে।

৺ৰায়চৌধুৰী দেৱৰ 'তুমি' কাব্যত মানৱ-প্ৰেমে ক্ৰমে ক্ৰমে বৰ্দ্ধিত আৰু শোধিত হৈ বিশ্বপ্ৰেমত পৰিণত হোৱাৰ দৃষ্টান্ত দাঙি ধৰিছে। মানৱ-দেহৰ সৌন্দৰ্য্য-লিপ্সাই শেষত গৈ জগতজুৰি থকা অতীন্দ্ৰিয় সত্তাক সাৱটি ধৰে। এনে অৱস্থা ডাণ্টেৰ জীৱনত হৈছিল। এই সৌন্দৰ্য্য-তৃষ্ণাই ইন্দ্ৰিয়-তৃপ্তিৰ পৰিসীমা পাৰ হৈ তাৰ বহু উৰ্দ্ধত প্ৰকাশ কৰে, আৰু মানৱ-চিত্তক বিশ্ব-সৌন্দৰ্য্যৰ বুকুত একীভূত কৰি দিয়ে। সঁচা কথা কবলৈ গলে, তাকেহে প্ৰেম বোলে, সেয়েহে প্ৰকৃত প্ৰেমৰ ৰূপ।

ভাগৱতৰ ৰুক্মিণীৰ কাহিনী সকলোৰে পৰিচিত। ৰুক্মিণীয়ে দ্বাৰকাৰ ৰাজকুমাৰ শ্ৰীকৃষ্ণক চকুৰে নেদেখাকৈয়ে, তেওঁৰ অনুপম ৰূপ আৰু অসামান্য চৰিত্ৰ-গুণৰ কথা কাণেৰে শুনিয়েই অনুৰক্তা হৈ পৰিছিল। শ্ৰীকৃষ্ণইও পোনতে ৰুক্মিণীক দেখাৰ সুবিধা পোৱা নাছিল; এখন প্ৰেমপত্ৰহে পাইছিল। তথাপি গুণমুগ্ধ আৰু প্ৰেমাপ্লুত হৈ ৰুক্মিণী-হৰণৰ উদ্দেশ্যে যাত্ৰা কৰিছিল। ই প্ৰথম দৃষ্টিত ওপজা প্ৰেমতকৈও এখাপ ওপৰতহে। কাৰণ ইয়াত দৰ্শন নাছিল; শ্ৰৱণহে আছিল। (শ্ৰীকৃষ্ণই প্ৰথমতে ভাটৰ মুখত ৰুক্মিণীৰ ৰূপ-গুণৰ কথা শুনিবলৈ পাইছিল।) ৰুক্মিণীৰ সেই প্ৰেম সৰ্ব্বোৎকৃষ্ট আৰু সাৰ্থক। তেওঁ শ্ৰীকৃষ্ণৰ প্ৰথমা আৰু প্ৰিয়তমা পত্নী আছিল।

উষা-অনিৰুদ্ধৰ প্ৰণয়-কাহিনী ভাৰতীয় বৈষ্ণৱ সাহিত্যৰ এক উজ্জ্বলতম অধ্যায়। বিস্মৃতিয়ে ধুই-মচি গুচাব নোৱাৰা, প্ৰথম প্ৰেমৰ, হৃদয়তলিৰ প্ৰভাতৰ উষা-কিৰণৰ দৰে বঢ়া দাগটো। উষা-সুন্দৰীৰ হৃদয়-আকাশত পোনতে সৃষ্টি কৰিছিল এটি মধুময় সপোনে। এই মধু-স্বপ্নৰ বিশেষত্ব লক্ষ্য কৰিবলগীয়া। কোৱা হয়, আগতে চকুৰে নেদেখা বস্তু মানুহে স্বপ্নত দেখিব নোৱাৰে। কিন্তু উষাই অনিৰুদ্ধ কুমাৰৰ কামিনী-মোহন ৰূপ পোনতে স্বপ্নতহে দেখিছিল। শোণিতপুৰ নগৰৰ অগ্নিগড়ৰ ভিতৰত সুৰক্ষিতা, সদা

জাগ্ৰত প্ৰহৰী-ৰক্ষিতা ৰাজকুঁৱৰী উষাই সুদূৰ দ্বাৰকাপুৰৰ অনিৰুদ্ধ কোৱঁৰক তাৰ আগতে দেখাৰ সৌভাগ্য বা দুৰ্ভাগ্য ঘটা নাছিল। কিন্তু তথাপি যি ঘটি গ'ল, সি অকল দুটি যুৱক-যুৱতীকে প্ৰেম-পাশত আৱদ্ধ কৰি ক্ষান্ত নাথাকিল ; দ্বাৰকাৰ যদুবংশ, কুলতিলক ভগৱান শ্ৰীকৃষ্ণৰ লগত বাণৰজা আৰু ৰাজবংশৰ মিলনো সংঘটিত কৰিলে। ইও প্ৰথম দৃষ্টিতে ওপজা প্ৰেম।

বিখ্যাত নাট্যকাৰ চেক্সপীয়েৰৰ নাটকতো এনে প্ৰেমৰ উল্লেখ আছে। 'টেম্পেষ্ট্' (Tempest) নাটকত ৰাজকোঁৱৰ ফাৰ্দ্দিনাণ্ডক দেখি পলকৰ ভিতৰতে মিৰাণ্ডা মুগ্ধ হৈ পৰিছিল। মানুহে মানুহক দেখি এনেদৰে বিমুগ্ধ হব পাৰে বুলি তেওঁলোক দুয়ো সেইদিনাহে অনুভৱ কৰিব পাৰিলে। তেওঁলোকৰ প্ৰথম দৰ্শনৰ এই প্ৰেমৰ ফল হৈছিল মধুৰ মিলন। এনে উদাহৰণ আৰু আছে। প্ৰথম দৃষ্টিত ওপজা শুদ্ধ প্ৰেমৰ প্ৰভাৱত দুটি মন, দুটি প্ৰাণ এক হৈ যোৱাৰ এইবোৰ সুন্দৰ চানেকি। বিশ্ব সাহিত্যত এনে পটন্তৰ অলেখ পোৱা যায়। পোন প্ৰথম দেখাদেখি হওঁতেই উভয়ে উভয়ৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈ পৰে, আৰু প্ৰথম প্ৰেমৰ অকণমান বীজটিয়েই শেষত সুবিধা পালে ফলে-ফুলে ভৰা এক মহাবৃক্ষত পৰিণত হয়।

এই প্ৰেম অকল পুৰুষ-নাৰীৰ মাজতে আৱদ্ধ নহয়। পুৰুষৰ মাজতো এনে ধৰণে প্ৰেম আৰু মিলনৰ বিকাশ ঘটিব পাৰে। দুটা বিশেষ উদাহৰণ দাঙি ধৰা হ'ল। অসমৰ ধৰ্ম্মগুৰু শ্ৰীমন্ত শঙ্কৰৰ লগত (সেই সময়ৰ) ঘোৰ শাক্তপন্থী শ্ৰীমাধৱদেৱৰ মিলন এইদৰেই হৈছিল। শ্ৰীশঙ্কৰক দেখাৰ আগলৈকে পণ্ডিত প্ৰৱৰ মাধৱদেৱৰ মনত যি দম্ভ-দৰ্প-অভিমান আছিল, তেখেতক দৰ্শন পোৱাৰ লগে লগে সকলো মষিমূৰ হ'ল। শ্ৰীশঙ্কৰৰ চকু-মুখত আধ্যাত্মিকতাৰ জ্যোতি, তেজৰ প্ৰভাৱ দেখি শৰীৰৰ সৰ্ব্বাঙ্গ শিয়ঁৰি উঠিল, মন সঙ্কুচিত হৈ পৰিল। পলকতে ভৰিত পৰি সেৱা জনালে……।

পিচদিনা গুৰু মানি শৰণ ললেহি।······শঙ্কৰ-মাধৱৰ এই মহা-মিলনৰ ফল সুদূৰ-প্ৰসাৰী আৰু মানৱ-জাতিৰ পক্ষে অতি মঙ্গলময়। এইয়া প্ৰত্যেক অসমীয়াই জনা কথা।

মহাসাধক ৰামকৃষ্ণ পৰমহংসৰ লগত বিবেকানন্দৰ (তেতিয়াৰ নৰেন্দ্ৰনাথ) প্ৰথম মিলনৰ চিত্ৰও চিত্তাকৰ্ষক। পৰমহংসৰ অলৌকিক কীৰ্ত্তি-কাহিনী শুনি ধৰ্ম্মপ্ৰাণ, তত্ত্বপিয়াসী নৰেন্দ্ৰনাথে তেওঁক চাবলৈ আহিছিল। এই দৰ্শন—দুজন মহামানৱৰ মিলন, ইতিহাসত উজ্জ্বল হৈ ৰ'ল।

"দিব্যোন্মাদ ৰামকৃষ্ণই নৰেন্দ্ৰক দেখিলে,—তেওঁৰ চকু, মুখ, শৰীৰৰ সৰ্ব্বাঙ্গ ভালকৈ নিৰীক্ষণ কৰিলে। মনে মনে ভাবিলে—বিষয়ী লোকৰ আবাসস্থল জনাকীৰ্ণ কলিকতা চহৰত সত্বগুণৰ আধাৰস্বৰূপ এই নৰেন্দ্ৰনাথৰ জন্ম কেনেকৈ সম্ভৱ হ'ল? চাৰিও ফালৰ ভোগ পঙ্কিলতাৰ মাজত ইমান শুদ্ধ, ইমান ত্যাগদীপ্ত জীৱনৰ অভ্যুদয় কোন দৈৱ-নিৰ্দ্দেশত সংঘটিত হ'ল। নৰেন্দ্ৰনাথেও ৰামকৃষ্ণক দেখিলে। তেওঁৰ দৃষ্টিত গম্ভীৰ বিস্ময় আৰু জিজ্ঞাসা। খন্তেক পিচতে ৰামকৃষ্ণই তেওঁক এটি গান গাবলৈ অনুৰোধ কৰিলে। তেওঁ গান গোৱাৰ লগে লগে তন্ময়তা আহি পৰিল, আৰু ৰামকৃষ্ণদেৱ সমাধিস্থ হৈ পৰিল। তাকে দেখি নৰেন্দ্ৰৰ অন্তৰ-প্ৰদেশ গভীৰ চিন্তা আৰু আবেগত আলোড়িত হৈ পৰিল। মুহূৰ্ত্তৰ ভিতৰতে দুজন মহাত্মাৰ অন্তৰ-জীৱনত যেন মহাবিপ্লৱ ঘটি গল।"* ····

"পৰমহংসই সুধিলে 'ইমান পলমকৈ আহিলা কিয়? কিমান দিনাৰে পৰা মই তোমাৰ কাৰণে অধীৰভাৱে অপেক্ষা কৰি আছো; তুমি জানো এবাৰো ভবা নাই?' গভীৰ চিন্তা আৰু অবৰ্ণনীয় মনোভাৱ লৈ সেই দিনা নৰেন্দ্ৰনাথ ঘৰলৈ আহিল।"

যি কাৰণত উষাই অনিৰুদ্ধক স্বপ্নত দেখি দিঠকত পাবৰ

---

* 'যুগাচাৰ্য্য বিবেকানন্দ' নামৰ কিতাপৰপৰা।

কাৰণে উন্মাদিনীপ্ৰায় হৈ পৰিছিল; যি বিশেষ কাৰণত বিয়েত্ৰিচ নামৰ সৰু ছোৱালীজনীক দেখি ডান্টেৰ সৰ্ব্বশৰীৰ, সমস্ত মনোজগত কঁপি উঠিছিল; সেই একেটা কাৰণতে নিশ্চয় নৰেন্দ্ৰনাথক দেখি ৰামকৃষ্ণৰ হৃদয় উদ্বেলিত হৈ উঠিছিল। প্ৰকৃততে এই প্ৰেম পূৰ্ব্বৰ পৰাই হৃদয়ত গোপনে বিৰাজ কৰে। ই এক সুপ্তপ্ৰায় প্ৰেমৰ বীজ। বতাহ আৰু পানী পালেই হঠাৎ সি বিকশিত আৰু অঙ্কুৰিত হৈ উঠে। প্ৰেমৰ স্বভাৱেই এনে। কাঠত জুই থাকে; ঘঁহনি খালেই সেই জুই জ্বলি উঠে। প্ৰেমপূৰ্ণ দুখনি হৃদয় ওচৰা-ওচৰি হলেই সম্মিলিত হৈ পৰে। এই মিলন দেহাৰ নহয়; মনৰ, প্ৰাণৰ, আত্মাৰ। এই প্ৰেম গভীৰ আৰু নিঃস্বাৰ্থ। এই প্ৰেমে জীৱনৰ জড়তা, মনৰ নীচতা, অন্তৰৰ দীনতা, হৃদয়ৰ দুৰ্ব্বলতা, প্ৰাণৰ নিৰ্জ্জীৱতা, মূৰ্খৰ অজ্ঞতা, জ্ঞানীৰ অলসতা, মোহৰ অন্ধতা, আৰু সংসাৰৰ অসাৰতা বিদূৰিত কৰি মানুহক মহান কৰি তোলে, জীৱনৰ সাৰ্থকতা আনে।

প্ৰেমৰ স্বৰূপ

প্ৰেম শব্দৰ অৰ্থ ভালপোৱা। ই মৰম, স্নেহ, প্ৰীতি, ভক্তি আদি সকলো সামৰে। সন্তানৰ প্ৰতি স্নেহ, পিতৃ-মাতৃৰ প্ৰতি ভক্তি---এইদৰে কোৱা হয়। এইবোৰ প্ৰেমৰে বিভিন্ন নাম বা ৰূপ মাথোন। নৰ-নাৰীৰ মাজত থকা ভালপোৱাকে বহুসময়ত 'প্ৰেম' শব্দেৰে বুজোৱা হয়। কিন্তু প্ৰকৃততে কাম-বাসনাকে প্ৰেম নোবোলে। মানৱ-হৃদয়ৰ এই প্ৰেমভাৱ নানাভাৱে প্ৰকাশ পায়। যেনে—দেশপ্ৰেম, মানৱ-প্ৰেম, ঈশ্বৰ-প্ৰেম, পত্নী-প্ৰেম, সৌন্দৰ্য্য-প্ৰেম, ইত্যাদি। এইবোৰ হৃদয়-বৃত্তি প্ৰেমৰ বা ভালপোৱাৰ বিভিন্নমুখী ধাৰা।

বাহ্যতঃ বিকাশৰ বিভিন্নতা থাকিলেও, প্ৰেমৰ অনুভূতিৰ কোনো প্ৰভেদ নাই; মানসিক অৱস্থা সকলোতে একে। এগৰাকী সতী তিৰোতাই স্বামীক যেনেকৈ ভাল পায়, এজন মহাকৃপণেও তেওঁৰ সযত্ন-সঞ্চিত ধনৰাশিক তেনেকৈয়ে ভাল পায়। এজন গ্ৰন্থকীট ছাত্ৰই কিতাপ পঢ়ি যিমান ভাল পায়, এজন দেশ-প্ৰেমিকে দেশখনক বা দেশৰ মানুহক সিমানেই ভাল পায়। সন্তানৰ প্ৰতি মাকৰ ভালপোৱা যেনে, ভগৱানৰ প্ৰতি ভক্তৰ ভালপোৱাও তেনে। সকলোৰে একেই অনুভূতি। শকুন্তলাই দুষ্মন্তক, সাবিত্ৰীয়ে সত্যৱানক, প্ৰহ্লাদে ভগৱানক, ৰামচন্দ্ৰই সীতাক, চাহজাহানে মমতাজক, শিৱাজীয়ে স্বদেশ আৰু স্বজাতিক, জোৱান ডার্কে ফ্ৰান্সদেশক, মানুহে নিজৰ দেহাটোক, ভোমোৰাই ফুলক আৰু গাইজনীয়ে দামুৰিটোক ভালপোৱাৰ মাজত কোনো মৌলিক পাৰ্থক্য নাই। সকলোতে একে ভালপোৱা ভাৱৰ বিকাশ। ৰামচন্দ্ৰক পত্নী সীতাই, মাক কৌশল্যাই, পিতাক দশৰথে, ভায়েক

লক্ষ্মণ আৰু ভৰতে আৰু ভক্ত হনুমানে একেদৰেই ভাল পাইছিল। প্ৰেমাঞ্জলিৰ ফুলৰ ৰং বেলেগ বেলেগ হলেও আন্তৰিক ভাবৰ মূলগত বৈশিষ্ট্য একেই।

এই ভালপোৱা ভাৱে জীৱন আৰু জগত জুৰি আছে। ই পৰমেশ্বৰৰ অতুলনীয় দান; সৃষ্টি-চাতুৰ্য্যৰ অখণ্ডনীয় বিধান।

সাধাৰণ দৃষ্টিত আমাৰ চকুত যিটো বস্তু 'প্ৰেম' বুলি প্ৰতীয়মান হয়, দৰাচলতে সি প্ৰেম নহবও পাৰে। উজ্জ্বল বস্তু মাত্ৰেই সোণ নহয়। আন্ধাৰে মুধাৰে চিনিব নোৱাৰি মানুহে কেতিয়াবা 'জালকে জকাই আৰু গিৰিয়েককে ককাই, বোলে। কেতিয়াবা পিতলকে সোণ বুলিও ভ্ৰম হয়। সেইয়া হয়তো সাধাৰণ ভালপোৱা বা 'মোহ' মাথোন। বহুতে এই 'মোহ'কে 'প্ৰেম' বুলি ভুল কৰে। মানুহে অনেক বস্তুক বা অনেক মানুহক ভাল পায়। তাক 'প্ৰেম' নোবোলে। পুৰুষ আৰু নাৰীৰ জৈৱিক আকৰ্ষণো স্বৰূপাৰ্থত প্ৰেম নামৰ যোগ্য নহয়। সি হৈছে দেহৰ আকৰ্ষণ। তেনে আকৰ্ষণ সকলো জীৱ-জন্তুৰে থাকে। এনে ক্ষেত্ৰত প্ৰেম শব্দ ব্যৱহাৰ কৰিলেও তাক 'পাশৱিক প্ৰেম' (Animal love) বুলিব লাগিব।

নৰ-নাৰীৰ তথাকথিত প্ৰেম-পূৰ্ণ প্ৰণয়-কাহিনীৰ কোটি কোটি বিচিত্ৰ ৰূপ-চিত্ৰ জগতৰ সাহিত্যত আছে। সেই আটাইবোৰ বিমল প্ৰেমৰ উজ্জ্বল ছবি নহয়। বহু সময়ত ৰূপ-যৌৱনৰ মাদক-তাৰপৰা ওপজা 'মোহ'কে প্ৰেম বুলি ধৰি লৈ এনেবোৰ চিত্ৰ অঁকা হৈছে। যৌৱন-সুলভ আৱেগিক অনুভূতি বা ৰূপৰ 'মোহ' প্ৰেম নহয়। হাজাৰ হওক সি বাহ্যিক আৰু ক্ষণস্থায়ী। তাত আসক্তি আছে, স্বাৰ্থপূৰণৰ কামনা আছে। তাত ভোগৰ বাসনা আছে, আৰু বিৰহৰ তাড়না আছে। প্ৰকৃত প্ৰেমত কেৱল আনন্দ অনুভূতিহে আছে; বিৰহৰ ছাটি-ফুটি নাই। তাত সম্ভোগৰ মায়া নাই; অতৃপ্তিৰ ছাঁয়া নাই।

যি প্ৰেমে নিজলৈ কিবা বিচাৰে, সি স্বাৰ্থ-জড়িত লৌকিক প্ৰেম, বা প্ৰেমৰ সাধাৰণ স্তৰ। ইয়াক জগতৰ সৰ্ব্বত্ৰ দেখা যায়। তাকে লৈ সাধাৰণতে সকলো মানুহ চলে। ই জীৱৰ স্বাভাৱিক লক্ষণ, জৈৱিক প্ৰবৃত্তিৰ বিকাশ। মানুহৰ ক্ষেত্ৰতো ই অতি প্ৰবল আদিম প্ৰবৃত্তি। ইয়াৰ প্ৰয়োজন অস্বীকাৰ কৰিব নোৱাৰি সঁচা; কিন্তু ইয়াক সুনিয়ন্ত্ৰিত কৰাহে মানুহৰ কৰ্ত্তব্য। এই সহজাত প্ৰবৃত্তিক সম্পূৰ্ণৰূপে দমন কৰিব নোৱাৰি; আৰু কৰিবও নালাগে। মাথোন সুসংযতভাৱে তাৰ ব্যৱহাৰ কৰিব লাগে। কামনাৰ অসংযত আচৰণে মানুহক পশুৰ শাৰীলৈ নমায়। কিন্তু মানুহ কেতিয়াও পশু হব নোৱাৰে। কাম-বাসনা-প্ৰবৃত্তিক পৰিশোধন বা বিশুদ্ধীকৰণ কৰাহে মানুহৰ কাম; আৰু সেই বিশুদ্ধীকৃত ৰূপহে 'প্ৰেম' নামৰ যোগ্য। ই চিন্তাৰ গভীৰতা, মনৰ উদাৰতা, চিত্তৰ প্ৰশান্ততা আৰু ভালপোৱা ভাবৰ কামগন্ধবিহীনতাৰ ওপৰত নিৰ্ভৰ কৰে। গাখীৰ মথি মাখন তৈয়াৰ কৰাৰ দৰে, জৈৱিক কামনাক বা ভালপোৱা প্ৰবৃত্তিক চিন্তা আৰু সংযমেৰে শোধন কৰি বিশুদ্ধ ৰূপত গ্ৰহণ কৰিব লাগে। ভালপোৱা জানিবা কেঁচা খোৱা বস্তু, আৰু প্ৰেম জানিবা তাকে সিজাই-পকাই তৈয়াৰ কৰা ৰুচিকৰ খাদ্য।

প্ৰকৃত প্ৰেমৰ পৰিচয় দিবলৈ, জয়জয়তে ৰামায়ণৰ চৰিত্ৰ কেইটামানৰে চানেকি লোৱা হওক। মহাসতী সীতাৰ স্বামী-ভক্তিৰ তুলনা বিশ্বসাহিত্যত বিৰল। গোটেই ৰামায়ণত ইয়াৰ পুনৰাবৃত্তি ঘটিছে। ৰামৰ লগত সীতাদেৱী বনলৈ গ'ল; গভীৰ অৰণ্যবাসৰ দুখ-বেদনা হাঁহি-মুখে বৰণ কৰি ল'লে। কিয়? তেওঁতো অযোধ্যাৰ ৰাজকাৰেঙৰ বিলাসিতাৰ মাজতে বছৰ কেইটা কটাই ৰাম-স্বামীৰ শুভাগমনলৈ বাট চাই ৰ'ব পাৰিলেহেঁতেন। ৰামেতো তেওঁক যাবলৈ বাৰম্বাৰ মানা কৰিছিল। সীতাৰ বিষয়ে তেনে ভাব মনলৈ আনিবই নোৱাৰি। ই কল্পনাতীত। ভাৰতীয়

আদৰ্শৰ প্ৰতীক আৰু সতীত্বৰ অতুলনীয় নিদৰ্শনস্বৰূপা সীতাই ছাঁৰ দৰে স্বামীক অনুসৰণ কৰাটোহে অতি স্বাভাৱিক। পানী সদায় শীতল হোৱা আৰু তললৈ বৈ যোৱা যেনে, সীতা ৰামচন্দ্ৰৰ অনুগামিনী আৰু সুখ-দুখৰ সমভাগিনী হোৱাও তেনে স্বাভাৱিক। ই যেন স্বতঃসিদ্ধ; বেলিটো পুবফালে ওলাই পশ্চিমফালে মাৰ যোৱাৰ নিচিনা সহজ, সৰল আৰু সত্য।

ৰামস্বামী বনলৈ ওলাল। বনবাস নিশ্চয় অতি কষ্টকৰ। তেওঁ যদি লগত থাকে, তেন্তে স্বামীদেৱতাৰ দুখ-কষ্টৰ নিশ্চয় লাঘৱ হব; লাঘৱ কৰিবলৈ তেওঁ প্ৰাণপণে চেষ্টা কৰিব। সীতা ৰামৰ পত্নী। সীতাই ৰামচন্দ্ৰৰ সুখ-সন্তোষৰ কাৰণে চেষ্টা কৰা বা যথাসম্ভৱ ত্যাগস্বীকাৰ কৰাই ধৰ্ম্ম। এয়েই নাৰীৰ ধৰ্ম্ম। এয়েতো মানৱ-ধৰ্ম্ম। (সেয়ে নহলে, ব্যক্তিগত জীৱনতো সুখ-শান্তি নাপায়; আৰু সামাজিক জীৱনতো শান্তি-শৃঙ্খলা বিৰাজ কৰিব নোৱাৰে।) স্বামী-স্ত্ৰীয়ে, উভয়ে উভয়ক ভাল নোপোৱাটো পাপ; আৰু উভয়ে উভয়ক উত্তমৰূপে ভালপোৱাই ধৰ্ম্ম। গতিকে ৰামচন্দ্ৰক সুখ-সন্তোষ দিয়াৰ অৰ্থে ই সীতাদেৱী বনলৈ গৈছিল। তেওঁৰ (সীতাৰ) সঙ্গই ৰামক সুখ দিব—সেয়ে তেওঁৰ মনোভাৱ বা অভিলাষ। ৰামচন্দ্ৰৰ অনুপস্থিতি আৰু বিৰহত তেওঁৰ কিবা কষ্ট হব—সেইটো সীতাই চিন্তা কৰা নাই; ৰামে কষ্টভোগ কৰা বা নকৰাটোহে সীতাৰ একমাত্ৰ চিন্তাৰ বিষয়। সীতা নিজৰ কাৰণে বনলৈ যোৱা নাছিল—ৰামৰ কাৰণেহে গৈছিল। ৰামৰ কাৰণেই নিজৰ জীৱন যৌৱন, সুখ-সন্তোষ, সকলো হাঁহি হাঁহি ত্যাগ কৰিবলৈ সীতা সদা-সৰ্ব্বদা সাজু আছিল। বাস্তৱতে, শ্ৰীৰামচন্দ্ৰৰ জীৱন যজ্ঞত সীতাই তেওঁৰ জীৱনৰ সকলোখিনি পূৰ্ণাহুতি দিছিল। তাকে কৰি সীতাই মহানন্দ অনুভৱ কৰিছিল। সেয়ে প্ৰেম। এই আত্মত্যাগ আৰু আনন্দ-অনুভূতিয়েই প্ৰেমৰ ধৰ্ম্ম আৰু লক্ষণ।

লক্ষ্মণৰ ভাতৃ-প্ৰেম অনুমান কৰাই কঠিন। সীতাদেৱী জানিবা

স্বামী-ভক্তিত তদ্‌গদ্ হৈ তেওঁৰ অনুগামিনী হ'ল। লক্ষ্মণে ইমান ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিলে কিহৰ গৰজত? তেওঁ দেখিলে যে অযোধ্যাৰ ভাবী অধীশ্বৰ ৰজা ৰামচন্দ্ৰ আৰু তেওঁৰ প্ৰিয়তমা পত্নী, ভাবী মহাৰাণী সীতা বনবাসত অকলশৰীয়া হব। অগণন হিংস্ৰজন্তু আৰু অসুৰ-ৰাক্ষসেৰে ভৰা দুৰ্গম অৰণ্যবাস কিমান যে কষ্টকৰ আৰু বিপদ-শঙ্কট-সঙ্কুল! তাত তেওঁলোক নিঃসহায় হ'লে কেনেকৈ হব? ৰামচন্দ্ৰৰ নিচিনা সৰ্ব্বগুণশালী পুৰুষ এজনক অযোধ্যাৰ নিৰীহ প্ৰজাই এদিন ৰজা হিচাপে পাবই লাগিব— হেৰুৱাব নালাগিব। চৈধ্য বছৰৰ বনবাসৰ পিচত ৰামচন্দ্ৰ উভতি আহি অযোধ্যাৰ ৰাজসিংহাসন পূৰ্ণ কৰি 'ৰাম-ৰাজ্য' পাতিবহি লাগিব। ইয়াত অযোধ্যাৰ প্ৰজাবৰ্গৰ স্বাৰ্থ আৰু ৰঘুবংশৰ মান-মৰ্য্যাদাৰ প্ৰশ্ন নিহিত আছে। গতিকে, লক্ষ্মণৰ নিজৰ বাবে নহয়, পৰৰ কাৰণেই ৰামচন্দ্ৰক সহস্ৰ বিপদত ৰক্ষা কৰিবলৈ, তেওঁ (লক্ষ্মণ) লগত নাথাকিলেই নহব। কি অনুপম পদাৰ্থপৰতা! আকৌ, লক্ষ্মণে নিজেও অগ্ৰজ ৰামচন্দ্ৰক ভাল পাইছিল, ভক্তি কৰিছিল—অতি গভীৰভাবে: তেওঁ দেখিলে—ভৰত আহি ৰজা হব; ৰাজ্য ৰক্ষা কৰিব আৰু মাক-দেউতাককো নিৰ্ব্বিঘ্নে পালন কৰিব। তেওঁলোকৰ কাৰো বিশেষ অসুবিধা নহব। তেনে দুৰ্ভাবনাৰ কোনো সম্ভাৱনা বা আৱশ্যকতা নাই। কিন্তু ৰামচন্দ্ৰ? আৰু সীতাদেৱী? তেওঁলোকক কোনে চাব? গতিকে, ৰাম-সীতাৰ মঙ্গল, দেহ-ৰক্ষা আৰু সেৱাৰ কাৰণে লক্ষ্মণে নিদাৰুণ বনবাস বৰণ কৰিলে। এই প্ৰেমৰ মহত্ত্ব অসীম! এই প্ৰেম আকাশলঙ্ঘী ত্যাগৰ দীপ্তিৰে উজ্জ্বল! এয়েহে প্ৰকৃত প্ৰেম।

আকৌ ভৰত! তেওঁ মোমায়েকৰ ঘৰৰপৰা আহিয়েই মাকক অনেক কটুকথা শুনালে, কান্দিলে, আৰু খঙে-দুখে জৰ্জ্জৰিত হৈ চকুপানী মচি মচি প্ৰাণৰ দদা ৰামচন্দ্ৰক বনবাসৰপৰা ঘূৰাই আনিবলৈ গ'ল। ৰাম কিন্তু দৃঢ়প্ৰতিজ্ঞ আৰু নিৰ্ব্বিকাৰ। তেওঁ

উলটি নাহিল। ভৰতে ৰামৰ খৰমযোৰকে খুজি আনি, সিংহাসনত থাপি, মাটিতে লেপেটা কাঢ়ি বহি (অৰ্থাৎ তপস্বীৰ দৰে জীৱন যাপন কৰি), ৰাজ্যশাসন কৰিবলৈ ধৰিলে। ভৰতে ৰাজ-সুখ-ভোগৰ আশা কদাচিতো মনলৈ অনা নাছিল। তেনে লোভ ভৰতৰ নাছিল—থাকিবই নোৱাৰে। তেওঁ ৰামৰ কাম কৰিছিল। ৰামৰ কাৰণে, ৰামৰ হৈ ৰাজ্যৰ শাসনদণ্ড হাতত তুলি লৈছিল। তেওঁ যদি ৰজা নহয়, তেন্তে ৰামৰ ৰাজ্যত বিঘিনি ঘটিব; সেইহে ৰজা হবলৈ বাধ্য হৈছিল। লক্ষ্মণে বনবাস খাটি যিদৰে ৰামৰ সেৱা কৰিছিল, ভৰতেও সেইদৰে অযোধ্যাৰ ৰজা হৈ ৰামৰেই সেৱা কৰিছিল। এজনে ওচৰত অৰণ্যত থাকি, আৰু আনজনে আঁতৰত ৰাজকাৰেঙত থাকি নিজৰ নিজৰ কৰ্ত্তব্য সুসম্পন্ন কৰিছিল। ভৰতৰ উদাৰতা আৰু ত্যাগ, কৰ্ত্তব্যপৰায়ণতা আৰু প্ৰেমৰ তুলনা নাই।

এইবাৰ হনুমান। হনুমান মহাভক্ত। উপাখ্যানৰ মতে তেওঁ বুকুফালি ৰাম-সীতাৰ শ্ৰীমূৰ্ত্তি হৃদয়ত অঙ্কিত হৈ থকা দেখুৱাইছিল; আৰু 'ৰাম' বুলি দুৰ্লঙ্ঘ্য সাগৰ জাপ মাৰি পাৰ হৈছিল। হনুমানৰ ৰাম-সীতাৰ প্ৰতি থকা দৃঢ় ভক্তি আমাৰ আদৰ্শ। সীতাক বিচাৰি গৈ, পোন প্ৰথমে ৰাৱণৰ অশোক বনত সীতাক দেখি ভক্ত হনুমানে প্ৰেমৰ আবেগত কান্দি পেলালে। মহাকবিয়ে হনুমানৰ প্ৰথম সীতা-দৰ্শনৰ এটি আৱেগিক বৰ্ণনা দিছে। হনুৰ প্ৰেম-ভক্তিৰ পৰিচয় বিচাৰি ইয়াৰ বাহিৰলৈ যাব নালাগে। হনুমানৰ কান্দোনৰ নিচিনা কান্দোনেই প্ৰেম-ভক্তিৰ প্ৰধান লক্ষণ। যি মানুহে এনেকৈ কান্দি পোৱা নাই, সি প্ৰকৃত প্ৰেমানুভূতি কি নাজানে, আৰু বিমল আনন্দৰ সোৱাদ কেনেকুৱা নুবুজে। ই নিতান্ত সঁচা।

প্ৰাচীন চীনদেশৰ সংস্কাৰক আৰু ধৰ্ম্মগুৰু কনফুচিয়াচে প্ৰেমৰ স্বৰূপ এইবুলি নিৰ্ণয় কৰিছে—"সমগ্ৰ মানৱ জাতিক ভালপোৱাই প্ৰেম।" বহলাই কবলৈ গলে—"কাম্যবস্তু পোৱাতকৈ কাম্যবস্তু পাবৰ কাৰণে কৰা প্ৰচেষ্টাক বেচি প্ৰেয় বুলি ধৰি লোৱাই প্ৰেম।

কোনো এটা বস্তু পাবলৈ কাম কৰাত আনন্দ আছে; কিন্তু কোনো লক্ষ্যত উপনীত হোৱাৰ বা শেষত কিবা ফল পোৱাৰ আশা এৰি কেৱল কাম কৰাৰ কাৰণেই যি আনন্দ পোৱা যায়, সেই আনন্দই প্ৰেম। এই জন্মতে হওক, বা পৰকালতে হওক, কোনো ফল বাঞ্ছা কৰি কাম কৰিলে, সেই কামৰ কাৰণে পোৱা আনন্দ প্ৰেম নহয়। ভাল কাম কৰা ভাল—এইবুলি ভাবি কাম কৰি যি আনন্দ পোৱা যায়, সেই আনন্দই প্ৰেম। প্ৰেমেই প্ৰেমৰ ফল। প্ৰেমেই প্ৰেমৰ লক্ষ্য। ই আন কিবা পোৱাৰ সহায়ক বা উপায় নহয়। প্ৰেমে সকলো বস্তুকে সুন্দৰ কৰি তোলে। প্ৰেমে মানুহৰ অন্তৰলৈ শান্তি আনে।"* এজনক কামনাহীনভাৱে প্ৰেম বিলাব পাৰিলে, প্ৰেমৰ পৰিধি বাঢ়ি বাঢ়ি গৈ গোটেই মনুষ্যজাতিকে, (গোটেই বিশ্বকে) সামৰি লয়। সেয়ে প্ৰেমৰ পৰিপক্ক অৱস্থা। সেই কাৰণে কনফুচিয়াচে 'সমগ্ৰ মানুহজাতিক ভাল পোৱাই প্ৰেম, বুলি চমুকৈ কৈছে।

প্ৰেমৰ এই সূত্ৰ সৰ্ব্বাঙ্গসুন্দৰ। প্ৰকৃত প্ৰেমৰ এয়ে নিজাৰূপ। ই কামগন্ধবিহীন। ইয়াক Love for love's sake বা 'প্ৰেমৰ বাবেই প্ৰেম' বোলা হয়। ইয়াত মিলন বা ঈপ্সিত ফললাভৰ অভিলাষ নাই। এজন অসমীয়া কবিয়ে ঠিকেই কৈছে—

প্ৰেমে নিবিচাৰে বিৰহ মিলন,
বিচাৰে মাথোন বুকুৰ সুৰ;
প্ৰেমৰ কাষত জগত থনেই
যাউতি যুগীয়া অলকাপুৰ।

প্ৰকৃত প্ৰেমত বিৰহো নাই, মিলনো নাই; আছে মাথোন অনাবিল ভালপোৱা, আৰু তাৰপৰা ওপজা স্বাভাৱিক আনন্দ। কবিয়ে সেই নিৰ্ম্মল আনন্দকে 'বুকুৰ সুৰ' বুলিছে। সেই প্ৰেমে অলকাপুৰ সৃষ্টি কৰে; অৰ্থাৎ মহাসুখ প্ৰদান কৰে। তেনে প্ৰেমিকে জগতখন সুখময় দেখে।

* 'কনফুচিয়াচ' নামৰ কিতাপৰপৰা।

মহাপুৰুষ মাধৱদেৱে 'নামঘোষা'ৰ আৰম্ভনিতে 'মুক্তিত নিস্পৃহ যিটো—সেহি ভকতক নমো'—বুলি নিষ্কাম ভক্তলৈ সেৱা জনাইছে। একান্ত ভক্তৰ মনত কোনো কামনা নাই। তেওঁ ভগৱানৰ ওচৰত মুক্তিৰ সুখো কামনা নকৰে। প্ৰেম-ভক্তিয়েহে ভক্তৰ একমাত্ৰ কাম্য। ভাগৱত আদি ভক্তি-শাস্ত্ৰত এনে নিষ্কাম ভক্তি আৰু ভক্তৰ অনেক পটন্তৰ আছে। নৰসিংহৰূপী বিষ্ণুয়ে প্ৰহ্লাদৰ ভক্তিত তুষ্ট হৈ অভীষ্ট বৰ লবলৈ কওঁতে তেওঁ প্ৰত্যাখ্যান কৰি কৈছিল যে, তেওঁৰ (প্ৰহ্লাদৰ) কোনো বাঞ্ছা নাই; তেওঁ একো নিবিচাৰে। তেওঁ ভক্তিৰ বেপাৰী নহয়। অৰ্থাৎ বেপাৰীয়ে যেনেকৈ লাভৰ কাৰণে বেপাৰ কৰে, তেওঁ তেনে কোনো লাভ বা সিদ্ধিৰ আশাত ভগৱন্তক ভজনা কৰা নাই। এয়ে যথাৰ্থ প্ৰেম বা ভক্তি। জগতৰ সকলো মহৎ লোকে ইয়াক অনুভৱ কৰি আৰু তাৰ কাৰণে সাধনা কৰি গৈছে। (প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে মানৱ হৃদয়ৰ প্ৰেম ঈশ্বৰমুখী হলে তাকে ভক্তি বোলে। আকৌ কেন্দ্ৰীভূত ঈশ্বৰপ্ৰেমে প্ৰসাৰতা লাভ কৰি বিশ্ব-প্ৰেমত পৰিণত হয়। ই প্ৰেমৰ উন্নত স্তৰ। সেই অৱস্থাত মানুহে বিশ্বৰ সকলোতে ঈশ্বৰত্ব উপলব্ধি কৰে। মহাপুৰুষ শঙ্কৰদেৱে সেই কাৰণে 'কীৰ্ত্তন'ৰ কেইফাকিমান পদত কৈছে যে ভগৱান সকলো মানুহ আৰু জীৱৰ ভিতৰতে আত্মাৰূপে আছে। গতিকে, জ্ঞান-চকুৰে চাই সকলোকে ঈশ্বৰ-জ্ঞান কৰিবলৈ অভ্যাস কৰিব লাগে। আত্মা ঈশ্বৰৰ ৰাজ্যত সৰু-বৰ নাই। তাত আছে কেৱল প্ৰেম আৰু অবৰ্ণনীয় আনন্দ। সেয়ে জ্ঞান-ভক্তিৰ উচ্চতম স্তৰ)।

পৰমহংস ৰামকৃষ্ণদেৱে প্ৰেমৰ পৰিচয় আৰু লক্ষণ বৰ মনোগ্ৰাহীকৈ বৰ্ণাইছে। প্ৰেমৰ তিনিটা বিভাগ আছে। প্ৰথমতে প্ৰেমৰ নিম্নতম স্তৰ। এই স্তৰত প্ৰেমিকে নিজৰ তৃপ্তি-সন্তুষ্টিৰ কাৰণে প্ৰেমত প্ৰবৃত্ত হয় বা ভাল পায়। ই অধম প্ৰেম। কেৱল নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে আৰু প্ৰতিদান বিচাৰি এই প্ৰেম নিবেদন

কৰা হয়। এনে প্ৰেমিকৰ সংখ্যাই সংসাৰত সৰহ। দ্বিতীয়তে, প্ৰেমিকে যদি নিজৰ লগতে প্ৰেমাস্পদৰো সুখ-সন্তোষ কামনা কৰে, তেন্তে সি মধ্যম প্ৰেম। ইয়াত উভয়ৰে সুখ-সম্ভোগৰ বাসনা বৰ্ত্তমান। এই প্ৰেমো নিঃস্বাৰ্থ নহয়। তৃতীয় আৰু উত্তম বিধেই নিঃস্বাৰ্থ প্ৰেম। প্ৰেমিকে যেতিয়া নিজৰ কথা নাভাবি, ভাল-পোৱাজনৰ সুখ-শান্তি মাথোন বাঞ্ছা কৰে, সেয়ে উত্তম প্ৰেম। তেওঁৰ প্ৰেম, তেওঁৰ জীৱন, তেওঁৰ মন-প্ৰাণ সকলো ভালপোৱাজনৰ মঙ্গলৰ কাৰণেই সম্পূৰ্ণ নিয়োজিত হয়। (বিখ্যাত কবি-সাহিত্যিকৰ লিখাবোৰত এনে প্ৰেমৰ সুন্দৰ সুন্দৰ দৃষ্টান্ত পোৱা যায়। আন কথাত কবলৈ হলে, সাহিত্য যদি প্ৰেমমূলক হয়, তেন্তে এনেকুৱা পৱিত্ৰ আৰু নিষ্কাম প্ৰেমৰ মনোহৰ চিত্ৰ অঙ্কন কৰাই সাহিত্য-সৃষ্টিৰ একমাত্ৰ উদ্দেশ্য। তাকে কৰিব নোৱাৰিলে সাহিত্য চৰ্চ্চাই নিষ্ফল; সি বাঁজীগাই পোহাৰ নিচিনা বিফল পৰিশ্ৰম মাথোন। সাহিত্যত প্ৰেমে সৰহ ঠাই অধিকাৰ কৰি আছে; কিন্তু প্ৰকৃত প্ৰেমৰ মনোৰম চিত্ৰ অতি বিৰল। সেইবাবে মানৱ সমাজৰ বিশেষ উপকাৰ সাধন কৰিবতো নোৱাৰেই, বৰং অনিষ্টহে কৰে।)

'প্ৰেমৰ কাৰণে প্ৰেম' আৰু 'প্ৰেমাস্পদৰ কাৰণে প্ৰেম'—এই দুটা কথা মূলতে একেই। দুয়োতে একেই অনুভূতি। দুয়োটাতে নিষ্কাম ভাৱৰ খেলা। দুয়োটাই ত্যাগৰ ভেটিত প্ৰতিষ্ঠিত। ত্যাগৰ মনোভাৱ নাথাকিলে, কেৱল ভোগে কেতিয়াও কাকো তৃপ্তি দিব নোৱাৰে। নিঃস্বাৰ্থ প্ৰেমিক প্ৰেমৰ পূজাৰী। তেওঁলোক তথাকথিত 'প্ৰেম' বা আৱেগ-অনুভূতিৰ বলি নহয়। সীতালৈকে মন কৰক। তেওঁ অগ্নিপৰীক্ষা দিবলৈ সাজু হৈছিল; কাৰণ তাত তেওঁৰ প্ৰাণ-পতি শ্ৰীৰামৰ স্বাৰ্থ নিহিত আছিল। উদ্ধাৰ কৰাৰ পিচত ৰামে তেওঁক কলে যে ৰঘুবংশৰ সম্মান ৰক্ষাৰ কাৰণে আৰু তেওঁৰ (ৰামৰ) নিজৰ পৌৰুষৰ মৰ্য্যাদা বজাই ৰাখিবলৈকে সীতাক উদ্ধাৰ কৰিছিল—তেওঁৰ নিজৰ কাৰণে কেৱল নহয়। আকৌ, সীতাৰ

সতীত্বক তেওঁ বিশ্বাস কৰিব পাৰে; কিন্তু অইনেতো নকৰিব; সকলোৱে সন্দেহৰ চকুৰে চাব। গতিকে সীতা অগ্নি-পৰীক্ষাত উত্তীৰ্ণ হব লাগিব। সীতা সন্মত হ'ল—অৱশ্যে কান্দি কান্দি। কিয়নো, ৰামৰ সুখ-সন্তোষৰ কাৰণেই সীতাৰ জীৱন। চিৰজীৱন তেওঁৰ চৰণ সেৱা কৰিব—সেয়ে তেওঁৰ কামনা। তাকে কৰি ৰামক সুখ দিবলৈ নোপোৱাতহে সীতাৰ দুখ। সীতাৰ অবিহনে ৰামে দুখ পাব—সেইটো সীতাই ভালদৰে বুজিছিল আৰু সন্তাপ পাইছিল। আকৌ যদি সীতা মৰিলেহে ৰঘুবংশৰ মৰ্য্যাদা আৰু ৰামচন্দ্ৰৰ পুৰুষত্বৰ সন্মান ৰক্ষা পৰে, তেন্তে সীতাই মৰিবলৈকো সঙ্কোচ নকৰে। সীতাই মৰিও ৰামৰে কাম কৰিব—ৰামৰে সেৱা কৰিব। ৰামৰ কাৰণেই সীতা জীয়াই আছিল, ৰামৰ কাৰণেই বনলৈ গৈছিল, আৰু ৰামৰ কাৰণেই অগ্নিত পৰিবলৈকো কুণ্ঠিতা নহৈছিল। ৰামৰ কাৰণে মৰাটোৱেই তেওঁৰ কৰ্ত্তব্য হৈ পৰিছিল। যি কৰিলে ৰামৰ মঙ্গল হয়, সেয়ে তেওঁৰ কৰ্ত্তব্য বুলি ভাবিছিল। সেয়ে সীতাৰ মনোভাৱ। সীতাৰ এই প্ৰেম আৰু ত্যাগৰ আদৰ্শ সমস্ত ভাৰতবাসীৰে গৌৰৱময় সম্পদ। সেই কাৰণেই সীতা মহাসতী; সীতা নাৰী-ৰত্ন, ৰমণী-কুলতিলক। সীতাৰ কাহিনীয়ে বাস্তৱিকতে মনৰ কলুষ-কালিমা ঢোৱাই নিয়ে—চিত্ত শুদ্ধ কৰে।

বিজ্ঞ আৰু প্ৰতিভাশালী শিল্পী-সাহিত্যিকেহে প্ৰেমৰ এই স্বৰূপ ৰূপময় কৰি তুলিব পাৰে। অকৃত্ৰিম প্ৰেমৰ গভীৰতা সম্যকভাৱে অনুভৱ কৰা, আৰু তাক সুন্দৰ ৰূপত প্ৰকাশ কৰা যেই কোনো লিখক মাত্ৰৰে কাম নহয়। ৰামায়ণৰ চমু আখ্যান এটি উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। অকণমান আখ্যান এটিতে মহাকবিয়ে প্ৰেমৰ লক্ষণ আৰু মহত্ব কিদৰে প্ৰকাশ কৰিছে চাওক: বনবাসত থাকোঁতে এদিন ৰাম-লক্ষ্মণ শবৰী নামৰ তাপসী এগৰাকীৰ কুটিৰলৈ যাবলৈ ওলাল। বিশ্ব-বন্দিত প্ৰভু ৰামচন্দ্ৰৰ শুভাগমন প্ৰতীক্ষাৰতা ভক্তিমতী শবৰী

আনন্দ-বিহ্বলা হৈ পৰিল। তেওঁ ৰামক 'কি দিব, ক'ত থব' বুলি উখল-মাখল লগালে। আন একো নাপাই বেচেৰীয়ে আশ্ৰমৰে ভাল চাই বগৰী কেইটামান আনি ধুই-পখালি যতনাই ৰাখিলে। হঠাৎ শবৰীৰ মনলৈ আহিল যে, পূজনীয় ৰামচন্দ্ৰক তেওঁ খুব সোৱাদ চাইহে বগৰী খাবলৈ দিব। তাকে ভাবি শবৰীয়ে বগৰীবোৰ এটা এটাকৈ কামুৰি চাকি চালে, আৰু বেচি মিঠাবোৰ ৰাখি বাকীবোৰ আঁতৰ কৰিলে। ৰাম আহিল। ভক্তি সহকাৰে শবৰীয়ে বগৰী কেইটা আগবঢ়ালে। ৰামে আগ্ৰহেৰে খাবলৈ ধৰিলে। লক্ষ্মণে লক্ষ্য কৰিলে যে বগৰীবোৰ ঝুঠা—প্ৰত্যেকটো এফালে কামুৰি খোৱা। তেওঁ লাহেকৈ ৰামক কথাটো ক'লে। সৰ্ব্বজ্ঞ আৰু গুণাভিৰাম ৰামে কিন্তু হাঁহি এটা মাৰি কলে যে শবৰীয়ে সেইযা বগৰী ইমান ভক্তিভাৱেৰে দিছে যে নাখাই নোৱাৰি, আৰু খালেও একো বেয়া নহয়।

আখ্যানটো ইমানেই। সামান্য আখ্যানটিতে কিন্তু গভীৰ প্ৰেমৰ নিখুঁত চিত্ৰ অঙ্কিত কৰা হৈছে। প্ৰেমৰ তীব্ৰতাই শবৰীক উন্মনা আৰু আনমনা কৰি তুলিছে। ৰামক উচ্ছিষ্ট খাবলৈ দিয়া কথাটোও চিন্তা কৰিব পৰা নাই—পাহৰি গৈছে। হৃদয়-তলিৰপৰা ওলোৱা প্ৰেমৰ গভীৰতা জোখাৰ আন কোনো মাপ-কাঠি নাই। উন্মাদনা বা আপোন-পাহৰা অৱস্থা আৰু ত্যাগেই প্ৰেমৰ গভীৰতা জোখাৰ মাপ-কাঠি। কোনো কোনো কৃতী লিখকৰ ৰচনাত প্ৰেমৰপৰা ওপজা এনে উন্মাদনাৰ বৰ্ণনা পোৱা যায়। আকৌ, ত্যাগ যিমানেই বেচি হয়, মহৎ হয়, প্ৰেমৰ উৎকৃষ্টতাও সিমানে বাঢ়ে। এজনে হয়তো অতুলন ধন-সম্পদ প্ৰেমিক বা প্ৰেমিকাৰ কাৰণে ত্যাগ কৰিছে। কোনোৱে নিজৰ সুখ-ভোগ, আৰু কোনোৱে হয়তো গোটেই জীৱনকে প্ৰেমৰ বেদীত আহুতি দিছে। নিজৰ জীৱনতকৈ অধিক প্ৰিয়বস্তু আৰু নাই। গতিকে জীৱন ত্যাগেই শ্ৰেষ্ঠ ত্যাগ। সুগভীৰ প্ৰগাঢ় প্ৰেমে মৃত্যুৰো

সীমা চেৰাই যায়। মানুহ আৰু মানুহৰ জীৱন সত্য; কিন্তু জীৱনৰ ভিতৰৰে প্ৰেম যেন অধিক সত্য। মৃত্যু বা জীৱন-ত্যাগৰ মাপ-কাঠিৰে প্ৰেমৰ গভীৰতা জোখাৰ বিষয়ে ৰামকৃষ্ণদেৱৰ আমোদজনক গল্প এটি আছে।

এজন সন্ন্যাসীয়ে তেওঁৰ গৃহী শিষ্য এজনক সংসাৰ ত্যাগ কৰিবলৈ উপদেশ দিলে। শিষ্যজনে তেতিয়া কলে যে তেওঁৰ পত্নীগৰাকী অতিশয় পতিপৰায়ণা, চৰিত্ৰশীলা আৰু সতী। এনে পত্নীক এৰি থৈ সন্ন্যাসী হোৱাৰ আৱশ্যক নাই। এনে অৱস্থাত গৃহস্থী ধৰ্ম্মই মোক্ষলাভৰ উপায়। গুৰুৱে কলে যে তেওঁৰ অনুমান মিছা। লাগিলে তাৰ প্ৰমাণ দিব। কথামতে কাম হ'ল। এটা পৰিকল্পনা অনুসাৰে শিষ্যজনে গুৰুৰপৰা এপালি ঔষধ খাই সম্পূৰ্ণ মৃতকৰ দৰে পৰি থাকিল। ঘৰৰ সকলোৱে তেওঁক মৰিল বুলি জানিলে; আৰু কান্দোনত গছৰ পাত সৰালে। মাক আৰু ঘৈণীয়েকৰ বিননিত পাষাণো গলিবৰ উপক্ৰম হ'ল। তেনেতে গুৰু তাত উপস্থিত হলগৈ। তেওঁ মৃতকক জীয়াব পৰা ঔষধ এটা দিব পাৰে বুলি জনালে। তাকে শুনি আটাইখন জাপ মাৰি উঠিল, আৰু ততালিকে ঔষধ দিবলৈ অনুৰোধ কৰিলে। গুৰুৱে কলে যে তেওঁ ঔষধ দিব; কিন্তু সেই ঔষধৰ এনে এটি গুণ যে, যেয়ে খায় তেওঁ মৰিব, আৰু মৰাজন জী উঠিব। ঔষধৰ এই গুণৰ কথা শুনি মাক-ঘৈণীয়েক তুয়ো থৰ লাগিল, আৰু ঔষধ খাবলৈ অমান্তি হ'ল। অলপ আগতে মাকে কান্দি কান্দি কৈছিল যে পুতেকৰ অবিহনে তেওঁ জীয়াই নাথাকে। অধিক কি, তেওঁ পুতেকৰ লগতে মৰিবলৈ সাজু হৈয়েই আছে। ঘৈণীয়েকেও সেইদৰে মনৰ ভাৱ প্ৰকাশ কৰিছিল যে স্বামীৰ অবিহনে তেওঁ কেতিয়াও জীয়াই নাথাকে, আৰু অবিলম্বে চিতা-জুইত জাপ দিব। কিন্তু তথাপি, খন্তেকতে স্বামীক জীয়াবলৈ ঔষধ খাবলৈ সন্মত নহ'ল। গুৰুৱেও তেওঁক এবাৰ কৈ চালে,

কিন্তু ফল নধৰিলে। ল'ৰা-ছোৱালী কেইটাকে বুকুত বান্ধি লৈ জীয়াই থাকিবলৈ মনস্থ কৰিলে। যি হওক, শিষ্যজনে ঔষধৰ গুণত সকলো দেখি-শুনি আছিল; আৰু সতী (?) পত্নীৰ কাণ্ড-কাৰখানা দেখি লাহেকৈ উঠি গুৰুৰ লগত বনলৈ গুচি গ'ল।

এতিয়া চাওক,—মুখেৰে ভালবি বোলোৱা, অনেক মৰমৰ কথা কোৱা, 'প্ৰেমৰ বাণী' শুনোৱা পত্নীয়ে স্বামীৰ কাৰণে মৰিবলৈ নোলাল। আচলতে মৰিব নালাগে; মাথোন জীৱন পর্য্যন্ত বিসর্জ্জন দিবৰ কাৰণে মনক সাজু কৰি ৰাখিব লাগে। ঘৈণীয়েকে তেনে কৰিব নোৱাৰিলে। এই প্ৰেম নির্ভাজ নহয়। এই প্ৰেম প্ৰেমেই নহয়। এই 'প্ৰেম' পশু-পক্ষী আৰু বাঘ-ভালুক আদিৰ মাজতো আছে। ইয়াত ত্যাগৰ মনোভাব নাই, ভোগৰ বাসনাহে পূৰাকৈ আছে। নিজৰ দেহাটোৰ প্ৰতি মায়া-মোহ ত্যাগ কৰিব নোৱাৰিলে, পৰক সম্পূর্ণ ভালপোৱা বিলাব নোৱাৰে। তেতিয়া হে কামজ আকর্ষণ মাথোন বুলি বুজিব লাগে। সি পৰিশুদ্ধ অৱস্থা পালেহে প্ৰেমৰ শাৰীলৈ উঠিব।

মহাকবি কালিদাসৰ প্ৰেমৰ চিত্ৰ অতি চমৎকাৰ! ইয়াত কামজ বা দেহজ প্ৰেম স্তৰে স্তৰে উঠি গৈ আত্মিক, নিঃস্বার্থ প্ৰেমত পৰিণত হোৱাৰ চিত্ৰ আছে। শকুন্তলালৈ চাওক। তেওঁ দুষ্মন্তৰ কথা ভাবি ভাবি বাহ্যজ্ঞানশূন্যা হৈ পৰিল। নিজৰ কৰ্ত্তব্যৰ কথাও পাহৰি গ'ল। তেওঁ দুর্ব্বাসাৰ আগমন চকুৰে নেদেখিলে; দুর্ব্বাসাৰ ক্ৰোধদীপ্ত বাণী কাণেৰে নুশুনিলে। শকুন্তলাৰ এই আপোন-পাহৰা অৱস্থাই তেওঁৰ প্ৰেমৰ গভীৰতাৰ ইঙ্গিত দিছে। তথাপি সেই প্ৰেম কামজ আছিল। তেতিয়াও তাত কামনাৰ মলি কিছু পৰিমাণে আছিল। উভয়ৰে বিবাহ গোপনে, গান্ধর্ব্ব প্ৰথাৰে সম্পন্ন হৈছিল। কিন্তু দীৰ্ঘকাল বিৰহৰ জুয়ে পুৰি, সেই প্ৰেমক পবিত্ৰ কৰি তুলিলে। শেষত, মাৰীচৰ আশ্ৰমত পুত্ৰ ভৰতৰ যোগেদি তেওঁলোকৰ পুনর্মিলন ঘটিছে।

তেতিয়া তেওঁলোকৰ মনত দেহাৰ ক্ষুধা নাছিল, কামনা পুৰি ভস্ম হৈ গৈছিল। দৈহিক প্ৰেম তেতিয়া দেহাতীত ৰূপত, ইন্দ্ৰিয়াসক্তি তেতিয়া ইন্দ্ৰিয়াতীত ৰূপত পৰিণতি প্ৰাপ্ত হৈছিল। অকল দৈহিক তৃপ্তিৰ কাৰণে ইজনে সিজনক নিবিচাৰি, আত্মাৰ শান্তিৰ কাৰণে তেতিয়া উভয়ে উভয়ক বিচাৰিছিল। তেতিয়া শকুন্তলাই দুষ্মন্তৰ সুখৰ কথা আৰু দুষ্মন্তই শকুন্তলাৰ শান্তিৰ কথাহে ভাবিছিল— মাথোন নিজৰ সুখ-সন্তোষৰ কথা ভবা নাছিল। তাত আত্মত্যাগৰ বিকাশ দেখিবলৈ পোৱা যায়। দেহাৰ বিচ্ছেদ সহিব পৰা মানসিক অৱস্থা তেওঁলোকৰ তেতিয়া হৈছিল। গতিকে এই মিলন দুটি আত্মাৰ নিবিড় মিলন।

কালিদাসে প্ৰেমৰ এনে সুন্দৰ চিত্ৰ আঁকি মানৱ সমাজক উপহাৰ দি গৈছে। ধন্য কালিদাস!

কালিদাসৰ 'মেঘদূত' আৰু 'কুমাৰসম্ভৱ' কাব্যৰ প্ৰেমৰ চিত্ৰও অতি ৰমণীয় আৰু চমকপ্ৰদ। শিৱই কামদেৱক ভস্ম কৰিছিল, (অৰ্থাৎ কাম-বাসনাক জয় কৰিছিল); আৰু উমাই তপস্যাৰ বলেৰে নিজক বিশুদ্ধ কৰি তুলিছিল। উমাৰ মনত যি ইন্দ্ৰিয় তৃপ্তিৰ বাসনাৰ জুই উমি উমি জ্বলি আছিল, কঠোৰ তপস্যালব্ধ উপলব্ধিয়ে তাক নিৰ্ব্বাপিত কৰিলে। তেতিয়াহে তেওঁ শিৱৰ পত্নী হোৱাৰ যোগ্যতা অৰ্জ্জন কৰিলে। এয়ে অমৰ কাব্যৰ প্ৰেমচিত্ৰৰ চানেকি।

মেঘদূত কাব্যতো সম্ভোগ-সুখৰ তৃষ্ণা বিলুপ্ত হোৱাৰ উচ্চতৰ মানসিক অৱস্থাৰ চিত্ৰ আছে।

স্বামী বিবেকানন্দই প্ৰেমৰ বিষয়ে কৈছে যে প্ৰেম আনন্দময়। প্ৰেম বুলিলে স্বাৰ্থজড়িত বা সাংসাৰিক ভোগ-প্ৰযুক্ত প্ৰেমক নুবুজায়। মানুহৰ সন্তানৰ প্ৰতি প্ৰেম বা পতি-পত্নীৰ প্ৰেম (সৰহ ক্ষেত্ৰত) পাশৱিক প্ৰেম (Animal love)। ই সকলো জীৱ-জন্তুৰে আছে। স্বাৰ্থ-গন্ধহীন প্ৰেমহে আচল প্ৰেম। স্বাৰ্থপৰ প্ৰেমৰ উচ্চস্তৰেই যথাৰ্থ প্ৰেম। এজন মানুহে (ওপৰৰ সাধুকথাৰ

দৰে) ঘৈণীয়েকক ভাল পায়। তেওঁ সদায় ভাৱে যে ঘৈণীয়েকৰ অবিহনে তেওঁ (কিজানি) জীয়াই থাকিবই নোৱাৰিব। কিন্তু ভুল। সময়ত সেই ভুল প্ৰমাণিত হয়। আকৌ গিৰিয়েকৰ মৃত্যুৰ সময়ত ঘৈণীয়েকে ভাবে—তেওঁ গিৰিয়েকৰ অবিহনে (নিশ্চয়) জীয়াই থাকিব নোৱাৰিব। কিন্তু সেই ভুল সহজে ধৰা পৰে। তেওঁ নমৰে, আগৰ দৰেই জীয়াই থাকে।

সেইটোৱেই প্ৰেমৰ ৰহস্য। যাৰ অবিহনে আমি জীয়াই থাকিব নোৱাৰোঁ; হয়তো তাক পাব লাগিব, নহয়, তাক নাপালে মৰিব লাগিব—সেই ভাবনাই প্ৰেম। সেয়ে প্ৰেমৰ তাৎপৰ্য্য। সেয়ে প্ৰেমৰ মূলসূত্ৰ।

প্ৰেমৰ ধৰ্ম্ম হৈছে আনন্দ। ইয়াৰপৰা কেবল আনন্দকে পোৱা যায়। প্ৰেমৰ বাহ্যিক লক্ষণ হৈছে—চকুলো। প্ৰেমৰ প্ৰগাঢ়তাই চকুপানী উলিয়ায়। সেই চকুপানীয়ে মনৰ মলি, চিত্তৰ বিকাৰ, কামনাৰ কালিমা ধুই-পখালি নিকা কৰি পেলায়। সেই চকুলোৱে মাণিক-মুকুতা সৰায়—পৃথিৱীতে স্বৰ্গ সৃষ্টি কৰে। "প্ৰেমভাৱত যদি শৰীৰ পুলকিত নহয় আৰু চকুপানী নসৰে, তেন্তে সেইয়া কিহৰ প্ৰেম?"

"প্ৰেমৰ শক্তি অসীম। এইটো মনোবৈজ্ঞানিক সত্য যে প্ৰেমৰ এটি প্ৰতিফলন শক্তি আছে। এজনে এজন মানুহক জানিবা ভাল নাপায়, ঘিণ কৰে। কিন্তু আনজনে তেওঁক ভালপাবলৈ বিচাৰে। ফলস্বৰূপে, প্ৰথমতে প্ৰত্যাখ্যান কৰিলেও, সেই প্ৰেম যদি সত্য হয়, তেন্তে আনজনেও ঘূৰাই ভাল পাবলৈ বাধ্য। 'প্ৰেম'—এই সৰু শব্দটিৰ অৰ্থ যি হৃদয়ঙ্গম কৰিব পাৰিছে—হৃদয়ত তাৰ প্ৰভাৱ সমূলে উপলব্ধি কৰিব পাৰিছে, অনন্ত প্ৰেমৰ অমৃত-সাগৰত বুৰগৈ তেওঁৰ জীৱন সাৰ্থক হৈছে।" (বিবেকানন্দ)

প্ৰেমে অন্তৰত প্ৰেৰণা যোগায়, দুৰ্ব্বলীৰ হৃদয়ত বল দিয়ে; মন প্ৰশস্ত কৰে, চিত্ত প্ৰশান্ত কৰে। সীতাৰ পতিপ্ৰেমে অগ্নিকো

শীতল কৰিছিল; সাৱিত্ৰীৰ অচলা স্বামীভক্তিয়ে মৃত্যুকো পৰাভৱ মনাইছিল। প্ৰেমে জীৱনক মধুৰিমাময় কৰি তোলে। ই ছুটি দেহ, ছুটি মন, ছুটি জীৱনৰ ভিন্নতাক একত্ৰিত কৰে। পাৰ্থিব ৰাজ্যৰ মানসিক সীমা পাৰ হৈ প্ৰেম যেতিয়া আত্মাৰ বা আধ্যাত্মিকতাৰ উন্নত স্তৰত প্ৰবেশ কৰে, তেতিয়া মানৱ-প্ৰেমিক দেৱতাৰ শাৰীলৈ উঠে। তেতিয়া মানুহে সকলোকে নিজৰ নিচিনা দেখে, সকলোকে আপোন বুলি—'বসুধৈৱ কুটুম্বকম্' বুলি মৰমপ্ৰীতি বিলাবলৈ ধৰে। আধ্যাত্মিক প্ৰেমে ভগৱানক কাষ চপাই আনে। তেতিয়া ক্ষুদ্ৰ 'মই' নোহোৱা হৈ 'বিশ্ব-মই'ত পৰিণত হয়। বিশ্বৰ সকলোতে আপোন ভাৱ হয়—আপোন-পৰ ভাৱ নোহোৱা হৈ পৰে —সকলোকে সমান দেখে। দৈহিক সুখৰ বাসনা এৰি, সুন্দৰকে সত্য বুলি প্ৰেমিকে যেতিয়া প্ৰেমাস্পদৰ আন্তৰিক সৌন্দৰ্য্যৰ উপাসনাতে মনপ্ৰাণ উচৰ্গা কৰে, সেয়ে সাৰ্থক প্ৰেম। এই প্ৰেমে আত্মাৰ লগত আত্মাৰ সম্পৰ্ক স্থাপন কৰে। ই ত্যাগ-সৰ্ব্বস্ব। ইয়াত ভোগৰ কামনা নাই, কিন্তু তৃপ্তি আছে: মিলন নাথাকিলেও আনন্দ আছে: বিৰহতো প্ৰশ্নই নুঠে।

মানৱ হৃদয়ৰ প্ৰেমৰ সোঁত পৰমেশ্বৰৰ প্ৰতি ধাবিত হলে, মানৱ-প্ৰেম ঈশ্বৰমুখী হলে, তাকে 'ভক্তি' বোলে। এই ঈশ্বৰ-প্ৰেমহে সম্পূৰ্ণ আৰু সাৰ্থক। ঈশ্বৰ-প্ৰেমৰ বাহিৰে অন্য সমস্ত পাৰ্থিব প্ৰেম অসম্পূৰ্ণ আৰু অসাৰ্থক। ঈশ্বৰ-প্ৰেমৰপৰা ওপজা আনন্দ অসীম, অখণ্ডিত, সাগৰ সঙ্কাশ। সেই আনন্দৰ পাৰাপাৰ নাই। সেই অপাৰ আনন্দ ইহকাল-পৰকাল পৰিব্যাপ্ত হৈ পৰে। প্ৰেম-ভক্তিৰ প্ৰদীপ হৃদয়ত জ্বলি উঠিলে, তাৰ পোহৰত জন্ম-মৃত্যুৰ, জীৱন-জগতৰ, জনা-নজনাৰ গোপন ৰহস্যদ্বাৰ উদ্ঘাটিত হৈ পৰে। পূৰ্ণ-জ্যোতিৰ প্ৰকাশত সৌন্দৰ্য্যময় সত্য উদ্ভাসিত হৈ উঠে। সেয়ে মানুহৰ সাধনাৰ ধন।

সেয়ে মানুহৰ পৰম পুৰুষাৰ্থ।

নাৰী-বন্দনা

(লঘু ৰচনা)

(পুৰুষ আৰু নাৰী উভয়ৰে উভয়ৰ প্ৰতি আকৰ্ষণ স্বভাৱসিদ্ধ, সত্য আৰু শাশ্বত। তথাপি ইয়াৰ মাত্ৰাধিক্য হলে, সি দোষ আৰু দুৰ্ব্বলতাৰূপে গণ্য হয়। ইয়াত পুৰুষৰ সেই দুৰ্ব্বলতা ব্যঙ্গৰূপে প্ৰকাশ পাইছে। সি কামনাৰ এক বিকৃত ৰূপ)

১। হে নাৰী, তুমি পুৰুষৰ জীৱন-সৰ্ব্বস্ব। তুমি নৰলোকৰ সুখৰ হেতু। মনৰ পোৰণি, দেহৰ জ্বলং আৰু তাপিত হৃদয়ৰ তৃপ্তিৰ একমাত্ৰ স্থল। তুমি মনুষ্যৰ আৰাধ্য দেৱী, জীৱনৰ ৰাণী, যৌৱনৰ গোঁসানী। মই তোমাৰ বন্দনা কৰোঁ।

হে সুবদনী, মোৰ বন্দনা গ্ৰহণ কৰা।

২। হে নাৰী, তুমি সুন্দৰী। তুমি স্বয়ং মূৰ্ত্তিমতী সৌন্দৰ্য্য। তুমি সৰ্ব্বসৌন্দৰ্য্যৰ আধাৰ—বিশ্বসুন্দৰৰ প্ৰতীক। জগতে যুগে যুগে তোমাৰ বিমোহিনী ৰূপৰ পূজা কৰে। মই তোমাৰ ৰূপত বিমুগ্ধ, বিমোহিত, বিভ্ৰান্ত আৰু উদভ্ৰান্ত। তোমাৰ ৰূপৰ জেউতিয়ে মোৰ দুচকুৰ দীপ্তি হৰণ কৰে। তাতেই মোৰ তৃপ্তি হে মনো-মোহিনী, চিত্তবিভ্ৰান্তকাৰিণী নাৰী। মই সদায় তোমাৰ বন্দনা কৰোঁ।

৩। হে নাৰী, তুমি শক্তিমতী, তুমি স্বয়ং শক্তি। তুমি সৃষ্টিৰ আদ্যাশক্তি—মহাপ্ৰকৃতি। তুমিয়েই জগতৰ সৰ্ব্বশক্তিৰ আধাৰ আৰু উৎপত্তিৰ স্থল। জগদ্ধাতৃ মাতৃৰূপে জগতে তোমাকে পূজে। তুমি দশভুজা দুৰ্গা। সিংহবাহিনী তুমি মহিষাসুৰৰূপী পুৰুষৰ কামাগ্নিক সংহাৰ কৰিছা। তুমি কালৰূপিণী, মায়াৰূপিণী আৰু জ্ঞানৰূপিণী। তুমি সৃষ্টিৰ মূলকাৰণ। তুমি মহাকালী। পুৰুষৰ

বুকুত চৰণৰ চাপ দি তুমি জগতক ধাৰণ কৰিছা। তোমাৰ পাদপদ্ম বুকুত বান্ধি আমি ধন্য মানিছোঁ। হে মহেশ্বৰী নাৰী, মই তোমাৰ বন্দনা কৰোঁ।

৪। হে নাৰী, তোমাৰ মুখত পূৰ্ণচন্দ্ৰৰ প্ৰকাশ। তোমাৰ চকুত সাত সাগৰৰ সুনীল শোভাৰ বিকাশ। তোমাৰ কণ্ঠত অপ্সৰাৰ বিনিন্দিত সুৰলহৰীৰ হিল্লোল; কোকিলৰ মধুৰ কাকলি। তোমাৰ কোমল বুকুত দেৱভোগ্য অমৃতৰ অক্ষয় ভাণ্ডাৰ। তোমাৰ দেহত বিশাল বিশ্বৰ ৰূপ, ৰস, গন্ধ, স্পৰ্শ, ভোগ, ঐশ্বৰ্য্য আৰু সুধাৰসৰ চিৰন্তন নিবাস। তোমাৰ দেহ-ভঙ্গিমাত, নৃত্যৰ লয়-লাসত আমাৰ চকুত পূৰ্ণচন্দ্ৰমাই নাচে। চকুৰ কটাক্ষ, হাতৰ মুদ্ৰাত মুকুতাৰ ফুল ফুলে। হে অসীম সৌন্দৰ্য্যমণ্ডিতা, বিশ্ববন্দিতা নাৰী, মই তোমাৰ বন্দনা নকৰি মনত শান্তি নাপাওঁ।

৫। হে নাৰী, তুমি মূৰ্ত্তিমতী কাম। তুমি সৰ্ব্বকাম পূৰণকাৰিণী। পুৰুষৰ সুখৰ কামনা, ভোগৰ বাসনা তোমাৰ গুণতে চৰিতাৰ্থ হয়। সেইহে তুমি কামিনী নামে খ্যাত। হে কামিনী, হে ভামিনী, তোমাৰ সঙ্গসুখ ব্যতিৰেকে মোৰ অন্য একো কামনা নাই। মোক দয়া কৰি তোমাৰ সুখ-সঙ্গ প্ৰদান কৰা। প্ৰেমালাপেৰে মোৰ হৃদয় পূৰ্ণ কৰা—জীৱন সাৰ্থক কৰা। গুণমুগ্ধ মই তোমাৰ বন্দনা গাওঁ।

৬। হে নাৰী, কোনে কয় তুমি অবলা? যি মহতী শক্তিৰে তুমি পুৰুষৰ মন আকৰ্ষিত কৰিছা, প্ৰাণ জৰ্জ্জৰিত কৰিছা, দেহ পদানত কৰিছা, হৃদয় উদ্বেলিত কৰিছা—সেয়ে তোমাৰ প্ৰকৃত বল। হে মায়াবিনী, কুহকিনী, শক্তিৰূপিনী নাৰী, তোমাৰ ৰূপৰ, তোমাৰ গুণৰ, তোমাৰ মহিমাৰ পাৰ মই নাপাওঁ। মই তোমাৰ বন্দনা মাথোন কৰোঁ।

৭। হে নাৰী, তুমি কল্যাণময়ী। তুমি সৰ্ব্বসুখপ্ৰদায়িনী। তোমাৰ কুটিল চাৱনিত অমৃত নিজৰে; তোমাৰ মিচিকি হাঁহিত

আকাশৰ তৰা ফুল সৰি সৰি পৰে। তোমাৰ লবনু-দেহৰ মধুৰ স্পৰ্শই মোক উন্মনা কৰে। তোমাৰ শ্ৰীমুখৰ এষাৰি মাতে মোৰ কাণত সুৰৰ মূৰ্চ্ছনা তোলে। তোমাৰ লয়লাস ভঙ্গী দেখি মোৰ আপোন-পাহৰা হৈ জঁপিয়াই ফুৰিবৰ মানস জাগে। তোমাৰ মনোৰম দেহ-সৌন্দৰ্য্যৰ কথা ভাবি ভাবি মোৰ শূন্যতে উৰি ফুৰিবৰ হেঁপাহ হয়। তুমি মোৰ উতলা দেহ-মন শীতল কৰা। তোমাৰ অবিহনে স্বৰ্গসুখো মোৰ মানত অতিশয় তুচ্ছ। হে মহিয়সী, মই শতমুখে তোমাৰ প্ৰশংসা কৰোঁ।

৮। হে নাৰী, তুমি অপ্সৰা উৰ্ব্বশী। তুমি মেনকা, তুমি ত্ৰিভুবন মোহিনী। তুমি অহল্যা, তুমি মন্দোদৰী, তাৰা। তোমাৰ অনুপম ৰূপৰ, অগণন গুণৰ, অলৌকিক মহিমাৰ কোনে অন্ত পাব? সাত সাগৰৰ জল শুকুৱাব পাৰিলেও, তোমাৰ গুণ-গৰিমা বখানি ঢুকুৱাব নোৱাৰি। আকাশৰ তৰা, পৃথিৱীৰ ধূলি, হিমৰ কণিকা গণিব পাৰি, কিন্তু তোমাৰ অপাৰ মহিমাৰ পাৰ পাব নোৱাৰি। তমি সীতা, সাবিত্ৰী, উষা, দময়ন্তী। তুমি যমৰজাকো জয় কৰিব পাৰা, আৰু জুযেও তোমাক নোপোৱে। তুমি যৌৱনৰ দুৰন্ত কাম-বাসনাকো ভোগৰ মাজেৰে বিজয়-মণ্ডিত কৰি তুলিব পাৰা। মই তোমাৰ ভক্ত, তোমাৰ অনুৰক্ত; তোমাৰ ৰূপ-যৌৱনৰ সুধা পান কৰাৰ অভিলাষত উন্মত্ত। আৱশ্যক হলে, মোৰ হিতাহিত বুদ্ধি, কৰ্ত্তব্য-অকৰ্ত্তব্যৰ জ্ঞান, ন্যায়-অন্যায়ৰ বিবেচনা —সকলো তোমাৰ কাষতে বিসৰ্জ্জন দি পদপ্ৰান্তত থিয় হৈ ৰ'ম। তুমি সংসাৰৰ সত্য, জীৱনৰ শিৱ, যৌৱনৰ সৌন্দৰ্য্য। সত্য-শিৱ-সুন্দৰৰ প্ৰকৃত স্বৰূপ হে নাৰী, মই সহস্ৰমুখে তোমাৰ মহিমা গাওঁ।

৯। হে নাৰী, তোমাৰ কীৰ্ত্তি অসীম। তুমি সাহিত্যৰো জীৱন-ৰস। তোমাৰ সূচনা নহলে কাব্য-নাটক, গল্প-উপন্যাস একেবাৰেই নহয়। তুমি ভাৰতৰ শকুন্তলা, অসমৰ মনোমতী, ইংলণ্ডৰ মিৰাণ্ডা, ডেচডিমোনা, লেডী মেকবেথ। তুমি মহাৰাণী ভিক্টোৰীয়া,

চুলতানা ৰেজীয়া। তুমি সংযুক্তা, পদ্মিনী, ৰাণী দুৰ্গাৱতী। তুমি মহাসতী জয়মতী, পতিপ্ৰাণা বেউলা। তুমি বীৰাঙ্গনা মূলাগাভৰু আৰু নাচনী ফুলমতী। তুমি আধুনিকা ষোড়শী, তুমি 'ফিল্ম্ ষ্টাৰ', তুমি 'কলেজগাৰ্ল্'। তুমিয়েই অতীতৰ দময়ন্তী আৰু আজিৰ বৈজয়ন্তী। হে ৰূপৱতী, গুণৱতী, যশোমতী নাৰী, মোত প্ৰসন্ন হোৱা। তোমাৰ সন্তুষ্টিৰ কাৰণে মই জাতি-কুল, মান-সন্মান, আই-ভাই—সকলোকে তোমাৰ প্ৰেমযজ্ঞত আহুতি দিবলৈ প্ৰস্তুত। তোমাৰ প্ৰীতিৰ অৰ্থে মই তোমাৰ গুণানুকীৰ্ত্তন কৰোঁ।

১০। হে নাৰী, বিচিত্ৰ বৰ্ণৰ, নয়ন-তৃপ্তিকৰ, বহুমূল্য পৰিচ্ছদ আৰু অলঙ্কাৰ আদি পিন্ধি, তুমি যেতিয়া বিচৰণ কৰা, মোৰ হিয়াত তেতিয়া আৱেগ-অনুভূতিৰ যি প্ৰবল আলোড়ন উঠে, তাৰ স্পন্দন ভূমিকম্পতকৈও ভীষণ। হে ভুৱনমোহিনী, অতি আধুনিক ধৰণে বেশভূষা পৰিধান কৰি, তুমি কৃত্ৰিম সৌন্দৰ্য্যৰ পোহাৰ মেলা দেখিলে, মই বাস্তৱিকে বলিয়া হৈ যাব খোজোঁ। তুমি যুগে-যুগে, দেশে-দেশে, বিচিত্ৰ-বসনা হৈ পুৰুষৰ তৃপ্তি সাধন কৰাত সদা-সচেষ্ট। ধন্য তোমাৰ কৃতিত্ব! ভগৱানৰ কৃপাত তোমাৰ ইচ্ছা, তোমাৰ প্ৰচেষ্টা সদায় ফলৱতী। মই তোমাৰ সেই চঞ্চলতাময়, উত্তেজনা-প্ৰৱন বিমোহিনী ৰূপৰ পূজাৰী। তোমাৰ নিখুঁট 'মেক-আপ' (Make-up), কৃত্ৰিম গাম্ভীৰ্য্য, ৰসাল প্ৰেমালাপ আৰু কপট প্ৰণয়-সম্ভাষণত বোধহয় সৃষ্টিকৰ্ত্তাও বিমুগ্ধ। সুন্দৰ, সুগোল বাহুদুটি আৰু বক্ষদেশৰ উৰ্দ্ধ আৰু অধোভাগ উন্মুক্ত হৈ থকা, আৰু উৰুভাগ প্ৰকট হৈ পৰা তোমাৰ পৰিচ্ছদৰ গুণত তুমি অকল মৰ্ত্তলোকতে নহয়, দেৱলোকতো প্ৰশংসিতা। হে পূজনীয়া নাৰী, মোৰ নিঃকিন পূজা গ্ৰহণ কৰা।

১১। হে নাৰী, তোমাৰ অবিহনে মোৰ জীৱন-চক্ৰ অচল। তুমি নহলে মোৰ যৌৱনৰ চকৰী নুঘূৰে। বাল্যকালত মাতৃৰূপে, যৌৱনত প্ৰাণসমা পত্নীৰূপে, বৃদ্ধকালত স্নেহৰ জীয়াৰীৰূপে তুমি

মোৰ মৃতপ্ৰায় জীৱনক সঞ্জীৱিত কৰি আছা। তুমি বিশ্ব-ফুলনিৰ ফুল, জীৱন আকাশৰ জোন, যৌৱন-সৰোবৰত প্ৰস্ফুটিত পদুম। তোমাৰ পোহৰে মোক বাট দেখুৱায়, তোমাৰ সুগন্ধই মোক মতলীয়া কৰে। তোমাক মই কিহেৰে সন্তুষ্ট কৰিম? তোমাৰ পূজাৰ ফুল, সন্তোষৰ উপায় বিচাৰি নাপাই, ক্লান্ত হৈ হে নাৰী, মই তোমাৰ বন্দনা মাথোন কৰোঁ।

১১। হে নাৰী, জীৱনৰ ৰথত তুমি মোৰ সাৰথী, যৌৱনৰ পথত মই তোমাৰ অনুসৰণকাৰী পথিক। তুমি আগে আগে য'লৈকে যোৱা, ময়ো তোমাৰ পাচে পাচে ত'লৈকে যাওঁ। তুমি মাথোন অনুগ্ৰহ কৰি মোলৈ এবাৰ উভতি চাবা। মাত্ৰ সিমানতে, মোৰ জীৱন পথ কুসুম-সুবাসেৰে সুৰভিত হৈ উঠিব, যৌৱনৰ আকাশ শৰতৰ শুভ্ৰ জোনাকেৰে জোনোৱালী হৈ উঠিব, মোৰ হৃদয়-ৰাজ্য উৎসৱৰ কলৰোলেৰে মুখৰিত হৈ উঠিব। তুমি মোৰ জীৱনৰ সুখ-শান্তি, আশা-উদ্দীপনা, উলাহ-আনন্দৰ একমাত্ৰ কেন্দ্ৰ। হে দেৱী, মই তোমাৰ বন্দনা কৰোঁ।

১২। হে নাৰী, পত্নীৰূপা হে মোৰ হৃদয়েশ্বৰী, তুমি মোৰ হৃদয-ৰাজ্যৰ সোণৰ সিংহাসনত সম্ৰাজ্ঞী হৈ শোভা কৰিছা। জীৱন-ৰাণী তোমাৰ শ্ৰীমুখৰ খন্তেকৰ অদৰ্শনো মোৰ সহ্য নহয়। হে কুসুম-কোমল বৰদা লক্ষ্মী, মোক অভয়-বৰ দান দিয়া। মোৰ বিনীত প্ৰাৰ্থনা—'তুমি সদয় হৈ সদায় মোৰ নিচেই কাষতে থাকিবা।' তুমি মোক ধন জন, পুত্ৰ-কন্যা, আনন্দ-সম্পদ—সকলো দিছা। মই কায়-ক্লেশেৰে কঠোৰ তপস্যা কৰি ব্ৰহ্মাত বৰ মাগিম—'মোৰ কাৰণে তোমাক চিৰ-যৌৱনা আৰু চিৰ-সুন্দৰী কৰি ৰাখক!' তুমিয়েই এদিন মহাযোগী শঙ্কৰৰো তপোভঙ্গ কৰি তোমাৰ মহতী শক্তিৰ পৰিচয় দিছিলা। তোমাৰ আগত মই কোন কুটা? তুমি মাতৃ কামাখ্যা। তোমাৰে স্ত্ৰী-অঙ্গক জগতে ঈশ্বৰ-জ্ঞানে পূজা কৰে। হে ভগৱতী গোঁসানী, মই তোমাৰ বন্দনা কৰোঁ।

১৪। হে নাৰী, তুমি বিনন্দীয়া সৃষ্টিৰ আনন্দৰ মূল। তুমি নহলে ফুলৰো সুগন্ধ নাই, কুলিৰ মাততো সঙ্গীত নাই, চন্দ্ৰৰ কিৰণতো স্নিগ্ধতা নাই, জীৱনৰ একোতে মাধুৰ্য্য নাই, সৃষ্টিৰ ক'তো সৌন্দৰ্য্য নাই। তুমি ফুলৰ সুগন্ধ, অগ্নিৰ দাহিকাশক্তি, জোনৰ জোনাক, আকাশৰ নীলিমা, তৃপ্তিৰ মধুৰিমা, যৌৱনৰ গৰিমা, জীৱনৰ মহিমা, সুৰৰ লালিমা, পূজাৰ প্ৰতিমা। তুমি নহলে গৃহস্থ উদাসীন, গিৰী হতচিৰি, ঘৰ আন্ধাৰ, সংসাৰ অসাৰ। তুমি আশাৰ বন্তি, কণাৰ লাখুটি, যৌৱনৰ জয়ন্তী, আন্ধাৰৰ চাকিটি, সন্ধিয়াৰ তৰাটি, সঙ্গীতৰ সুৰটি, আকাশৰ জোনটি, মৃতকৰ পিণ্ডটি, বেদৰ গায়ত্ৰী, পৰমব্ৰহ্মৰ প্ৰকৃতি, বিহুগীতৰ 'চেনাই'টি, বৃন্দাবনৰ কানাইটি, দাদাৰ 'ভন্টি', মোৰ চেনেহৰ 'সোণ'টি। তুনীয়াত তুমিয়েই সবাতকৈ ধুনীয়া। তিল তিল বিশ্ব-সৌন্দৰ্য্যেৰে গঢ়া, তোমাৰ দেহ-মনৰ কথাকেহে মই দিনে-ৰাতিয়ে ভাবোঁ। তুমি মোৰ জ্ঞান, তুমি মোৰ ধ্যান, তুমি যে মোৰ প্ৰাণৰো প্ৰাণ। মই সপোনতো তোমাকেহে দেখোঁ। মই তোমাৰ কাৰণেই ধন-ধান উপাৰ্জ্জন কৰোঁ—দিনে-ৰাতি খাটি মৰোঁ। তুমি হয়তো মোৰ কথা বৰকৈ চিন্তা নকৰা। তুমি হয়তো মোৰ তুৰ্ব্বলতা দেখি মনে-মনে হাঁহা—ইতিকিং কৰা। হওক, তাতেই মোৰ অপাৰ সন্তোষ! মোৰ কাৰণে সেয়েই যে স্বৰ্গসুখৰ আস্বাদ। মই তোমাক ভাল পাওঁ; কিন্তু প্ৰতিদান নিবিচাৰোঁ। মই নিষ্কাম। মোৰ যে তোমাৰ মৰমতে মৰি যাম মৰি যাম যেন লাগে। তোমাৰ অনাদৰ-অৱহেলাখিনিকে আদৰেৰে গ্ৰহণ কৰি, তাৰেই এখনি নাও সাজি মই সংসাৰ সাগৰ পাৰ হৈ যাবলৈ যত্ন কৰিম। হে দেৱী, মোৰ সৰ্ব্বদোষ মৰিষণ কৰা! মই অধমে তোমাৰ বন্দনা গাওঁ। তোমাৰ (ৰিহা বা চাদৰৰ) আঁচলৰ পতাকাৰ তলত আমি সমবেত হৈ সকলোৱে তোমাৰ জয়গীতি সমস্বৰে গাওঁ —'তোমাৰ জয় হওক'!

কবিতা কি ?

কবিতা কি ?—এই কথা ভাষাৰে সম্পূৰ্ণ আৰু পৰিষ্কাৰৰূপে প্ৰকাশ কৰি বুজাব নোৱাৰি। ই সম্পূৰ্ণ অনুভূতিৰ বস্তু। যি মানুহে কবিতা ৰচনাৰ প্ৰেৰণা বাস্তৱিকে অনুভৱ কৰা নাই, অন্তৰৰ কাব্যিক অনুভূতিক ভাষাময় ৰূপ দিয়াৰ সুবিধা পোৱা নাই —তেনে মানুহে কবিতাৰ স্বৰূপ বুজিব নোৱাৰে—অনুভৱ কৰিব নোৱাৰে। সিংহ নেদেখা মানুহে সিংহৰ বিষয়ে শুনি বা বৰ্ণনা পঢ়ি যিদৰে তাৰ সঠিক ধাৰণা কৰিব নোৱাৰে, অস্পষ্ট ছবি এটাহে মাথোন অনুমান কৰিব পাৰে, সেইদৰে কাব্যিক ভাব-অনুভূতিৰ সম্যক স্বৰূপ বুজিবলৈ হলে, তাক নিজ অন্তৰত প্ৰত্যক্ষ বা অনুভৱ কৰিব লাগিব। আকৌ যি লোকে ইয়াৰ স্বৰূপ অনুভৱ কৰিছে, আৰু তাক প্ৰকাশ কৰিও পাইছে, তেনে লোকেও তাক অইনক বুজাব নোৱাৰে। সিংহ দেখা মানুহ এজন নেদেখা এজনক হাজাৰ চেষ্টা কৰিও সিংহৰ প্ৰকৃত ৰূপটোৰ স্পষ্ট বোধ দিব নোৱাৰে; তাৰ কাৰণে সিংহক নিজ চকুৰে দেখিব লাগিব। কবিতাৰ (কাব্যিক অনুভূতিৰ) নিচিনা এটা abstract (বিমূৰ্ত্ত বা ভাবময়) বস্তুক একোৰে লগত তুলনা কৰি বুজাবৰ সাধ্য নাই। অনুভূতিৰ বস্তুক অনুভৱেৰেই বোধগম্য কৰিব লাগিব।

তথাপি আমি যদি ইয়াক কথাৰে বুজাব খোজোঁ—ভাষাৰে ৰূপ দিব খোজোঁ, তেন্তে কিছুমান তুলনামূলক কথাৰে, কেতবোৰ উপমাৰে, ইয়াৰ এটা ধাৰণা দাঙি ধৰিব পাৰোঁ। ই এক ব্যক্তিগত অভিজ্ঞতা, যি কল্পনাক অতিক্ৰম কৰি যায়। দাৰ্শনিক পণ্ডিত ৰাধাকৃষ্ণণে এঠাইত কৈছে যে কাব্যিক অভিজ্ঞতাত কবিয়ে যি জ্ঞান লাভ কৰে, সি তন্ময় হৈ বা গভীৰ চিন্তাযুক্ত হৈ পোৱা জ্ঞান।

কীট্‌চে কোৱাৰ দৰে গছত ডাল-পাত অহাদি কবিলৈকো কাব্যিক অনুভূতি স্বাভাৱিকভাৱে আহে। কবিতাৰ প্ৰকৃত মৰ্ম্ম বুজিবলৈ হলে কবিৰ দৰে তন্ময় আৰু চিন্তাশীল হব লাগিব—কবিৰ মনৰ ভাবৰাজ্যত প্ৰবেশ কৰিব লাগিব।

তথাপি কবিতা কি?—এই কথা সহজ কথাৰে, তুলনামূলক ভাষাৰে এইদৰে প্ৰকাশ কৰিব পাৰি—

(১) কবিতা শিলনিৰ মাজেদি জিৰ্‌জিৰ্‌কৈ নিজৰি ওলোৱা জলধাৰাৰ দৰে, কবি-হৃদয়ৰপৰা নিজৰি ওলোৱা ভাবধাৰাৰ প্ৰকাশ।

(২) কবিতা ফুলৰ ৰেণু, মৌৰ সোৱাদ, বিজুলীৰ চিক্‌মিকনি, পদুমৰ শুভ্ৰ সৌন্দৰ্য্য, কুলি-কেতেকীৰ সঙ্গীতৰ লয়, হাঁহিত প্ৰকাশ পোৱা আনন্দৰ মাধুৰী, কান্দোনত নীৰৱে অনুভৱ কৰা শান্তিৰ শীতলতা, দেহাৰ মাজেদি বিকাশ পোৱা অপ্ৰকাশ সৌন্দৰ্য্য, শোকৰ সঙ্গীতত নিহিত থকা মধুৰতা, আৰু জোনৰ কিৰণত অনুভৱ কৰা স্নিগ্ধতাৰ দৰে সূক্ষ্ম, সুন্দৰ, মনোহৰ, উজ্জ্বল আৰু চিত্তাকৰ্ষক।

(৩) কবিতা পখিলাৰ পাখিৰ দৰে ৰং-চঙীয়া, ধুনীয়া। অথচ তাক হাতেৰে ছুই চাব নোৱাৰি। ই (কবিতা) কল্পনাৰ উপাদানেৰে তৈয়াৰী, ইমান কোমল আৰু সূক্ষ্ম (fine, delicate) যে ছুই চাবলৈ গলে সৌন্দৰ্য্য নেদেখি। কবিতাত বাস্তৱ সত্যৰ মূল উপাদান অতি অলপহে মাথোন। জোনৰ জোনাক উপভোগ কৰিব পাৰি; কিন্তু তাৰে চাকি জ্বলাই ঘৰ পোহৰাব নোৱাৰি। কবিতাৰো লক্ষণ তেনেকুৱাই। তাৰপৰা মানসিক তৃপ্তি লাভ কৰিব পাৰি; কিন্তু ব্যৱহাৰিক জীৱনত বিশেষ কামত নালাগে। ফুলে হাঁহে, নৈয়ে নাচে, তৰাই চকু টিপিয়ায়—এইদৰে ক'লে শুনি ভাল লাগে। সেই শব্দ-চয়নৰ সপোন-জালত আনন্দৰ সমল আছে; কিন্তু তাৰে ধন উপাৰ্জ্জন নহয়।

(৪) কবিতা প্ৰধানকৈ বিশেষ অনুভূতিৰ প্ৰকাশ। যিবোৰ ভাৱ-অনুভূতিয়ে কবিৰ প্ৰাণত স্পন্দন তোলে, মনোজগত কঁপাই

তোলে, দেহ-মন-জীৱন জোকাৰি যায়, সেইবোৰহে কবিয়ে প্ৰকাশ কৰে, বা কবিতাৰূপে প্ৰকাশ পায়। জুৰ মলয়াই গা-মন শীতল কৰে; কিন্তু ফুলৰ পাহিবোৰ, গছৰ পাতবোৰ নসৰায়। সামান্য অনুভূতিয়ে কবিৰ প্ৰাণত মৃদু কঁপনি তোলে, কিন্তু প্ৰকাশৰ পথ বিচাৰি নাপায়। তাৰ কাৰণে ভাবৰ আবেগ লাগে, অনুভূতিৰ তীব্ৰতা লাগে, চিন্তাৰ গভীৰতা লাগে।

(৫) কবিতাত প্ৰকাশ পোৱা ভাব-অনুভূতি কেৱল কবিৰ একচেতীয়া সম্পত্তি নহয়। ই সকলোৰে উমৈহতীয়া বস্তুহে। অৰ্থাৎ, কবিয়ে যি অনুভৱ কৰে, সেইবোৰৰ ভিতৰত প্ৰায়বোৰকে মানুহে কিঞ্চিৎ পৰিমাণে হলেও অনুভৱ কৰে; বা ইচ্ছা কৰিলেই উৰি ফুৰা ভাবৰ পাখিলাবোৰক ধৰিব পাৰে। কিন্তু কবিয়েহে মাথোন ভাববোৰক প্ৰকাশ কৰিব পাৰে সুন্দৰৰূপে। ই কবিৰ বিশেষ শক্তি। ইয়াকে কবিৰ সৃষ্টি-চাতুৰ্য্য বোলা হয়। (কবিৰ দ্বাৰা প্ৰকাশ পোৱা ভাব-অনুভূতিবোৰ সুন্দৰ আৰু আনন্দদায়ক কাৰণেই সেইবোৰ Art বা কলা হৈ পৰে।)

সকলো আয়নাতে সূৰ্য্যৰ ৰশ্মি সমানে পৰে; কিন্তু 'আতচী কাচ'ত (magnifying glass) সূৰ্য্যৰ কিৰণ পৰিলে জুই জ্বলি উঠে। আতচী কাচে সূৰ্য্য-ৰশ্মি গ্ৰহণ কৰি তাক অগ্নিৰূপে প্ৰকাশ কৰে। কবিয়েও সেই দৰে জীৱন আৰু জগতৰ (উৰি ফুৰা) সত্যবোৰ ধৰি হৃদয়-কন্দৰত চিন্তা আৰু কল্পনাৰে সজীৱ ৰূপ দি সমাজলৈ আগবঢ়ায়।

(৬) কল্পনা কবিতাৰ এক প্ৰধান সামগ্ৰী। আৱেগ বা অনুভূতিক ৰূপ দিবলৈ কল্পনাৰ সহায় নিতান্ত আৱশ্যক। যদি উপমাৰে কোৱা হয়, এইদৰে কলেই বোধকৰোঁ শুদ্ধ হব যে, পায়স তৈয়াৰ কৰিবলৈ গাখীৰৰ যেনে প্ৰয়োজন (পৰ্য্যাপ্ত পৰিমাণে গাখীৰ নহলে পায়স হব নোৱাৰে), সেইদৰে কল্পনাৰ ৰহণ নিদিলেও আৱেগ-অনুভূতিয়ে ৰূপ পাব নোৱাৰে, কবিতাৰ সৃষ্টি হব নোৱাৰে।

(৭) কবিতা আৱেগিক মুহূৰ্ত্তৰ সৃষ্টি। জ্ঞানী ছক্ৰেটিচৰ সুৰত কবলৈ গলে, কবিয়ে এনে এক স্বাভাৱিক প্ৰেৰণাৰ বলত কবিতা ৰচনা কৰে, যিটো সাধাৰণ মানুহৰ কাৰণে সম্পূৰ্ণ অস্বাভাৱিক। সেই প্ৰেৰণা বা আৱেগিক মুহূৰ্ত্ত সদায় সকলো অৱস্থাতে নাহে। গতিকে, কবিয়ে বিশেষ কোনো চিন্তা-মগ্ন অৱস্থাত অনুভূতি প্ৰকাশ কৰিবলৈ গৈ জীৱন আৰু সংসাৰৰ জনা-নজনা সত্যৰ সন্ধান দিয়ে; আৰু কেতিয়াবা ভৱিষ্যত বাণীও কৰে। কাৰণ, সত্য চিৰন্তন। গতিকে কবিতা সনাতন সত্যৰ মূৰ্ত্তিমান ৰূপ।

(৮) কবিতাৰ প্ৰকাশ ছন্দময়। "অনুভূতি যিমানেই গভীৰ হয়, প্ৰকাশভঙ্গীও সিমানেই মধুৰ আৰু সুৰীয়া হয়। ই স্বাভাৱিক কথা।" কবিতাত ছন্দৰ (মিত্ৰাক্ষৰ) প্ৰয়োজন আছে নে নাই, এই বিষয়ে তৰ্ক নিৰৰ্থক। কবিতাত ছন্দ বা লয় আপোনা-আপুনি আহে। কবিতাৰ সৃষ্টিক যিদৰে সহজ (স্বাভাৱিক) বুলি মানো, সেইদৰে তাৰ লগতে লাগি অহা ছন্দকো স্বাভাৱিক বুলি নামানিবৰ কি যুক্তি থাকিব পাৰে? কবিতা যদি গছত পাত অহাদি স্বাভাৱিকভাৱে আহে, তেন্তে গছৰ পাতত সেউজীয়া ৰং (স্বভাৱতে) লাগি অহাদি কবিতাতো ছন্দ, সুৰ বা লয় সদায় লাগি থাকিবই। বসন্তকাল আহিলেই কুলি অহাটো স্বাভাৱিক। সেই কুলিৰ মাত সুৰদী আৰু সুৰীয়া হোৱাটোও সমানেই স্বাভাৱিক। আকৌ, কেতিয়াবা যদি গভীৰ অনুভূতি প্ৰকাশ হওঁতেও তাত ছন্দ নাথাকে তাতো আপত্তি নাই; সিও স্বাভাৱিক। অৰ্থাৎ, স্বাভাৱিকতে যদি কবিতা ছন্দহীন হৈ প্ৰকাশ পাব পাৰে, তাক বাধা দিব কোনে? আচলতে কবিতাত ছন্দৰ লয় থাকিবই।

(৯) কবিতাৰ বিষয়-বস্তু যিমানে মহান আৰু স্থায়ী হয়, কবিতাও সিমানে মহৎ আৰু সুন্দৰ হয়। কাঠ-বাঁহৰ সঁজুলিৰে যিদৰে বহুমূলীয়া ৰাজসিংহাসন তৈয়াৰ কৰিব নোৱাৰি, সেইদৰে সাধাৰণ, অনুপযুক্ত ভাব-অনুভূতিৰ প্ৰকাশেৰে মহৎ কাব্য-কবিতা

সৃষ্টি নহয়। জীৱন আৰু জগতৰ সনাতন, মহত্তম সত্তাবোৰৰ উপলব্ধিক ভাষাময় ৰূপ দিব পাৰিলেহে সেইবোৰ সাৰ্থক, মনোগ্ৰাহী আৰু কালজয়ী কাব্য-কবিতা হব। ভাত-মাছ খোৱা কথাৰে, বা ডেকা-ডেকেৰীৰ ইন্দ্ৰিয় (জৈৱিক) আকৰ্ষণৰ সাধাৰণ বৰ্ণনাৰে মহৎ কবিতাৰ সৃষ্টি হব নোৱাৰে। সুমহান সত্যৰ প্ৰকাশেই মহৎ কবিতাৰ লক্ষণ।

(১০) জগতৰ শ্ৰেষ্ঠতম কাব্য-কবিতাবোৰত মানৱ-হৃদয়ৰ উচ্চতম ভাৱৰাশি প্ৰকাশিত হয়। মানুহৰ উচ্চতম চিন্তা আৰু উপলব্ধিৰ বিষয় হৈছে—সত্য-শিৱ-সুন্দৰ বা ভগৱান। ভগৱানেই শ্ৰেষ্ঠতম, গভীৰতম, পৰম সত্য। সেই সত্যক গভীৰ ধ্যান আৰু ভক্তিৰে উপলব্ধি কৰিব পাৰি। ভগৱানেই মানৱ-জীৱনৰ পূৰ্ণতা আৰু জগতৰ অন্তৰাত্মা। প্ৰকৃততে তেওঁৰ বাহিৰে আন সকলো অনিত্য আৰু অসত্য। তেৱেঁহে সত্য, শাশ্বত আৰু প্ৰকৃত সুন্দৰ। জগতৰ বহুত্ব, বিচিত্ৰতা আৰু বিভিন্নতাৰ মাজত যি মহান ঐক্য গোপনে বিৰাজ কৰিছে, সেয়ে ঈশ্বৰ। জগতৰ বুকুত অহৰহ বাজি থকা অসংখ্য সুৰৰ মাজত ধ্যান দি শুনিলে যি ঐক্যতান শুনিবলৈ পোৱা যায়, সেই বিশ্বসুৰেই ভগৱানৰ বাঁহীৰ সুৰ। সেয়ে ভগৱানৰ ৰূপ। তেওঁ বিশ্বময়; মহান আৰু সৰ্ব্বোত্তম। তেওঁক জানি, তেওঁৰ বিশ্বময় সুৱদী সুৰ শুনি, তেওঁক উপলব্ধি কৰি মানুহে যেতিয়া সুন্দৰ (ছন্দোময়) ভাষাত তেওঁৰ স্বৰূপ প্ৰকাশ কৰিবলৈ বিচাৰে, সেয়ে উত্তম কাব্য-কবিতাৰূপে গণ্য হয়, মানৱ-সমাজৰো মঙ্গলকাৰক হয়।

কবি শব্দৰ অৰ্থ জ্ঞানী, মনীষী বা পণ্ডিত। কবি তত্ত্বদৰ্শী—জগতৰ মহাসত্যৰ দৰ্শনকাৰী। কবি মহাজ্ঞানী।

প্ৰেমিকা ৰুক্মিণী

ৰুক্মিণী হৰণ ভাগৱতৰ এটি পৱিত্ৰ কাহিনী। এই কাহিনীকে শঙ্কৰদেৱে ৰুক্মিণী হৰণ কাব্যত স্বকীয়ভাৱে ৰূপ দিছে। সেই মতে ৰুক্মিণী অসমৰে জীয়াৰী আৰু দ্বাৰকাৰ বোৱাৰী। তেওঁ প্ৰাচীন কুণ্ডিল ৰাজ্যৰ (বৰ্ত্তমান শদিয়াৰ ওচৰৰ) ৰজা ভীষ্মকৰ জীয়েক আছিল। ৰাজকুমাৰী ৰুক্মিণীৰ ৰূপ আৰু গুণৰ খ্যাতি বহুদূৰলৈকে বিয়পি পৰিছিল। ৰূপৱতীৰ ৰূপ, গুণৱতীৰ গুণৰ কথা দেশান্তৰীৰ (ভাট বা স্তুতি-পাঠক) মুখে দ্বাৰকাৰ ৰাজকোঁৱৰ ভগৱান শ্ৰীকৃষ্ণইও শুনিবলৈ পাইছিল। ৰুক্মিণীয়েও সেইদৰে শ্ৰীকৃষ্ণৰ গুণ-গৰিমাৰ কথা শুনিছিল; আৰু শ্ৰীকৃষ্ণকে স্বামীৰূপে একান্তভাৱে হৃদয়ত বৰণ কৰি লৈছিল।

যথা সময়ত ৰুক্মিণীৰ বিবাহৰ আয়োজন হ'ল। দেউতাকইঁতে শ্ৰীকৃষ্ণলৈকে বিয়া দিয়াৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। কিন্তু বৰ পুতেক ৰুক্মবীৰে প্ৰতিবাদ কৰি ক'লে যে তেওঁৰ প্ৰিয়বন্ধু ৰজা শিশুপাললৈহে ভনীয়েক ৰুক্মিণীক বিয়া দিবলৈ আগতেই মনস্থ কৰি থৈছে। শিশুপালহে ৰুক্মিণীৰ উপযুক্ত বৰ। ৰুক্মই শ্ৰীকৃষ্ণৰ নামত জুইত খেৰ এডালো নিদিয়ে। তেওঁৰ মতে কৃষ্ণ শিশুপালৰ হাতৰ কেঞা আঙুলি এটাৰ সমানো নহয়।

ৰুক্মবীৰৰ কথাই শেষত ৰজিলগৈ। শিশুপালৰ লগতে ৰুক্মিণীৰ বিয়াৰ সিদ্ধান্ত হ'ল। বৰ ধুমধামেৰে বিবাহৰ যা-যোগাৰ চলিবলৈ ধৰিলে। নগৰত বিধে বিধে বস্তু-সম্ভাৰ গোট খালে। ৰজা-ৰাজোৱান সকলৰ নিমন্ত্ৰণৰ কাৰণে দেশে-দেশে দূত পঠালে।

ইফালে, সুমালিনী ধাইৰ মুখে ৰুক্মিণীয়ে এই সম্বাদ পালে। তেওঁৰ বিয়া শ্ৰীকৃষ্ণৰ লগত নহয়। কথা শুনি ৰুক্মিণীৰ মুখ শুকাই গ'ল......। চকুৰে ধুৱঁলি-কুৱঁলি দেখিলে......।

ৰুক্মিণীৰ মন অচল-অটল। তেওঁ শ্ৰীকৃষ্ণৰ বাহিৰে আনৰ কথা ভাবিবই নোৱাৰে। শ্ৰীকৃষ্ণৰ নিচিনা সিংহ-পুৰুষৰ তুলনাত শিশুপাল এটা শিয়ালহে। তেওঁ বেদনিধি নামে এজন বিশ্বাসী আৰু প্ৰিয়পাত্ৰ ব্ৰাহ্মণক মাতি অনালে; আৰু কাবৌ কোকালি কৰি তেওঁকে দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ ওচৰলৈ পঠালে। ব্ৰাহ্মণৰ হাতত তেওঁ এখন চিঠিও দিলে। চিঠিত লিখিলে যে, তেওঁ বহুত দিনৰ আগতেই শ্ৰীকৃষ্ণৰ ৰূপ-গুণৰ কথা শুনি স্বামীৰূপে বৰণ কৰিছে। এতিয়া ককায়েকহঁতে বলেৰে শিশুপালৰ লগত বিয়া পাতিব খুজিছে। কিন্তু তেওঁ শ্ৰীকৃষ্ণৰ বাহিৰে অইনৰ ছাঁতো ভৰি নিদিয়ে; কায়বাক্যমনে তেওঁৰেহে দাসী হৈ থাকিব। গতিকে অনতিপলমে আহি তেওঁক হৰণ কৰি লৈ যাবহি লাগে। বিয়াৰ আগদিনাই তেওঁ ভবানীৰ মন্দিৰলৈ যাব। তেতিয়াই শ্ৰীকৃষ্ণই যেন এই কাম সমাধা কৰে। যদি তেওঁক এই বিপদৰপৰা উদ্ধাৰ নকৰে, তেন্তে শিশুপালৰ ভাৰ্য্যা হোৱাতকৈ, শ্ৰীকৃষ্ণৰ গাতে স্ত্ৰীবধৰ পাপ জাপি দি নাখাই মৰিব।

চিঠি লৈ বেদনিধি গ'ল। বহু কষ্টেৰে কেইবাদিনৰো মূৰত দ্বাৰকা পালেগৈ। শ্ৰীকৃষ্ণক লগ ধৰি চিঠিখন দিলে, আৰু মুখেৰেও বুজাই কলে। শ্ৰীকৃষ্ণই আগ-পিচ গুণি ৰুক্মিণী-হৰণৰ উদ্দেশ্যে তৎক্ষণাৎ যাত্ৰা কৰিলে।

মূৰামূৰি সময়ত তেওঁলোক দ্বাৰকা পালেহি। ইফালে ৰুক্মিণীৰ মনৰ অৱস্থা কাহিল হৈ পৰিছে। তেওঁৰ 'চাওঁতে চাওঁতে চকু বিষায়, নাই ভাত-পানী হৃদয় শুকায়।' বাটলৈ চাই চাই তেওঁ অস্থিৰ হৈ উঠিল। মনৰ বিচাটত এবাৰ নিজকে কুলক্ষণীয়া বুলি গৰিহণা দিলে; এবাৰ চকুপানী টুকিলে।......

কথামতেই কাম হ'ল। সখীয়েকহঁতৰ লগত মন্দিৰলৈ যাওঁতেই শ্ৰীকৃষ্ণই ছল চাই ৰুক্মিণীক হাতত ধৰি আনি ৰথত তুলিলেহি। ৰথ জোৰেৰে চলাই দিলে।...

খন্তেকতে ৰাজকন্যা হৰণৰ বাতৰি নগৰত বিয়পি পৰিল। নগৰৰ উষ্ণতা বাঢ়ি গ'ল। আটাইতকৈ বেছি অধীৰ হৈ উঠিল ৰুক্মবীৰ। তেওঁ সসৈন্যে যাত্ৰা কৰিলে ৰুক্মিণীক উদ্ধাৰ কৰিবলৈ। যদি ৰুক্মিণীক আনিব নোৱাৰে, তেন্তে কুণ্ডিললৈ আৰু উভতি নাহে বুলি তেওঁ প্ৰতিজ্ঞা কৰিলে।

আদবাটতে ৰুক্মই শ্ৰীকৃষ্ণক লগ পালেগৈ। দুয়োৰো মাজত তয়াময়া ৰণ লাগিল। শ্ৰীকৃষ্ণক তেওঁ বলে নোৱাৰিলে; তেওঁ বেয়াকৈ হাৰিল। শ্ৰীকৃষ্ণই তেওঁক মাৰি পেলাবই খুজিছিল। ৰুক্মিণীয়ে বৰকৈ কাওঁবাওঁ কৰাত জানিবা প্ৰাণে নামাৰিলে; মূৰ খুৰাই ঘোল ঢালি এৰি দিলে। মৰ্ম্মান্তিক বেজাৰত ৰুক্মবীৰ হেনো নিজ দেশলৈ নগলগৈ।

শ্ৰীকৃষ্ণই দ্বাৰকাত ৰুক্মিণীক মহাসমাৰোহেৰে বিয়া কৰালে। ন-কইনাৰ ৰূপ-লাৱণ্য দেখি সকলো মুগ্ধ হ'ল; আৰু হৰগৌৰী বসতি হবলৈ আশীৰ্ব্বাদ কৰি সকলো ঘৰাঘৰি গ'ল।

এইয়া চমুকৈ ৰুক্মিণী-হৰণ সম্বাদ।

ৰুক্মিণীয়ে শ্ৰীকৃষ্ণক ভাল পাইছিল। কায়মনোবাক্যে তেওঁৰে পত্নী হবলৈ বাঞ্ছা কৰিছিল। ৰুক্মিণীৰ ভালপোৱা খাঁটি সোণৰ দৰে নিভাঁজ। কৃষ্ণৰ অবিহনে তেওঁ আন কোনো পুৰুষৰ ছাঁটোও নগছকিবলৈ স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। তেওঁৰ শুভ ইচ্ছা সিদ্ধি হ'ল।

বেদনিধিৰ প্ৰত্যাগমনৰ আগে আগে তেওঁ বিতত হৈ পৰিছিল। কিজানি কৃষ্ণ নাহে! তেনেহলে তেওঁৰ জীৱনৰে আশা নাই! ৰুক্মিণীৰ চৰিত্ৰত লক্ষ্য কৰিবলগীয়া কথা এটা এইখিনিতে আছে। তেওঁ দেখিলে সময় প্ৰায় পাৰ হবৰে হ'ল। কৃষ্ণ নাহিল। কিজানি তেওঁ নাহিবই। দোষ কাৰ? দোষ তেওঁৰ নিজৰ (ৰুক্মিণীৰ)। তেওঁৰ গাত চাগৈ কিবা কুলক্ষণ আছে। সেইহে শ্ৰীকৃষ্ণৰ নিচিনা সৰ্ব্বগুণাকৰ পুৰুষ এজনে কুলক্ষণীয়া জনীক চপাই

লবলৈ মন নকৰিলে—ৰুক্মিণীয়ে ভাবিলে। ৰুক্মিণীৰ এই মনোভাৱ অতিশয় প্ৰশংসনীয়।

ৰুক্মিণীৰ এই পৰম প্ৰেম ভক্তিলৈ ৰূপান্তৰিত হৈছিল। (উল্লেখযোগ্য যে মানুহক উত্তমৰূপে ভালপোৱাক 'প্ৰেম' আৰু ভগৱানক উত্তমৰূপে ভালপোৱাক 'ভক্তি' বোলে।) ৰুক্মিণীয়ে শ্ৰীকৃষ্ণক অসাধাৰণ গুণ-সম্পন্ন লোক এজন বুলিয়েই ভবা নাছিল, তেওঁক ঈশ্বৰ-পুৰুষ বুলি জ্ঞান কৰিছিল আৰু সেৱা-ভক্তি কৰিছিল। (সেই কাৰণেহে ৰুক্মিণীৰ ঘটনাক ভক্তিশাস্ত্ৰ ভাগৱতত এক বিশিষ্ট স্থান দিয়া হৈছে।) মহাসতী আৰু ভক্তিমতী ৰুক্মিণীৰ পবিত্ৰ আদৰ্শ সকলো তিৰোতাৰে গ্ৰহণযোগ্য।

তিৰোতাক শৰণ দিব নাপায়—স্বামীৰ বাহিৰে তিৰোতাৰ অন্য গুৰুৰ আৱশ্যক নাই—এনে এটা কথা আমাৰ দেশত আছে। ই বৰ সুন্দৰ ব্যৱস্থা! তিৰোতাৰ স্বামীয়েই গুৰু। স্বামীয়েই জ্ঞান, স্বামীয়েই ধ্যান। কথাটো শুনাত যিমান সহজ আৰু পুৰণি, কাৰ্য্যক্ষেত্ৰত সিমান নতুন আৰু জটিল। তিৰোতাই স্বামীক ভাল পাব লাগে—অন্তৰৰ সঁচা মৰম—পৱিত্ৰ প্ৰেম হিয়া উবুৰিয়াই দিব লাগে। তেহে গাৰ্হস্থ্য জীৱন সুখৰ হয়, সংসাৰ সুন্দৰ হয়, স্বামী-স্ত্ৰীৰ কৰ্ত্তব্য আৰু পত্নী হিচাপে কৰ্ত্তব্য পালন কৰা হয়। (তিৰোতাই স্বামীক যিদৰে শুদ্ধভাৱে ভালপোৱা দিব লাগে, স্বামীয়েও পত্নীক সেইদৰে শুদ্ধভাৱে ভালপাব লাগে, তেহে গাৰ্হস্থ্য জীৱনৰ সুখ-স্বচ্ছন্দতা আৰু ধৰ্ম্ম লাভ হয়।)

তিৰোতাই স্বামীক স্বামী হিচাপে ভালপোৱাৰ বাহিৰেও তাতোকৈ এটা উচ্চতৰ স্তৰ আছে। জীৱই যদি মুক্তি বিচাৰে, সংসাৰ-চক্ৰৰ আৱৰ্ত্তনৰ হাত সাৰিবলৈ বিচাৰে, জৰা-মৃত্যুৰ সিপাৰৰ আত্মাৰ ৰাজ্যত চিৰনিবাস কৰিবলৈ বিচাৰে, তেন্তে পৰমেশ্বৰৰ চৰণত ঐকান্তিক ভক্তি ৰাখিব লাগে। ই জীৱনৰ পৰম সাধন। তাৰ কাৰণে—ভক্তিৰ সাধনৰ কাৰণে মানুহক উপযুক্ত গুৰুৰ

আৱশ্যক। গুৰুক ঈশ্বৰ-জ্ঞানে সেৱা-ভক্তি কৰিব পাৰিলেহে ব্ৰহ্ম-লাভ হয়। তিৰোতাৰ স্বামীয়েই সেই গুৰু। তিৰোতাই উপযুক্ত গুৰু বিচাৰি দূৰলৈ যাব নালাগে। প্ৰিয়তম স্বামীকে দেৱতাৰূপে, ঈশ্বৰ-জ্ঞান কৰি সেৱা-শুশ্ৰূষা কৰাটো সহজ আৰু সুবিধা।

পুৰুষে ঈশ্বৰ-উপাসনা কৰিবলৈ মূৰ্ত্তিৰ সহায় লব লাগে। পিছে, খেৰ-বাঁহেৰে সজা মূৰ্ত্তি বা শিল আদিৰ প্ৰতিমাতকৈ তিৰোতাৰ পক্ষে, স্বামীৰ মানৱ-মূৰ্ত্তি পূজাৰ কাৰণে সহস্ৰ গুণে বেছি উপযোগী। আমি জানো, মানৱ সেৱাই মহাধৰ্ম্ম। সকলো মহাপুৰুষে এই মহৎবাণী প্ৰচাৰ কৰি গৈছে। মানুহেই ঈশ্বৰ; অৰ্থাৎ, মানুহৰ মাজতে ঈশ্বৰ, অতিশয় সূক্ষ্মৰূপে অৱস্থান কৰিছে। গতিকে নাৰীয়ে যিজন পুৰুষক দেহ-মন অকাতৰে দান কৰিব পাৰে বা পাৰিব লাগে, সেইজন পুৰুষক ঈশ্বৰ-জ্ঞান কৰিবলৈ বিশেষ অসুবিধা নাই; বৰঞ্চ তেনে সুবিধা পোৱা কাৰণে নাৰীয়ে নিজকে ভাগ্যৱতী বুলি ভাবিব লাগে; আৰু ভগৱানক ধন্যবাদ দিব লাগে। পতিসেৱা নাৰীৰ অৱশ্য পালনীয় কৰ্ত্তব্য। তাকে যদি ঈশ্বৰ-জ্ঞানে কৰে, তেন্তে মহাধৰ্ম্মৰ ফল লাভ হয়—এয়ে মূলকথা। এই তত্ত্ব আৰু তাৰ আদৰ্শ ভাৰতীয় আৰ্য্য ঋষিসকলে প্ৰচাৰ কৰি গৈছে। ইয়াৰ মূল্য অসীম।

এই তত্ত্বৰ সম্যক বোধ ৰুক্মিণীৰ হৃদয়ত আছিল। তেওঁ স্বামী শ্ৰীকৃষ্ণৰ মানৱী-ৰূপৰ মাজেদি পৰমেশ্বৰৰ দিব্য স্বৰূপ দৰ্শন কৰিছিল। "ৰুক্মিণীৰ প্ৰেম-কলহ' আখ্যানত তেওঁৰ এই ভক্তিভাৱ পৰিস্ফুট হৈ উঠিছে। (প্ৰেম-কলহ মানে, প্ৰেম-পৰিহাস বা মুখ-চুপতি। সাধাৰণতে ন-ঘৈণীৰ লগত এনে পৰিহাসৰ অৱতাৰণা কৰি নতুন আনন্দৰ সোৱাদ লোৱা পুৰুষৰ স্বভাৱ।)

এদিন শ্ৰীকৃষ্ণ সোণৰ পালঙ্কত শুই আছিল। কোনোবা লিগিৰী এজনীয়ে তেওঁক বিচি আছিল। তাইৰ হাতৰপৰা বিচনীখন লৈ ৰুক্মিণীয়ে কৃষ্ণক বিচিবলৈ ধৰিলে। শ্ৰীকৃষ্ণৰ হঠাতে অলপ

আমোদ কৰিবৰ মন গ'ল। তেওঁ ৰুক্মিণীক ক'লে—হে'ৰা ৰুক্মিণী, বিচনীখন থোৱাচোন; মোৰ কথা এটা শুনা। তুমি ৰাজকন্যা, তুমি মোৰ নিচিনা মানুহক বিচিবৰ দৰকাৰ নাই। চোৱা, তোমাৰ দেউতাৰা ভীষ্মক এজন ডাঙৰ ৰজা আছিল। ৰজা শিশুপালো প্ৰতাপী আৰু ঐশ্বৰ্য্যৱান দেখিয়েই তেওঁলোকে তোমাক শিশুপাললৈ বিয়া দিব খুজিছিল। ককায়েৰা ৰুক্মইতো আপ্ৰাণ চেষ্টা কৰিছিল। তুমিহে চকু থাকিও খালত পৰিলা। মোৰ নিচিনা নিঃকিন এটাক তুমি কি দেখি জানো স্বামী বৰণ কৰিলা? তুমি আচলতে পৰ্ব্বত-প্ৰমাণ মস্ত ভুল এটা কৰিলা। চোৱা, মই অতি হীনবল আৰু ৰাজছত্ৰও মোৰ নাই। মই জৰাসন্ধ আদি ৰজাৰ ভয়ত সাগৰৰ মাজত লুকাই আছোঁহি। তোমাৰ নিচিনা সৰ্ব্বসুলক্ষণীয়া ৰাজকুমাৰীয়ে মোৰ নিচিনা দৰিদ্ৰ এটালৈ প্ৰেমপত্ৰ লিখিবলৈ তোমাক বাৰু কিহে পাইছিল? তুমি বৰ আজলী। কথাতে কয়—"সমানে সমানে কৰিবা কাজ, হাৰিলে-জিকিলে ন'ই লাজ।" মোৰ লগত তোমাৰ কোনো গুণে তুলনা নহয়। উত্তমে-অধমে মিল হোৱা উচিত নহয়। মই গুণহীন এজন পুৰুষ; আৰু তুমি সৰ্ব্বাঙ্গসুন্দৰী সৰ্ব্ব-গুণৱতী ৰমণী। তুমি দেশান্তৰীৰ মুখে মোৰ কথা ভুলকৈ শুনিছিলা।

"মই তোমাক হৰণ কৰিলোঁ কিয় জানা? শিশুপালে আৰু তোমাৰ ককাইদেৰেৰাহঁতে মোক চকুপাৰি দেখিব নোৱাৰে, মোক অকাৰণতে হিংসা কৰে। তেওঁলোকৰ দৰ্প চূৰ্ণ কৰি, তাৰ প্ৰতিশোধ লবলৈহে মই তোমাক হৰি আনিবলৈ গৈছিলোঁ। আচলতে, তিৰোতাৰ ৰূপ-যৌৱনৰ প্ৰতি মোৰ এক উদাসীনতা আছে। মই আত্মাৰাম, নিজতে নিজে সন্তুষ্ট। গতিকে মোৰপৰা তোমাৰ সুখ হোৱাৰ আশা নাই।

"মুঠৰ ওপৰত, তুমি বৰ ডাঙৰ ভুলেই কৰিলা। পিছে এতিয়াও সময় আছে। সময় থাকোঁতেই তুমি এই ভুলৰ শুধৰণি কৰা ভাল

হব। তুমি অতি সোনকালে তোমাৰ যোগ্য চাই এজনক স্বামী বৰণ কৰি সুখী হোৱা। মই তোমাক বিদায় দিলোঁ। মোৰ অকণো বেজাৰ নাই। তোমাৰ সুখ দেখিলেই মই সন্তোষ পাম।"

কৃষ্ণৰ নিষ্ঠুৰ কথাই ৰুক্মিণীক অপাৰ চিন্তা-সাগৰত পেলাই দিলে। তেওঁৰ মুখ বিবৰ্ণ হৈ গ'ল। কৃষ্ণই এৰিব বুলি ভয় খালে। চকুপানীৰ সোঁত ধাৰাসাৰে ব'বলৈ ধৰিলে। সেই সোঁতে চকুৰ কাজল উটুৱাই নিলে। হাতৰ বিচনী খহি পৰিল। চাই থাকোঁতেই ৰুক্মিণী মাটিতে পৰি মূৰ্চ্ছা গ'ল। শ্ৰীকৃষ্ণ প্ৰেমাকুল হৈ পৰিল। তেওঁ আলফুলকৈ ধৰি-মেলি বিচি বিচি তেওঁক সুস্থ কৰিলে। লাহে লাহে চকু দুটা মেলা দেখি শ্ৰীকৃষ্ণই হাঁহি মাৰি কলে— "চেনেহী ৰুক্মিণী! তুমি নুবুজিলা। মই তোমাৰ লগত ধেমালিহে কৰিছিলোঁ। তুমি মিছাতে ইমান চিন্তা কৰিছা কিয়? মই তোমাৰ মনটোহে বুজিলোঁ। তোমাৰ নিচিনা ৰমণীক ত্যাগ কৰি মই জানো থাকিব পাৰোঁ?"

ৰুক্মিণী শান্ত হ'ল।

কৃষ্ণৰ মুখলৈ চাই ৰুক্মিণীয়ে ধীৰে ধীৰে কবলৈ ধৰিলে—"হে স্বামী! তুমি কোৱা কথাবোৰ অৱশ্যে মিছা নহয়। তুমি কৈছা— তুমি মোৰ যোগ্য নোহোৱা। সঁচা কথা। মই সামান্যা নাৰী; আৰু তুমি সৰ্ব্বগুণময় জগৎপতি। তোমাৰে মোৰে তুলনা হব কেনেকৈ? তুমি আত্মাৰাম, পূৰ্ণকাম। মোকতো তুমি নিবিচাৰা। মই হে তোমাৰ চৰণ সেৱা কৰি সুখী হবলৈ বাঞ্ছা কৰোঁ। ৰজাবিলাকৰ ভয়ত তুমি সাগৰৰ মাজত পলাই আছা বুলি কৈছা। ইয়াৰ গূঢ়াৰ্থ এই যে, বহিৰ্মুখী ইন্দ্ৰিয়বোৰৰ দ্বাৰা তোমাক ঢুকি নাপায়। আকৌ, তোমাৰ ৰাজপদ নাই বুলিছা। ৰাজপদ অজ্ঞানতাৰ সেতু। ভকতেই তাক অৱজ্ঞা কৰে; তুমি মহাব্ৰহ্মই তাকনো কিয় বিচাৰিবা? নাৰীৰত্নত তোমাৰ আসক্তি নাই সঁচা; কিন্তু তোমাক ভজনা কৰিয়েই সকলোৱে ব্ৰহ্মানন্দ লাভ কৰিব

পাবে। ব্ৰহ্মা-লক্ষ্মীয়েও তোমাৰ চৰণ সেৱা কৰে—পৰমানন্দ সুখৰ আশাত। তুমি কৈছা—তুমি অতি দৰিদ্ৰ, নিষ্কিঞ্চন। হে হৰি! তোমাৰ বাহিৰে দেখোন সাৰবস্তু সংসাৰত নায়েই। তুমিয়েই পৰম মোক্ষ সম্পদ। তোমাক আকৌ ধন-ঐশ্বৰ্য্য কেলেই? তুমিয়েই পৰম আনন্দ। তোমাক ভজিলেই পৰম অমৃত পান কৰি জীৱ কৃতাৰ্থ হব পাৰে।

"তোমাতকৈ অধিক গুণশালী এজন চাই বৰণ কৰিবলৈ তুমি মোক কৈছা। তোমাতকৈ শ্ৰেষ্ঠ কোনোবা জনো থাকিব পাৰে? তুমিয়েই সৰ্ব্বশ্ৰেষ্ঠ আৰু জগতৰ পৰম আশ্ৰয়। গতিকে মই ক'লৈ যাম? তোমাৰ চৰণতে মোৰ অচলা ভক্তি থাকক, এইমাত্ৰ কৃপা কৰা। শিশুপাল আদি ৰজাবোৰক মই ঘৃণা কৰোঁ। সিহঁতে তোমাক চিনিব নোৱাৰে। সিহঁত নিষ্ঠুৰ আৰু তিৰোতা-সেকৰা। যি তিৰোতাই তোমাৰ পবিত্ৰ গুণ-গান কাণেৰে নুশুনে, তেনেকুৱা অসতীৰ লগতে সিহঁতৰ সঙ্গ হব। অসতী দুষ্টা নাৰীয়ে স্বামীক অৱহেলা কৰে, আৰু জন্ম-জন্মান্তৰে দুৰ্খ-নিকাৰ ভুঞ্জে। প্ৰভু! মই যেন তোমাৰ চৰণ নেৰোঁ।"

ৰুক্মিণীৰ কথাত শ্ৰীকৃষ্ণই পৰম সন্তোষ পালে। তেওঁ কলে—"কল্যাণী ৰুক্মিণী! তুমি পতিব্ৰতা, সতী। তোমাক ধন্যবাদ! তুমি পিতৃ-মাতৃ আৰু ককায়েৰাহঁতৰ বাধাকো নগণি মোক ভজিছিলা, আৰু প্ৰেম-পত্ৰ লিখি মোতে আত্মসমৰ্পণ কৰিছিলা। মই তেতিয়াই তোমাৰ প্ৰেমত আবদ্ধ হৈছোঁ। তোমাৰ মৰমৰ ধাৰ মই শুজিব নোৱাৰোঁ। তোমাৰ মনোবাঞ্ছা সিদ্ধি হওক!"

ৰুক্মিণীয়ে শ্ৰীকৃষ্ণক আন্তৰিক প্ৰেম নিবেদন কৰিছিল; তেওঁক ভগৱৎ-জ্ঞানে সেৱা কৰিছিল—এয়েই তাৰ প্ৰত্যক্ষ প্ৰমাণ। ভক্ত আৰু ভক্তিৰ মধুৰ তত্ত্ব ভাগৱতকাৰে ৰুক্মিণীৰ মুখেদি ব্যক্ত কৰাইছে। ৰুক্মিণীয়ে এই তত্ত্ব অনুভৱ কৰি জন্ম সাৰ্থক কৰিছিল। ভগৱানেও আমাক তেনে সুমতি দিয়ক!

সাহিত্যত প্ৰেমৰ স্থান

সাহিত্যৰ বিষয়বস্তু প্ৰধানতে মানুহ। মানুহে মানুহৰ কাৰণে, মানুহকে লৈ সাহিত্যৰ সৃষ্টি কৰে। মানুহৰ লগত সম্পৰ্ক থকা যিবোৰ বিষয়, অৰ্থাৎ জগতৰ সকলো বিষয়েই সাহিত্যৰ অন্তৰ্গত। মানুহৰ সুখ-দুখ, আশা-নিৰাশা, ভাগ্য, কৰ্ম্মফল, ইহকাল, পৰকাল, জীৱনৰ পূৰ্ণতা, ঈশ্বৰ, প্ৰকৃতি, জগত—আটাইবোৰেই সাহিত্যৰ বিষয়বস্তু হব পাৰে। এইবোৰ বিষয়ৰে চিন্তা-ফুলৰ মালা গাঁথি সাহিত্যিকে মানৱ-সমাজক পিন্ধায়। যিবোৰ কিতাপ বা ৰচনাই মানুহক জীৱন আৰু জগতৰ সত্যসমূহৰ জ্ঞান দিয়ে, আৰু লগতে আনন্দও যোগায়, সেইবোৰেই সাহিত্য নামৰ যোগ্য। জীৱন আৰু জগতৰ বিচিত্ৰ জ্ঞানৰ ভঁৰাল সাহিত্য। সাহিত্য সঞ্চিত আৰু পুঞ্জীভূত জ্ঞানৰত্ন। কবি-গুৰুৰ মতে সাহিত্য হৈছে ভাষাৰ লগত ভাবৰ আৰু শব্দৰ লগত অৰ্থৰ মিলন। কথাটো সঁচা। সাহিত্য সত্যৰ প্ৰকাশ। পিছে, তাৰ প্ৰকাশত এটি বিশেষত্ব আছে, সৌন্দৰ্য্য আছে। সাহিত্য এবিধ কলা (Art)। ই মানুহক আনন্দ বা আন্তৰিক সৌন্দৰ্য্য দান কৰে।

সাহিত্যত প্ৰকাশ পোৱা সত্যত সুন্দৰতা আছে। সুন্দৰ যেতিয়া সি মঙ্গলময় বা মানৱ-সমাজৰ হিতকাৰক অৱশ্যে হব লাগিব। যি সত্য, সেয়েই শিৱ (মঙ্গলময়) আৰু সুন্দৰ। আকৌ কলাৰ কাম কি? "কলাৰ কাম হ'ল—আমাৰ প্ৰাণ সঞ্চাৰিত কৰা, আমাৰ প্ৰকৃতি মানবীয় কৰা, জীৱন সংস্কাৰ কৰা, আৰু আমাৰ মনত এনে গভীৰ তৃপ্তিৰ অৱস্থাৰ সৃষ্টি কৰা, যাতে সেয়ে ধীৰে ধীৰে আমাৰ জীৱনৰ সনাতন (স্থায়ী) মনোভাবত পৰিণত হয়গৈ।"—(ৰাধাকৃষ্ণণ) "এৰিষ্টটলৰ মতে কলা এবিধ

অনুকৰণ; কিন্তু বাহ্যিক প্ৰকৃতিৰ নহয়, অন্তৰ-সত্তাৰহে।" মুঠৰ ওপৰত, কলাই আমাৰ মনক নিমজ্জিত কৰে, আৰু উচ্চতৰ স্তৰলৈ লৈ যায়।

কলাকাৰে মানুহক বা সমাজক পোনপটিয়াকৈ শিক্ষা দিবলৈ বা আদর্শ প্ৰচাৰ কৰিবলৈ যত্ন নকৰিব পাৰে; কিন্তু ই সমস্ত মানব জাতিৰ কাৰণেই আনন্দদায়ক আৰু মঙ্গলকাৰক। ই স্বভাৱসিদ্ধ। 'আত্মপৰায়ণ বা স্বাৰ্থপৰ নহবা'—এনে উপদেশ ৰামায়ণত স্পষ্টভাৱে নাই; কিন্তু গোটেই ৰামায়ণখনতে ৰাম, সীতা, লক্ষ্মণ, ভৰত, হনুমান আদি মহান চৰিত্ৰবোৰৰ মাজেদি এই মনোভাৱ বা আদর্শ ফুটি উঠিছে যে আত্মত্যাগতহে প্ৰকৃত জীৱনৰ বিকাশ, পূর্ণতা আৰু শান্তি আছে। আত্মসৰ্ব্বস্ব মানুহ আত্মঘাতী—এই আদর্শভাবৰ নীৰৱ গুণগুণনি মহাগ্ৰন্থ ৰামায়ণৰ এক সুৰ-সম্পদ। ই মানব জাতিলৈ এক অতুলনীয় দান। সাহিত্য বা কলা কোনো বিশেষ লোকৰ সম্পত্তি নহয়, ই সাৰ্ব্বজনীন। যদি যথাৰ্থতে সেয়ে হৈ নুঠে, তেন্তে বুজিব লাগিব যে সি উৎকৃষ্ট সৃষ্টি নহয়।

কলাই আনন্দ দান কৰাৰ লগতে মানুহৰ মনত সুন্দৰতাৰ চাপো বহুৱাব লাগিব—মানৱতাৰ স্ফুৰণ হব লাগিব—মনুষ্যত্বৰ উৰ্দ্ধগতিত সহায়তা কৰিব লাগিব। এই কথা মানি নললে সমাজৰ উন্নতি ব্যাহত হব। বেয়া কাম কৰিও মানুহে আনন্দ পাব পাৰে। ক্ৰূৰ, নিষ্ঠুৰ মানুহে পৰপীড়ন কৰিও কেতিয়াবা আনন্দ পায়। মানুহে তাকো মানি লব পাৰে জানো? আনন্দ লাভ সকলো জীৱৰে একমাত্ৰ লক্ষ্য। কিন্তু পৰৰ অহিত কৰি, আনক দুখ দি নিজে সুখভোগ কৰাটো উচিত হব নোৱাৰে। সাহিত্য হৈছে ভাষাৰ মাধ্যমেৰে তৈয়াৰ কৰা মনোৰম ৰচনা বা কিতাপ। সাহিত্য যদি কদৰ্য্য হয়, তেন্তে তাৰপৰা যে মানুহৰ অপকাৰ হব, সেই কথা বোধগম্য হবলৈ তৰ্ক-যুক্তিৰ অৱতাৰণা অনাৱশ্যক।

সাহিত্যই সামৰি নোলোৱা বিষয় নাই। 'প্ৰেম' যদি সাহিত্যৰ

বিষয়বস্তু হয়, তেন্তে কেনেকুৱা হব বা হোৱা উচিত? প্ৰেম মানৱ-হৃদয়ত নানাভাৱে প্ৰকাশ পায়—দেশপ্ৰেম, স্বামীপ্ৰেম, বাৎসল্য প্ৰেম, ঈশ্বৰ-প্ৰেম, মানৱ-প্ৰেম ইত্যাদি। আটাইৰে মূল হৃদয়ৰ ভালপোৱা প্ৰবৃত্তি। ই জীৱনত নানা সময়ত, নানা অৱস্থাত বিভিন্ন ৰূপত বিকশিত হৈ উঠে। সৰুতে পিতা-মাতাৰ প্ৰতি থকা 'প্ৰেম' বয়সত অইনলৈ বাগৰে, বা বাহ্যিক ৰূপৰ পৰিবৰ্ত্তন হয়। যৌৱনত সেয়ে যৌনাসক্তিৰ ৰূপ লয়। ইয়াকে বিষয়-বস্তু হিচাপে লৈ হাজাৰ-বিজাৰ কাব্য-কবিতা, গল্প-উপন্যাস ৰচিত হৈছে। 'প্ৰেম' বুলিলে সাধাৰণতে এই কাম-বাসনাকে বুজায়। কিন্তু কাম-বাসনা মানে প্ৰেম নহয়। এই ভুল বহুতেই কৰে। 'প্ৰেম' মনুষ্য হৃদয়ৰ উচ্চ আৰু পবিত্ৰ অনুভূতি। প্ৰেমতেই জীৱনৰ উন্মেষ আৰু বিকাশ। প্ৰেমতেই মানুহৰ জন্ম আৰু জগতৰ স্থিতি। প্ৰেমক বাদ দি জীৱনক চাব বা ভাবিবই নোৱাৰি। প্ৰেমেই জীৱন আৰু জীৱনেই প্ৰেম—এই তত্ত্ব গভীৰ চিন্তাৰে অনুভৱ কৰিব পাৰি।

আহাৰ, নিদ্ৰা, ভয় (মৰণৰ ভয়), আৰু মৈথুন সকলো জীৱৰে সাধাৰণ লক্ষণ। বংশৰক্ষা বা সৃষ্টিৰক্ষা কৰাৰ প্ৰবৃত্তি জীৱৰ পক্ষে স্বাভাৱিক আৰু সৎ। ই অনিষ্টকাৰক বা পাপ নহয়। জীয়াই থাকিবলৈ আহাৰৰ যেনে আৱশ্যক, যৌনক্ষুধা নিবাৰণৰ কাৰণে দৈহিক মিলনো অত্যাৱশ্যকীয় বুলি স্বীকাৰ কৰাত সঙ্কোচৰ প্ৰশ্ন নুঠে। আমি মাৰ্জ্জিত ভাষাৰে হলেও কব লাগিব যে জীৱনৰ সোঁত বন্ধ কৰিবলৈ বা প্ৰবৃত্তিৰ বেগ ৰুদ্ধ কৰিবলৈ আমাৰ শক্তি নাই বা আৱশ্যকো নাই। ই বিশ্ব-প্ৰকৃতিৰ সহজ প্ৰক্ৰিয়া—পৰমেশ্বৰৰ অযাচিত দান। জীৱন যিদৰে সত্য, যৌৱন যিদৰে শুদ্ধ, যৌনক্ষুধাও একেদৰেই সত্য আৰু শাশ্বত।

কিন্তু প্ৰশ্ন হৈছে—ইয়াক জীৱশ্ৰেষ্ঠ মানুহে কিদৰে গ্ৰহণ কৰিব লাগে? এই প্ৰবৃত্তি সকলো জীৱৰ পক্ষেই স্বাভাৱিক। কিন্তু মানুহ যেহেতু পশু নহয়, মানুহে ইয়াক এক পৰিশোধিত, পৰিমাৰ্জ্জিত

ৰূপত গ্ৰহণ কৰিব লাগে। বৰ আনন্দৰ কথা যে মানুহে ইয়াক এক উন্নততৰ মনোৰম ৰূপত গ্ৰহণ কৰিব পাৰে, আৰু পশুত্বক জয় কৰি প্ৰকৃত মানৱতা লাভ কৰিব পাৰে। কাম-বাসনাৰ পৰিশোধিত ৰূপ বা অৱস্থাই প্ৰেম। কামনা কামনাই। সি প্ৰেম হব কেনেকৈ? পশুত্বৰ শাৰীৰপৰা ওপৰলৈ উঠিলেহে 'কাম' গুচি 'প্ৰেম' হয়। 'আত্মেন্দ্ৰিয় প্ৰীতি ইচ্ছা তাকে বোলে কাম'। অৰ্থাৎ, নিজৰ ইন্দ্ৰিয়-তৃপ্তিৰ কামনাকে 'কাম' বোলে। সি সহজাত প্ৰবৃত্তি। সেইয়া প্ৰেমৰ নিম্নতম স্তৰ। সিতো প্ৰকৃত প্ৰেম নহয়। গাখীৰ যিদৰে মাখন নহয়, কাম-বাসনাও সেইদৰে প্ৰেম নহয়। গাখীৰ মথি মাখন তৈয়াৰ কৰাৰ দৰে, 'কাম'ৰ মাজতে প্ৰকৃত প্ৰেমৰ সৃষ্টি কৰিব লাগিব। বোকাৰ মাজতে পদুম ফুলাৰ দৰে, কামনাৰ মাজতে পবিত্ৰ প্ৰেমৰ স্বৰ্গীয় পাৰিজাত ফুলি উঠিব লাগিব। তাৰ কাৰণে লাগিব প্ৰযত্ন আৰু গভীৰ অনুভূতি। কামক প্ৰেমৰ স্তৰলৈ উন্নীত কৰিব নোৱাৰিলে, প্ৰাণত শান্তিও পোৱা নাযায়। সুবিধা পালে ভোগে আমুৱাবলৈ কিমান পৰ? ভোগৰ কামনাত ক্ষণিক সুখৰ অনুভূতি আছে, কিন্তু কেতিয়াও তৃপ্তি নপলায়; হিয়া জুৰ নপৰে। কাম-তৃষ্ণা চিৰকাল জ্বলি থকা একুৰা জুই। তাক কেৱল ভোগেৰে নিৰ্ব্বাপিত কৰিব নোৱাৰি। তাৰ ধোঁৱাবোৰ চকুৰে নেদেখি; কিন্তু সেই জুয়ে চিৰকাল মন-প্ৰাণত পোৰণি তুলি থাকে। সেই কামনাক বিশুদ্ধীকৰণ কৰি, প্ৰেমলৈ ৰূপান্তৰিত কৰি গ্ৰহণ কৰিব লাগিব। সেয়েহে প্ৰকৃত মানৱীয় লক্ষণ, আৰু মানৱ জীৱনৰ কৰ্ত্তব্য। জীৱন-মন যেতিয়া প্ৰেমময় হৈ উঠিব, কাম-ভোগৰ কামনা অৱদমিত হব, তেতিয়াহে অনাবিল শান্তিৰ দিব্য অনুভূতি লাভ হব পাৰে। দৰাচলতে তাকেহে মানুহে হাবাথুৰি খাই বিচাৰিব লাগিছে। হয়তো পোৱা নাই, কাৰণ বিচাৰিব জনা নাই।

মানুহ আৰু কুকুৰ-শিয়াল আদি অন্যান্য জীৱ-জন্তুবোৰৰ সম্ভোগ

সুখৰ মাজত পাৰ্থক্য নাই। গতিকে ইন্দ্ৰিয়াসক্তিযুক্ত মানুহটো 'আচল মানুহ' নহয়। সেয়ে যদি হয়, তেন্তে 'নকল মানুহ, বা 'পশু মানুহ' কোনটো? মানুহেও জন্তুৰ দৰেই সন্তানৰ জন্ম দিয়ে। দুয়োৰো মাজত কোনো তফাৎ নাই। সেই ক্ষেত্ৰত মানুহ পশুৱেই। যিটো বিষয়ত মানুহ পশু নহয়, সেই বিষয়টো হৈছে প্ৰেম—অকৃত্ৰিম স্বাৰ্থগন্ধহীন ভালপোৱা। সেয়ে মনুষ্যত্ব—মানৱতাৰ স্বকীয় বৈশিষ্ট্য।

আগতে মানুহে যেতিয়া পশুৰদৰে বাস কৰিছিল, তেতিয়া কোন কাৰ বাপেক, ভায়েক বা ভণীয়েক, তাৰ হয়তো চিন নাছিল। সেই অৱস্থাত পশুত্বই পূৰ্ণৰূপে বিৰাজ কৰিছিল। মানুহৰ সভ্যতা আৰু ক্ৰমোন্নতিয়ে সেই পশু-ব্যৱস্থাৰ পৰিবৰ্ত্তন সাধিলে। মানুহে আজিৰ ৰূপত বিবাহ পদ্ধতিক আবিষ্কাৰ আৰু গ্ৰহণ কৰিলে। এই আচাৰ অৱশ্যে বাহ্যিক। সেই একে দৰেই আমি 'কাম'ৰ ঠাইত প্ৰেমক আবিষ্কাৰ কৰি গ্ৰহণ কৰিব লাগে। ই আন্তৰিক বা অন্তৰ্জগতৰ বিষয়।

নাৰীৰ দেহত সৌন্দৰ্য্য আছে সঁচা, কিন্তু তাক কামুকতাৰ চকুৰে নাচাই, প্ৰকৃত সৌন্দৰ্য্য-সাধকৰ দৃষ্টিৰে চাব লাগে। প্ৰকৃত সৌন্দৰ্য্য অসত্য নহয়। নাৰীৰ ৰূপ-যৌৱন চিৰস্থায়ী নহয়; তাৰ বিনাশ আছে। কিন্তু সেই বিনাশী দেহৰ মাজতে থকা যি প্ৰকৃত সৌন্দৰ্য্য, সি অবিনাশী। সেই অবিনশ্বৰ সৌন্দৰ্য্য গোটেই বিশ্ব জুৰি আছে। (প্ৰকৃত) কবি বা সাহিত্যিকে সেই সৌন্দৰ্য্য দেখে বা অনুভৱ কৰে; আৰু সাহিত্যত তাকে প্ৰকাশ কৰে। সেয়ে উৎকৃষ্ট সাহিত্য।

কাম-বাসনা সাহিত্যৰ বিষয়-বস্তু হলে, সি উত্তম সাহিত্য হব নোৱাৰে। সি আপাতমধুৰ হলেও, বা অনেকৰ মনত আনন্দ-উত্তেজনাৰ সৃষ্টি কৰিলেও তেনে সাহিত্যই জীৱন আৰু সমাজৰ পুষ্টিসাধন কৰিব নোৱাৰে। এই কথা সকলোৱে জানে যে শকত-

আৰৃত মানুহ এটা স্বাস্থ্যৱান নহ'বও পাৰে। সেইদৰে, ভাষা চহকী কৰা বুলি কোৱা সকলো কিতাপেই সমাজৰ মানসিক স্বাস্থ্য অটুট ৰখাত সহায়তা নকৰে। সাহিত্যক সমাজৰ এবিধ আহাৰ বুলি উপমাৰে ধৰি ললে, তেনেবোৰ অনুত্তম লঘু সাহিত্যক পেট-বেমাৰী কৰা কোনো এবিধ মুখ-ৰোচক মিঠাই বা জুতি লগা বস্তু বুলিব পাৰি। সেইবিধ আহাৰে জিভাৰ জুতি লগাব পাৰে, কিন্তু শৰীৰৰ বা স্বাস্থ্যৰ উপকাৰ সমূলি নকৰে—অপকাৰহে কৰে। কামনাৰ ৰংৰহণেৰে ৰঞ্জিত লঘু সাহিত্যই অনেক মানুহৰ মনোৰঞ্জন কৰিব পৰাটো মিছা নহয়; কাৰণ ই আমাৰ আদিম আৰু প্ৰবল প্ৰবৃত্তি।

জেতুকী গাঁৱৰ এজনী ছোৱালী। তাই ঘৰৰ ওচৰৰে আৰু সৰুৰেপৰা চিনাকি সোমেশ্বৰলৈ এদিন চাপি সোমালগৈ। সিহঁত দুয়োয়ে দুয়োৰে সঙ্গ আৰু জীৱন-জোৰা সাহচৰ্য্য অপৰিহাৰ্য্য বুলি বিবেচনা কৰিয়েই এই পথ গ্ৰহণ কৰিলে। ইয়াকে লৈ জানিবা এটা গল্প বা এখন উপন্যাস ৰচনা কৰা হ'ল। তাক পঢ়িও ভাল লাগিল। শব্দৰ গাঁথনি আৰু ভাষাৰ লালিত্যৰে আমাৰ বহুতৰে মনত অনুভূতিৰ আলোড়ন তুলিব পৰা শক্তি ইয়াৰ আছে। আকৌ, অৰুণা এজনী আধুনিকা চহৰীয়া ছোৱালী। তাই ৰমেনৰ লগত একেলগে ফুৰে, চিনেমা চায়……বহুত কিবাকিবি কৰে। শেষত বিয়াৰ প্ৰশ্ন উঠিল।……কিবা এটা কাৰণত সিহঁতৰ সেই মিলন স্থায়ী নহ'ল। (হয়তো সিহঁতৰ কোনো এটাই তেনে ইচ্ছা কৰাই নাছিল।) সিহঁত জীৱনৰ বাটত দুয়ো দুফালে গ'ল। কিন্তু সিহঁত যি কেইদিনৰ কাৰণে লগালগি হৈছিল, সেই কেইদিনৰ ৰঙীন মুহূৰ্ত্তবোৰৰ মনোৰম বৰ্ণনাই আমাৰ মনত যি সপোনপুৰী ৰচনা কৰে, তাৰ প্ৰকাশ বাহিৰত নাই।

আৰু এটা ঘটনা হ'ল মালতীক লৈ। (তাইৰ নাম লতিকা বা মালবিকাও হব পাৰে। কিবা এটা ভাল নাম হলে ভাল

হয়।) এই মালতী বা মালবিকা তাইৰ গাঁৱৰে ডেকা এটাৰ লগত (বা ঘৰতে বহুদিন থকা চাকৰ এটাৰ লগত) এদিন ৰাতিয়েই পলাই গ'ল। এই ঘটনাৰে আলম লৈ জানিবা কিবা এখন লিখা হ'ল। শব্দ-গাঁথনিৰ মায়াজালত—মন-প্ৰাণত 'ৰিম্ ঝিম্' অনুভূতিৰ উদ্ৰেক কৰা ভাষাৰ আবেশ-জালত বহুত ডেকা-গাভৰুৰ মন-মৃগ বহু সময়ৰ বাবে বন্দী হৈ ৰ'ল। সেয়া সাহিত্য হয় নে নহয় নাজানো; কিন্তু তাকেই জানো (অৰ্থাৎ উল্লিখিত ঘটনাবোৰত প্ৰকাশ পোৱা জৈৱিক প্ৰবৃত্তিৰ মন ভাল লগোৱা বৰ্ণনাসমূহকে) প্ৰেমৰ মনোৰম চিত্ৰ বোলে? সেয়াতো প্ৰেম নহয়। সেয়া হৈছে দেহ-মনৰ ক্ষুধা, আৰু তাৰেই ৰসাল বৰ্ণনা। তাত আছে দেহৰ মিলন আৰু মনৰ খন্তেকীয়া তৃপ্তি। তাত প্ৰাণৰ সম্বন্ধ, আত্মাৰ ঐক্য সমূলি নাই। প্ৰকৃত প্ৰেমত বিৰহো নাই, মিলনো নাই। অৰ্থাৎ বিৰহৰ তাপ আৰু মিলনৰ দুৰ্ব্বাৰ কামনা নাই—যি কামনাৰ জুয়ে অহৰহ পুৰি থাকে। প্ৰকৃত প্ৰেমত আছে 'বুকুৰ সুৰ'। এই 'বুকুৰ সুৰ' হৈছে প্ৰেমৰপৰা ওপজা নিৰ্ম্মল সুখানুভূতি। প্ৰকৃত প্ৰেমত আছে আত্মবিলোপ কৰাৰ প্ৰবল ইচ্ছা। সেই ইচ্ছাই 'অহং' ভাবৰ বিলোপ সাধন কৰে; আৰু তাতেই শান্তি পোৱা যায়।

লঙ্কাধিপতি ৰাৱণ সুন্দৰী সীতাৰ ৰূপত উন্মত্তপ্ৰায় হৈ পৰিছিল। সেয়া জানো ৰাৱণৰ প্ৰেম আছিল? প্ৰেম আছিল ৰাম-সীতাৰ মনৰ মাজত। তেওঁলোকে উভয়ে উভয়কে ভাল-পোৱাত ত্যাগৰ ভাব প্ৰকট হৈ পৰিছিল। ৰামে সীতাই আৰু সীতাই ৰামৰ সুখ-সন্তোষ আৰু আনন্দৰ কথাহে সদায় ভাবিছিল। প্ৰকৃত প্ৰেমত ভোগৰ বাসনা নাই; ত্যাগৰ ভাবনাহে আছে। তাতেই আছে আনন্দও। কিন্তু আজিকালি বহু সময়ত দেখা যায় যে ৰাৱণৰ কামান্ধতাকে (অৰ্থাৎ তেনে বৰ্ণনাকে) 'প্ৰেম' বুলি সাহিত্যত চলাই দিয়া হৈছে। ইন্দ্ৰিয়াসক্তিকে মিছাকৈয়ে

প্ৰেম নামেৰে অভিহিত কৰাৰ ফলত আমাৰ নিশ্চয় ক্ষতি হৈছে। প্ৰেমৰ আদৰ্শক মানুহে গ্ৰহণ কৰিবলৈ সুবিধা পোৱা নাই, আৰু সামাজিক চৰিত্ৰত পাপ-পঙ্কিলতাই গা কৰিবলৈ সুবিধা পাইছে। জাতি আৰু সমাজৰ পথ-প্ৰদৰ্শক সু-সাহিত্যিকসকলে এই বিষয়ত সাধুতা আৰু সতৰ্কতা অৱলম্বন কৰিলেহে সমাজৰ মঙ্গল।

অশ্লীল বৰ্ণনা পঢ়িলে, বেয়া ছবি চালে, বা তেনে আলোচনা কৰিলে, মানুহৰ কাম-শক্তিৰ অনাহক ক্ষয় হয়। শৰীৰৰ মূল শক্তি ধীৰে ধীৰে ক্ষৰিত হোৱা কাৰণেই ক্ষণিক তৃপ্তি অনুভৱ কৰা হয়। কিন্তু সি মহা অনিষ্ট সাধন কৰে। তাৰ ফলত দেহ-মনৰ প্ৰফুল্লতা, শ্ৰী, কান্তি, স্মৃতি, বল আৰু জীৱনীশক্তি লোপ পায়। ই সৰ্ব্বজনবিদিত। অশ্লীল বা কামোদ্দীপক বৰ্ণনা সাহিত্যত সৰহকৈ পঢ়িবলৈ পালে উঠি অহা কিশোৰ-কিশোৰী-হঁতৰ দেহ আৰু মনৰ কিমান যে অনিষ্ট হয়, সেই কথা বুজিবলৈ সৰহ আলোচনাৰ প্ৰয়োজন নিশ্চয় নাই। আৰ্য্যসকলে যি কালত কঠোৰ ব্ৰহ্মচৰ্য্যাশ্ৰমৰ বিধান দিছিল, সেই কালত আমাৰ ল'ৰা-ছোৱালীহঁতক আজিৰ সমাজ আৰু সাহিত্যিকে কেনে শিক্ষাৰে গঢ় দিব খুজিছে, সেই কথা চিন্তা কৰি চাই তাক কাৰ্য্যক্ষেত্ৰত ৰূপ দিবৰ আৱশ্যকতা অনুভৱ কৰা উচিত। ডঃ বাণীকান্ত কাকতিদেৱে কোৱাৰ দৰে, ভজা বুটমাহৰ নিচিনা মুখত জুতি লগোৱা সাহিত্যৰ আহাৰে মানুহৰ তথা সমগ্ৰ মানুহ জাতিৰে অহিত সাধন কৰিছে।

ইন্দ্ৰিয় তৃপ্তিৰ বাসনাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ই অপ্ৰিয় হলেও সত্য যে উপযুক্ত সময়ত ইয়াৰ বিকাশ আৰু চৰিতাৰ্থতাৰ ব্যৱস্থা মানৱ সমাজত থাকিব লাগে আৰু আছে। ই সম্পূৰ্ণ শাৰীৰিক প্ৰক্ৰিয়া। কিতাপত নগ্নতাৰ বৰ্ণনা পঢ়ি ভোগৰ বাসনা চৰিতাৰ্থ কৰিব পাৰি জানো? সম্ভোগৰ সহজ বৰ্ণনা সভ্য সমাজৰ কাৰণে অতি কুৎসিৎ। ভাত নাখাই, ভাত

খোৱাৰ বৰ্ণনা পঢ়িলে ভোক মুগুচে। কামোদ্দীপক বৰ্ণনাই আমাৰ তৃষ্ণা-জুই বেচিকৈহে জগাই তোলে। তাত মনৰ শান্তি নাই, প্ৰাণৰ জুৰণি নাই, পোৰণিহে আছে। মুঠতে, ই সমূলে অনিষ্টকৰ।

চিত্ৰকৰ বা ফটোগ্ৰাফাৰে যিদৰে বাছি বাছি সুন্দৰ সুন্দৰ দৃশ্যহে গ্ৰহণ কৰে, সাহিত্যিকেও সেইদৰে সুন্দৰ চিত্ৰহে অঙ্কন কৰিব লাগে, যাৰ দ্বাৰা সমাজৰ মন উন্নত আৰু সংস্কৃত হব পাৰে। সুন্দৰৰ চৰ্চ্চাই মানৱ-মনক সুন্দৰ কৰি তোলে। সুন্দৰৰ আৰাধনাই জীৱনৰ চৰম কৰ্ত্তব্য। সুন্দৰৰ প্ৰভাৱ কেতিয়াও অথলে নাযায়। মহা মহা কবি-সাহিত্যিকসকলে কলা-কৌশলৰ মাধ্যমেৰে সুন্দৰ সুন্দৰ মানৱ-চৰিত্ৰ অঙ্কন কৰি সমাজক উপহাৰ দিয়ে। সেইবোৰ দেখি ব্যক্তি তথা সমাজৰ মনত সৌন্দৰ্য্যৰ চাপ পৰে; অসুন্দৰতা আপোনা-আপুনি আঁতৰি যায়। সেয়ে কবি-সাহিত্যিকৰ কাম। ৰাম, সীতা, লক্ষ্মণ, ভৰত বা হনুমান আদিৰ নিচিনা আদৰ্শ নৰ-নাৰীৰ মনোৰম চিত্ৰ আঁকি মহামুনি বাল্মিকীয়ে মানৱ জাতিক দি গৈছে। সেই সুন্দৰ ছবিবোৰ দেখি আমাৰ মনত স্বাভাৱিকতে সুন্দৰতাৰ জ্যোতি উদ্ভাসিত হৈ উঠে। আমি হয়তো নজনাকৈয়ে আমাৰ হৃদয়ত স্বৰ্গীয় জেউতিৰ ৰেঙণি পৰে। কবি-সাহিত্যিকৰ উদ্দেশ্য আৰু কৰ্ত্তব্যও সিমানেই। তেওঁলোকে পোনপটীয়াকৈ উপদেশ নিদিলেও হয়। তেওঁলোকে কলাৰ সহায়েৰে মানুহক প্ৰকাৰান্তৰে শিক্ষা দিয়ে; দেখুৱাই আদৰ্শ প্ৰচাৰ নকৰে, বা নকৰিলেও হয়।

সংসাৰত কদাচাৰী বা অসৎ চৰিত্ৰৰ মানুহ আছে সঁচা। ভাল আৰু বেয়াৰ সমষ্টিয়েই সংসাৰ। সমাজত থাকিল বুলিয়েই বেয়া চৰিত্ৰক লৈ সাহিত্য সৃষ্টি হলে সি জানো মানৱ-মনৰ সম্পদৰূপে পৰিগণিত হব? তেনে সাহিত্যই সমাজৰ উপকাৰ সাধন কৰিব জানো? অৱশ্যে পৰিণতিক সুন্দৰ কৰি দেখুৱাবৰ কাৰণে কেতিয়াবা অসৎ বা অসুন্দৰ চৰিত্ৰৰ বিকাশ ফুটাই

তুলিবলগীয়া হব পাৰে। ৰামচন্দ্ৰৰ গুণ-গৰিমা আৰু মহত্ব ফুটাই তুলিবৰ কাৰণেই ৰাৱণ-চৰিত্ৰক ভালেখিনি উজ্জ্বল কৰি দেখুৱা হৈছে। আমাৰ দৃষ্টি কিন্তু ৰামতহে, ৰাৱণত নহয়। এইটোও সঁচা যে পাঠকৰ চকু ৰাৱণত নপৰি ৰামতহে পৰাকৈ চৰিত্ৰ সৃষ্টি কৰাত ৰামায়ণ ৰচকৰ কৃতিত্ব আৰু মহত্ব আছে। সেই দৰে, সীতাহে আমাৰ আদৰ্শ, কুঁজীজনী বা কৈকেয়ীও নহয়। এনে উদাহৰণ অনেক আছে। আমি চন্দ্ৰটোৰ কলঙ্কখিনিলৈহে মাথোন চকু নিদি, চন্দ্ৰৰ বিমল জোনাক-জেউতিলৈহে মন কৰিব লাগে। অকল বেয়াখিনিলৈহে চকু দিয়াটো মানুহৰ এটা ডাঙৰ দোষ।

কামুক আৰু চৰিত্ৰহীন নৰ-নাৰী কিছুমানে গোপনে সমাজৰ অনিষ্ট কৰে। সিহঁত বেশ্যাবৃত্তি অৱলম্বন কৰা তিৰোতাতকৈও বেয়া। সেইবোৰ মানুহৰ শৰীৰত গোপনে পীড়া কৰি থকা ব্যাধি আৰু নেদেখাকৈ অপকাৰ কৰিবলৈ বিচৰা শত্ৰুৰ নিচিনা। নেদেখা শত্ৰুতকৈ দেখা শত্ৰু ভাল। কাৰণ, তাৰ হাত সাৰিবলৈ যত্ন কৰাৰ থল আছে। তেনে কিছুমান কু-চৰিত্ৰক ৰূপায়িত কৰা কিতাপ উন্নতিৰ সহায়ক নহয়। তেনেবোৰ মানুহেই সমাজ নহয়, বা সমাজৰ প্ৰতিনিধিও নহয়।

কামনাৰ মোহ, আৰু তাৰপৰা নিষ্কৃতি পোৱাৰ বিষয়ে গল্প এটালৈ মনত পৰিছে। গল্পৰ মূল কথাটো চমুকৈ এনেকুৱা—

এজনী ছোৱালী আছিল। তাই আধুনিকা আৰু অৱস্থাপন্ন পৰিয়ালৰ। জীয়াৰী কালতে তাই এজন ডেকা অফিচাৰক লগ পাইছিল। দুয়ো ধীৰে ধীৰে কাষ চাপি গৈ গৈ দেহ-মনৰ সান্নিধ্য লাভ কৰিছিল, আৰু নিজকে কৃতাৰ্থ হোৱা বুলি বোধ কৰিছিল। সিহঁত পাপৰ গাঁতলৈ আগবাঢ়ি গৈছিল; কিন্তু উপলব্ধি হলে নকৰিছিল। দিন গৈ থাকিল।......এজন বিশিষ্ট ডেকাৰ লগত তাইৰ এদিন বিয়াও হৈ গ'ল। কিন্তু ডেকা অফিচাৰৰ লগত গোপন মিলনৰ অৱসান নঘটিল। সিহঁতে নতুন

আনন্দৰ আস্বাদ পোৱা যেনহে পালে। কেইটামান বছৰ বাগৰি গ'ল।......তাইৰ গিৰিয়েকৰ এদিন মৃত্যু হ'ল। তাই হঠাৎ অতিশয় চিন্তিত আৰু দুঃখিত হৈ পৰিল। কান্দি কান্দি তাইৰ যেন হেঁপাহ নপলায়। তাই বোধহয় ভাবিলে যে তাইৰ দুষ্কাৰ্য্যৰ কাৰণেই এই চৰম দুৰ্ভাগ্য।

কেইমাহমানৰ পিচত ডেকা অফিচাৰ আহিল। তাই তেওঁৰ ওচৰত নিজৰ ভুল স্বীকাৰ কৰিলে, আৰু পাপ প্ৰক্ষালনৰ কাৰণে নতুন পথ গ্ৰহণ কৰিব বুলি জনালে। প্ৰেমিক (?) ডেকাই বিদ্ৰূপৰ হাঁহি এটা মাৰিলে; কিন্তু তাইৰ ধীৰ-স্থিৰ গাম্ভীৰ্য্যৰ ওচৰত হাৰ মানিলে। তাই এতিয়া অনুভৱ কৰিব পাৰিছে যে এই তুচ্ছ প্ৰেমৰ (?) বাহিৰেও ইয়াতকৈ উচ্চ আদৰ্শৰ প্ৰেম নামৰ এটি বস্তু জীৱনত আছে—যি প্ৰেমে জীৱন আৰু মৰণক, খন্তেকীয়া ভোগ আৰু তৃপ্তিক অতিক্ৰম কৰি যায়। তাই সেই নতুন আদৰ্শৰ নতুন পথত নবীন আশাৰে আগুৱাই যাবলৈ মন বান্ধিলে। প্ৰকৃত প্ৰেমাদৰ্শৰ চিকিমিকি পোহৰ দেখি তাইৰ মনত আশাৰ সঞ্চাৰ হ'ল।

গল্পটো ইমানেই।

ছোৱালীজনীৰ এই মানসিক পৰিবৰ্ত্তনৰ মাজেদি আমি 'কাম' আৰু 'প্ৰেম'ৰ পাৰ্থক্য অনুমান কৰিব পাৰোঁ। কামনাৰ মোহে তাইক অন্ধ কৰি তুলিছিল। তাতে খন্তেকীয়া তৃপ্তি আছিল সঁচা, কিন্তু শান্তি হলে অলপো নাছিল। সৌভাগ্যবশতঃ তাইৰ সেই ভুলৰ যৱনিকা পৰিল। তাই সংযমৰ মাজেদি, ত্যাগৰ মাজেদি শান্তি পোৱাৰ পথ বিচাৰিলে। তাই শান্তি পালে নে নাপালে আমি নাজানো। কিন্তু এইটো স্বৰূপকৈ জানো যে কামনাৰ জুই কেৱল ভোগেৰে নিৰ্ব্বাপিত কৰিব নোৱাৰি। সেই জুইয়ে কেৱল পোৰে, কিন্তু ছাই নকৰে। কামনাৰ দহনৰপৰা নিষ্কৃতি লাভ কৰি মনক প্ৰশান্ত অৱস্থালৈ আনিবলৈ হলে (মনেৰে) ত্যাগ

কৰি ভোগ কৰিব লাগিব। কামনাহীন প্ৰেমো তেনেকুৱাই। তাত ভোগ নাই, অথচ তৃপ্তি আছে; কামনা নাই, অথচ শান্তি আছে।

কালিদাসৰ কুমাৰ-সম্ভৱ কাব্য ইয়াৰ এক বহুমূল্য পটন্তৰ। অনুপম ৰূপ-লাৱণ্যময়ী উমাই ৰূপ-যৌৱনেৰে মহাযোগী শিৱৰ মন জয় কৰিব নোৱাৰিলে। কঠোৰ তপস্যাৰ বলেৰেহে শিৱক তুষ্ট কৰি ধন্যা হ'ল। উমা আৰু শিৱৰ মিলন হ'ল; কিন্তু মিলনৰ আগতেই শিৱৰ তৃতীয় নেত্ৰৰ (অৰ্থাৎ জ্ঞান-চক্ষুৰ) জ্যোতিত কামদেৱ (অৰ্থাৎ কামভোগৰ কামনা) পুৰি ভস্ম হ'ল। মহাযোগীয়ে কাম-তৃষ্ণাক জয় কৰিহে উমাক অঙ্কশায়িনীৰূপে গ্ৰহণ কৰিলে। উমাকো তাৰ কাৰণে উপযুক্তা কৰি তুলিলে ত্যাগ, সংযম আৰু তপস্যাৰ দ্বাৰা। ত্যাগৰ মাজেদি ভোগ কৰাৰ ই এক উৎকৃষ্ট পটন্তৰ। আকৌ, এই মিলনৰ উদ্দেশ্যও অতি মহৎ। ভোগ চৰিতাৰ্থ কৰাই ইয়াৰ লক্ষ্য নহয়। তেওঁলোকৰ মিলনৰ ফলত যি সন্তানৰ জন্ম (সম্ভৱ) হব, তেওঁ দৈত্য-প্ৰপীড়িত ইন্দ্ৰাদি দেৱতাৰ দুখ দূৰ কৰিব। মহান আদৰ্শৰ এই অনুভূতিয়ে, উমা আৰু শিৱৰ মিলন-কাহিনীয়ে মানৱতাৰ এক উচ্চস্তৰৰ সন্ধান দিয়ে। সেই মিলনত কামৰ তৃষ্ণা নাই, ভোগৰ বাসনা নাই, মদনৰ পঞ্চশৰৰ জ্বালা নাই। অথচ সেই কাৰণেই তাত অসীম তৃপ্তি আছে, অশেষ শান্তি আছে, অনাবিল সুখ আছে। তেতিয়া কামদেৱ আকৌ পুনৰ্জ্জীৱিত হৈছে। হওক, কোনো ক্ষতি নাই। ভজা ধান গজিব নোৱাৰে। বাসনাহীন পবিত্ৰ প্ৰেমৰ ক্ষেত্ৰত দৈহিক মিলন হব পাৰে নে নোৱাৰে, তেনে প্ৰশ্ন অবাস্তৱ। সেই অৱস্থাত দৈহিক সুখতকৈ অত্যধিক সুখানুভূতি লাভ হয়। গতিকে, নিকৃষ্ট সুখৰ কামনা আপোনা আপুনি মনৰপৰা অন্তৰ্হিত হয়। কামনা নোহোৱাকৈ ভোগ কৰাটো কামনাক জয় কৰাৰে চিন। এই ভোগ ত্যাগৰ মাজেদি সিদ্ধ হয়। সেই দেখি তাত হেৰোৱাৰ ভয় নাই, বিৰহৰ বেদনা নাই, নোপোৱাৰ দুখ নাই।

বিশ্বৰ সাহিত্য-ফুলনিৰ অলেখ তথাকথিত প্ৰেমপূৰ্ণ কাহিনীৰ মাজত এনে বিশুদ্ধ প্ৰেমৰ মনোহৰ চিত্ৰ দুই-চাৰিটা পোৱা যায়। বিমল প্ৰেমৰ সুনিৰ্ম্মল সুখানুভূতি হৃদয়ত লাভ কৰি, তাক সুন্দৰৰূপে প্ৰকাশ কৰা মহান কবি-সাহিত্যিকৰ কাম। যথাৰ্থতে, কবি-সাহিত্যিকসকল প্ৰকৃত জ্ঞানী আৰু সত্যদৰ্শী কলাকাৰ হব লাগে। তেতিয়াহে তেওঁলোকৰ লিখনীয়ে মানুহজাতিক পোহৰ পথৰ সন্ধান দিব পাৰে। "প্ৰকৃত কবিয়ে (বা সাহিত্যিকে) প্ৰেমক শৰীৰৰফালে টানি আনি কামৰ শাৰীলৈ ননমায়; ওখলৈ তুলি অনন্ত ঈশ্বৰৰ সৈতে যোগ সাধন কৰি দিবৰ চেষ্টা কৰিব।" (বেজবৰুৱা)। সেয়ে নহলে কেৱল যৌনাশক্তিমূলক ৰং-চঙীয়া চিত্ৰ কিছুমানে মানুহৰ মাজত থকা পশুত্বক খন্তেকৰ কাৰণে জগাই তোলাতহে সহায়তা কৰিব, ই নিশ্চয়। মনত ৰাখিব লাগিব যে 'কাম' পশু-পক্ষীৰ মাজত আৰু 'প্ৰেম' মানুহৰ মাজত থাকে।

অকল এয়ে নহয়। এয়া প্ৰেমৰ প্ৰথম স্তৰ মাথোন। ধীৰে ধীৰে, স্তৰে স্তৰে, উঠি উঠি গৈ গৈ মানুহ দেৱতাৰ সোণৰ সিংহাসনত বহিবলৈ সমৰ্থবান হব পাৰে। এজনক শুদ্ধভাৱে, পৰিপূৰ্ণভাৱে, নিষ্কামভাৱে মনে-মুখে এক কৰি, অকপটে ভাল পাবলৈ শিকাৰ পিচত তেনেজন শুদ্ধ প্ৰেমিকে লাহে লাহে অনুভৱ কৰিব পাৰে যে এজনৰ প্ৰতি থকা তেওঁৰ হৃদয়ৰ সেই প্ৰেম বিশ্বব্যাপী। তেওঁৰ প্ৰেম অকণমান ঠাইতে বা তেওঁৰ এখনি ক্ষুদ্ৰ হৃদয়তে সীমাবদ্ধ হৈ থকা বস্তু নহয়। প্ৰেম অসীম। ইয়াৰ পৰিধি লাহে লাহে বাঢ়ি বাঢ়ি গৈ থাকে, আৰু অসীমক আঁকোৱালি লবলৈ বিচাৰে। এনে এখন চিন্তাময়, প্ৰেমময় জগত বা মানৱ-সত্তাৰ উচ্চতম অৱস্থা সঁচাকৈয়ে আছে নে নাই, সি তৰ্ক-যুক্তিৰ বিষয় নহয়, বাস্তৱ অনুভূতিৰহে বিষয়। 'সাপেহে সাপৰ ঠেং দেখে' বুলি এই অৰ্থতে কোৱা হয়। যুক্তি বা মুখৰ কথাৰে অবিশ্বাসীক পতিয়ন নিওৱা অসম্ভৱ। প্ৰকৃততে সেয়েহে (অৰ্থাৎ

বিশ্বজোৰা প্ৰেমেইহে) ভূমানন্দ বা আনন্দ-ধামলৈ যোৱাৰ সুগম, সুন্দৰ পথ। সেইখন নিত্যানন্দময় জগত আমি দুচকুৰে দেখা বা মনেৰে ভাবি পোৱা জগতখনতকৈ বহুসহস্ৰগুণে আহল-বহল আৰু সাংঘাতিক অভাৱনীয়ৰূপে সূক্ষ্ম।

সেয়া বহুত কথা।

সেইখন চিৰজ্যোতিৰ্ম্ময় ৰাজ্যৰ বাতৰি দিব পাৰে প্ৰকৃত কবি-সাহিত্যিকে। উৎকৃষ্ট সাহিত্যৰ যোগেদি আমি সেই দিব্য প্ৰভাময় সদানন্দময় প্ৰেম-ৰাজ্যত বিচৰণ কৰিবলৈ প্ৰবেশ-পথৰ সন্ধান পাওঁ।

কুমাৰ-সম্ভৱ কাব্যৰ সৌন্দৰ্য্য*

কুমাৰ-সম্ভৱ এখনি সংস্কৃত কাব্য। ইয়াৰ ৰচক মহাকবি কালিদাস। কুমাৰ অৰ্থাৎ কাৰ্ত্তিকৰ সম্ভৱ (বা জন্ম) উপলক্ষ্য কৰি লিখা বাবে ইয়াৰ নাম কুমাৰ-সম্ভৱ।

ইয়াত পোনতে আছে গিৰিৰাজ হিমালয়ৰ সুন্দৰ বৰ্ণনা। দেৱতাত্মা হিমালয় অনন্ত ৰত্নৰ আকৰ। আকাশ লঙ্ঘন কৰা অত্যুচ্চ শিখৰবিলাকত সূৰ্য্যৰ কিৰণ পৰি জল্‌মলাই উঠা ইয়াৰ দৃশ্য অতি মনোহৰ।

"মিলনতো হিমাচল বিচ্ছেদতো হিমাচল
দম্পতীৰ উপযোগী বিহাৰৰ ঠাই;
সৌন্দৰ্য্যৰ লীলাভূমি হিমালয় পৰ্ব্বতত
অসীম সম্পদ আছে মাধুৰী বিলাই।"

এই হিমালয় সিদ্ধ-বিদ্যাধৰ আৰু কিন্নৰ-কিন্নৰীসকলৰ বিহাৰৰ ঠাই।

"বনচাৰী কিৰাতৰ বনিতাসকলে
ওৰেৰাতি গহ্বৰত গৃহবাস কৰে;
বিনা তেলে প্ৰকৃতিয়ে মিলন-মেলাত
লতাময় পোহৰেৰে আগ-পাছ ধৰে।"

* * * *

যেহেতু হিমালয় দেৱতাত্মা, গতিকে এই মহামান্যৱন্ত গিৰিৰাজৰ লগত মেনকাদেৱীৰ শুভ-পৰিণয় এদিনাখনৰ শুভলগ্নত সমাধা হ'ল।

"হিমালয় মেনকাৰ যথাযোগ্য মিলন-প্ৰসঙ্গ
কালক্ৰমে পাৰ হৈ গ'ল;

---

* শ্ৰীআনন্দচন্দ্ৰ বৰুৱাৰ অসমীয়া অনুবাদৰ সহায়ত প্ৰবন্ধটি লিখা হৈছে।

মনোৰম যৌৱনত উল্লসিতা মেনকা এদিন
গৰ্ভৱতী হ'ল।"

মেনকাৰে কন্যা সন্তান আমাৰ কাব্যৰ নায়িকা। চৌদিশ প্ৰসন্ন হোৱা সুখকৰ মুহূৰ্ত্ত এটিত কন্যা-পুতলি গিৰিবালা উমাৰ জন্ম হ'ল। কন্যাৰত্নৰ জন্মৰেপৰা গিৰিৰাজে অপাৰ সন্তোষ লাভ কৰিবলৈ ধৰিলে। মাকৰ মনতো আনন্দ নুগুচা হ'ল। 'উমাৰ ৰূপ-গুণে গিৰিৰাজক বিভূষিত কৰি তুলিলে। জগন্মাতা পাৰ্ব্বতী আহি উমাৰূপে তেওঁৰ ঘৰত জন্ম ললেহি। পূৰ্ব্বজন্মৰ সকলো সংস্কাৰ আপোনা আপুনি আহি উমাৰ গাত দেখা দিলে। শাৰীৰিক ৰূপ আৰু মানসিক গুণাৱলীৰ বিকাশেৰে মেধাবিনী উমা উজলি উঠিল। কবি কালিদাসে অনুপম উপমাৰে উমাৰ নিৰূপম ৰূপৰ বৰ্ণনা দিছে।

উমা যুৱতী হ'ল। অঙ্গে অঙ্গে লাৱণ্যময় শোভাৰ মনোহাৰিনী প্ৰভা বিয়পি পৰিল। যৌৱনে তেওঁৰ দেহত অনেক অলঙ্কাৰ পিন্ধাই দিলেহি। সূৰ্য্যৰ কিৰণত জিলিকি উঠা পদুম পাহিৰ দৰে গিৰিকন্যা উমাৰ দিব্য জেউতি বিকশিত হৈ উঠিল।

"কেনিও অকণো আঁৰ নাইকিয়া
নৱ কলেৱৰ লৈ ;
দেৱী পাৰ্ব্বতী পৰিপূৰ্ণা হ'ল
ষোড়শী যুৱতী হৈ।"

উমা সুন্দৰীৰ ভৰিৰ খোজত যেন স্থলপদ্মহে ফুলে। তেওঁৰ চৰণৰ নুপূৰৰ ধ্বনি এনে সোৱাদ লগা যে তাৰ কণ্‌জুন ধ্বনি শুনাৰ আশাতে যেন ৰাজহংসী বোৰে উমাক মৰাল গমনেৰে খোজ কাঢ়িবলৈ শিকালে। কণ্ঠত উমাই মুকুতাৰ মালা পিন্ধে। তেতিয়া তেওঁৰ দেহশ্ৰী বাস্তৱিকে নয়ন তৃপ্তিকৰ হৈ উঠে। এনে ভাব হয়, তেওঁৰ কণ্ঠত স্থান পাই মুকুতাৰ মালাধাৰ ধুনীয়া হৈ উঠিছে ; মণিধাৰৰ ৰূপ যেন দুগুণে চৰিছে। উমাৰ হাঁহিটিৰ উপমা কেনেকৈ

দিব পাৰি? গছৰ কুঁহিপাত এটিত ফুল এটি বা মুকুতা মণি এটা থলে যেনে ধুনীয়া দেখি, তেওঁৰ- ওঁঠৰ হাঁহিটিও তেনেকুৱা। মধুভাষিণী উমাৰ কথা-বতৰাত অমৃত বৰষে। তাৰ তুলনাত কুলিৰ মাতকো কঠুৱা যেনহে লাগে। মৃগনয়নী উমাৰ দুচকুৰ সেই সুন্দৰ চাৱনি হৰিণীৰপৰাই তেওঁ আনিলে নে, হৰিণীয়েহে তেওঁৰপৰা নিলে থিৰাংকৈ কব নোৱাৰি। সৃষ্টিকৰে বোধ হয় বিশ্বৰ সকলো সৌন্দৰ্য্য একেলগে চোৱাৰ মানসেৰে উমাৰ শৰীৰতে সমাবেশ কৰি অতি যতনেৰে তেওঁক সজাই-পৰাই তুলিলে।

এনে এদিনতে মহৰ্ষি নাৰদে গিৰিৰাজক ভৱিষ্যতবাণী শুনাই থৈ গ'লহি যে তেওঁৰ কন্যা মহেশৰ অৰ্দ্ধাঙ্গিনী হব। সুমঙ্গলীয়া বাণী শুনি গিৰিৰাজে মনে মনে বৰ সন্তোষ পালে।

(উমা পূৰ্ব্বজন্মত আছিল দক্ষ-কন্যা সতী, যি পিতৃৰ মুখত পতি-নিন্দা শুনি দেহত্যাগ কৰিছিল।)

এনে সময়তে এদিন পশুপতি শঙ্কৰ আহি সেই হিমালয়ৰে এক মনোৰম নিজান বনৰ মাজত তপস্যাত বহিলহি। কোনে জানে, ভক্তবাঞ্ছা কল্পতৰু গঙ্গাধৰে কিহৰ কাৰণে তপস্যাত নিমগ্ন হ'ল?

এই খবৰ পাই গিৰিৰাজে উমাক নিযুক্ত কৰিলে শঙ্কৰৰ সেৱাৰ কাৰণে। লগত দুগৰাকী সহচৰী। কামিনীকাঞ্চন তপস্যাৰ বিৰোধী বুলি জানিও মহাযোগীয়ে সেৱাৰ অনুমতি দিলে। উমাই পূজাৰ কাৰণে ফুল তোলে, আসন-বেদী পৰিষ্কাৰ কৰে, পূজা-অভিষেকৰ বাবে জল আনে। কাম কৰি কৰি ভাগৰ লাগিলে ধ্যানস্থ হৈ থকা শঙ্কৰৰ মুখলৈ চাই চাই ভাগৰ পলুৱায়।

ইতিমধ্যে স্বৰ্গলোকৰ বাতৰি শুনক। দুৰন্ত তাৰকাসুৰে ইন্দ্ৰৰ সিংহাসন অধিকাৰ কৰিলে। দেৱতাসকল স্বৰ্গচ্যুত হ'ল। দেৱতাৰ বিলাই-বিপত্তি কুলাই-পাচিয়ে নধৰা হ'ল। সকলোটি পিতামহ ব্ৰহ্মাৰ ওচৰলৈ গ'ল, আৰু কাতৰভাৱে স্তুতি-মিনতি কৰি দুখ নিবেদন কৰিলে। (ব্ৰহ্মাক উদ্দেশ্য কৰি কোৱা এই স্তুতিখিনি

'কুমাৰ সম্ভৱ' কাব্যৰ বহুমূল্য সম্পদ। ইয়াত ব্ৰহ্মাকে ব্ৰহ্ম বা সৃষ্টিৰ মূলতত্ত্ব বুলি ধৰা হৈছে।) কবিৰ ভাষাত—

"হে ভগৱান! সৃষ্টিৰ আগতে তুমি
'এক' ৰূপে বিদ্যমান যেতিয়া আছিলা;
সৃষ্টিৰ প্ৰবৃত্তি হ'ল যেতিয়া তোমাৰ
সত্ব-ৰজ-তমোগুণে গতিপথ ললে।

* * *

সৃষ্টিৰ বাসনা জাগি তোমাৰ মনত
নিজেই নিজকে তুমি
পুৰুষ-প্ৰকৃতিৰূপে কৰিলা বিভাগ।

... ...

তুমিয়েই জগতৰ মাতা, আৰু
তুমিয়েই জগতৰ পিতা।

* * *

হে ভগৱান!
তুমিয়েই চৰাচৰ জগতৰ সৃষ্টিৰ কাৰণ;
কিন্তু তুমি নিজে সৰ্ব্বোপৰি কাৰণ-অতীত,
তুমি অকাৰণ।
তুমিয়েই তোমাৰ প্ৰভু,
তোমাৰ সকলো সত্তা তোমাতেহে পায়।
হে নিৰঞ্জন!
তোমাৰ নিজৰ স্বৰূপ একমাত্ৰ তুমিয়েহে জানা
জ্ঞানাতীত আন সকলোৰে।
... ...

তুমি সৰ্ব্বোত্তম পুৰুষ উত্তম
তুমিয়েই পৰম পুৰুষ"।

দেৱতাৰ স্তুতিত তুষ্ট হৈ সমবেদনাৰ সুৰত গুৰু-গম্ভীৰ মাতেৰে দেৱতাক প্ৰবোধ দি কলে—"সেই তাৰকাসুৰ মোৰ শক্তিতে শক্তিমন্ত হৈছে। মই নিজে ৰোৱা পুলিটো নিজেই উঘালিম কেনেকৈ? সেই প্ৰচণ্ড অসুৰক শঙ্কৰৰ বীৰ্য্যসম্ভূত সন্তানৰ বাহিৰে আনে বধিব নোৱাৰে। তোমালোকে সমাধি-মগ্ন শিৱৰ নিশ্চল হিয়াত ত্ৰৈলোক্যসুন্দৰী উমাৰ ৰূপ-সৌন্দৰ্য্যৰ চাপ পেলাবলৈ যত্ন কৰাগৈ। তেওঁলোকৰ মিলনৰ ফলত ওপজা সন্তানেহে তোমালোকৰ দুখ দূৰ কৰিব।"

ইন্দ্ৰই মদনক মাতি আনি আদৰ কৰি কবলৈ ধৰিলে—"সখা কন্দৰ্প, মোৰ দুপাত অস্ত্ৰৰ এপাত বজ্ৰ আৰু আনপাত তুমি। তোমাৰ অব্যৰ্থ ফুলবাণৰ সন্ধানেৰে মহাযোগীৰ হৃদয়তো কামনাৰ তৰঙ্গ উত্তোলন কৰিব পাৰা, আৰু মদোন্মত্তা নিতম্বিনীকো পৰাজয় স্বীকাৰ কৰাব পাৰা। ধন্য তোমাৰ পুষ্পধনু! এতিয়া সখা! দেৱতাক শিৱবীৰ্য্যসম্ভূত এজন সেনাপতি লাগে। তুমি বসন্তক সহচৰৰূপে লৈ সোনকালে যাত্ৰা কৰা। উমাকে কেন্দ্ৰৰূপে লৈ তুমি শিৱৰ তপস্যাভঙ্গৰ আয়োজন কৰাগৈ। তেহে দেৱতাৰ দুখ গুচিব।"

চকুৰ পচাৰতে শিৱৰ তপোবন বসন্তৰ পৰশত জ্যোতিৰ্ম্ময় হৈ উঠিল। অকাল বসন্তৰ স্বপ্নসম মাধুৰী সনা সুকোমল আবেশেৰে, ফুলৰ সুষমা সনা' আবেশময় সুবাসেৰে, কুঁহিপাত, ফল-ফুলৰ সমুজ্জ্বল প্ৰকাশেৰে বনস্থল ৰঞ্জিত হৈ উঠিল। সুখ-স্পৰ্শ দক্ষিণ-বায়ু ধীৰে ধীৰে বৈ দেহ-মন শীতলাই তুলিলে। তপোবনবাসীৰ মনবোৰ অযাচিতে চঞ্চল হৈ পৰিল।

বসন্তৰ বিকাৰে জিতেন্দ্ৰিয় মহেশৰ মন বিকৃত কৰিব নোৱাৰিলে। তেওঁৰ চিত্ত অচঞ্চল হৈয়ে ৰ'ল। মদন সন্ত্ৰস্ত আৰু সজাগ হ'ল। বুকুখন বৈ-বৈ কঁপিল। গছৰ আঁৰৰপৰা উচ্চ বেদীত ধ্যানমগ্ন শিৱক ভালকৈ দেখিলে। তেওঁৰ নিমিলিত নয়নৰপৰাও জ্যোতি প্ৰকাশিত হৈছিল। প্ৰশান্ত সাগৰৰ দৰে সমাধিত বহি থকা

শঙ্কৰক দেখি মদনৰ অন্তৰাত্মা কঁপি উঠিল।......তেনেতে সুন্দৰী উমাই শঙ্কৰক সেৱা জনাবলৈ আহিছিল। মহেশে প্ৰাণায়াম কৰি ধৰি থোৱা প্ৰাণবায়ুক ধীৰে ধীৰে পৰিত্যাগ কৰিবলৈ ধৰিছিল। যোগৰ বন্ধন অলপ ঢিলা হৈ পৰিছিল। উমাই পুষ্পাঞ্জলিৰে চিৰবাঞ্ছিত চৰণ দুখানিত প্ৰণিপাত জনালে। ভোলানাথ বিভোল হৈয়ে ৰ'ল। পদুমৰ গুটিৰে উমাই নিজে গোঁঠা এধাৰি জপমালা সভক্তিৰে শিৱৰ হাতত দিব খুজিলে। শিৱই হাত মেলিলে। শুভক্ষণ দেখি মদনে ধেনুত সম্মোহন বাণ জুৰিলে। শিৱৰ মনত আলোড়ন উঠিল। অনুপম লাৱণ্যপ্ৰভাময় উমাৰ মুখখনিলৈ এবাৰ চালে। উমাৰ মনটোও কদম ফুলৰ শুংবোৰৰ দৰে জিকাৰি উঠিল। জিতেন্দ্ৰিয় যোগীয়ে এই মনোবিকাৰৰ কাৰণ বিচাৰি ইফালে-সিফালে চালে। ধনুৰ্ব্বাণধাৰী মদনক অদূৰতে দেখা পালে। তৃতীয় চকুৰপৰা এক অগ্নিশিখা ওলাই নিমিষতে মদনক ভস্ম কৰিলে, আৰু 'তিৰোতাৰ ওচৰত থাকিব নাপায়; তপস্যাৰ বিঘ্ন হয়'—এইবুলি সেই ঠাই এৰি গুচি গ'ল।

উমা লাজতে মৰহি গ'ল। বেজাৰ মনেৰে ঘৰমুৱা হ'ল।

ইয়াৰ পিচতে ৰতি-বিলাপ অধ্যায়। ৰতি স্বামীৰ শোকত মৰিবলৈ ওলাইছিল; কিন্তু নমৰিল। কামকান্তা ৰতি দিনৰ জোনটিৰ দৰে জেউতিবিহীন হৈ ৰ'ল।

উমাই বৰ আঘাত পালে। ভগ্নমনোৰথাই নিজৰ ৰূপ-লাৱণ্যক শতবাৰ ধিক্কাৰ দিলে। এনে যৌৱন আৰু জীৱনৰ মূল্য কি?—উমাই ভাবিলে। তেওঁ সিদ্ধান্ত কৰিলে—তপস্যাৰ বলেৰে তেওঁ অমৰ, শুদ্ধ প্ৰেম আৰু মৃত্যুঞ্জয় স্বামী দুয়োকে লাভ কৰিবলৈ যত্ন কৰিব। বাকলিবসন পিন্ধি নিৰাভৰণা উমা সুন্দৰী শুভ্ৰ পদুম পাহিৰ দৰে দীপ্তিমতী হৈ পৰিল। উমা তপস্বিনী হ'ল।

"স্বৰ্ণহাৰ এৰি
ৰুদ্ৰাক্ষৰ জপমালা গলত লগে আঁৰি।"

আলসুৱা, কুসুমকোমলা ৰাজকন্যা হৈ পৰিল বজ্ৰকঠিনা। উমা জানিবা এপাহি সোণৰ পদুম। বাহিৰে কোমল আৰু মধুৰ, ভিতৰি কঠিন আৰু গধুৰ। গ্ৰীষ্মকালত জুইৰ মাজত আৰু শীতকালত পানীৰ মাজত থাকি উমাই তপস্যা কৰে। তেওঁৰ সমস্ত শৰীৰ ক'লা পৰি গ'ল। কিন্তু ভিতৰৰ মনটো তপস্যাৰ শুদ্ধ জ্যোতিৰে শুভ্ৰ আৰু সমুজ্জ্বল হৈ উঠিল।

ইষ্টদেৱতা কেতিয়া তুষ্ট হব? কেতিয়াবা অজানিতে হুমুনিয়াহ আহে। শেষৰফালে উমাই আপুনি সৰি পৰা গছৰ পাত খায়েই তপস্যা কৰিছিল। সেই কাৰণে তেওঁৰ নাম 'অপৰ্ণা' হ'ল।

শেষত তেওঁৰ সাধনাৰ সুফল ফলিল। এদিন তপস্যাৰতা দিন এটাতে এজন জটাধাৰী যুৱক উমাৰ কুটিৰত উপস্থিত হ'ল। উমাই আতিথ্য নিবেদন কৰিলে। যুৱক সন্যাসীৰ সহজ-সৰল কথা। পৰিচয় আদিৰ পিচত তেওঁ সুধিলে—"তুমি তপস্যাৰ আটাইবোৰ সুবিধা বোধহয় পাইছা। পিচে ইমান কুমলীয়া মানুহজনীয়ে ইমান কঠোৰ তপস্যা কেনেকৈ কৰিছা বাৰু? দেহাইহে বেহা। শৰীৰলৈ লক্ষ্য ৰাখিছা নে নাই? তাপসি! কথা এটা সোধোঁ। তোমাৰ পৰিচয় পাই মোৰ জানিবলৈ আগ্ৰহ হৈছে, তোমাৰ দৰে সৰ্ব্বাঙ্গসুন্দৰী যুৱতীয়ে এই নবীন বয়সত এনে ৰূপ-গুণ যৌৱন লৈ কিহৰ কাৰণে এনে কঠোৰ তপস্যা কৰিছা। তোমাৰ অন্তৰত কিবা দুখ আছে বুলিও মুখলৈ চাই ধৰিব নোৱাৰি। তুমি অকালত অৰ্থাৎ ভৰপুৰ যৌৱনকালত বাকলিবসন কিয় পিন্ধিছা বাৰু? তুমিনো কি বিচাৰিবলগীয়া বস্তু আছে, মই ভাবিব পৰা নাই। ৰত্নকহে যত্ন কৰি মানুহে বিচাৰে; ৰত্নই কাকো বিচাৰি নাযায়।"

উমাই নিৰ্ব্বাক হৈ শুনিছিল। অজ্ঞাতসাৰেই এটি হুমুনিয়া পৰিল। তপস্বীয়ে আকৌ কলে—"উমা, তোমাৰ তপত নিশ্বাসৰ অৰ্থ মই বুজিব পৰা নাই। তোমাৰ দৰে এই মহাৰ্ঘ ৰতন পাবলৈ

কোন পাষাণ পুৰুষে প্ৰয়াস নকৰে? তোমাৰ বাঞ্ছিত পুৰুষজন নিশ্চয় শিলৰ দৰে কঠিন হৃদয়ৰ। আই ঐ দেহি! ইমান ধুনীয়া তুমি! কোন হৃদয়হীন নিৰ্ব্বোধ যুৱকে তোমাক ইমান কষ্ট দিছে? হয়তো তেওঁৰ দুৰ্ব্বল চকুত মনোৰম সৌন্দৰ্য্য-সুধা পান কৰিবৰ জোখাৰে সামৰ্থ্যৰ অভাৱ। তেওঁ তোমাৰ খবৰ পোৱা নাই নে? তোমাৰ অপৰূপ ৰূপৰ এই অৱস্থা তেওঁ দেখা নাই নে? তেওঁক ধিক! বাৰু, মই তেওঁৰ পৰিচয় পাব পাৰোঁ নে?"

উমাৰ ইঙ্গিতত সহচৰীয়ে জনালে যে তেওঁৰ লৱণুকোমল দেহাত অশেষ কষ্ট দি যাক পাবলৈ অভিলাস কৰিছে, তেওঁ হৈছে মদন-ভস্মকাৰী, উমাৰ অৰূপৰতন, যৌৱনৰ ধন, নয়নৰ মণি, পিনাকপানি শিৱ।

তপস্বীয়ে আকৌ কলে—"মই শঙ্কৰক চিনো। তুমি তেওঁৰ দ্বাৰা এবাৰ প্ৰত্যাখ্যাত হৈছা। ই তোমাৰ প্ৰতি নিতান্ত অৱহেলা। তুমি ভুল কৰিছা, উমা! শঙ্কৰৰ লগত তোমাৰ বাৰু কিহৰ মিল আছে? তুমি নিৰ্ব্বোধ। যি তোমাৰ ৰূপ-যৌৱনক অবাঞ্ছিতভাৱে লাঞ্ছিত কৰিছে, তুমি সেইজনকে পতিৰূপে পাবলৈ বাঞ্ছা কৰিছা। তুমি বৰ আজলী আৰু আঁকৰী। সাপেৰে মেৰিয়াই থোৱা হাতখনত তুমি সুকোমল হাত দুখনিৰে কেনেকৈ ধৰিবা বাৰু? এই মিলন সম্ভৱ হলেও তোমাৰ দুঃখ-লাঞ্ছনাৰ সীমা নৰ'ব। সোণৰ তলিচা পৰা হাতীৰ সলনি তুমি উঠিব লাগিব বৃষভত। উস্! কি যে হাঁহিয়াতৰ কথা! তুমি বাৰু তোমাৰ ভুবন-ভুলোৱা সুন্দৰ চকু দুটিৰে শিৱৰ ৰূপটো ভাল দৰে দেখা পোৱা নাই নে? চোৱা, তেওঁ থাকে ক'ত, খায় কি, পিন্ধে কি? তেওঁৰ জন্মৰ কথাও কোঁৰে নাজানে। দীনহীন, অপদাৰ্থ সেই মহেশ! সুন্দৰী, তোমাৰ ভুল শুধৰাই লোৱা।"

উমাই ধীৰে ধীৰে মাত লগালে—"যুৱক, তোমাৰ কথা শুনি

বুজিলোঁ যে তুমি তেওঁৰ বিষয়ে একো নাজানা। তেওঁৰ নিৰ্ম্মল চৰিত্ৰত দোষাৰোপ কৰি নিজৰ অসৎ চৰিত্ৰৰ পৰিচয় দিলা মাথোন। যিজন পুৰুষ কামনাহীন, অনাসক্ত আৰু ঐহিক সুখ-সম্ভোগৰ প্ৰতি সম্পূৰ্ণ বৈৰাগী, তেওঁ যে কেনেকুৱা আধ্যাত্মিক ঐশ্বৰ্য্যৰ অধিকাৰী, তাক তোমাৰ দৰে মূৰ্খই কেনেকৈ বুজিবা? জগতে যাৰ চৰণ সেৱা কৰে, তেওঁক তুমি নিন্দা কৰিছা। বাৰু, তুমি বেয়া বুলিছা, বুলি থাকা। মোৰ কাৰণে তেওঁ সকলোতকৈ ভাল।"

এইবুলি উচাৎ মাৰি উঠি যাওঁতেই যুৱকে ছদ্মবেশ এৰি নিজ ৰূপ—শিৱৰূপ ধাৰণ কৰি সমুখত থিয় হ'ল। চিৰ আৰাধ্যদেৱতা, চিৰ সুন্দৰ চন্দ্ৰশেখৰৰ সেই ৰূপ দেখি বতাহত কঁপা পদুম ফুলৰ দৰে উমাৰো কঁপনি উঠিল। "ন যযৌ ন তস্থৌ" অৱস্থাত থৰ লাগি ৰ'ল।

শঙ্কৰে তেতিয়া দেৱীক কলে—

"হে'ৰা অৱনতা তনু-লতা কওঁ শুনাচোন—
তপস্যাৰে তুমি মোক কিনিলা তেনেই;
আজি ধৰি হলোঁ মই তোমাৰ কিঙ্কৰ।"

—কথাষাৰ শুনা মাত্ৰকেই উমাই তপস্যাৰ কায়ক্লেশ পাহৰি পেলালে। নতুন জীৱন লাভ কৰিলে।

ইয়াৰ পিচৰ কথা চমু। শুক্লপক্ষৰ এক শুভক্ষণত হৰ-পাৰ্ব্বতীৰ পৱিত্ৰ পৰিণয় সমাৰোহেৰে সমাধা হ'ল। পানীভৰা সোণৰ কলহ পাতি থোৱা দুৱাৰমুখেদি দৰা-কন্যা হাতত ধৰাধৰিকৈ শয়ন-মন্দিৰত প্ৰৱেশ কৰিলে। ইয়াৰ পিচতে ভোলানাথে প্ৰসন্ন চিত্তেৰে কামদেৱক পুনৰ্জ্জীৱন দান কৰিলে।

এইয়া কাব্যৰ বাহ্যিক ৰূপ-সৌন্দৰ্য্যৰ চমু পৰিচয়।

ইয়াৰ বাহিৰেও 'কুমাৰসম্ভৱ'ত আৰু এক গুপুত সৌন্দৰ্য্য নিহিত আছে। সেই সৌন্দৰ্য্য ধৰা পৰে ভাবুকৰ মানস-দৃষ্টিত।

উমাই অপৰূপ ৰূপেৰে শিৱৰ মন জয় কৰিবলৈ সমৰ্থ নহ'ল; তপস্যাৰ বলেৰেহে অমৰ প্ৰেম আৰু পতিক লাভ কৰিলে। "অঙ্গজ কাম ভস্ম হ'ল; তাৰ ঠাইত আত্মজ প্ৰেমৰ উদয় হ'ল"— এয়ে কাব্যখনিৰ আভ্যন্তৰিক সৌন্দৰ্য্যৰ মূলসূত্ৰ।

উমা এজনী সুন্দৰী যুৱতী। শিৱ জানিবা এজন ধৰ্ম্মপ্ৰাণ, নীতিপৰায়ণ যুৱক। উমা সাধাৰণ ছোৱালী এজনী নহয়। তেওঁ ৰাজকন্যা। তেওঁ ৰূপৱতী, গুণৱতী আৰু ধনৱতী হৈও, এজন গুণৱান যুৱকৰ হৃদয়-ৰাজ্যৰ সোণৰ সিংহাসনত বহিবলৈ অধিকাৰ সাব্যস্ত কৰিব নোৱাৰিলে। গিৰিবালাৰ পাণিগ্ৰহণ কৰিবলৈ অনেক ৰাজপুৰুষেই যত্ন কৰিলেহেঁতেন। কিন্তু তেওঁ আকৌ শিৱকহে বিচাৰে।

"মেনকা জীয়াৰী উমা সুন্দৰীয়ে
ত্ৰিশূলধাৰীক বৰিলে পতি,
কালসাপে যাৰ শিৱ শোভা কৰে
শ্মশানত যাৰ সদায় স্থিতি।
শ্মশানৰ ভূত লগৰীয়া যাৰ,
কঁকালত আঁৰে বাঘৰ ছাল;
কুসুম-কোমলা প্ৰেমিকা বালাই
তাকেহে চকুৰে দেখিলে ভাল।
অবোধ মানুহ! চকু মুদি চা
চকু মেলি চালে নেদেখ যদি—
মৰু জগতৰ শুকান বুকুত
প্ৰেম-অমৃতৰ বইছে নদী।"

সাধাৰণতে প্ৰেম বুলিলে আমি যি বুজোঁ, ভাত পোৱাৰ হেঁপাহ, ভোগৰ বাসনা বিদ্যমান থাকে। এই প্ৰেমে কামনাৰ পৰিপূৰ্ণতা বিচাৰে, প্ৰেমৰ প্ৰতিদান বিচাৰে, হৃদয়ৰ সলনি হৃদয় বিচাৰে। প্ৰেমৰ সলনি প্ৰেম বিচাৰি সাধাৰণ প্ৰেমিক ব্যাকুল হৈ পৰে।

ই মানুহৰ স্বভাৱ। কিন্তু এই স্বভাৱৰ বিশুদ্ধীকৰণ লাগে। প্ৰতিদান বিচাৰি হাবাথুৰি খাই ফুৰা প্ৰেমিকৰ প্ৰেম বিশুদ্ধ প্ৰেম নহয়। সেয়া কামজ প্ৰেম। সি কামনাৰপৰা ওপজে, কামনাৰ মাজতে বৰ্দ্ধিত হয়; কামনাৰ মাজতে তাৰ পৰিসমাপ্তিও ঘটে।

তুমি যাক ভাল পোৱা, তেৱোঁ তোমাক ভালপাওক—এই কামনা তোমাৰ আছে। তুমি তেওঁক যিমান ভাল পোৱা, তাতোকৈ বেচি গভীৰতা আৰু নিষ্ঠাৰে তোমাক ভাল পাওক—এই কামনা অমূলক নহব পাৰে; কিন্তু ই এক দুৰ্ব্বলতা মাথোন। তুমি তেওঁৰ সঙ্গসুখ বাঞ্ছা কৰা, আৰু তুমি ভালপোৱা মতে কাম নকৰিলে মনত কষ্ট পোৱা। ই এটা ডাঙৰ দোষ, মহৎ ভুল আৰু প্ৰকৃত প্ৰেমৰ বিৰোধী মনোভাৱ। প্ৰকৃত বা পৱিত্ৰ প্ৰেমত এনেবোৰ ভাবলৈ ঠাই নাই। যথাৰ্থ ভালপোৱা ফুলকলি আপোনা-আপুনি ফুলি উঠাৰ দৰে হৃদয়-কুঞ্জত স্বাভাৱিকতে বিকশিত আৰু বৰ্দ্ধিত হয়। তাৰ প্ৰকাশ অতি স্বাভাৱিক; আৰু কোনো বাধা-বিঘিনি নামানি নিজ ৰূপতে—অৰ্থাৎ কামনাবিহীন ৰূপতে সদায় প্ৰকাশ পাই থাকে। সেই ভালপোৱাৰ ৰূপান্তৰ বা হানি-বিঘিনি নাই। সি সকলো অৱস্থাতে একে। তুমি যাক ভালপোৱা, তেওঁ তোমাক ভালপায় নে নাপায়, সেই কথা চিন্তা কৰিবলৈ তোমাৰ অৱসৰেই বা ক'ত? তুমি যে তেওঁক ভাল নাপাই অলপো থাকিব নোৱাৰা। তেওঁ তোমাৰ ওচৰত নে দূৰত—এই কথা তোমাৰ চিন্তা-চৰ্চ্চাৰ বিষয় কদাপি নহয়। সেয়াহে যথাৰ্থ প্ৰেম। যি প্ৰেমত কেৱল পোৱাৰ মনোভাৱহে থাকে, নিজকে বিলাই দিয়াৰ, হৃদয় দান কৰাৰ অনুভূতি নাথাকে তাক বহুতে 'প্ৰেম' আখ্যা দিবই নোখোজে। সি যৌনাসক্তি মাথোন। এই আসক্তি বা এইবিধ নিকৃষ্ট প্ৰেম সকলো জীৱ-জন্তুৰ মাজতে দেখা যায়। কামজ আকৰ্ষণৰ ক্ষেত্ৰত মানুহ পশুতকৈ বেলেগ নহয়, যদিহে স্বাৰ্থসিদ্ধিৰ বাসনা সমূলে ত্যাগ কৰা নহয়। স্বামী-স্ত্ৰীৰ

মাজত থকা (সাধাৰণ) ভালপোৱা মানুহৰ মাজতেহে আছে জানো? ই সকলো জীৱৰে জন্মগত প্ৰবৃত্তি।

উমাৰ মনত পোনতে এইবিধ প্ৰেমৰে অৰ্থাৎ কামনাসিক্ত যৌনাসক্তিৰে উন্মেষ হৈছিল। কিন্তু মহাযোগী শিৱৰ পৱিশুদ্ধ হৃদয়ত সেই আকৰ্ষণে সফল প্ৰতিক্ৰিয়া কৰিব নোৱাৰিলে। কাৰণ, শিৱৰ সুপৱিত্ৰ মন কামনা-বাসনাৰ বহু উৰ্দ্ধত। তেওঁ পশুত্বক জয় কৰি পৰমেশ্বৰৰ চিন্তাত নিমগ্ন। গতিকে উমাৰ নিষ্ফল প্ৰেমৰ ক্ৰিয়া বিফল হ'ল। সেই নিকৃষ্ট প্ৰেমভাৱৰ প্ৰতিফলিত ৰশ্মি শিৱৰ নিৰ্ম্মল চিত্তত পৰি উভতি আহিল। কামনা-কলুষিত প্ৰেমলৈ তেওঁৰ হৃদয়ত ঠাই নাই। সেইবাবেই উমাই তপস্যা কৰিবলগীয়া হ'ল। উমাৰ সিদ্ধান্ত নিৰ্ভুল। প্ৰকৃত প্ৰেমেৰেহে শিৱক জয় কৰিব পাৰি। স্বৰূপতে গোটেই জগত প্ৰেমৰ বশ। জগতৰ ঈশ্বৰো প্ৰেমৰ অধীন। প্ৰেমেৰেহে ভগৱানকো লাভ কৰিব পাৰি। (অৱশ্যে ঈশ্বৰমুখী প্ৰেমক আমাৰ ভাষাত ভক্তি বোলে।) প্ৰেমেই জীৱনৰ সাৰ বস্তু, জগতৰো মূলবস্তু। কিন্তু ই তুচ্ছ কামজ আকৰ্ষণ মাথোন নহয়; উচ্চতম, দুৰ্লভ, স্বৰ্গীয় অনুভূতি। সেই কাৰণেই কামদেৱে মদন-বাণ সন্ধান কৰিবলৈ ধৰোঁতেই মহেশৰ তৃতীয় চকুৰ তীব্ৰ জ্যোতিয়ে কামক ভস্ম কৰিলে। এই তৃতীয় চকু হৈছে জ্ঞানৰ চকু। জ্ঞান-চকুৰে চাই শিৱই দেখিলে যে উমাৰ প্ৰেমত কামনাৰ আকৰ্ষণ আছে। তেওঁ যৌৱনৰ অভিমান, ৰূপৰ গৌৰৱ আৰু বিলাসৰ বাসনা সমূলঞ্চে ত্যাগ কৰিব পৰা নাই। তেওঁৰ মিলন-প্ৰয়াসৰ কাৰ্য্যপন্থাত মদনে সহযোগ কৰিছে। আনহাতে তেৰোঁ মদনৰ সহায়কাৰী। উভয়ৰ সহযোগত মহেশৰ তপস্যা ভঙ্গৰ আয়োজন চলিছে। মহেশে বুজিলে, তেওঁ কামক ভস্ম কৰিলে; অৰ্থাৎ হৃদয়ৰ দুৰ্ব্বাৰ কাম প্ৰবৃত্তিক জয় কৰিলে। ভক্তযোগী শিৱৰ হৃদয়ত কামুকতালৈ ঠাই নাই। লাৱণ্যময়ী ললনাৰ লোভত মতলীয়া হোৱাবিধৰ লোক

তেওঁ নহয়। গতিকে কামিনী-কাঞ্চনৰ সঙ্গ ত্যাগ কৰি তৎক্ষণাৎ গুচি গ'ল।

উমাই কঠোৰ তপস্যাৰে মনৰ নিৰ্ম্মলতা আৰু প্ৰসন্নতা লাভ কৰিলে। তেওঁ সুপৱিত্ৰ প্ৰেমৰ অধিকাৰিণী হ'ল। যৌৱন-সুলভ ভোগ-বিলাসৰ অভিলাস মনৰপৰা অন্তৰ্হিত হ'ল। ৰূপ-যৌৱনৰ অহঙ্কাৰ আৰু যৌৱন প্ৰাচুৰ্য্যৰ অভিমান চূৰমাৰ হৈ গ'ল। ছদ্মবেশী শিৱই কথা-বতৰাৰ মাজেদি বুজিব পাৰিলে যে উমা এতিয়া তেওঁৰ পত্নী পদৰ উপযুক্তা; তেওঁৰ হৃদয় নিষ্কলঙ্ক পূৰ্ণিমাৰ জোনটিৰ দৰে দীপ্তিমান। কষ্টকৰ সাধনাৰে তেওঁ কামনাৰ মল পুৰি ছাই কৰিলে। তেতিয়াহে শিৱ তেওঁৰ স্বামী হবলৈ সন্মত হ'ল; তাৰ আগতে নহয়। সাধাৰণ মানুহৰ লগত উমা-শঙ্কৰৰ প্ৰেম আৰু মিলনৰ এইখিনিতেই ব্যৱধান। পাঠকে বোধহয় লক্ষ্য কৰিছে যে তেওঁ-লোকৰ মিলনৰ পিচত কামদেৱৰ পুনৰ্জ্জন্ম হ'ল। অৰ্থাৎ, কামনাহীন-ভাৱে হৃদয়ৰ অকৃত্ৰিম প্ৰেম এজনে আন এজনক দান কৰিব পাৰিলে, শাৰীৰিক মিলন হোৱা উচিত নে অনুচিত—এনে প্ৰশ্ন নুঠে। তাৰ ব্যৱস্থা অৱস্থা চাই হব। মুঠ কথা, মিলন-প্ৰয়াসী হৈ, বা শাৰীৰিক সুখৰ বাসনা অন্তৰত ৰাখি প্ৰকৃত প্ৰেমৰ পূজাৰী হব নোৱাৰি।

প্ৰকৃত প্ৰেমে মিলনো নিবিচাৰে, বিৰহো নিবিচাৰে। প্ৰেম আৰু প্ৰেমিকে কেৱল প্ৰেমকহে বিচাৰে; প্ৰেমিকা বা প্ৰেমাস্পদক নিবিচাৰে। যি প্ৰেমত কিবা বিচৰাৰ লক্ষণ আছে, সি নিভাঁজ প্ৰেম নহয়। কুমাৰসম্ভৱ কাব্যত তেনে নিম্নস্তৰৰ প্ৰেমৰ চিত্ৰ অঙ্কন কৰাৰ ইচ্ছা বা চেষ্টা মহাকবিৰ নাই। ই প্ৰেমৰ উচ্চতৰ স্তৰৰ মনোহৰ চিত্ৰ।

এইয়া কাব্যৰ আভ্যন্তৰিক সৌন্দৰ্য্য। এই সৌন্দৰ্য্যৰ অনুভূতিয়ে মনক মহৎ কৰি তোলে। বতাহত নকঁপা অগ্নিশিখাৰ দৰে স্থিৰ, ঢৌ নোহোৱা সাগৰৰ দৰে প্ৰশান্ত, জুয়ে পুৰি নিকা কৰা সোণৰ

দৰে উজ্জ্বল, দেৱতাৰ চৰণত শ্ৰদ্ধাৰে উচৰ্গা কৰা পুষ্পাঞ্জলিৰ দৰে পৱিত্ৰ, ডাৱৰৰ লেশ নোহোৱা উন্মুক্ত নীলিম আকাশৰ দৰে প্ৰশস্ত, সন্তানৰ কাৰণে হাঁহিমুখে নিকাৰ সহিব পৰা মাতৃস্নেহৰ দৰে উৎকৃষ্ট, নিজৰ দেহাটোৰ সমানে পৰক ভালপাব পৰাৰ যি উদাৰ, মঙ্গলময় আৰু স্নিগ্ধমধুৰ গভীৰ অনুভূতি—সেয়ে যথাৰ্থ প্ৰেম। সেয়ে মানুহৰ সাধনাৰ ধন, জীৱনৰ স্পৰ্শমণি, মৰতৰ পাৰিজাত।

শেৱালিৰ সুৰভি

চিনাকি চিনাকি লগা এখন অচিনাকি দেশ। এখন ৰাজ্য। তাৰেই ৰাজকুমাৰ। নাম তেওঁৰ সুন্দৰ। নামে-কামে সঁচাই বৰ সুন্দৰ ৰাজকোৱঁৰ। বৃদ্ধ পিতৃৰ কান্ধৰ বোজা নিজে লৈ সিংহাসনত বহিল। সদায় পুথি-শাস্ত্ৰত মনপুতি লাগি থকা— অধ্যয়নশীল ৰাজকোঁৱৰৰ মনত বৈৰাগ্যৰ ভাব পৰিলক্ষিত হয়। আঠাইশ বছৰ বয়সলৈকে অবিবাহিত। ৰাজমাওৰ মনত অশান্তি। অঁকৰা পুতেকে কোনো বুজনি নামানে। বন্ধুবৰ সুদৰ্শন আৰু অনঙ্গইও বুজাই-বৰাই মান্তি কৰিব পৰা নাই। অৱশেষত ৰাজমাওৱে অনশন আৰম্ভ কৰিলে। আইচু দেউতাৰ অৱস্থা দেখি কাৰেঙত কোনেও ভাত-পানী খাব নোৱাৰা হ'ল। উপায়ান্তৰ হৈ সুন্দৰে বিয়াত মত দিলে। কোনোবা বুঢ়াগোঁহাইৰ সুন্দৰী জীয়াৰী কাঞ্চনমতীৰ লগত শুভ-পৰিণয় সমাধা হ'ল।

কাল-চক্ৰৰ এটা পাক ঘূৰিল। ঘটনাৰ-সোঁতে অন্য এটা পথে গতি ললে। বিয়াৰ পিচতে সুন্দৰকোৱঁৰে নৱ-পৰিণীতা ভাৰ্য্যাৰ মুখৰপৰা শুনিবলৈ পালে যে তেওঁ তেওঁৰে (সুন্দৰৰে) বন্ধু অনঙ্গৰামৰ প্ৰেমাসক্তা আছিল। সৰলা বালিকাই শুদ্ধ চিত্তেৰে হৃদয়-দুৱাৰ খুলি দিয়াত সুন্দৰৰ স্ত্ৰী বিদ্বেষী মনে তাৰ ভিতৰত যেন দেখিবলৈ পালে কিল্‌বিলাই থকা ফেটীসাপৰ জিভা। দৃঢ়চেতা, নীতিবাদী আৰু বিদ্ৰোহী মনোভাৱৰ কোৱঁৰে পৰিণীতা পত্নীক পৰিত্যাগ কৰিবলৈ দৃঢ় সঙ্কল্প ললে; আৰু বন্ধু অনঙ্গক মতাই আনি জোৰ কৰিয়েই কাঞ্চনমতীক গতাই দিলে। অনঙ্গ, কাঞ্চন আৰু সমাজে কিন্তু এই কাৰ্য্য সমৰ্থন নকৰিলে। সুন্দৰে একোলৈকে কেৰেপ নকৰিলে। তেওঁ সদায় আগলৈহে যায়; পিচলৈ নাচায়।

কাৰেঙৰ ভিতৰত ইয়াৰ ফল বিষময় ৰূপে ফলিল। শেৱালী নামেৰে চকুতলগা লিগিৰী এজনীৰ প্ৰতি অনুৰক্ত বুলি সকলোৱে সুন্দৰক হঠাতে সন্দেহ কৰি পেলালে। এনে এটা সন্দেহ আগতে অৱশ্যে আছিল। তাতে যেতিয়া বিবাহিতা পত্নীক স্বেচ্ছাই পৰিহাৰ কৰিলে, তেতিয়া সন্দেহৰ ডাৱৰ ঘনীভূত হৈ পৰিল। আচলতে কোৰঁৰৰ মনত কোনো দুৰ্ব্বলতা নাছিল। লিগিৰী-জনীয়েও কোৰঁৰক স্বাভাৱিক আৰু সৰলভাৱে ভাল পাইছিল। কোৰঁৰৰ অঙ্কশায়িণী হোৱাৰ দুৰাশা তাইৰ মনত কদাচিতো উদয় হোৱা নাছিল। লিগিৰী মেলত পৰি সাধাৰণ কথা এটাই ডাঙৰ হৈ পৰিল। "তিৰোতা মানুহৰ কথা; তাকে লিগিৰী টোলত বঢ়াই নি নি মাখিটোকে হাতীটো যেন কৰিলে। এতিয়া সেই হাতীটোৱেই বনৰীয়া হৈ গাঁও-নগৰ, হাবি-বন গোটেইখন মহটিয়াই ঘূৰি উৎপাতৰ সৃষ্টি কৰিছে।" ৰাজমাওৰ মনতো ঘোৰ সন্দেহ খং আৰু ঘৃণাত আগ-পাচ নুগুনি ৰাজমাওৱে এদিন ৰাতি মনে মনে চাওদাঙৰ হাতত শেৱালিক গতাই দিলে। চাওদাঙে জানিবা দয়া কৰি তাইক প্ৰাণদান দিলে। তাই নগাপৰ্ব্বতত আশ্ৰয় ললেগৈ।

ইতিমধ্যে কোৰঁৰে বন্ধু সুদৰ্শনৰ মুখে জানিব পাৰিলে যে শেৱালিৰ প্ৰতি অনুৰক্ত বুলি সকলোৱে তেওঁক সন্দেহ কৰিছে। কথাটো শুনি তেওঁ বিস্মিত আৰু ক্ৰোধান্বিত হৈ উঠিল। বপুৰা লিগিৰাক আদেশ দিলে—'শেৱালিক মাতি আনগৈ যাচোন।' বপুৰা উচপ্ খাই উঠিল। ···শেৱালি এতিয়া যে ৰাজকাৰেঙত নাই। সুন্দৰে কবলৈ ধৰিলে—"কি, বৰ আচৰিত কথা! ···বন্ধু (সুদৰ্শন), শুনিছা নে নাই? শেৱালি বোলে ৰাজকাৰেঙত নাই? হুঁ বুজিছোঁ—(মূৰ দুপিয়াই) মই বুজিছোঁ, ···মোক শেৱালিক বিচাৰি আনি দিব লাগিব।"

সুন্দৰৰ মনৰ আকাশত আচম্বিতে এক নতুন নক্ষত্ৰৰ পোহৰ

পৰিল। শেৱালিৰ নামত আজি তেওঁ অকস্মাৎ উন্মত্তপ্ৰায় হৈ উঠিল। মুখৰ লাগ-বান্ধ নোহোৱা হ'ল। তেওঁৰ কঠোৰ আদেশ— 'শেৱালিক লাগিবই।'

চাওদাং বৰুৱাই মানুহ লগত লৈ শেৱালিৰ সন্ধান বিচাৰি ওলাল। হাবি-বন চলাথ কৰিলে। সুন্দৰ নিজেও গ'ল। অভিযান সফল হ'ল।

শেৱালিক নগাপাহাৰত পোৱা গ'ল। কিন্তু শেৱালি নাহিল। ৰাণী হৈ সিংহাসনৰ কাষত বহি ৰাজকাৰেং পোহৰাই তুলিবলৈ— সুন্দৰৰ হৃদয়-ফুলনি জকমকীয়া কৰি তুলিবলৈ—ৰজা-প্ৰজাৰ মনত হৰ্ষ-বিষাদৰ জোৱাৰ তুলিবলৈ—শেৱালি ঘূৰি নাহিল। শিলনিৰ মাজে মাজে জৰ্-জৰ্কৈ বৈ যোৱা জুৰিৰ পানীত শেৱালিৰ জীৱন-বন্তি নিৰ্ব্বাপিত হ'ল। তাই নিজেই মৰিল। "ত্যাগৰ মুকুটেৰে উজলি শেৱালি গোঁসানী (সুন্দৰৰ) জীৱন শুদাকৈ কাৰোবাৰ আহ্বানত সৃষ্টিৰ ইন্দ্ৰজাল ভেদি কোনোৱা ব্ৰহ্মাণ্ডলৈ উফৰি গ'ল।"

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' নামৰ নাটকৰ ৰূপচিত্ৰৰ এইয়া চমু পৰিচয়।

"কাৰেঙৰ লিগিৰীৰ নায়ক সুন্দৰকোঁৱৰ ৰাজপুৰুষ; ৰূপ আৰু গুণৰ অতুলনীয় অধিকাৰী। তেওঁ শাস্ত্ৰজ্ঞ আৰু আদৰ্শবাদী; কিন্তু নাৰী-বিদ্বেষী। ···এহাতে তেওঁৰ আভিজাত্যৰ গৰ্ব্ব, আনহাতে বৈপ্লৱিক উদাৰতা। এহাতে যুক্তিবাদত আস্থা, আনহাতে আকৌ ভাব প্ৰৱণ আত্মকেন্দ্ৰিকতা। এই সকলোবোৰৰ খেলিমেলি ব্যক্তিত্বই সুন্দৰকোঁৱৰ।" —(ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা)। তেওঁ নাৰীবিদ্বেষী কাৰণেই পোনতে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে নাৰীৰ অন্তৰত শুদ্ধ প্ৰেম থাকিব নোৱাৰে। তেওঁ ভাবিছিল যে সকলো তিৰোতাৰে পেটত হলাহল, আৰু মুখৰ কথাত অমৃত। তৃতীয় অঙ্কত শেৱালিক সুধিছে—

সুন্দৰ—তই মোক ভাল পাৱনে ?

শেৱালি—(স্বাভাৱিকভাৱে) পাওঁ কোঁৱৰ।

সুন্দৰ—(উগ্ৰ হৈ) মোক ভাল পাৱ ?

শেৱালি—(ভয় খাই নমতা হয়।)

সুন্দৰ—(আত্মসম্বৰণ কৰি) কিয় ? কিয় ভাল পাৱ ?

শেৱালি—এনেয়ে ভাল পাওঁ।

সুন্দৰ—(তীব্ৰতা আৰু ঘৃণাৰে) এনেয়ে পাৱ ? কেতিয়াও নহয়। ভাল পাৱ ? এনেয়ে ? এনেয়ে ?…তিৰোতা—তিৰোতাই ভালপোৱা দিব! স্বাৰ্থৰ অগ্নিত ভালপোৱা পুৰি, ভস্ম কৰি ছাইসোপা আনি আগত ধৰি কৈছে—'হোঁৱা এয়া ভালপোৱা।' আৰু আমি পুৰুষে সেই ছাইসোপাকে গাত সানি সকলো পাহৰি প্ৰণয়ৰ ধুনী জ্বলাই তিৰোতাৰ প্ৰেমৰ ব'ৰাগী।"

কিন্তু সেই তিৰোতাৰ প্ৰেমে—শেৱালিৰ শুভ্ৰ ভালপোৱাই সুন্দৰৰ সপোন ভাঙিলে—ভুলৰ সমাধি ৰচিলে। সামান্য লিগিৰী শেৱালিৰ যি প্ৰেমক তেওঁ উপহাস কৰিছিল, আৰু ঘৃণাৰ যোগ্য বুলি ভাবিছিল, শেষত সেই প্ৰেমকে আপুৰুগীয়া বুলি বুকুত সাৱটি লবলগীয়াত পৰিল। সুন্দৰে শেৱালিৰ প্ৰেম প্ৰত্যাখ্যান কৰাই নহয়, তাইৰ হৃদয়ক তেওঁ পানী নোহোৱা, তলি ওলোৱা শুকান নিজৰা এটা বুলিহে ভাবিছিল। তেওঁৰ জ্ঞান-বিবেচনা মতে সকলো তিৰোতাৰ হৃদয়েই তেনে। নাৰীৰ হৃদয়ত নিঃস্বাৰ্থ ভাল পোৱা নাই, থাকিব নোৱাৰে; নিজৰ স্বাৰ্থ, নিজৰ তৃপ্তি আৰু সম্ভোগৰ কাৰণেহে সিহঁতে পুৰুষক ভাল পায়—ভালপোৱাৰ ভাও ধৰে বুলি সুন্দৰে মনে-প্ৰাণে বিশ্বাস কৰিছিল। কিন্তু 'কোন পানীৰ তলৰ ফটিক কোঠালিলৈ উটি যোৱা, কাৰোবাৰ আহ্বানত কোনোবা ব্ৰহ্মাণ্ডৰ অচিন ৰাজ্যলৈ উৰুৰি যোৱা, শেৱালিয়ে জীৱনেৰে বুজাই গ'ল, মৰণেৰেও বুজাই গ'ল যে তিৰোতাৰ

অন্তৰতো গুপুত সৌন্দৰ্য্যৰ নিৰ্জ্জন খনি আছে; তিৰোতাৰ হিয়াতো শুভ্ৰ ভালপোৱাৰ পদ্মফুল ফুলে। শেৱালিৰ ভালপোৱা ত্যাগৰ দীপ্তিৰে উজ্জ্বল। শেৱালিৰ প্ৰেমৰ ৰক্তিম আভাই সকলো তিৰোতাৰ গালতে গৌৰৱৰ সেন্দুৰ সানি থৈ গ'ল।

শেৱালিৰ হৃদয়ৰ এই পৱিত্ৰ প্ৰেমৰ প্ৰকাশ কিদৰে চিত্ৰিত হৈছে চাওক। নাট্যকাৰে এই কথাটো বন্ধু সুদৰ্শনৰ মুখেদি ব্যক্ত কৰাইছে। এয়ে নাটকখনৰ মূলভাৱ—মৰ্ম্মকথা। প্ৰেমৰ শুদ্ধ সৰল সূত্ৰটোকে বুজাবৰ কাৰণে 'কাৰেঙৰ লিগিৰী' নাটকৰ সৃষ্টি। এই সৃষ্টি বাস্তৱিকে সুন্দৰ।

সুদৰ্শন—(সন্দেহে) মোৰ সন্দেহ, শেৱালিয়ে তোমাক ভাল পায়।

সুন্দৰ—(টোপনিৰ পৰা সাৰ পোৱাৰ দৰে) লিগিৰী এজনীৰ ইমান স্পৰ্দ্ধা! কেনেকৈ? কেনেকৈ?

সুদৰ্শন--ভাল পায় মানে তোমালৈ আকাঙ্ক্ষা নকৰে। জোনটোক মানুহে যেনেকৈ ভাল পায়, কিন্তু তাক পাবলৈ আকাঙ্ক্ষা নকৰে—পোৱা অসম্ভৱ বুলি জানে; কিন্তু তাৰ শীতল কিৰণত ফুৰি আনন্দ পায়; সেই দৰে তাইও তোমাক পাবলৈ কেতিয়াও আকাঙ্ক্ষা নকৰে; কিন্তু তোমাৰ মৰমৰ উমনি সপোন দেখি বলিয়া হৈ থাকে।"

এইটোৱেই প্ৰেমৰ সূত্ৰ বা দৰ্শন বা প্ৰধান লক্ষণ। সাধাৰণতে এজনে আন এজনক ভাল পায় আপোন স্বাৰ্থপূৰণৰ কাৰণে। যুৱকে যুৱতীক ভাল পায়—যৌৱনৰ ৰাগীত মতলীয়া হৈ। যুৱতীয়ে যুৱকৰ সঙ্গ বিচাৰে—প্ৰেম পাবলৈ আশা কৰে—জীৱনত ভোগৰ ভোগৱতী নৈ বোৱাবলৈ। কিন্তু শেৱালিয়ে ভাল পায়, তাইৰ নিজৰ ভাষাত—'এনেয়ে'। তাই এনেয়ে ভাল পায়, আৰু তাকে সহজ-সৰলভাৱে কোঁৱৰৰ মুখৰ আগতে ফুটাই কৈ দিছে। এইয়া তাইৰ অকপট প্ৰেমৰ সহজ প্ৰকাশ। প্ৰকৃত প্ৰেমৰ লক্ষণ বিচাৰি, শেৱালিৰ ভালপোৱাৰ শুদ্ধতাৰ প্ৰমাণ বিচাৰি, অধিক

দূৰলৈ যোৱাৰ দৰকাৰ নাই। তাই কোঁৱৰক পাব নোৱাৰে; তাইৰ বুকুভৰা মৰমখিনি কোঁৱৰৰ বুকুত উবুৰিয়াই দিয়াৰ সুবর্ণ সুযোগ তাই ওৰে জীৱনত নাপায় বুলি তাই ভালকৈ জানে। তাইৰ প্রস্ফুটিত যৌৱনৰ সুগন্ধি সৌৰভেৰে সুন্দৰ কোঁৱৰৰ জীৱন, মন আৰু হৃদয় আমোলমোলীয়া কৰি তুলিব নোৱাৰিব বুলি তাই সুবুজা নহয়। তথাপি তাই তাইৰ জীৱনৰ—তাইৰ বুকুভৰা ভাল পোৱাৰ অসার্থকতা অনুভৱ নকৰে। তাই কোঁৱৰৰূপী জোনবাইক সিংহাসন আকাশৰপৰা নমাই আনি হাতেৰে ছুই চাব নোৱাৰে —বুকুৰ মাজত লব নোৱাৰে; লবও নোখোজে। আঁতৰৰপৰা দেখিয়েই তাইৰ অপাৰ সন্তোষ। তাতেই তাইৰ অসীম তৃপ্তি। তাই আৰু একো নিবিচাৰে। তাইৰ প্রেমৰ প্রতিদান বিচাৰি তাই কেতিয়াও বাউলী নহয়। ভাল পাই ভাল লাগে দেখিয়েই তাই কোঁৱৰক ভাল পায়। তাইৰ কাৰণে ই সহজ আৰু স্বাভাৱিক। মানুহে জোনটিক ভালপোৱাৰ জগত শেৱালিৰ প্রেমৰ তুলনা সুন্দৰ হৈছে।

৪র্থ অঙ্কত নগাপাহাৰত নির্ব্বাসিত হোৱা দুর্ভগীয়া শেৱালিৰ নিজৰ কথাত (স্বগতোক্তি) তাইৰ হৃদয়-জোৰা প্রেমৰ পূর্ণ প্রকাশ ঘটিছে। "কোঁৱৰলৈ মোৰ ইমান মৰম! মোৰ বুকুৰে নধৰে; মনেও ভাবি ভাবি শেষ কৰিবলৈ ভাগৰে। কিমান মৰম! সুৰুযৰ পোহৰবোৰ যেনেকৈ পৃথিৱীলৈ বিয়াকুল হৈ আহি আই বসুমতীক সাৱটি ধৰি আছে, মোৰো মৰমবোৰ তোমালৈ সেই দৰে গৈ তোমাক আগুৰি আছেগৈ। তোমাৰ সোণ-বৰণীয়া মুখত মোৰ মৰমবোৰ জিল্‌মিলাই আছে।……তুমি মোলৈ নীলা আকাশৰ জোন। তোমাক মই নাপাওঁ। কিন্তু তোমাৰ মৰমৰ জোনাকত মোক জুৰ লবলৈকো নিদিবা নে?"

সাধাৰণ মানুহৰ দৰে শেৱালিয়ে প্রেমিকৰ সান্নিধ্য বিচাৰি উতলা হোৱা নাই; সম্ভোগৰ তৃপ্তি বিচাৰি উত্রাৱল হোৱা নাই;

দেহাৰ মিলনকে মিলনৰ একমাত্ৰ উদ্দেশ্য বা ফল বুলি ভবা নাই। তাই মাথোন সদায় ভাল পাই থাকিবলৈকে বিচাৰিছে। তাই কোঁৱৰৰ দেহাটো সাৱটি লবলৈ নাপায় সঁচা; কিন্তু তাইৰ মৰমী বুকুৰ মৰমবোৰে কোঁৱৰক সদায় সাৱটি ধৰি আছে। তাইৰ হৃদয় সৰোবৰত ফুলি উঠা প্ৰেমৰ পদুমবোৰক অতি সঙ্গোপনে তাই অম্লান কৰি ৰাখিব খোজে—যেন সেয়ে পাৰিজাত হৈ চিৰকাল ফুলি ৰয়। তাই আকৌ এবাৰ কৈছে—

"বৰ মৰম—তোমালৈ মোৰ বৰ মৰম। সোৱা, সোৱা, আকাশত নীলা—নীলাবোৰ যিমান দূৰলৈ গৈ গৈ আছে, সিমান, সিমান, সিমান !!"

তাইৰ প্ৰেমৰ পৰিধি নাই। অসীম আকাশৰ নীলিমাৰ দৰেই তাইৰ প্ৰেমো সীমাহীন। এই প্ৰেম পয়োধিৰ পাৰাপাৰ নাই—থাকিব নোৱাৰেও। এই প্ৰেমৰ বিনাশো নাই। এই প্ৰেম দেহৰ লগতে নমৰে। প্ৰেমৰ এই অসীমতা অনুভৱ কৰিবলৈ পাই তাই উন্মাদিনী প্ৰায় হৈ পৰিল। ইও প্ৰেমৰে এক অৱস্থা বা লক্ষণ। এইয়া যেন শেৱালিৰ নৱজন্ম! তাইৰ জীৱন সাৰ্থক হ'ল। সুন্দৰ কোঁৱৰ তাইৰ দেহৰপৰা—ব্যৱহাৰিক জীৱনত তাইৰ কাষৰপৰা বহুত দূৰত। অথচ তাই হৃদয়ৰ মাজতে সুন্দৰক—অসীম সুন্দৰক পৰিব্যাপ্ত হৈ থকা দেখা পালে—উপলব্ধি কৰিলে। কোঁৱৰলৈ থকা তাইৰ মৰম অসীম সৌন্দৰ্য্যময়। প্ৰকৃত প্ৰেম আৰু প্ৰকৃত সৌন্দৰ্য্যৰ (বা আনন্দৰ) মাজত কোনো তফাৎ নাই। তাইৰ জীৱন-মন পৰিপূৰ্ণ হৈ পৰিল। তেতিয়া সুন্দৰ কোঁৱৰ তাইৰ কাৰণে এখন সৰু ৰাজ্যৰ ৰজা বা ৰাজকোঁৱৰ মাথোন হৈ নাথাকিল। সেই সুন্দৰ তেতিয়া হৈ পৰিল বিশ্বজোৰা সৌন্দৰ্য্যৰে প্ৰতিৰূপ মাথোন। শেৱালিয়ে ৰাজপুৰুষ সুন্দৰক কাষতে নোপোৱাটো নগণ্য কথা হৈ পৰিল। তাই প্ৰকৃত সুন্দৰকে হৃদয়ত লাভ কৰিলে। বিশাল বিশ্ব বিয়পি থকা সৌন্দৰ্য্যৰ বিমল জ্যোতিয়ে

হৃদয়-ৰাজ্য পোহৰাই তুলিলে। এয়ে প্ৰকৃত প্ৰেমানুভূতি। ইয়াকে লাভ কৰিবলৈ—এই সৌন্দৰ্য্যবোধকে উপলব্ধি কৰিবলৈ মানুহে সাধনা কৰিব লাগে। সেয়ে জীৱনৰ অৰ্থ ; তাতেই জীৱনৰ সাৰ্থকতা নিহিত।

তাৰ পিচত, হৃদয়ৰ মাজত অসীম প্ৰেমৰ দিব্য অনুভূতিৰ প্ৰভাৱত তাই স্তব্ধ হৈ গ'ল। মৃত্যুলৈকো তাইৰ ভয় নলগা হ'ল। জীৱন-মৰণ একাকাৰ হৈ গ'ল। জগত-জোৰা প্ৰেম হৃদয় জুৰি বিকশিত হোৱাৰ লগে লগে শেৱালিৰ জীৱনে মৰণকো জয় কৰি পেলালে। তাইৰ প্ৰাণ-বীণাত কিবা উদাসীন স্বৰ্গীয় সুৰৰ ঝঙ্কাৰ উঠিল। এই অনুভূতি সুখ আৰু দুখৰ অতীত। ধন্য শেৱালি! ধন্য তোৰ প্ৰেম !!

শেৱালি মৰিল। শেৱালি মৰি অমৰ হ'ল। তাইৰ সাৰ্থক প্ৰেমে তাইক অমৰ কৰিলে। চাকনৈয়াত তাই উটি গ'ল। মৰাৰ আগতে লগৰীয়া নাগিনী ছোৱালী কণুক আৰু জুমুকৰ আগত তাই কৈছিল যে তাই কাৰেঙলৈ উভতি গৈ কুঁৱৰী নহয়গৈ। তেতিয়া কণুকে সুধিছিল—তাইৰ জানো ৰজাৰ ল'ৰালৈ মৰম নাই? শেৱালিয়ে তেতিয়া কৈছিল যে তাইৰ মৰম আছে কাৰণেইতো তাই কুঁৱৰী হব নোখোজে। ইও এটা কথাৰ কথা। মুকলিকৈ কবলৈ হলে, তাই এই আশঙ্কা কৰিছিল যে তাইক কুঁৱৰী পাতিলে ৰাজমাও আৰু বহুতে হয়তো ৰজাক বেয়া পাব। কিজানি তেওঁক ৰজা ভাঙিব। (কাৰণ তাই লিগিৰী।) তাইৰ কাৰণেই তেতিয়া ৰজাৰ (সুন্দৰ কোঁৱৰৰ) সুখ-শান্তি নোহোৱা হব ; প্ৰজাৰো কষ্ট হব। সেয়া তাই সহিব নোৱাৰে। তাই তেনে হবলৈ কেতিয়াও দিব নোৱাৰে। কাৰণ? কাৰণ, তাই কোঁৱৰক ভাল পায়। তাই কোঁৱৰক সঁচাকৈয়ে ভাল পায় কাৰণে, তাইৰপৰা তেওঁৰ কিবা অপকাৰ হোৱা বা দুখ-বেজাৰ পোৱাটো তাই ভাবিব নোৱাৰে। সেই কাৰণে তাই মৰিল।

তাই মৰিল, কাৰণ, মৰিলেই কৌৰৱৰ আপদ দূৰ হব বুলি তাই বিবেচনা কৰিছিল। কৌৰৱৰ জীৱনৰ পথ সুগম আৰু সুন্দৰ কৰিবলৈকে তাই নিজে মৰি থাকিল। তাই নিৰ্দ্দোষী। তাইৰ বিচাৰ-বিবেচনা তাইৰ ফালৰপৰা নিভুৰ্ল। সঁচাকৈয়ে তাইৰ ভাল-পোৱা মহান!

প্ৰেমৰ আৰু এটি চিত্ৰ নাট্যকাৰে অঙ্কন কৰিছে এটা নগাল'ৰা আৰু অনঙ্গৰামৰ সংলাপৰ জৰিয়তে। (এই দৃশ্যটো শেৱালিৰ প্ৰেমৰ পৰিপূৰক হিচাপেই অঙ্কন কৰা হৈছে।) অনঙ্গৰাম তেতিয়া নগাপাহাৰত। নিৰ্ব্বাসিত। নগাল'ৰাটো বলিয়া। সি উন্মত্ত হৈ নাচি নাচি চিঞৰি-বাখৰি তাৰ 'চাৰাপেন'ক বিচাৰি ফুৰে। তাৰ বুকুৰ সোণ চাৰাপেন হেৰোৱা বহুদিন হ'ল। পোৱা নাই। অনঙ্গক দেখা পাই সি বাতৰি সুধিছে—

নগাল'ৰা—কচোন বাৰু মোৰ চাৰাপেন ক'লৈ গ'ল?

অনঙ্গ—তোৰ চাৰাপেন গছৰ কুমলীয়া পাত হ'ল, ৰঙা ফুল হ'ল, হালধীয়া চৰাই হ'ল, জুৰিৰ পানী হ'ল, ৰবযুণৰ টোপাল হ'ল।

নগাল'ৰা—(তন্ময় হৈ শুনি) আৰু কি হ'ল?

অনঙ্গ—ধুনীয়া পখিলা হ'ল, পুৱাৰ বতাহ হ'ল, বেলিৰ পোহৰ হ'ল, জোনৰ হাঁহি হ'ল, নীলা আকাশ হ'ল।"

ইয়াৰ পিচত অনঙ্গই বুজাই দিলে যে গছপাত, ফুল, পখিলা আৰু চৰাই আদি—এইবোৰক মৰম কৰিলেই তাৰ চাৰাপেনক মৰম কৰা হব। কাৰণ, এজনী চাৰাপেনৰ পৰা কিমানবোৰ যে চাৰাপেন হ'ল!

ইও এক অপূৰ্ব্ব, অবৰ্ণনীয় অনুভূতি। ইংৰাজ কবি ওৱৰ্ডচ্-ওৱৰ্থে (Wordsworth) 'লুচি' (Lucy) নামৰ এটি বিখ্যাত কবিতাত কৈছে—

No motion has she now, no force
She neither hears nor sees;

Roll'd round in earth's diurnal course
With rocks and stones and trees.

অৰ্থাৎ, তেওঁৰ অতি মৰমৰ লুচিজনী এতিয়া আৰু নাই। তাই মৰিল। লুচি এতিয়া গছ-লতা আৰু শিল-পাথৰৰ সৈতে, পৃথিৱীৰ আহ্নিক গতিৰ ফলত পৃথিৱীৰ লগে লগে ঘূৰে। ইয়াৰ ভাবাৰ্থ এয়ে যে লুচি মৰিল আৰু পৃথিৱীৰ লগত মিহলি হৈ গ'ল। লুচিৰ বেলেগ সত্তা কবিয়ে এতিয়া অনুভৱ নকৰে। লুচি বিশ্বৰ লগত এক হৈ গ'ল। বিশ্বৰ লগত অভিন্ন সত্তা হিচাপে কবিয়ে লুচিক দেখা পাইছে বা অনুভৱ কৰিছে। ই একপ্ৰকাৰ বিশ্ব-দৰ্শন। ক্ষুদ্ৰৰ বুকুত বিৰাটক দেখাৰ নমুনা এয়ে। ইয়াকে কয় —'গোষ্পদে নভোমণ্ডলম্' বা গৰুৰ খোজতে আকাশখন দেখা পোৱা। ভগবদ্গীতাত ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ দেহতে সুবিশাল বিশ্বৰ ৰূপ মহাভক্ত অৰ্জ্জুনক যোগশক্তিৰ বলেৰে দেখুৱাইছিল। ই বিশ্বাত্মবোধ। এনে অবস্থা প্ৰাপ্ত হলে মানুহৰ হীনাত্মক আপোন-পৰ ভেদাভেদ ভাব নোহোৱা হৈ পৰে। গোটেই বিশ্বতে সৌন্দৰ্য্য দেখে, আৰু সকলোকে ভাল পাবলৈ শিকে।

'কাবেঙৰ লিগিৰী'তো সেই একেটা ভাবেই প্ৰকাশ পাইছে। নগা ল'ৰাটোৰ চাৰাপেনৰ দৈহিক ৰূপৰ বিনাশ হ'ল। কিন্তু অনঙ্গই তাক যেন জ্ঞানৰ পোহৰেৰে দেখুৱাই দিব খুজিছে যে তাৰ চেনেহৰ চাৰাপেনজনী গোটেই বিশ্ব জুৰি অশৰীৰীৰূপে আছে। চাব জানিলে সি বিশ্বৰ বুকুত—বিশ্ব-সৌন্দৰ্য্যৰ মাজত তাৰ প্ৰিয়তমাক দেখিবলৈ পাব। সেইবোৰক মৰম কৰিলেই তাৰ চাৰাপেনক মৰম কৰা হব। এয়ে বিশ্বপ্ৰেমৰ ৰূপ বা বিশ্বৰূপাত্মক প্ৰেম। (কোৱা বাহুল্য যে এটা সামান্য নগাল'ৰাৰ কাৰণে এই অপূৰ্ব্ব অনুভূতি অস্বাভাৱিক। হলেও, সি তাৰ চাৰাপেনৰ প্ৰেমত উন্মাদ। আকৌ, অনঙ্গ চৰিত্ৰৰ যোগেদি ইয়াক প্ৰকাশ কৰাৰ প্ৰয়াস নাট্যকাৰৰ অনুচিত হোৱা নাই। সেয়া অনঙ্গৰামৰ অন্তৰৰ কথা।)

জ্যোতিপ্ৰসাদৰ শেৱালি-চৰিত্ৰৰ ৰূপায়ণ শুদ্ধ ভালপোৱাৰ শুভ্ৰ প্ৰকাশ। নিঃস্বাৰ্থ প্ৰেম কি, নাট্যকাৰে তাকে ইয়াত বুজাবলৈ চেষ্টা কৰিছে। শেৱালিয়ে এই জন্মত দেহধাৰী সুন্দৰক নাপালে; কিন্তু অশৰীৰী সুন্দৰক (সৌন্দৰ্য্যক) বুকুত সাৱটিবলৈ পালে। সুন্দৰে কোৱাৰ দৰে—'স্বাৰ্থৰ অগ্নিত ভালপোৱা পুৰি ভস্ম কৰি ছাইসোপা আনি' শেৱালিয়ে সুন্দৰক দিয়া নাছিল। নিঃস্বাৰ্থৰ অগণিত পুৰি নিকা কৰি নিভাঁজ সোণৰ নিচিনা পৱিত্ৰ মৰমখিনিহে তাই আঁজলি ভৰাই আনি কোঁৱৰৰ চৰণত নিবেদন কৰিছিলহি।

সোণৰ প্ৰতিমা—পদ্মিনী

(যি পদ্মিনী চিতোৰৰ ৰাণাৰ পত্নী আছিল, যাৰ অতুলনীয় ৰূপ-গুণৰ তুলনা বিৰল, বীৰস্বামীৰ স্বৰ্গগমনৰ পিচত যি জলন্ত অগ্নিত জীৱন আহুতি দি দেহ-মনৰ পবিত্ৰতা ৰক্ষা কৰিলে ; ভাৰত-বুৰঞ্জী আকাশৰ এটি উজ্জ্বল তৰা সেই পদ্মিনীৰে নিচিনা এক শ্ৰেণীৰ ৰমণী-ৰত্নৰ কথাকে ক'ব খুজিছোঁ ;—ভাৰতীয় কামশাস্ত্ৰত যি 'পদ্মিনী' নামে খ্যাত।)

নাৰীজাতিক মুঠতে চাৰিটা ভাগত ভাগ কৰা হৈছে :—পদ্মিনী, চিত্ৰিনী, শঙ্খিনী আৰু হস্তিনী। সৰ্ব্বসুলক্ষণী আৰু ৰূপৱতী তিৰোতাই পদ্মিনীজাতীয়। তাৰ পিচতে চিত্ৰিনীৰ স্থান। ৰূপ-গুণ অনুসাৰে শঙ্খিনীৰ স্থান তৃতীয় ; আৰু নিকৃষ্ট বিধেই হস্তিনী। প্ৰত্যেকৰে বেলেগ বেলেগ লক্ষণ আছে। পদ্মিনী নাৰীৰ লক্ষণ এঠাইত এই দৰে আছে—

কমলনয়নযুক্তা ক্ষুদ্ৰৰন্ধ্ৰা চ নাসা।
কৃশতনু মৃদুবাক্যা দীৰ্ঘকেশী শুভাঙ্গী॥
পৰহিত মতিযুক্তা পদ্মগন্ধা সুবেশা।
অবিৰল কুচযুগা কীৰ্ত্তিতা পদ্মিনী সা॥ ইত্যাদি।

পদ্মিনী নাৰীৰ মনোহৰ ৰূপ ; গুণ আকৰ্ষণীয়। পদুমৰ পাহিৰ নিচিনা চকু ;—কমলনয়না বা হৰিণীনয়না। লাহী শৰীৰ আৰু সৰু কঁকাল। কুলিৰ দৰে মিঠা মাত, দীঘল চুলি, পৰোপকাৰী মন, পোচাক-পৰিচ্ছদত পৰিপাটি—এইবোৰ পদ্মিনীৰ লক্ষণ। মুখত সদায় লাগি থকা এটি হাঁহি আৰু শৰীৰত পদুমৰ গন্ধ পদ্মিনীৰ সম্পদ। এইয়া পুৰণি বৰ্ণনা আৰু উপমা। আধুনিক কবিৰ ভাষাত—"তোমাৰ চকুত······সাগৰৰ এচামুচ নীলা।"

এনে চকুযুৰিত ৰূপ আৰু গুণ দুয়োটা থাকে। তিলফুলীয়া নাক, ল-নি শৰীৰ। মিঠা মাত—সককালত হাঁহৰ দৰে, গাত গামোচা লোৱা কালত কুলিৰ দৰে আৰু গাভৰু কালত চাকৈ-চকোৱাৰ দৰে বুলি কোৱা আছে। মুখ পূৰ্ণিমা জোনৰ দৰে। মূৰটো দোষহীন গঠনৰ অপেক্ষাকৃত সৰু আৰু গোলাকাৰ। চুলিবোৰ দীঘল, কিচ্‌কিচীয়া ক'লা। বিহুগীতত আছে—"ওখকৈ বান্ধিলি দীঘল চুলিটাৰি।" চুলিকোছা তিৰোতাৰ বৰ মৰমৰ। সুন্দৰ, দীঘল চুলিকোছা এটা সুলক্ষণো। পদ্মিনীৰ হাঁহিত মুকুতা সৰে, খোজত পদুম ফুলে। তেওঁ মৰালগমনা বা গজেন্দ্ৰগামিনী। আঙুলি-বিলাক সোণৰ শলাৰ দৰে। গাৰ বৰণ সুন্দৰ বগা। এনে পদ্মিনী নাৰীৰ স্পৰ্শই হেনো গৰমত শীতলতা আনে আৰু শীতকালত উষ্ণতা প্ৰদান কৰে। পদুম ফুলৰ দৰে গা গোন্ধায় কাৰণেই (বোধহয়) 'পদ্মিনী' নামাকৰণ কৰা হৈছে। পদুম ফুলৰ ৰূপ আৰু গুণৰ লগত তুলনা হয় দেখিও এই নাম দিয়া হৰ পাৰে। লক্ষ্মী-চৰিত পুথিত এনেবিধ উত্তমা নাৰীৰ বিষয়ে কৈছে—তেনে নাৰী পতিব্ৰতা আৰু সৰ্ব্বসুলক্ষণা। ৰূপ স্বভাৱতে চকুত লগা। পৰিষ্কাৰ-পৰিচ্ছন্নতা তেওঁৰ স্বাভাৱিক গুণ। মুখ সদায় প্ৰসন্ন—স্মিতহাস্য বা স্বতঃসহাস্যমুখী আৰু মধুৰভাষিণী। হাতৰ তলুৱা আৰু নখবোৰ ৰঙচুৱা। গৌৰবৰ্ণা আৰু সততে দয়ালুহৃদয়া। তেওঁৰ শৰীৰত লক্ষ্মীয়ে বিৰাজ কৰে; আৰু সেই ঘৰত অচলা লক্ষ্মীৰ (সম্পদৰ) বসতি হয়। তেনে ৰমণী সুশীলা, শুদ্ধা।

সাহিত্যৰথী বেজবৰুৱাৰ একমাত্ৰ উপন্যাস 'পদুমকুঁৱৰী'ত এনে এগৰাকী গাভৰুৰ বৰ্ণনা এইদৰে আছে—"তেওঁৰ হাঁহিত বকুল সৰে। মাতত মৌ বৰষে। ওঁঠ দুটি ডালিম ফুলৰ দৰে ৰঙা। দাঁত দুপাৰি মুকুতাৰ মালা যেন। চেলাউৰি দুডাল যেন লেখনিৰে লেখা। কপালখন মিহি আৰু বহল। তাতে দুডালমান কেকোঁৰা চুলি পৰি থাকে। চকুত নিৰ্ম্মলতা আৰু চেনেহৰ চাপ। পদুম

ফুলৰ চিনেৰে শুৱনী ভৰি। চম্পাৰ কলি যেন আঙুলি··।" ইত্যাদি।

পুৰণি অসমীয়া সাহিত্যত এনে সুলক্ষণীয়া পদ্মিনী নাৰীৰ বৰ্ণনা মাজে মাজে পোৱা যায়। ৰামায়ণত সীতাৰ, মহাভাৰতত দ্ৰৌপদী, ভানুমতী আদিৰ বৰ্ণনা এনে ধৰণৰ। মহাপুৰুষ শঙ্কৰদেৱে ৰুক্মিণী আদি ৰমণীৰ বৰ্ণনাও একে ধৰণেই দিছে। এই সকলোৱেই পদ্মিনী।

বিভিন্ন কবি-সাহিত্যিকে ভিন্ন ভিন্ন উপমা আৰু ভঙ্গিমাৰে সুন্দৰী নাৰীৰ ৰূপ-গুণৰ বৰ্ণনা দিয়ে। কোনোৱে হয়তো ইঙ্গিতেৰেও বুজাবলৈ চেষ্টা কৰে। বঙ্গদেশৰ ঔপন্যাসিক শৰৎচন্দ্ৰই 'বিৰাজ-বৌ'ত নায়িকা বিৰাজৰ ৰূপৰ বৰ্ণনা দীঘলীয়াকৈ দিয়া নাই। এঠাইত লিখিছে—"বিৰাজ দেখাত বৰ শুৱনী।" ইমানেই। আন এঠাইত এগৰাকী তিৰোতাৰ মুখেদি কোৱাইছে—"সঁচাকৈয়ে আপোনাৰ নিচিনা ৰূপ মই মানুহৰ দেখা নাই; ইমান ৰূপ ৰজাঘৰতো নোলাব।" চমু কথাৰে লিখকে নায়িকাৰ অনিন্দ্যৰূপৰ প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে। ই ৰচনাৰ এক ভঙ্গী বা কৌশল। ইয়াত কৃতিত্ব আছে।

স্বনামধন্য বঙ্কিমচন্দ্ৰৰ 'দেৱী চৌধুৰাণী' উপন্যাসত নায়িকা প্ৰফুল্লমুখীৰ দেহ-সৌন্দৰ্য্যৰ বৰ্ণনাও এই ধৰণৰ। তেওঁ পদ্মিনী-জাতীয়। এঠাইত আছে—"তেতিয়া সাক্ষাৎ ভগৱতীৰ নিচিনা ৰূপৱতী আৰু তেজস্বিনী এগৰাকী তিৰোতা ঘৰৰ ভিতৰত প্ৰৱেশ কৰিলে।" আন এঠাইত আছে—"বিছনাত এজনী তিৰোতা শুই আছে। মুখৰ ওপৰত এখন মিহি ফুলতোলা কমাল দিয়া আছে। মুখ ভালকৈ দেখা নাযায়; কিন্তু মুখৰ বৰণ তপ্ত কাঞ্চন-সদৃশ গৌৰাভ। কুঞ্চিত কৃষ্ণ কেশ আৰু কাণৰ অলঙ্কাৰ কাপোৰৰ ভিতৰেদি দেখা গৈছে। তাতকৈ বিস্তৃত চকু দুটিৰ তীব্ৰ কটাক্ষ আৰু বেচি উজ্জ্বল হৈছে।" আন এঠাইত—"সোণৰ প্ৰতিমা"—

এই দুটা মাথোন শব্দেৰে নায়িকাগৰাকীৰ মনোৰম· সৌন্দৰ্য্যৰ ধাৰণা দিবলৈ যত্ন কৰিছে।

কৃতী লিখকে বিশেষ গুণ বা স্বভাৱ আদিৰ বৰ্ণনাৰেও নায়ক-নায়িকাৰ ৰূপ-লাৱণ্যৰ আভাস দিব খোজে। পুৰণি গ্ৰীক সাহিত্যৰ নাৰ্চিচাচ ইমান ধুনীয়া আছিল যে তেওঁ এদিন নিজৰ ছাঁটোকে. পানীত দেখি প্ৰেমত পৰিল আৰু উন্মাদ হৈ গ'ল। নাৰ্চিচাচৰ ৰূপ কিমান মনোহৰ, তাক সৰহ কথাৰে বা দীঘলীয়া বৰ্ণনাৰে বুজাবৰ আৱশ্যক নাই। উল্লিখিত বঙ্কিমচন্দ্ৰৰে ৰচনাৰ এঠাইত আছে—"আয়েষা পৰমাসুন্দৰী ; কিন্তু কিমান সুন্দৰী, দুই এক কথাৰে ব্যক্ত কৰা দুঃসাধ্য।······আয়েষাৰ ৰূপ সূৰ্য্যৰ কিৰণত নতুনকৈ ফুলা পদুমৰ দৰে······কোমল অথচ প্ৰোজ্জ্বল। কাৰোবাৰ ৰূপে ঘৰ পোহৰ কৰে। আয়েষাৰ ৰূপেও ঘৰ পোহৰ কৰে ; কিন্তু সেই পোহৰ পূৰ্ব্বাহ্নৰ সূৰ্য্যৰ পোহৰৰ দৰে প্ৰদীপ্ত, প্ৰভাময় ; অথচ যিহত পৰে সেয়েই হাঁহি উঠে।"* ইত্যাদি।

এনেকুৱা ৰূপ-গুণৰ বৰ্ণনাৰ পৰা সহজে অনুমিত হয় যে পদ্মিনী নাৰী অতি ৰূপৱতী আৰু গুণৱতী। তেওঁলোক নাৰীশ্ৰেষ্ঠা। অমৰ নাট্যকাৰ চেক্স্‌পীয়েৰৰ নাটকৰ নায়িকা জুলিয়েট, ডেচডিমোনা, অফেলিয়া আৰু মিৰাণ্ডা আদিও উত্তমা নাৰী-চৰিত্ৰৰ আদৰ্শ-চিত্ৰ। মহামতি চেক্সপীয়েৰে নাৰী-চৰিত্ৰৰ বাহিৰ-ভিতৰ ফট্‌ফটিয়াকৈ দেখিব পাৰিছিল, আৰু অতীব মনোহৰকৈ চিত্ৰিত কৰিছিল।

আহোম স্বৰ্গদেউ শিৱসিংহৰ ৰাণী ফুলেশ্বৰীও সৌন্দৰ্য্যেশ্বৰীয়েই আছিল। নৃত্যৰতা ফুলমতীক পোনতে ৰজাই দেখা পোৱাৰ বৰ্ণনা ৺দণ্ডিনাথ কলিতাদেৱৰ ভাষাত—"নাচনী ফুলমতী। ফুলমতী সুন্দৰী। গোটেই দেহত সৌন্দৰ্য্য ফুটি উঠিছে। মুখৰ গঢ়, চকুৰ চাৱনি, ওঁঠৰ হাঁহি, খোজৰ ভঙ্গী—সকলোতে সৌন্দৰ্য্যৰ সমাবেশ। কি মধুৰ তেওঁৰ কণ্ঠস্বৰ! কি বিতোপন তেওঁৰ গ্ৰীৱাভঙ্গী!

* প্ৰকাশিত অসমীয়া অনুবাদৰ পৰা।

বিক্ষিপ্ত কুন্তলৰ কি মনোহৰ তৰঙ্গ…!" —এনে ৰূপেৰেই নাচনী ফুলমতীয়ে স্বৰ্গদেৱক তন্ময় আৰু উন্মাদ প্ৰায় কৰি তুলিছিল। সেয়া ৰূপৰ মোহ। সেয়া এক স্বকীয়া অধ্যায়।

পদ্মিনী নামে-কামে পদ্মিনী। যাৰ জীৱন-সৰোবৰত এই পাহ পদুম ফুলিছে—এই ৰমনী কুলতিলকৰ সুখময় সঙ্গ লাভ কৰিছে, তেওঁ ধন্য হৈছে। সুন্দৰৰ প্ৰকৃত সাধকে এই ৰূপৰ পূজা কৰিব জানে। এই ৰূপ, এই সৌন্দৰ্য্য বিশ্বজোৰা সৌন্দৰ্য্যৰ ফিৰিঙতি মাথোন। ই কামাগ্নিৰ প্ৰতিষেধক মাথোন নহয়; মন আৰু আত্মাক উজলাই তুলিব পৰা পবিত্ৰ জ্যোতি—অনন্ত অপৰূপ ৰূপ-সৌন্দৰ্য্যৰ ৰূপময় প্ৰকাশ। নাৰীৰ সৌন্দৰ্য্য বিধাতাৰ দান। ই কামুকৰ লোলুপ দৃষ্টিৰ বহু উৰ্দ্ধত। এনে মহিমাময় ৰূপ-গুণৰ সমাবেশ পৰমেশ্বৰৰ বিভূতি (অৰ্থাৎ ঐশ্বৰিক প্ৰকাশ) বুলি ভগৱান শ্ৰীকৃষ্ণই ভক্ত অৰ্জ্জুনৰ আগত গীতাশাস্ত্ৰৰ যোগেদি কৈ গৈছে। চাব জানিলে এই মানৱীয় ৰূপৰ স্মাজেদি—তেজমঙহেৰে গঢ়া শাৰীৰিক সৌন্দৰ্য্যৰ মাজেদি আমি চিৰ-সুন্দৰক দৰ্শন কৰিব পাৰোঁ।*

আজিৰ যুগৰ বাস্তৱমুখী সাহিত্যই দেৱী বা ৰাজকন্যা বা কোনো এক সদাগৰৰ সুন্দৰী জীয়াৰীজনীকে লৈ ব্যস্ত থাকিব নোখোজে। আজিৰ সাহিত্যৰ নায়ক-নায়িকা আমাৰ সমাজৰে, আমাৰ মাজৰে যেই কোনো পুৰুষ বা নাৰী। এইয়া জানিবা সাহিত্যত 'গণতন্ত্ৰ'। সেইকাৰণে এইবোৰ ৰচনাত উত্তমা পদ্মিনী নাৰীৰ ৰূপ-গুণৰ সৰহ বৰ্ণনা পাবলৈ টান।

সামৰণিত কব খোজোঁ, যে পদ্মিনী নাৰীৰ গাত অনুপম ৰূপ আৰু অসামান্য গুণাৱলীৰ একত্ৰ সমাবেশ হয় কাৰণেই তেওঁলোক আমাৰ শ্ৰদ্ধাৰ পাত্ৰী, আৰু নাৰী জাতিৰো আদৰ্শস্বৰূপা। পদ্মিনী নাৰীৰ ৰূপ-সৌন্দৰ্য্য যেই সেই তিৰোতাই পাব নোৱাৰে সঁচা, কিন্তু

* গীতা—দশম অধ্যায়, ৪১ শ্লোক।

তেওঁলোকৰ গুণসমূহ অৰ্জ্জন কৰিবলৈ যথাসাধ্য চেষ্টা কৰিব সকলোৱে নিশ্চয় পাৰে। সেইবোৰ মহৎ গুণৰ অধিকাৰিণী হৈ নাৰী নিজেও সুখী হব পাৰে আৰু আনকো সুখী কৰিব পাৰে। এই চেষ্টা সকলো মানুহৰ পক্ষেই মঙ্গলজনক।

পদ্মিনী নাৰীৰ ৰূপ-গুণৰ আলোচনাৰ পৰা নাৰী সমাজৰ উন্নতি আশা কৰিব পাৰি। তাৰ ফলত সমস্ত মানৱ-সমাজৰে হিত সাধন হব।

'পৰিণীতা'ৰ ললিতা

কলিকতা চহৰৰ এটা সাধাৰণ পৰিয়াল। গৃহস্থ গুৰুচৰণ। অলপীয়া উপাৰ্জ্জন। তাতে আকৌ সকতে দেউতাক মৰা ভাগিনীয়েক এজনীকো পুহিব লগীয়া হৈছে। তাইৰ নাম ললিতা। ললিতাই আমাৰ কাহিনীৰ নায়িকা। ললিতা ধুনীয়া। ললিতা সুলক্ষণীয়া। ৰূপত ৰাণী আৰু গুণত গোঁসানীৰ দৰে।

ওচৰতে আৰু এটি অৱস্থাপন্ন পৰিয়ালৰ ডেকা শেখৰ। তেওঁ নবীনৰায়ৰ পুতেক। শেখৰ শিক্ষিত আৰু দেখনিয়াৰ। ঈশ্বৰে তেওঁক ৰূপ, স্বাস্থ্য, বিদ্যা আৰু ধন সকলো দিছে। শেখৰে ললিতাক বৰ মৰম কৰিছিল। সৰুৰেপৰা ললিতাই শেখৰলৈ ভয়-ভক্তি ৰাখিছিল আৰু সততে হাকে-হুকুমে চলিছিল। তাই সকলো বিষয়তে বিশ্বাসী আৰু বাধ্য। ব্যৱহাৰ আৰু মাত কথা তাইৰ অতিশয় মৰমলগা।

ললিতাৰ বয়স তেৰ বছৰ। তেনে সময়তে চুবুৰীয়া মনোৰমাৰ মোমায়েকৰ পুতেক গিৰীণ তাতে থাকি বি, এ, পঢ়িবলৈ আহিছিল। গিৰীণ ললিতাৰ ৰূপ-গুণত বিমুগ্ধ হ'ল। তেওঁ ললিতাক মনে মনে ভাল পাই পেলালে। তেওঁ ধনী মানুহৰ ল'ৰা; বহুত সম্পত্তিৰ নিজেই মালিক। তেওঁ ললিতাহঁতক বহুত টকা-পইচা দি সহায় কৰিলে। সেই ধনেৰে গুৰুচৰণে মাটি-ভেটি বন্ধকৰ পৰা মুকলি কৰিলে।

এনে সময়তে শেখৰ মাকৰ লৈ পশ্চিমৰ কাশীৰফালে যাবলৈ ওলাল। তেওঁ গিৰীণৰ মনোভাৱ বুজিব পাৰিছিল; কিন্তু ললিতা যে তেওঁৰেই, সেইটো সিদ্ধান্ত কৰি পেলাইছিল। গতিকে বিদেশলৈ যোৱাৰ আগতে এই কথা স্পষ্টভাৱে তাইক জনাই যোৱাৰ

আৱশ্যকতা অনুভৱ কৰিছিল। সুবিধাও পালে ভনীয়েক আন্নাকালীয়ে পুতলা-বিয়াৰ কাৰণে গোঁথা মালা এধাৰকে লৈ শেখৰে তাইক পিন্ধাই দিলে। ললিতাই ভৰিত পৰি সেৱা জনালে। ললিতা পৰিণীতা হ'ল।······

শেখৰ বিদেশত থাকোঁতেই গুৰুচৰণে দুৰৱস্থাত পৰি বাধ্য হৈ ব্ৰাহ্মধৰ্ম্ম গ্ৰহণ কৰিলে। ফলত, শেখৰহঁতৰ লগত সম্পূৰ্ণ বিচ্ছেদ ঘটিল। শেখৰৰ দেউতাকে তালৈ অহা-যোৱা পৰ্য্যন্ত বন্ধ কৰি দিলে। শেখৰে উভতি আহি এই অভাৱনীয় পৰিবৰ্ত্তন দেখি বিচূৰ্ত্তি খালে। তেওঁ ইয়াৰ কাৰণে সাজু নাছিল। তেওঁৰ চিন্তাধাৰা হঠাৎ সলনি হৈ গ'ল। ব্ৰাহ্মধৰ্ম্ম গ্ৰহণকাৰী গুৰুচৰণৰ ভাগিনীয়েক ললিতাক পত্নীৰূপে পোৱাটো তেওঁৰ কাৰণে অসম্ভৱ যেন বোধ হ'ল। এই দুৰ্লঙ্ঘ্য প্ৰাচীৰ অতিক্ৰম কৰিবলৈ তেওঁৰ শক্তি নাই। ললিতাক বাদ দিয়েই জীৱনৰ পথত আগবাঢ়ি যাবলৈ তেওঁ সঙ্কল্প কৰিলে। মাক-দেউতাকৰ মতৰ বিৰুদ্ধে প্ৰেমৰ অভিযান চলাবলৈ তেওঁ সমূলি ইচ্ছা নকৰিলে। গতিকে শেখৰৰ আগেয়ে চিন্তা আছিল—কিজানি পিচত ললিতাক পোৱা নহয়। এতিয়া চিন্তা হ'ল—কিজানি (পৰিণীতা) ললিতাক পিচত এৰিব পৰা নহয়।

সহজ বুদ্ধি-বৃত্তি-সম্পন্না ললিতাই সকলো কথা বুজিব পাৰিলে। শেখৰৰ অৱহেলা অনুভৱ কৰিও তাই বিতত-বিচূৰ্ত্তি হৈ নপৰিল। তাই ভাগ্যকে ধিয়াই দিন কটাবলৈ ধৰিলে। ইতিমধ্যে গিৰীণৰ লগত তাইৰ বিয়া হোৱাৰ কথা এটাও ঘুন্নুক্-ঘানাকৈ শুনা গৈছিল। কিন্তু নহল। কাৰণটোও জনাজাত নহল।

ইয়াৰ অলপদিনৰ পিচতে গুৰুচৰণৰ কিবা এক দুৰাৰোগ্য ব্যাধিৰ চিকিৎসাৰ কাৰণে গোটেইটো পৰিয়াল মুঙ্গেৰলৈ গুচি গ'ল। টকা-পইচা বোধহয় গিৰীণৰে। যোৱাৰ আগতে ললিতা আহিল। দূৰৈপৰা শেখৰক সেৱা এটি জনাই বিদায় ললে।

শেখৰ নিৰ্ব্বাক-নিৰ্ব্বিকাৰ হৈ ৰ'ল। ক'বলৈ যেন বিশেষ একোৱেই নাই।

মুঙ্গেৰত কিছুদিনৰ পিচতে গুৰুচৰণ ঢুকাল। তাত ললিতাহঁত তিনিবছৰমান থাকিল। ইয়াৰ ভিতৰত সিহঁতৰ কোনো খবৰ শেখৰে লোৱাও নাই, পোৱাও নাই। হঠাৎ এদিন গোটেইটো পৰিয়াল কলিকতা পালেহি। তেওঁলোক আহিছিল ইয়াৰ মাটি-বাৰী, ঘৰ-দুৱাৰ আদি বিক্ৰীৰ ব্যৱস্থা কৰিবলৈ। তেওঁলোক আকৌ উভতি গৈ মুঙ্গেৰত জোঁৱায়েক গিৰীণৰ লগতে থাকিবগৈ।

দুদিনমানৰ পিচতে এদিন সন্ধিয়া ললিতাই শেখৰক অকলে লগ ধৰি কিবা এটা ক'ব খুজিছিল; কিন্তু শেখৰ অৱজ্ঞাৰে আঁতৰি গ'ল। তাই এটা হুমুনিয়াহ কাঢ়িলে।

পিচদিনা গিৰীণবাবু শেখৰৰ ওচৰলৈ আহিল। তেওঁ শেখৰক জনালে যে তেওঁৰ শাহুয়েকৰ (অৰ্থাৎ গুৰুচৰণৰ বিধৱা পৈণীয়েকৰ) ঘৰ আৰু মাটিখিনি বিক্ৰী কৰিবৰ কাৰণে সোনকালে এটি ভাল বন্দোবস্ত কৰি দিব লাগে। কথা-বতৰাৰ মাজতে শেখৰে সুধি জানিব পাৰিলে যে গিৰীণৰ লগত ললিতাৰ বিয়া হোৱা নাই; আন্নাকালীৰ লগতহে হৈছে। কাৰণ, মৰিবৰ সময়ত গুৰুচৰণে এই আশা কৰিছিল—তেওঁ (গিৰীণে) যেন তেওঁৰ পৰিয়ালৰ এগৰাকীৰ পাণি গ্ৰহণ কৰে। গিৰিণে আৰু ক'লে যে ললিতাৰ লগত বিয়া হোৱাৰ কথা ওলাইছিল; কিন্তু নহল। কাৰণ, ললিতাক বিয়াৰ কথা কোৱাত তেওঁ কলে যে ইতিপূৰ্ব্বে তেওঁৰ (ললিতাৰ) বিয়া হৈ গৈছে, আৰু স্বামী জীৱিত আছে। আনে বিশ্বাস নকৰিলেও গিৰীণে এই কথা দৃঢ়ভাৱে বিশ্বাস কৰে। "মাইকী মানুহৰ এবাৰতকৈ জানো অধিক বিয়া হব পাৰে?"

কথা শুনি শেখৰৰ দুই চকু চকুলোৰে ভৰি পৰিল। তেওঁ গিৰীণৰ উপস্থিতিও পাহৰি গ'ল। চকুলো জৰ্‌জৰকৈ পৰিবলৈ ধৰিলে। (এয়ে প্ৰকৃত প্ৰেমৰ চকুলো; পাঠকে বোধহয় অনুমান কৰিব পাৰিছে।)

গিৰীণেও এনে সন্দেহ আগতেই কৰিছিল। ললিতাৰ স্বামী কোন, তেওঁ আজি বুজি পালে। গিৰীণ গুচি আহিল।

শেখৰে যে গিৰীণক মনে মনে বিদ্বেষ আৰু ঘৃণাৰ চকুৰে চাইছিল, সেই মানুহজনৰ ত্যাগৰ মনোভাৱ, সততাত আস্থা আৰু চৰিত্ৰৰ মহত্ব অনুভৱ কৰি বিস্ময় আৰু শ্ৰদ্ধাত বুৰ গ'ল।

ইয়াৰ পিচত শেখৰে মাকক জনালে যে তেওঁৰ কাৰণে অইন ঠাইত ছোৱালী বিচাৰিব নালাগে; ললিতাকে কইনাৰ সাজত সজালেই হব।

যথা সময়ত শুভকাৰ্য্য সুসম্পন্ন হৈ গ'ল।

বঙ্গীয় কথাশিল্পী স্বনামধন্য শৰৎচন্দ্ৰৰ চমু অথচ সৰস উপন্যাস 'পৰিণীতা'ৰ চমু কাহিনী ইমানেই। এই জনপ্ৰিয় সাহিত্য কীৰ্ত্তিৰ ভিতৰেদি পৱিত্ৰ প্ৰেমৰ, ত্যাগৰ মহিমাৰ যি ফল্গুধাৰা নিচিগাধাৰে বৈ আছে, তাৰে চমু আলোচনাই এই প্ৰবন্ধৰ উদ্দেশ্য।

শেখৰে ললিতাক আৰু ললিতাই শেখৰক ভাল পাইছিল। এই ভাল পোৱা সহজভাৱে উদ্ভৱ হৈছিল, আৰু বৃদ্ধি পাইছিল। সৰুৰেপৰা ললিতাই শেখৰক মানি চলিছিল; যদিও তেওঁৰ (শেখৰৰ) কোনো কৰ্তৃত্ব বা অভিভাৱকত্ব নাছিল। "প্ৰত্যেক জীৱৰে যি স্বাভাৱিক সহজ বুদ্ধি আছে, সিয়েই তাইক এই কথা শিকাইছিল।" প্ৰেম বোলা বস্তুটিৰ এইদৰেই উৎপত্তি হয়। ই প্ৰেমৰ লক্ষণেই। এজনে আনজনক কিয় ভাল পায় বা শ্ৰদ্ধা-ভক্তি কৰে, তাৰ কাৰণ বাহিৰত বিচাৰি পোৱা নাযায়। গছত ডাল-পাত অহাদি বা বসন্তকালত কুলি অহাদি ভাল পোৱা ভাৱ আপোনা আপুনি আহে আৰু অন্তৰত বাহ লয়।

সৰুৰেপৰা শেখৰে ললিতাক ভনীৰ দৰে মৰম-চেনেহ কৰিছিল। এই কথা সকলোৰে চকুত পৰিছিল। কালৰ গতিত সেই চেনেহ ৰূপান্তৰিত হৈ স্ত্ৰী-পুৰুষৰ 'প্ৰেম'ত পৰিণত হ'ল।

শেখৰে বেয়া পোৱা কাম তাই নকৰিছিল। তাই অন্তৰেৰে

ভাল পাইছিল কাৰণেই শেখৰলৈ ভয়ো কৰিছিল। এই ভয় ভক্তি-মিশ্ৰিত—ভক্তিৰ পৰিচায়ক। গিৰীণইঁতৰ লগত ছুপৰীয়া তাচ খেলাটো শেখৰে পচন্দ নকৰা বুলি ভাবি তাই তাচ খেলিবলৈ এৰি পেলালে। আকৌ, শেখৰে ভাল নাপায় কাৰণে, তাই চাহ খোৱাৰ অভ্যাসো এৰি পেলাইছিল। এই সাধাৰণ কথাবোৰে দেখুৱায় যে তাইৰ প্ৰেমৰ গভীৰ তলিত আত্মত্যাগৰ মণি-মুকুতা-বোৰ লোকচক্ষুৰ অন্তৰালত জিলিকি আছিল।

ইয়াৰ মাজতে তাইৰ জীৱনৰ কাষলৈ আহিছিল গিৰীণ। গিৰীণে তাইৰ মনৰ কাষ চাপিবলৈ চেষ্টা কৰিছিল। বাস্তৱিকে তাইক ভাল পাইছিল। ভাল পোৱাই সহানুভূতিৰ উদ্ৰেক কৰে। সেইকাৰণেই তেওঁ বহুখিনি টকা ধাৰে দি গুৰুচৰণৰ আৰ্থিক দুৰৱস্থা দূৰ কৰিবলৈ যত্ন কৰিছিল।

গিৰীণৰ মনৰ ভাব বুজিব পাৰি (অৰ্থাৎ ললিতাক ভালপোৱাৰ কথা ভাবি) শেখৰৰ মুখ শুকাই গ'ল—হৃদয় সঙ্কুচিত হৈ পৰিল। ললিতাৰ অবিহনে তেওঁৰ জীৱন মৰুভূমিৰ নিচিনা শুকান হৈ যাব বুলি তেওঁ অনুমান কৰিলে। সেইকাৰণেই কাশীলৈ যোৱাৰ আগতে এক মাঙ্গলিক মুহূৰ্ত্তত মালাধাৰ পিন্ধাই দি ধৰ্ম্মপত্নীৰূপে গ্ৰহণ কৰিলে।

হাজাৰ হওক, ললিতা তেতিয়া সৰু ছোৱালী। তাইৰ শৰীৰ ৰোমাঞ্চিত হৈ উঠিল। সংসাৰৰ জটিলতা ভেদ কৰা তাইৰ কাৰণে কঠিন। তাই কিছু বিতত হৈ পৰিছিল। কিন্তু ঈশ্বৰে যি কৰে, ভালেই কৰে। ললিতাই হৃদয়ৰ সোণৰ সিংহাসনত শেখৰক বহুৱাই শ্ৰদ্ধা-ভক্তিৰ ফুল-পাতেৰে ইমানদিনে সঙ্গোপনে পূজাৰ অৰ্ঘ্য নিবেদন কৰি আহিছিল। এতিয়া জানিবা সমস্ত দেহ, জীৱন আৰু যৌৱনেৰে উপচাৰ সজাই সাক্ষাতে (স্বামীৰূপে) পূজা নিবেদন কৰাৰ সৌভাগ্য-দুৱাৰ মুকলি হ'ল।

হঠাৎ কালচক্ৰ আৰু ঘটনাচক্ৰৰ গতি আনফালে ঘূৰি গ'ল।

শেখৰ আৰু যাক বিদেশত থাকোতেই গুৰুচৰণে ব্ৰাহ্মধৰ্ম্ম গ্ৰহণ কৰিলে। এতিয়া শেখৰ হিন্দু আৰু ললিতা ব্ৰাহ্ম। শেখৰৰ মাক-দেউতাকৰ কাৰণে এইটো অতি সাংঘাতিক কথা। সেয়ে হৈ পৰিল শেখৰৰ কাৰণে হিমালয় গিৰিসদৃশ এটা দুৰ্লঙ্ঘ্য বাধা; যাক অতিক্ৰম কৰি শেখৰে ললিতাক বিয়া কৰাব নোৱাৰে; আনকি এবাৰ দেখিব বা লগ পাবও নোৱাৰে। তেওঁৰ মূৰ ঘূৰি গ'ল। ললিতাক পোৱাৰ আশা এৰি, মাক-দেউতাক আৰু সমাজৰ বাধাকে—ভয়টোকে সাৰটি ধৰি বহি থাকিল। সকলো দোষ যেন ললিতাৰে। তাকে ভাবি "নিজে হিংসা-ক্ৰোধ-অভিমান আৰু অপমানত জৰ্জ্জৰিত হৈ উঠিছিল। বোধহয় সংসাৰত সকলো পুৰুষে এনেকৈয়ে বিচাৰ কৰে, আৰু এনেকৈয়ে দগ্ধ হয়।"

ললিতাই বুজি পালে যে তাইৰ মিলন-আশাৰ মালতী-কলিটি প্ৰখৰ ৰ'দত লেৰেলি যাবলৈ ধৰিছে। গতিকে গিৰীনহঁতৰ লগত মুঙ্গেৰলৈ গুচি গ'ল। শেখৰে ভয় কৰিছিল, কিজানি তাই সকলো কথা মানুহৰ আগত প্ৰকাশ কৰি দিয়ে। কিন্তু ললিতা তেনেবিধৰ ছোৱালী নহয়। তাই শেখৰক অকণো দোষ বা মনোকষ্ট নিদিয়ে। তাই বুজে—তাইৰ প্ৰতি তেওঁৰ এই অনাদৰ-অৱহেলাৰ কাৰণে তাইৰ ভাগ্যইহে জগৰীয়া। শেখৰৰ এই বিভ্ৰান্তি তাইৰ চকুত দোষ বুলি পৰিগণিত নহল। মহাকবি কালিদাসৰ অমৰ নায়িকা শকুন্তলাইও এদিন এই দৰেই ভাবিবলৈ শিকিছিল। ৰজা দুষ্যন্তৰ দ্বাৰা লাঞ্ছিতা আৰু প্ৰত্যাখ্যাতা হৈও শেষত তেওঁ নিজৰ ভাগ্যকেহে দুষিছিল। ললিতাই সুখ-সন্তোষ, ভোগ-বিলাস, আশা ভৰসা—সকলো জলাঞ্জলি দি, মুখেৰে এটিও দুখৰ কথা উচ্চাৰণ নকৰাকৈ দূৰৈৰেপৰা এটি সেৱা জনাই শেখৰৰ ওচৰত বিদায় ললে। হয়তো চিৰদিনলৈ। তাইৰ জীৱন মাটি হৈ গ'ল; যৌৱন পুৰি ছাই হৈ যাবৰ উপক্ৰম হ'ল; সম্ভোগৰ তৃষ্ণা-নদীৰ তলি শুকাই গ'ল; শেখৰ-স্বামীক সেৱা-শুশ্ৰূষা কৰাৰ আশা ঢুকাই গ'ল। অথচ

শেখৰক বেয়া নুবুলিলে; তুআষাৰ কথাৰে তেওঁৰ মুখৰ 'জবাব' নিবিচাৰিলে; প্ৰেমৰ কোনো প্ৰতিদানৰ আশা নকৰিলে। দুখ-যাতনাকে সযতনে সামৰি লৈ, স্বামীৰ বৰ্ত্তমানতো স্বামীহীনা তিৰোতাৰ দৰে জীৱন যাপন কৰাকে কৰ্ত্তব্য বুলি স্থিৰ কৰিলে। স্বামীৰ চৰণ সেৱা কৰিবলৈ নাপাই তাই অন্তৰত নিশ্চয় বেদনা অনুভৱ কৰিছিল। তাই এইটোও বুজিছিল যে তাইক অৱহেলা কৰি, বা জীৱনৰপৰা আঁতৰাই থৈ শেখৰেও মনত শান্তি নাপায়। তেওঁৰ সেই দুখ-চিন্তাৰ লগত তাই নিজৰ মনোবেদনাৰ তুলনা কৰি তাই বেচিকৈহে দগ্ধ হৈছিল। শেখৰৰ দুখ-বেদনাহে অধিক বুলি তাই অনুভৱ কৰিছিল। তাই শেখৰক দুখ দিব নোখোজে—শেখৰৰ মনোকষ্ট বঢ়াই তুলিব নোখোজে। শেখৰ নিজৰ ইচ্ছামতে চলক; তেওঁ যি কৰিলে ভালপায়, তাকে কৰক—সেয়ে ললিতাৰ মনোভাব। ইয়াতেই পৰিণীতা ললিতাৰ প্ৰেমৰ গভীৰতা আৰু আত্মত্যাগৰ আদৰ্শ-মহিমা বিকশিত হৈ উঠিছে। মানৱ হৃদয়ৰ সাধাৰণ ভালপোৱা যেতিয়া উন্নত, মাৰ্জ্জিত সংস্কৃত আৰু শোধিত হৈ উচ্চতৰ অৱস্থা পায়, তেতিয়াই এনে ত্যাগৰ লক্ষণ প্ৰকাশ পায়। তেতিয়া প্ৰেমিকে প্ৰেমাস্পদৰ সুখ-সন্তোষ মাথোন কামনা কৰে; নিজৰ সন্তোষ বা স্বাৰ্থলৈ সমূলি চকু নিদিয়ে। এনে উদাহৰণ জগতত অতি বিৰল। এনে আত্মত্যাগৰ, আভাদীপ্ত প্ৰেমৰ চিত্ৰ সাহিত্যতো কমেই পোৱা যায়। ললিতাৰ প্ৰেম নিঃস্বাৰ্থ আৰু যথাৰ্থ। এনেকুৱা প্ৰেমৰ পূত-পৱিত্ৰ আদৰ্শই মানৱ-মনক মহীয়ান কৰি তোলে।

প্ৰেম আৰু ত্যাগৰ মহীয়সী শক্তিয়ে শেখৰৰ মনৰ নীচতা, ক্ষুদ্ৰতা, অভিমান, অবিচাৰ সকলোবোৰ উটুৱাই লৈ গ'ল। প্ৰেমাশ্ৰুয়ে ধুই নিকা কৰি দিয়া মনৰ ফলকত আগতে ঢাক খাই থকা ললিতাৰ অপৰূপ ৰূপ-সৌন্দৰ্য্যৰ প্ৰকৃত ৰূপচিত্ৰখনিৰ দিব্যৰূপ জিলিকি উঠিল। শেখৰে দেখিলে যে ললিতা অকল বাহিৰতে

ধুনীয়া নহয়; সেই বাহ্যিক ৰূপৰ অন্তৰালত আৰু এক সৌন্দৰ্য্য-প্ৰভা প্ৰতিভাত হৈ আছে। সেয়া কামজ প্ৰেমৰ অসাৰ চিক্‌মিকনি মাথোন নহয়। সি হৃদয়ভৰা, জীৱনজোৰা অকৃত্ৰিম প্ৰেম। তাৰ জ্যোতি স্থিৰ বিজুলীৰ দৰে দিব্য প্ৰভাময়। সেই প্ৰেমে ললিতাৰ জীৱন সৌন্দৰ্য্যমণ্ডিত কৰি তুলিছে। তাৰেই পোহৰত শেখৰৰ জীৱন আৰু মনৰ অন্ধকাৰ আঁতৰি জল্‌মলাই উঠিছে। ধন্য ললিতা!

ললিতাৰ প্ৰেম সাৰ্থক। তাইৰ প্ৰেমৰ প্ৰতিফলিত ৰশ্মিয়ে শেখৰৰ হৃদয় পোহৰাই তুলিলে। দুয়োৰে মিলনৰ পথ সুগম হৈ উঠিল। যেতিয়া ললিতাই শেখৰৰ সঙ্গ-সুখৰ আশা এৰি, চিৰকাল সন্ন্যাসিনীৰ দৰে অকলে থাকিব পৰা মানসিক অৱস্থা এটাৰ সৃষ্টি কৰিলে, তেতিয়াই শেখৰে ললিতাক আঁতৰি থাকিবলৈ দিব নোৱাৰা অৱস্থা এটাৰো লাহে লাহে বাহিৰত সৃষ্টি হবলৈ ধৰিলে। বাহিৰত আন্ধাৰ যেন লাগিলেও ভিতৰত পোহৰ।

প্ৰেম আৰু ভক্তি

মানুহে পুত্ৰ-পত্নী, মন-প্ৰাণ, ধন-ধান, ভাই-বন্ধু আদিক প্ৰিয় বুলি ভাবে। এয়ে ভালপোৱা। এই ভালপোৱাই মানুহৰ মন আৰু জীৱন জুৰি আছে। ইয়াক বাদ দি জীৱনক চাব নোৱাৰি। মানুহে আটাইতকৈ বেচি ভাল পায় নিজক। তাৰ বাহিৰেও, নিজৰ লগত ঘনিষ্ঠতা থকা বা নিজৰ বুলি ভবা মানুহ বা বস্তুকো কম-বেচি পৰিমাণে ভাল পায়। এই ভাল পোৱাকে লৈ জীৱনৰ পাতনি, জীৱনৰ জোৰণি আৰু জীৱনৰ সামৰণি।

ভালপোৱা ভাবৰ এক উন্নত অৱস্থাই প্ৰেম। তুমি তোমাৰ ঘৰখনক ভালপোৱা, নাইবা মূৰৰ চুলিখিনিকো ভালপোৱা। সেয়া প্ৰেম নহয়। এজনে আন এজনক কিবা কাৰণত ভাল পালেই তাক প্ৰেম নোবোলে। সি সাধাৰণ ভালপোৱা প্ৰবৃত্তিৰ বিকাশ মাথোন। ভালপোৱা ভাবৰ পৰিশুদ্ধ আৰু উচ্চতৰ বিশেষ অৱস্থা এটাহে প্ৰেম। প্ৰেমত ভাবৰ গভীৰতা, হৃদয়ৰ বিশালতা, মনৰ পৱিত্ৰতা, চিত্তৰ উদাৰতা, প্ৰাণৰ প্ৰফুল্লতা আৰু 'অহং' ভাবৰ বিলীনতা বিকশিত হৈ উঠে। গাখীৰ মথি মাখন তৈয়াৰ কৰাৰ দৰে, সাধাৰণ প্ৰেমভাবক পৰিশোধিত আৰু উন্নীত কৰি তুলিলে 'প্ৰেম' নামৰ যোগ্য হয়। ভালপোৱা জানিবা কেঁচা মঙহ, আৰু 'প্ৰেম' জানিবা ৰান্ধি-বাঢ়ি তৈয়াৰ কৰা সুস্বাদু মাংসৰ আঞ্জা। ভালপোৱা কেঁচা লোহা, আৰু 'প্ৰেম' তাৰে তৈয়াৰ কৰা সঁজুলি। প্ৰকৃত প্ৰেমত কামনা নাই। কিবা লাভৰ আশাত, পোৱাৰ আশাত, প্ৰেমিকে কাকো হৃদয়ৰ প্ৰেম নিবিলায়। এই প্ৰেমভাব হৃদয়-ফুলনিত স্বভাৱতে ফুলি উঠা এপাহি পাৰিজাত। ইয়াৰ সুগন্ধই জীৱন আৰু মন সুৰভিত কৰি তোলে।

প্ৰেম আৰু আনন্দ মূলতে একেই। য'তে যথাৰ্থ প্ৰেম আছে, তাতে বিমল আনন্দও থাকে। জুইৰপৰা তাপক, দেহৰপৰা মনক, গাখীৰৰপৰা ধৱলতাক, পানীৰপৰা শীতলতাক আৰু সঙ্গীতৰপৰা মধুৰতাক যিদৰে পৃথকভাৱে চাব নোৱাৰি, প্ৰেম আৰু আনন্দকো সেই দৰে আঁতৰাব নোৱাৰি। কিন্তু সেই আনন্দ অনুভৱ কৰিবলৈ হলে, প্ৰেমত কামনাৰ মলি বা ভোগৰ তৃষ্ণা থাকিব নালাগিব। প্ৰেমে কেৱল দিয়ে; একো নলয় বা নিৰ্বিচাৰে। প্ৰেমিকে হৃদয় দান কৰে; প্ৰতিদানৰ আশা নকৰে। ভালপোৱাৰ পাত্ৰ যেনে-কুৱাই হওক, যিহকে নকৰক বা য'তে নাথাকক—সেইবোৰ কথা চিন্তা-চৰ্চ্চা কৰিবলৈ প্ৰেমিকৰ আৱশ্যক নাই; হয়তো আজৰিও নোলায়। প্ৰকৃত প্ৰেমিকে প্ৰেমৰ বেপাৰ নকৰে। বেপাৰীয়ে বেপাৰ কৰে লাভৰ কাৰণে; ই দেখদেখ কথা। কিন্তু প্ৰেমত বেপাৰ নচলে। অৰ্থাৎ, ভালপোৱাৰ ফলস্বৰূপে কোনো লাভ-লোকচানৰ খতিয়ান নলয়, কেৱল ভালপোৱাতে সন্তুষ্ট হৈ থাকে। ভালপোৱা জনৰ মঙ্গল কামনা মাথোন প্ৰেমিকৰ কাম। আনন্দও তাতেই। ইয়াক বুজাই বুজে; নুবুজাই হাঁতীয়ে-ম'হে যুঁজাদি যুঁজে। অৰ্থাৎ, এই মধুৰতাৰ আস্বাদ বাস্তৱত লাভ কৰিব নোৱাৰা বা নোপোৱাজনে বিশ্বাস কৰিবই নোখোজে।

কামনাসিক্ত প্ৰেমে দুখ আৰু অতৃপ্তি আনে। ভালপোৱাজনৰ অনুপস্থিতি বা অবাঞ্চিত আচৰণে মনলৈ বেজাৰ আনে। প্ৰকৃত প্ৰেমপূৰ্ণ হৃদয়ত দুখ-বেজাৰলৈ ঠাই নোলায়। তালৈ আনন্দহে আপোনা-আপুনি আহে। যত্ন আৰু সংযত চিন্তাৰ ফলত, মানুহৰ মনত এই সৌন্দৰ্য্যমণ্ডিত, আনন্দপূৰ্ণ অৱস্থাৰ সৃষ্টি হব পাৰে। এইয়া প্ৰেমৰ প্ৰথম স্তৰ। প্ৰেমৰ উন্নতৰ স্তৰ আৰু আছে। এই প্ৰেমেই এদিন বিশ্বপ্ৰেমত পৰিণত হয়। মানুহে এজনৰ ঠাইত সহস্ৰজনক—বিশ্বমানৱক ভাল পাবলৈ শিকে। সেয়ে ভগৱানৰ চৰণ-সেৱাৰ পবিত্ৰ পুষ্পাঞ্জলি।

মানুহৰ প্ৰতি বা সংসাৰৰ (অসাৰ) বস্তুবোৰৰ প্ৰতি থকা ভালপোৱাৰ গভীৰ আকৰ্ষণ ভগৱানৰ প্ৰতি হলে, তাকে ভক্তি বোলে। ভক্তি মানে সুগভীৰ ঈশ্বৰ প্ৰেম। আমি সংসাৰী বিষয়-বস্তুবিলাক যিদৰে ভাল পাওঁ, আৰু আগ্ৰহেৰে বিচাৰোঁ, সেই দৰে ভগৱানক ভাল পালে আৰু ব্যাকুল হৈ তেওঁক বিচাৰিলে, সেয়ে ভগৱৎ-ভক্তি। ঈশ্বৰৰ কাৰণে কান্দিব লাগে—সেয়ে ভক্তি। মাকে সন্তানক যিদৰে ভাল পায়, মহাকৃপণে ধন-সোণক যিদৰে ভাল পায়, আৰু সতী-তিৰোতাই স্বামীক যিদৰে প্ৰাণাধিকৰূপে ভাল পায়, সেই দৰে ভগৱানক ভালপোৱাকে ভক্তি বোলে। সংসাৰৰ অসাৰ বস্তুবোৰৰ প্ৰতি আসক্তি বা আক্ৰোহ এৰি দেহাৰ প্ৰতি মমতা এৰি, অনুক্ষণে, একান্তমনে ভগৱানক চিন্তা কৰাই ভক্তি। শ্ৰদ্ধাৰে সৈতে অনবৰত ঈশ্বৰত মতি ৰখাই ভক্তি। ঈশ্বৰক সকলো সময়তে স্মৃতিপথত ৰখাকে, বা অকণো নাপাহৰা অৱস্থাকে বা 'অবিস্মৃতি'কে ভক্তি বুলি সহজ কথাত বুজিব লাগে। হে মানুহ! সদা-সৰ্ব্বদা ভগৱানৰ কথা ভাবা, তেওঁতে মন-চিত্ত নিবিষ্ট কৰা। খাওঁতে-শোঁওতে, উঠোতে-বহোঁতে, সকলো কামৰ মাজতে, তেওঁৰ নাম-গুণ গাবলৈ, তেওঁক স্মৰণ কৰিবলৈ অহৰহ, অবিশ্ৰাম চেষ্টা কৰা! চঞ্চল মনটো আঁতৰি গলে, আকৌ টানি আনি তেওঁৰ চিন্তাতে বলেৰে লগাই দিবা। অভ্যাস আৰু যত্নৰ বলত এদিন সিদ্ধিলাভ হবই।

ঈশ্বৰ-চিন্তা বা ভক্তিৰ ফল অনন্ত সুখ। সংসাৰৰ সুখ অস্থায়ী আৰু অলপীয়া। সংসাৰী-সুখে মানুহৰ 'অসীম সৌন্দৰ্য্য-তৃষ্ণা, নিৰ্ব্বাপিত কৰিব নোৱাৰে। আমি যে অসীম আনন্দ পথৰ যাত্ৰী। সেই পৰমানন্দৰ লগত পাৰ্থিব আনন্দৰ তুলনা হব নোৱাৰে। প্ৰকৃত আনন্দ-স্বৰূপৰ আস্বাদ লব খুজিলে, ঈশ্বৰ-চিন্তাত প্ৰবৃত্ত হোৱা। চকুৰে নেদেখা বস্তু বুলি, কাণেৰে নুশুনা সুৰ বুলি, অচিন দেশৰ বাতৰি বুলি, অজান ৰাজ্যৰ ৰূপকথা বুলি, আদৰ্শ-বিলাসী

মনৰ 'খেয়াল' বুলি, অবাস্তৱ কল্পনা বুলি, যুক্তি আৰু সাধাৰণ অভিজ্ঞতাই ঢুকি নোপোৱা অন্ধ ধাৰণা বুলি, দুৰ্ব্বল মানুহৰ মনৰ সৃষ্টি মাথোন বুলি, হাত এৰি হেঁতা খেপিওৱা বুলি, কোলাৰটো এৰি বোকাৰটোলৈ আশা কৰা বুলি, অজ্ঞেয় ৰহস্যৰ ভ্ৰমজ্ঞান বুলি, ইহকালৰ সুখ-ভোগৰ আশা পৰিহাৰ কৰি, নেদেখা-নুশুনা পৰকাললৈ অনৰ্থক আশা কৰা বুলি, নাইবা ঈশ্বৰ আৰু ধৰ্ম্মৰ এনেবোৰ আদৰ্শই মানুহৰ পেট ভৰাব নোৱাৰে বুলি, মিছাতে কৈ ভগৱানক অৱহেলা কৰি, ইহকাল আৰু পৰকাল দুয়োটা নষ্ট নকৰিবা। ঈশ্বৰে পৰকালত আমাক কোনোবা সুখময় স্বৰ্গৰাজ্যত থাকিবলৈ দিব ; সেই কাৰণে আমি তেওঁক সেৱা-ভক্তি কৰিব লাগে—কথাটো জানো সেয়ে ? ঈশ্বৰ জানো আমাৰ বা এই সংসাৰৰ বাহিৰত আছে ? তেওঁ যে আমাৰ দেহ, মন, প্ৰাণ, জীৱন আৰু সৰ্ব্বজগত জুৰি আছে। আমাৰ জীৱনৰ ভাৱ-চিন্তা, জ্ঞান-বুদ্ধি, সুখ-দুখ, কামনা-বাসনা আৰু ভাল-বেয়া—সকলোবোৰৰ মাজত যিটো পৰম সত্য—সেয়ে ঈশ্বৰ। তেওঁক বাদ দি তুমি জীয়াই থাকিবা কেনেকৈ ? তুমি তেওঁৰ মাজতে আছা ; তেওঁ তোমাৰ মাজতে আছে—অতি সঙ্গোপনে—অতিশয় সূক্ষ্মৰূপে। ভালকৈ চোৱা, দেখিবা। তুমি গোটেই জীৱনত—সমস্ত জগতত যিটো বস্তু বিচাৰি হাবাথুৰি খাই ফুৰিছা, যিহৰ কাৰণে বলিয়া হৈছা—সেই সুখ (আনন্দ) নামৰ বস্তুটিয়েই তেওঁ। তেওঁৰ নামেই আনন্দ বা পৰমানন্দ। বেদ-বেদান্তই ৰিঙিয়াই কব লাগিছে—তেওঁ সচ্চিদানন্দ। তেওঁ সুবিমল সুখৰ সাগৰ। চিৰকাল যি সুখ বিচাৰি জীৱন পাত কৰিছা, সেই সুখ বাস্তৱিকে পাইছা জানো ? মৰুভূমিত মৰিচিকাৰ পিচে পিচে খেদি ফুৰোঁতেই দেখোন দিনৰ পাচত দিন, বছৰৰ পিচত বছৰ, জীৱনৰ পিচত জীৱন নিঃশেষ হৈ গৈছে। যদি সঁচাকৈয়ে—

"জীৱনৰ সুখ লাগে, মনৰ আনন্দ লাগে,
লাগে যদি তৃপ্তিময় প্ৰাণ ;

ঈশ্বৰৰ ওচৰত এবাৰ কাতৰ কৰা
আনন্দ-ভাণ্ডাৰ ভগৱান"।

মহাগুৰু যীশুৱে কৈছিল—Ask, you will be given ; seek, you will find, knock, the door will be opened unto you. অৰ্থাৎ, খোজা, তেহে তোমালোকক দিয়া হব; বিচাৰা, তেহে পাবা; টুকুৰিওৱা, তেহে তোমালোকলৈ দুৱাৰ মুকলি হব। ভগৱানক যি বিচাৰে, তেওঁহে পায়। কল্পতৰু বৃক্ষই মাগন্তাজনকহে ফল দিয়ে; ভগৱানক আকুল হৈ বিচাৰিলেহে পায়। সংসাৰৰ তুচ্চ সুখ-সম্ভোগৰ প্ৰতি যাৰ বিতৃষ্ণা ওপজা নাই, সি ঈশ্বৰৰ কথা ভাবিব নোৱাৰে। যাক সংসাৰে আমুৱাইছে, যি সংসাৰৰ উৰ্দ্ধত এখন আনন্দময় ৰাজ্য আছে বুলি দৃঢ়ভাৱে বিশ্বাস কৰে, আৰু তাত নিবাস কৰিবলৈ অভিলাষ কৰে, তেওঁহে ঈশ্বৰ-ভক্তিৰ পথত আগবাঢ়ে। যি সংসাৰতে সন্তুষ্ট, সংসাৰৰ সুখেই যাৰ কাৰণে যথেষ্ট, তেনে মানুহৰ কাৰণে অদৃশ্য ঈশ্বৰৰ চিন্তা-চৰ্চ্চাৰ কোনো প্ৰয়োজন নাই। যি দৰিদ্ৰই এমুঠি অন্ন পালেই সন্তুষ্ট, তাক ৰাজসিংহাসনত বহিবলৈ মাতিলে কেতিয়াও নাযায়। ৰাজ-সুখ লাভৰ কথা কি কল্পনাও কৰিব নোৱাৰে; আৰু কোনোবাই কলেও সি বিশ্বাস কৰিবলৈ টান পাব। ইয়াতো একেই কথা। জীৱন আৰু মৰণ, ইহকাল আৰু পৰকাল, বাহিৰ আৰু ভিতৰ, আন্ধাৰ আৰু পোহৰ জুৰি অদৃশ্য জ্যোতিৰূপে বিৰাজ কৰি থকা আনন্দময় ঈশ্বৰক যি অৱহেলা কৰে, সেই মূঢ়ই বাস্তৱিকতে সংসাৰৰ অসাৰতা আৰু দৰিদ্ৰতাকে আকোঁৱালি লয়। সি সঁচাকৈয়ে সুখৰ দুখীয়া।

ঈশ্বৰক পাবলৈ সংসাৰ ত্যাগ কৰিব লাগে। অৰ্থাৎ, সংসাৰৰ অসাৰ সুখ-সম্ভোগৰ প্ৰতি মায়া, মোহ আৰু আসক্তি ত্যাগ কৰিব লাগে—মনেৰে, প্ৰাণেৰে। সন্ন্যাসী সাজি সকলো এৰি ঘৰবপৰা ওলাই লৰ মাৰিব নালাগে। সংসাৰতে থাকি, ভোগৰ বাসনা পৰিহাৰ কৰিবলৈ শিকিব লাগে। ইয়াৰ কাৰণে দীঘলীয়া অভ্যাসৰ

দৰকাৰ। ত্যাগৰ মাজেদি ভোগ কৰিব পাৰিলেহে তৃপ্তিও পোৱা যায়। অনিত্য, অতৃপ্তিকৰ সুখৰ আশা এৰি, স্থায়ী আৰু অনন্ত সুখলৈ হাত মেলিব লাগে। অমৃত থাকোতে খাৰণি খাই থকা বিলাকক তুমি জানো মূৰ্খ নুবুলিবা? গাধই জানিবা ভাৰ বৈয়ে ভালপায়। মানুহে জানো তাক ভাল বোলে? উটে কাঁইট চোবাই ভালপায়; তুই কোঁৱাৰিয়ে তেজ বৈ যায়। সিও এটা ভোগ নে?

ঈশ্বৰ আমাৰ হৃদিস্থিত আত্মা। তেওঁ আমাৰ পৰা আঁতৰত থকা কোনো মহাশক্তি বা পুৰুষ বিশেষ নহয়। বিশ্বজগত আৰু প্ৰাণীসমূহ স্ৰজন কৰি কালচক্ৰত পেলাই দি সৃষ্টিৰ বাহিৰত আয়মেৰে বহি ৰং চাই থকা কোনো নিষ্ঠুৰ প্ৰকৃতিৰ শাসকস্বৰূপ তেওঁ নহয়। আমাৰ জীৱনৰ যি পূৰ্ণতা বা ভাৱ-চিন্তাৰ যি পূৰ্ণতম উচ্চতম অৱস্থা তেৱেঁই ঈশ্বৰ। মানৱ মনৰ সৰ্ব্বোত্তম আনন্দস্বৰূপকে ঈশ্বৰ নাম দিয়া হৈছে। পৰমেশ্বৰ আত্মাৰূপে আমাৰ ভিতৰতে লুকাই আছে। ভালকৈ বিচাৰিব জানিলে তেওঁক পায়। তেওঁ নিজে প্ৰেমানন্দময়, আৰু প্ৰেমেৰেই তেওঁক লাভ কৰিব পাৰি। ঈশ্বৰ প্ৰকৃততে নিৰাকাৰ আৰু নিৰ্গুণ। (অৱশ্যে একে সময়তে তেওঁ সাকাৰ আৰু সগুণো।) মানুহৰ মনেৰে চিন্তা কৰিব পৰাৰ নিচিনা ৰূপ তেওঁৰ নাই। তেওঁ অৰূপ। তেওঁ অনন্ত গুণময়; গুণৰ সীমা নাই। গতিকে তেওঁ নিৰ্গুণ। তেওঁৰ জন্ম, জৰা, বৃদ্ধি, পৰিণাম আৰু মৃত্যু নাই। আছে মাথোন অনন্ত আনন্দময় স্থিতি। তেওঁ আমাৰ ভাষাত অনাদি আৰু অনন্ত। তেনেজন ঈশ্বৰক আমি সগুণ ৰূপতহে চিন্তা কৰিব পাৰোঁ, আৰু কৰিবও লাগে। পৱিত্ৰ অৰ্থবাচক নামেৰে কাতৰভাৱে তেওঁক প্ৰাৰ্থনা কৰিব লাগে। সগুণ ঈশ্বৰৰ ৰূপ এজন সৰ্ব্বগুণৱান আদৰ্শ পুৰুষৰ দৰে। তেওঁ পৰম প্ৰেমময়, সৰ্ব্বশক্তিমান আৰু সৃষ্টি-স্থিতি প্ৰলয়কাৰী। হৃদয়পুৰত তেওঁৰ নিবাস। হৃদয়-বৃত্তি প্ৰেমেৰে তেওঁক পাব পাৰি।

ঈশ্বৰলৈ পৰম প্ৰেমেই ভক্তি। ভক্ত মানে ভগৱান—বলিয়া। মহাভক্ত সাধক ৰামকৃষ্ণ পৰমহংসদেৱে কোৱাৰ দৰে,—এটা মানুহক পানীৰ মাজত জোৰেৰে হেঁচা মাৰি ধৰি থাকিলে, সি যিমান ব্যাকুলভাৱে পানীৰপৰা বাহিৰলৈ ওলাই আহিবলৈ বিচাৰে, ঈশ্বৰকো সিমান ব্যাকুলভাৱে বিচাৰিলেহে পায়। এহাতে ভগৱানৰ চৰণত আৰু আন হাতেৰে সংসাৰখনত খামোচ মাৰি ধৰি থাকিব লাগে। সেয়ে পথ।

ভক্তিৰ পথত নিৰ্ব্বিঘ্নে আগুৱাবলৈ হলে, সৎ আৰু মহাজ্ঞানী গুৰুৰ সঙ্গ নিতান্ত প্ৰয়োজন। আধ্যাত্মিক শিক্ষাক আন শিক্ষণীয় বিষয়ৰ লগত তুলনা কৰিব নোৱাৰি। ধৰ্ম্ম বা ভক্তিৰ পথ প্ৰদৰ্শকজন নিৰ্ম্মল চৰিত্ৰৰ, জ্ঞানী আৰু ভক্তিমান পুৰুষ হব লাগিব। তেওঁ ভক্তিৰ বলেৰে ভগৱানক সাক্ষাৎ পোৱা, আৰু সৰ্ব্বশাস্ত্ৰবিদ্ হব লাগিব। কনাই কনাক বাট দেখুৱাব নোৱাৰে; উভয়ে খালত পৰাৰহে সম্ভাৱনা। উপযুক্ত গুৰুৰ সঙ্গ লাভ কৰিবলৈ অৱশ্যে ভাগ্য লাগে। ভগৱানক খাটিলে তেওঁ সকলো সুবিধা দিব পাৰে।

অসমৰ দুজনা গুৰু মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে পবিত্ৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰি গৈছে। পুৰাণৰ সূৰ্য্য (শ্ৰেষ্ঠ) ভাগৱতৰ মতকে উত্তম আৰু সুগম বলি প্ৰচাৰ কৰা কাৰণে ইয়াৰ নাম ভাগৱতী ধৰ্ম্ম। আকৌ, মহাপুৰুষ শব্দৰ অৰ্থ পৰমপুৰুষ পৰমেশ্বৰ। তেওঁ প্ৰকৃতি-পুৰুষৰ নিয়ন্তা। ভক্তই তেওঁকে উপাসনা কৰে। সেই কাৰণে ইয়াক মহাপুৰুষীয়া ধৰ্ম্মও বোলে। নামেই (হৰি-নামেই) সমস্ত শাস্ত্ৰৰ সাৰ। নাম কীৰ্ত্তনেই জীৱক মুক্ত কৰিব পাৰে। সেই কাৰণে ইয়াৰ অন্য নাম হৈছে—নামধৰ্ম্ম। বেদ-বেদান্তৰ সাৰ বুলি মহাপুৰুষ দুজনাই ইয়াক প্ৰচাৰ কৰি গৈছে।

ঈশ্বৰৰ নাম আৰু ঈশ্বৰ অভেদ। নাম আৰু নামীৰ পাৰ্থক্য নাই। "যেই নাম সেই হৰি জানা নিষ্ঠ কৰি॥" অব্যক্ত ঈশ্বৰক নাম-কীৰ্ত্তনেৰে উপাসনা কৰিব পাৰি। নামৰ অতৰ্ক মহিমা।

সদায় অহৰ্নিশে অবিশ্ৰান্তভাৱে এক চিত্তেৰে ঈশ্বৰৰ নাম লওঁতে লওঁতে চিত্ত শুদ্ধ হয়, দৃঢ় ভক্তি হয়; হৃদয়ত ভগৱন্তৰ প্ৰকাশ হয়। প্ৰেমানন্দৰ চকুলো আৰু আপোনপাহৰা অৱস্থাই ভক্তিৰ লক্ষণ।

প্ৰেম-ভক্তিৰ প্ৰথম অৱস্থাক শ্ৰদ্ধা বোলে। এই অৱস্থাত সাধুৰ সঙ্গত ঈশ্বৰৰ কথা শুনি হৃদয়ত তেওঁলৈ শ্ৰদ্ধা ওপজে। ক্ৰমে শ্ৰদ্ধা বাঢ়ি গৈ থাকে, আৰু হৰি-কথা শ্ৰৱণ-কীৰ্ত্তন নকৰিলে থাকিব নোৱাৰা হয়; ঈশ্বৰ-চিন্তাতে মন-প্ৰাণ মজি যায়। সেয়ে ৰতি। শেষত ৰতিও বাঢ়ি যায় আৰু ঈশ্বৰ-চিন্তা স্বাভাৱিক হৈ পৰে; তন্ময়তা লাভ কৰে। সেয়ে ভক্তি।

প্ৰেম-ভক্তিৰ ফল কি? মহাপুৰুষ সকলে কৈছে যে ইয়াৰ বেলেগ ফল বিচাৰিবৰ আৱশ্যক নাই। প্ৰেমৰ ফল প্ৰেমেই, বা ভক্তিৰ ফল ভক্তিয়েই। ইয়াৰ ফলত হৃদয়ত স্বাভাৱিকতে অনিৰ্ব্বচনীয় আনন্দ লাভ হয়। তাৰ বাহিৰে অন্য ফল ভক্তই বাঞ্ছা নকৰে। হৰি-ভক্তিৰ ফলত ওপজা আনন্দ মুক্তিৰ সুখতকৈও অধিক বুলি শাস্ত্ৰই কৈছে। (মুক্তিত দুখৰ অৱসান হয়; কিন্তু ভক্তিত অপৰিসীম সুখৰ অনুভূতি আছে। সেই কাৰণেই কোৱা হয় যে ভকতে চেনি হবলৈ নিৰ্বিচাৰে; চেনি খাই সোৱাদ লৈ থাকিবলৈহে বিচাৰে।)

ইয়াতে দাস্যভাৱৰ ভক্তিৰ কথা উল্লেখ কৰিব পাৰি। ভৃত্যই যেনেকৈ স্বামীৰ (গিৰিহঁতৰ) কাম মনে-প্ৰাণে কৰাই একমাত্ৰ কৰ্ত্তব্য, আমিও তেনেকৈ সকলো কাম ঈশ্বৰৰে বুলি কৰি যাব লাগে। আমি যন্ত্ৰ, ঈশ্বৰ যন্ত্ৰী। তেওঁ আমাক চলাইছে; আমাৰ হতুৱাই কিবাকিবি কাম কৰাই লৈছে—কিবা উদ্দেশ্য সাধন কৰাই লৈছে। এনে ভাব লৈ কৰ্ত্তব্য কাম কৰি মনক শান্ত-সমাহিত কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। ভৃত্যই স্বামীক সেৱা-ভক্তি কৰাই নিতান্ত কৰ্ত্তব্য। আমি নিজকে পৰমেশ্বৰৰ ভৃত্য স্বৰূপ বুলি ভাবি ভক্তি কৰা সহজ আৰু জীৱনৰ পৰম সাধন। ঈশ্বৰাংশ

জীৱই পৰমেশ্বৰৰ চৰণ-সেৱা আৰু কৃপাৰ বলতহে মায়ামুক্ত হব পাৰে—ঈশ্বৰত্ব লাভ কৰিব পাৰে।

ঈশ্বৰেই তাৰিব, তেৱেঁই ৰক্ষা কৰিব—এই ভাৱ মনত ঠিৰাংকৈ ৰাখিব পাৰিলে কাৰ্য্যসিদ্ধি হব। ৰোগীয়ে ভাবে—'ঔষধেই মোক ৰক্ষা কৰিব।' পানীতপৰা মানুহে ভাবে—'নাও এখনে মোৰ প্ৰাণ ৰক্ষা কৰিব।' সেই দৰে, সংসাৰ-সমুদ্ৰত ভগৱানেই আমাৰ একমাত্ৰ আশ্ৰয়; তেওঁৰ অবিহনে কোনো ত্ৰাণকৰ্ত্তা নাই—এই দৃঢ়বিশ্বাসৰ ভাবেই শৰণ।

সাৰাংশ এই যে, আমি জীয়াই থকাৰ সাৰ্থকতা অনুভব কৰি, ঈশ্বৰ-সেৱাই জন্ম আৰু জীৱনৰ একমাত্ৰ উদ্দেশ্য বুলি জানি, অবিশ্ৰাম ঈশ্বৰ-চিন্তাত মনক নিযুক্ত কৰাই ধৰ্ম্ম আৰু কৰ্ম্মৰ মূলকথা। খোৱা-পিন্ধাই বা ধনী-মানী হোৱাই মানৱ জীৱনৰ উদ্দেশ্য হব নোৱাৰে। দেহাটোৰ সহায়ত আমি জীৱটোৰ মুক্তি সাধন কৰিব লাগে। জীয়াই থকাৰ মূল্য আছে। জীৱন আৰু মৰণ একেটা কথা নহয়। জীয়াই থাকোতেই জীৱনৰ কৰ্ত্তব্য-অকৰ্ত্তব্যৰ বিষয়ে সম্পূৰ্ণ সজাগ হব লাগিব। মৰিলে চিন্তা-ভাবনা, সুখ-দুখ, ধৰ্ম্ম-অধৰ্ম্ম—একোৰে অৰ্থ নোহোৱা হৈ যায়; কিন্তু জীয়াই থাকোতে এই সকলোবোৰ আছে আৰু লাগে। গতিকে এইবোৰৰ মূল্য নোহোৱা হব নোৱাৰে। জীয়াই থাকোতে ধন-জন, পুত্ৰ-পৰিবাৰ, নীতি-ধৰ্ম্ম, মানুহৰ সঙ্গ আৰু সমাজ—সকলোবোৰ লাগে। এইবোৰৰ মূল্য আছে। গতিকে দায়িত্বজ্ঞানহীন হৈ জীয়াই থাকিলে নহব। জীৱন নিত্য নহব পাৰে; কিন্তু অসত্য নহয়। গতিকে জীয়াই থকা দিনকেইটাত কৰ্ত্তব্যৰ বিষয়ে, ধৰ্ম্ম-কৰ্ম্মৰ বিষয়ে চিন্তা-চৰ্চ্চা নিশ্চয় কৰিব লাগিব। তুমি-আমি হয়তো আটাইবোৰ তত্ত্ব কথা চিন্তা কৰি সিদ্ধান্তত উপনীত হব নোৱাৰিব পাৰোঁ। তেনে অৱস্থাত ক্ষণজন্মা মহাপুৰুষসকলৰ আদৰ্শ লৈ, তেওঁলোকৰ পবিত্ৰ বাণীকে সাৰোগত কৰি, কৰ্ত্তব্যৰ পথত সাৱধানে

খোজ দিব লাগিব। ভগৱানক ঐকান্তিকভাৱে মাতিলে তেওঁ শুনে; আমাৰ সহায় হয়।

সংসাৰখন সুন্দৰৰ সৃষ্টি, সুন্দৰৰ ছাঁয়া, সুন্দৰৰ অংশ। অনন্ত সৌন্দৰ্য্যৰ চিকিমিকি পোহৰ সংসাৰতো পৃৰিছে। সুখে-দুখে ভৰা এই সংসাৰখন মূলতে সচ্চিদানন্দময় ভগৱানৰ পৰাই উদ্ভৱ হৈছে। আমি দেখা, শুনা এই সকলোবোৰ তেওঁৰে বিভূতি; তেওঁৰ অসীম মহিমাৰ সসীম বিকাশ। ভগৱানৰ মোহন বীণাৰ সুৰ অনবৰত বাজি আছে। আমি কাণ পাতিলেই শুনিবলৈ পাম। ঈশ্বৰ পৰম সুন্দৰ; অসীম সৌন্দৰ্য্যৰ আধাৰ। তেওঁ সৰ্ব্বশ্ৰেষ্ঠ আৰু সৰ্ব্বোত্তম। সংসাৰতে থাকি, সংসাৰৰ মায়া-মোহ এৰি তেওঁক বিচাৰা; পাবা। তেওঁ এই সংসাৰৰ মাজতে আছে।

নিঘিনাবা সংসাৰক—সংসাৰী বস্তুক,
জন্ম ধৰি আছা সংসাৰতে;
সংসাৰকে ভোগ কৰি পাবা ঈশ্বৰক
সংসাৰৰ বুকুৰ মাজতে।

ঈশ্বৰৰ অস্তিত্ব আৰু ধৰ্ম্মৰ ধাৰণা

কোনোবাই হেনো কয়—ঈশ্বৰে মানুহক সৃষ্টি কৰা নাই; মানুহেহে ঈশ্বৰক সৃষ্টি কৰিছে। অৰ্থাৎ কোনোবা সুচতুৰ মানুহে এসময়ত ঈশ্বৰৰ ধাৰণা মনলৈ আনিলে—দুৰ্ব্বল মনৰ মানুহক ভয় খুৱাই সমাজত শান্তি-শৃঙ্খলা প্ৰৱৰ্ত্তন কৰিবলৈ। কোনোবা চিন্তাশীল (?) লোকৰ মতে হেনো ঈশ্বৰ নামৰ বস্তু এটা অসত্য আৰু অপ্ৰয়োজনীয়। যুক্তি আৰু অভিজ্ঞতাই ঢুকি নোপোৱা ই এটা অন্ধ ধাৰণা মাথোন। অলপ গভীৰভাৱে ভাবি চালেই বুজিব পাৰি যে ই এক তৰাং অনুভূতি। উপনিষদাদি সমস্ত শাস্ত্ৰই ঠিকেই কৈছে যে ঈশ্বৰ অতিশয় সূক্ষ্ম কাৰণেই, যেই কোনো মানুহে তেওঁৰ ধাৰণা কৰিব নোৱাৰে, বা—তেওঁৰ বিষয়ে দ'কৈ ভাবিবলৈ ইচ্ছা নকৰে বা কৰিব নোৱাৰে। "সূক্ষ্মত্বাৎ তদবিজ্ঞেয়ম্" —অৰ্থাৎ তেওঁক জানিব নোৱাৰাৰ কাৰণ সূক্ষ্মতা। সেইকাৰণেই মানুহে সাধাৰণতে ঈশ্বৰক দৃঢ়ভাৱে বিশ্বাস নকৰে বা কৰিব নোৱাৰে। স্বামী বিবেকানন্দই এঠাইত কৈছে যে জন্তুৱে যেনেকৈ কেইখোজমানৰ আগলৈ দেখা নাপায়, মানুহেও সাধাৰণতে সেই দৰে জীৱনৰ কেইটামান দিনৰ সিফাললৈ নেদেখে, বা চিন্তা কৰিব নোৱাৰে; কাৰণ মানুহো এবিধ জন্তুয়েই। মানুহে ইন্দ্ৰিয়গম্য বস্তুবোৰৰ বাহিৰে কোনো অতীন্দ্ৰিয় বা সূক্ষ্ম তত্ত্বৰ কথা সচৰাচৰ নাভাবে। ভাবিব নোৱাৰেও; কাৰণ বিষয়টো ইমান সহজ নহয়। কিন্তু আমি চকুৰে দেখা, কাণেৰে শুনা আদি বস্তুৰ বাহিৰেও, অনেক বস্তু জগতত থাকিব পাৰে, বা আছে। চকু, কাণ, নাক আদি পঞ্চেন্দ্ৰিয়েৰে অনুভৱ কৰা জগতখনতকৈ বেলেগ, বিশাল বা সূক্ষ্ম জগত 'নাই' বুলি কোনে কব? মানুহৰ জ্ঞানেন্দ্ৰিয় কেইটাই

মাথোন জ্ঞানলাভৰ একমাত্ৰ উপায়—এই কথা সঁচা হব নোৱাৰে। অৱশ্যে এই কথা সঁচা যে সাধাৰণ ঈশ্বৰ-বিশ্বাস সকলো মানুহৰে আছে; কেৱল সি সুদৃঢ় আৰু সুগভীৰ নহয়। ঈশ্বৰ নোহোৱা হলে, মানুহৰ মনত এই ভাব এনেদৰে নাথাকিলহেঁতেন; আৰু 'ঈশ্বৰ' 'ঈশ্বৰ' বুলি সকলো কালতে, সকলো দেশতে নানা তৰ্ক-বিতৰ্ক আৰু চিন্তা-চৰ্চ্চা নহলহেঁতেন।

আমি দেখা, মনেৰে ভাবিব পৰা এই জগতখন সদায় আছে আৰু থাকিব। জগতখন কিমান দিনৰপৰা আছে, আৰু কিমান দিনলৈ থাকিব, আৰু ই কিমান দূৰলৈ বা বিস্তৃত—এইবোৰ কথা নিশ্চয় চিন্তা আৰু চৰ্চ্চাৰ বিষয়; কাৰণ আমি যে মানুহ। জ্ঞান-বুদ্ধি আৰু চিন্তাশক্তিসম্পন্ন মানুহেই যদি জীৱন আৰু জগতৰ বিষয়ে চিন্তা নকৰে, তেন্তে কোনে কৰিব? পশুৰতো তেনে শক্তি নাই। আকৌ, সকলো মানুহৰে শক্তি বা প্ৰকৃতি একে নহয়। গতিকে, এক শ্ৰেণীৰ মানুহে সেইবোৰ বিষয়ে চিন্তা-চৰ্চ্চা কৰি জীৱনৰ বহুমূলীয়া সময়বোৰ যে কামত নলগাব, তেনে নহয়। সংসাৰত মানুহৰ জন্ম লৈ কেৱল এমুঠি আহাৰ, দুখন কাপোৰ, এটা ভাল ঘৰ আৰু কেইটামান আৱশ্যকীয় আহিলা-পাতিৰ কাৰণে অলপমান টকা-পইচাৰ কথাকে ভাবি ভাবি জীৱনটো শেষ কৰাতকৈ, উচ্চতৰ চিন্তাত নিমগ্ন হোৱাটো কোনো প্ৰকাৰে বেয়া হব নোৱাৰে।

ঈশ্বৰৰ কথা সম্পূৰ্ণৰূপে চিন্তা কৰা হৈ গৈছে। পৃথিৱীৰ ধৰ্ম্ম আৰু দৰ্শন শাস্ত্ৰসমূহে—বিশেষকৈ, ভাৰতীয় তথা হিন্দু ধৰ্ম্মৰ দৰ্শনে ঈশ্বৰৰ তত্ত্ব সম্পূৰ্ণে আয়ত্ত কৰিলে বুলি কব পাৰি। (অৰ্থাৎ ঈশ্বৰৰ বিষয়ে মানুহে যিমান জানিব পাৰে সিমানখিনি জানিলে।) সসীম মানুহে অসীম ঈশ্বৰক জানিব পাৰে। কাৰণ, সসীমৰ মাজতে অসীমৰ বীজসত্তা নিহিত আছে। মানুহ অসীমৰ সন্তান।

আমাৰ ইন্দ্ৰিয়গম্য এই সুবিশাল জগতখন আছে; আৰু সীমিত

কালৰেপৰা হওক, বা সীমাহীন কালৰেপঁৰা হওক, এই বিশ্বসংসাৰ চলি আহিছে। মানুহৰ মনে অনুমান কৰিব পৰাৰ সমানেই হওক, বা মানুহৰ জ্ঞানৰ পৰিধিৰ বাহিৰলৈকে হওক, এই বিশ্ব-সংসাৰ বিস্তৃত হৈ আছে। এতিয়া প্ৰশ্ন হৈছে—এই সংসাৰখন ক'ৰপৰা হ'ল? সৃষ্টিৰ যি মূল পদাৰ্থ (substance), সেইয়া ক'ৰপৰা আহিল? বিশ্বৰ ইমান বিচিত্ৰ বিকাশৰ গুৰি ক'ত? মানুহে জ্ঞান-বিজ্ঞানৰ বলেৰে যিমানেই উন্নতি কৰক বা নকৰক, মানুহে বিশ্বজগতৰ বিষয়ে যিমানেই জানক বা নাজানক, মানুহে যিমানেই অসাধ্য সাধন কৰি চকুত চমক লগাওক বা নলগাওক, সেইয়া আমাৰ বিচাৰ্য্য নহয়। মানুহে যিমানেই যি কৰক, সেই সকলোবোৰ যে সৃষ্টিৰ ক্ষুদ্ৰতম অংশ এটাৰ ভিতৰতে সীমাবদ্ধ হৈ ৰ'ব। মানুহ জানো সৃষ্টি-সীমাৰ বাহিৰলৈ যাব পাৰিব? মানুহে জানো সৃষ্টিখন তৈয়াৰ কৰিব পাৰে? গতিকে, অসীমৰ সীমালৈকে বিয়পি থকা, মানুহে চিন্তা কৰিব পৰাৰ বাহিৰলৈকে বিস্তৃত হৈ থকা, এই অসীম, অনন্ত জগত ক'ৰপৰা সৃষ্টি হ'ল আৰু কিয়নো সৃষ্টি হ'ল—এই মহাপ্ৰশ্নৰ মাজতে ঈশ্বৰত্ব নিহিত আছে। ব্ৰহ্মাণ্ডৰাশি কিমান দূৰলৈকে আছে আমি নাজানো। পোনতে কেতিয়া, কিয় সৃষ্টি হ'ল, তাকো (হয়তো) জানিব নোৱাৰোঁ। কিন্তু এইটো স্থিৰ সিদ্ধান্ত যে যি মূলৰপৰা এই জগতৰ উৎপত্তি হৈছে—সেই মূলবস্তু বা মূলকাৰণেই ঈশ্বৰ। তেওঁক আমি চুচকুৰে নেদেখিব পাৰোঁ, ইন্দ্ৰিয়েৰে অনুভৱ নকৰিব পাৰোঁ, কিন্তু সেই মূলকাৰণ নোহোৱা নহয়। সমস্ত কাৰ্য্য-কাৰণৰ মূল কাৰণ তেওঁ—ঈশ্বৰ। ইয়াৰ অন্যথা হব নোৱাৰে। নহলে যে মানুহৰ চিন্তাশক্তিকে অস্বীকাৰ কৰিব লাগিব। তেতিয়া যে মানুহ পশু বা পাথৰ সদৃশ হৈ যাব। সকলো কাৰ্য্যৰে এটা কাৰণ আছে; আৰু সুবিশাল জগতৰ মূলকাৰণ ঈশ্বৰ; তেওঁ অনাদিকাৰণ—এই ধাৰণা মানুহৰ চিন্তাশক্তিৰ ফল। ই মিছা নহয়।

মূঠৰ ওপৰত, ঈশ্বৰ জগতৰ মূলকাৰণ বা সৃষ্টিকৰ্ত্তা। তেওঁ কিন্তু অকাৰণ। ঈশ্বৰ ক'ৰপৰা হ'ল ?—এনে প্ৰশ্ন হব নোৱাৰে। তেওঁ সৃষ্ট বস্তু নহয়। তেওঁ সদায় আছে আৰু থাকে। তেওঁ দেশ-কালৰ অতীত। তেওঁ সত্য আৰু নিত্য। তেওঁ ক'ৰোপৰা উৎপত্তি হব নালাগে। সকলোবোৰ তেওঁৰপৰা আৰু তেওঁৰ দ্বাৰা হৈছে। সেই কাৰণেই তেওঁ ঈশ্বৰ।

ঈশ্বৰ জগতৰ কাৰণ বুলিলে দুটা কথা বুজিব লাগে। প্ৰথমতে, তেওঁ জগতৰ নিমিত্ত কাৰণ (Efficient cause)। কুমাৰে চৰু-কলহ তৈয়াৰ কৰে, সোণাৰীয়ে গহনা তৈয়াৰ কৰে আৰু মুচিয়ে জোতা তৈয়াৰ কৰে। ঈশ্বৰেও সেই দৰে বিশ্ব চৰাচৰৰ সকলোবোৰকে সৃষ্টি কৰিছে। আকৌ, তেওঁ জগতৰ উপাদান কাৰণো (Material cause)। সোনাৰীয়ে সোণ তৈয়াৰ নকৰে, কুমাৰে মাটি তৈয়াৰ নকৰে, আৰু মুচিয়ে চাম্‌ৰা তৈয়াৰ নকৰে বা কৰিব নোৱাৰে। পৰমেশ্বৰে জগত আৰু জীৱবোৰ সৃষ্টি কৰিবলৈ উপাদান ক'ত পালে ? তেওঁ তাক নিজে নিজৰ পৰাই সৃষ্টি কৰিলে। আমাৰ শাস্ত্ৰই উদাহৰণেৰে কৈছে যে মকৰাই নিজৰ পেটৰপৰা সূতা উলিয়াই জালখন তৈয়াৰ কৰাৰ দৰে, পৰমেশ্বৰে এই সংসাৰখন নিজৰ পৰাই সৃষ্টি কৰিছে। গতিকে উপাদানৰ ফালৰপৰা চালে ঈশ্বৰ আৰু জগতৰ মাজত মৌলিক প্ৰভেদ নাই। ঈশ্বৰেই জগত, আৰু জগতেই ঈশ্বৰ। কাৰণ, মূল উপাদান একেই। কিন্তু এইটোও সত্য যে জীৱ আৰু জগত পৰমেশ্বৰতকৈ পৃথক। কাৰণ তেওঁ জীৱ-জগতৰ নিমিত্ত কাৰণ। তেওঁ আমাক সৃষ্টি কৰিছে; আমি তেওঁক সৃষ্টি কৰা নাই। সৃষ্টি-স্থিতি-প্ৰলয় কৰ্ত্তা তেওঁহে; আন নহয়।

মানুহে ঈশ্বৰক জানিব পাৰে; কিন্তু সম্পূৰ্ণকৈ নোৱাৰে। কাৰণ—ঈশ্বৰ অনাদি আৰু অনন্ত। নিমখৰ পুতলা এটাই সাগৰ জুখিবলৈ গ'ল। সাগৰত নমাৰ লগে লগে সি সাগৰৰ লগত মিলি

গ'ল; সাগৰ জোখা আৰু নহ'ল। মানুহো সেই দৰে ঈশ্বৰ-মহাসাগৰত মিলি যাব পাৰে; কিন্তু সীমাহীন ঈশ্বৰক সম্পূৰ্ণকৈ জানিব নোৱাৰে। ঈশ্বৰ সৃষ্টিৰ আগতো আছিল, মাজতো আছে, আৰু এই বিশাল সৃষ্টি নাথাকিলেও তেওঁ থাকিব। তেওঁ সৃষ্টিৰ বাহিৰতো আছে, ভিতৰতো আছে।

"বাহিৰে ভিতৰে জানা ইটো জগতৰ।
পৰিপূৰ্ণ ৰূপে আছো পৰম ঈশ্বৰ॥" —ভাগৱত, একাদশ

তেওঁ কাল, সৃষ্টি আৰু কাৰ্য্য-কাৰণৰ অতীত। তেওঁ কালৰো কাল বা কালৰো কৰ্ত্তা। কালৰ আৰম্ভ ক'ত, শেষ ক'ত—মানুহে জানিব নোৱাৰে। তাক জানিব পাৰে কেৱল ঈশ্বৰে। তেওঁ কালৰো স্ৰষ্টা। কাল তেওঁতে অৱস্থান কৰে। গতিকে, যিজন সকলোৰে কৰ্ত্তা, সকলোৰে বিধাতা বা বিধানদাতা, সকলোৰে মূল, সকলোতকৈ মহান, যিজনাৰ পৰা সকলো হৈছে, যিজনতে সকলোবোৰ হৈ আছে, যিজনতে সকলোবোৰ বিলীন হৈ যাব, যিজন অতিশয় সূক্ষ্মৰূপে সকলোতে আছে, যাক ভক্তিমান পুৰুষে, মহাজ্ঞানী সাধকে অনিৰ্ব্বচনীয় ৰূপত দৰ্শন পাব পাৰে, তেৱেঁই ঈশ্বৰ! যিমানবিলাক হৈছিল, হৈ আছে, আৰু অজানিত ভৱিষ্যতলৈ হৈ থাকিব—সকলোৰে মূল ঈশ্বৰ। মানুহৰ মাজত শুদ্ধ-সত্যক জানিবৰ যি আগ্ৰহ নিহিত আছে, তাৰো মূলতে ঈশ্বৰ। মানুহৰ মাজত যি অনন্ত শক্তি-সত্তা আছে, যি অবিনাশী নিত্য আত্মা আছে, অক্ষয় ভূমানন্দ আছে, সেয়ে ঈশ্বৰ।

এয়ে ঈশ্বৰৰ অস্তিত্ব আৰু তাৰ ধাৰণাৰ আভাস।

ঈশ্বৰ ক'ত আছে? উত্তৰ একপ্ৰকাৰ দিয়াই হৈছে। তেওঁ সকলোতে আছে। সকলো জীৱৰ হৃদয়ত আত্মাৰূপে প্ৰৱিষ্ট হৈ আছে। জ্ঞানৰ চকুৰে চাব জানিলে, গোটেই জগত কেৱল ঈশ্বৰময়। সকলোবোৰ তেৱেঁই। মাটিৰে তৈয়াৰ কৰা নানা ধৰণৰ, নান ৰূপৰ অনেক পুতলা বা চৰু-কলহ মূলতে মাটিয়েই। তেওঁ

অণুতকৈও অণু (সূক্ষ্মতকৈও সূক্ষ্ম) আৰু মহানতকৈও মহান। (অণোৰণীয়ান্ মহতো মহীয়ান্—শ্বেতাশ্বতৰ উপনিষদ)। সুখ-দুখ, হাঁহি-কান্দোন, জন্ম-মৃত্যু, আন্ধাৰ-পোহৰ, সন্দেহ-বিশ্বাস, ইহকাল-পৰকাল—সকলোতে তেওঁ আছে। তেওঁ নাই ক'ত? তেওঁৰ পূৰ্ণৰূপ, সম্পূৰ্ণ মহিমা বোধহয় তেওঁ নিজেহে জানে। আমি পাঁচোটা ইন্দ্ৰিয়েৰে সৈতে তেওঁৰ স্বৰূপৰ—তেওঁৰ অনন্ত মহিমাৰ কোটি কোটি ভাগৰ এভাগো জানিব নোৱাৰোঁ। গীতাত কৈছে যে (১০।৪২) তেওঁৰ এক অংশই মাথোন এই সুবিশাল জগত ধাৰণ কৰি আছে। তেওঁৰ পূৰ্ণ মহিমা, সমগ্ৰ স্বৰূপ জীৱৰ অচিন্ত্য, অজ্ঞেয়।

এইয়া যদি কোনোৱে বিশ্বাস কৰিব নোখোজে, তেন্তে প্ৰমাণ কৰি চাওক। মহাপুৰুষসকলে জ্ঞান-ভক্তি-সাধনাৰ বলেৰে দৰ্শন পোৱা (বা উপলব্ধি কৰা) ঈশ্বৰক দেখিবলৈ বা লাভ কৰিবলৈ সকলোৰে সমান অধিকাৰ। মহাপুৰুষসকলে আঙুলিয়াই দিয়া পথেৰে আগবাঢ়ি গৈ চাই আহক—পথৰ শেষত—সৃষ্টিৰ মূলত সৃষ্টিকৰ্ত্তা ঈশ্বৰ আছে নে নাই। তাকে নকৰি, সঁচাই-মিছাই বাক্-বিতণ্ডা মাথোন কৰি লাভ নাই। বিশ্ববন্দিত মহাপুৰুষসকলৰ সমাধিলব্ধ জ্ঞান আৰু দিব্য অনুভূতিক মিছাকৈয়ে উপহাস কৰাটো অজ্ঞতাৰ চিন। নজনাকৈ কোনো কথা কব নাপায়। মহাপুৰুষ-সকলে মানৱজাতিৰ সৰ্ব্বমঙ্গলৰ কাৰণেই এই সত্যৰ প্ৰচাৰ কৰিছে নে, ঈশ্বৰৰ নামত কোনোবা দুষ্ট, চতুৰ মানুহে অপপ্ৰচাৰহে কৰিছে —সেই কথা প্ৰমাণ কৰিবৰ ভাৰ চিন্তাশীল মানুহৰ ওপৰতে। বেদ-বেদান্ত, বাইবেল, কোৰাণৰ বাণীবোৰ সঁচা নে মিছা, মহাপুৰুষ-সকলৰ কথাবোৰ মূল্যহীন নে বহুমূলীয়া, আত্মা-ঈশ্বৰ-পৰকাল আছে নে নাই, ধৰ্ম্ম-কৰ্ম্মৰ প্ৰকৃত মূল্য কি—এইবোৰ তথ্য মানুহেই আবিষ্কাৰ আৰু প্ৰমাণ কৰিছে; আৰু যুগে যুগে মানুহেই প্ৰমাণ কৰি থাকিব লাগিব। এইবোৰ নিত্যসত্যৰ প্ৰকাশো চিৰনতুন। কোনোবা এজন মহাপুৰুষে জানিবা এদিন—বহুদিনৰ আগতে

ঈশ্বৰক দেখিছিল। এতিয়া তুমি-আমিও দেখিব লাগিব। (ঈশ্বৰ কিজানি এতিয়া নাই, বা মৰিল!) ঈশ্বৰক আমি প্ৰত্যেকেই গাইগুটীয়াভাৱে দেখিব বা উপলব্ধি কৰিব লাগিব। তেওঁক জ্ঞান-ভক্তিৰ বলেৰে দেখিব পাৰি। প্ৰথমতে দৃঢ়ভাৱে বিশ্বাস কৰা, অহৰহ সাধনা কৰা। তুমিও নিশ্চয় দেখিবা।

ঈশ্বৰক কেনেকৈ লাভ কৰিব পাৰি? প্ৰেমেৰে—ভক্তিৰে। ঈশ্বৰ-প্ৰেমকে ভক্তি বোলে। ঈশ্বৰ প্ৰেমময়—আনন্দময়। সংসাৰত যি আনন্দ আছে, তাৰ মূলতে ঈশ্বৰ। আনন্দময় ঈশ্বৰৰপৰাই নিজৰি নিজৰি সংসাৰলৈ আনন্দৰ কণা বৈ আহিছে। প্ৰেম আৰু আনন্দ মূলতে একেটা বস্তুৱেই। কোৱা বাহুল্য, যি প্ৰেমত বিমল আনন্দ নাই, সি প্ৰেম নামৰ যোগ্য নহয়। প্ৰকৃত প্ৰেমত আনন্দৰ বাহিৰে একো নাই। নিৰ্ম্মল প্ৰেমেৰে ভগৱানক লাভ কৰিব পাৰি, আৰু তাৰ ফল অসীম আনন্দ লাভ।

কোনোবাই যদি তেওঁৰ ওচৰত পাৰ্থিব সুখ-ভোগ বা ঐশ্বৰ্য্য-সম্পদ বিচাৰিছে, সি তেওঁক নাপায়। তেনেকুৱা ঈশ্বৰ-প্ৰেমে সংসাৰ তৰাব নোৱাৰে। সাংসাৰিক সুখৰ আশা পৰিহাৰ কৰি আন্তৰিকতাৰে তেওঁক চিন্তা কৰিলে, তেওঁক প্ৰাৰ্থনা কৰিলে, অবিশ্ৰাম তেওঁৰ নাম-গুণ গাই থাকিলেই মন (চিত্ত) নিৰ্ম্মল হব; আৰু হৃদয়-দাপোনত তেওঁৰ ৰূপ জিলিকি উঠিব।

মানুহৰ মনটো ভগৱানৰ অদ্ভুত সৃষ্টি। চমুকৈ কবলৈ হলে—সত্য আৰু অসত্য বা সংসাৰ আৰু ভগৱানৰ মাজতে মনৰ স্থিতি। ইয়াক যিফালেই লগাই দিয়া যায়, তাতে লাগি থাকিব। মনক কোনোবাই যদি ঈশ্বৰ-চিন্তাত লগায়, তেন্তে তেওঁ ঈশ্বৰক পাব; আৰু কোনোৱে যদি সংসাৰৰ চিন্তাতে নিবিষ্ট কৰে, তেওঁ সংসাৰকে পাব—সংসাৰতে মজি থাকিব—সংসাৰৰ সুখ-দুখকে ভোগ কৰি থাকিব।

গতিকে বুজিব পাৰি যে যি পথেৰে গ'লে মানুহ ভগৱানৰ ওচৰ পায়গৈ, সেই পথেই ধৰ্ম্ম। ধৰ্ম্ম মানে ঈশ্বৰ-উপলব্ধিৰ উপায়।

জগতৰ সকলো ধৰ্ম্মগুৰুৱে নানা ভাষাত, নানা প্ৰকাৰে এই পথৰে সন্ধান দি গৈছে। উপকৰণ দৃষ্টিত ভিন্নতা দেখিলেও মূলতঃ সকলো ধৰ্ম্মপথ একেই। বাটহে বেলেগ ; পানীখোৱা পুখুৰী একেটাই।

ঈশ্বৰক উপলব্ধি কৰিলেনো কি হব ? অৰ্থাৎ ধৰ্ম্মনো কেলৈ ? এই প্ৰশ্ন আৰু ইয়াৰ উত্তৰ দুয়োটাই মহান আৰু সুন্দৰ !

আমি জানো যে সংসাৰত দুখ আছে। জীৱন যে দুখময়— এই কথা অনুভৱ নকৰা মানুহ মহামূৰ্খ। সংসাৰত সুখ তাকৰ। যি কাৰণেই নহওক, ঈশ্বৰৰ সৃষ্টিত দুখ আছে। দুখ নাথাকিলে আমি ভগৱানক নিবিচাৰিলোহেঁতেন। সেইকাৰণেই বোধহয় দুখৰ সৃষ্টি। ঈশ্বৰে ইয়াতকৈ ভাল জগত এখন কিয় সৃষ্টি নকৰিলে সেই কথা আমি মানুহে ভালকৈ নাজানো। সেইটো লীলাময়ৰ লীলা বা ইচ্ছাময়ৰ ইচ্ছা বুলি কোৱা হয়। অগণন জীৱই সংসাৰত অহা-যোৱা কৰি আছে। সৃষ্টি-স্থিতি-প্ৰলয় হোৱাটো প্ৰকৃতিৰ নিয়ম। সৃষ্টিৰ বিশাল বুকুত জীৱবোৰৰ অহা-যোৱা, হঁহা-কন্দা, উত্থান-পতনৰ মহামেলা অবিৰাম চলিব লাগিছে। ইয়াৰ বৰ্ণনা দি অন্ত কৰিব নোৱাৰি। মহাকালৰ বুকুত সৃষ্টিৰ যি অনন্তলীলা ঈশ্বৰৰ ইচ্ছাত চলিব লাগিছে, তাৰ কোটি কোটি ভাগৰ এভাগহে কিজানি অনুমান কৰিব পাৰিছোঁ। এই অনাদি-অনন্ত সৃষ্টি-প্ৰক্ৰিয়াত দুখৰ ভাগেই বেচি। অগণিত জীৱই সংসাৰ-সমুদ্ৰত কক্‌বকাই ফুৰিছে। ঢৌ-ধুমুহাত আক্ৰান্ত হৈ কিমান যে কষ্ট পাইছে, তাৰ হিচাপ নাই। কিমান কাল এই দৰে চলিব লগা হৈছে, সিও চিন্তা কৰি নোপোৱা কথা। আমাক এই সংসাৰ-সাগৰৰ পাৰ পাবলৈ লাগে। চিৰকাল চলি থকা এই সংসাৰ-প্ৰৱাহ চিৰতৰে ৰুদ্ধ হৈ যাব লাগে। সৃষ্টি-লীলাৰ বাহিৰলৈ যাব পাৰিলেই আমি ৰক্ষা পাম। জন্ম-জৰা-মৃত্যুৰ হাত সাৰি আমি মুক্ত হম। সেই মুক্তি নিত্যানন্দময়। তাত দুখৰ লেশমাত্ৰও নাই। ঈশ্বৰত ভক্তি লাভ হলে, ঈশ্বৰ-জ্ঞান সম্পূৰ্ণ হলে, তেওঁ আমাক তেওঁৰ

ওচৰলৈ লৈ যাব। সেয়ে মুক্তি, সেয়ে নিৰ্ব্বাণ, সেয়ে পূৰ্ণতা, সেয়ে ধৰ্ম্মৰ ফল, সেয়ে জীৱনৰ সফলতা, সেয়ে মানৱ-সত্তাৰ পূৰ্ণ আৰু স্বৰূপ অৱস্থান।

ঈশ্বৰ আমাৰ বাহিৰত নাই। সকলো জীৱৰ হৃদয়ত আত্মা বা মূলসত্তাৰূপে তেওঁ সকলোৰে মাজত আছে। ঈশ্বৰৰ ইচ্ছাত তেওঁ নিজেই দেহাৰ ভিতৰত সোমাই অজ্ঞানতাৰে ঢাক খাই আছে। 'মই' বুলিলে সেই আত্মা বা ঈশ্বৰকে বুজায়। কঠোৰ সাধনাৰ বলেৰে আমি সেই আত্মাক জানিব বা লাভ কৰিব পাৰোঁ। তেতিয়াই আমি আত্মস্বৰূপ লাভ কৰিম; অৰ্থাৎ প্ৰকৃত 'মই'ক উপলব্ধি কৰিব পাৰিম। সেই উপলব্ধি বা আত্মজ্ঞান অক্ষয় আনন্দৰ আকৰ। সেই মহানন্দ লাভেই ধৰ্ম্মৰ উদ্দেশ্য বা ফল।

ধৰ্ম্মৰ বা ঈশ্বৰ-প্ৰাপ্তিৰ আৰু এটা ফল আছে। গাইগুটীয়া ভাৱে পৰমানন্দ লাভ কৰি কৃতকৃত্য হোৱাৰ বাহিৰেও আমি লাহে লাহে বুজিব পাৰিম যে এজনৰ হৃদয়ত থকা আত্মাই সকলো জীৱৰ হৃদয়তে আছে—সকলোতে পৰিব্যাপ্ত হৈ আছে। তেনেজন জ্ঞানী-ভক্ত পুৰুষ সকলো জীৱৰ প্ৰতি সমদৰ্শী আৰু দয়ালু নহৈ নোৱাৰে। প্ৰত্যেক জীৱ বা জীৱাত্মা একেজন ঈশ্বৰ বা পৰমাত্মাৰ প্ৰতিবিম্বস্বৰূপ—এই বোধ হোৱাৰ লগে লগে তেওঁ সৰ্ব্বভূতৰ হিতকাৰী হৈ পৰিব। সমস্ত জীৱৰ সুখ-শান্তি আৰু মঙ্গল কামনাই তেওঁৰ একমাত্ৰ কৰ্ত্তব্য হৈ পৰিব। জীৱৰ দুখত তেওঁৰ হৃদয় দ্ৰৱ হব। নিজে পৰম শান্তিময় অৱস্থাত থিতাপি লৈ আনৰ মনতো তেনে শান্তিময় পৰিবেশ সৃষ্টি কৰিবলৈ তেওঁ হেঁপাহ কৰিব। অনন্ত আনন্দ-ভাণ্ডাৰৰ অমৃত সকলোকে পান কৰাই কৃতাৰ্থ কৰিবলৈ চেষ্টা কৰাৰ বাহিৰে তেওঁৰ আন কোনো চিন্তা বা কাম নাথাকিব। ধৰ্ম্ম বা ঈশ্বৰ লাভৰ ই দ্বিতীয় ফল। তাৰ ফলত মানৱ-সমাজত শান্তি আৰু সম্প্ৰীতি বাঢ়িব—যিটো সকলো মানুহৰে কাম্য আৰু মানৱতাৰ চৰম লক্ষ্য।

ধৰ্ম্ম আৰু ঈশ্বৰ-চিন্তাত কম গুৰুত্ব দিয়া বা অলপো গুৰুত্ব দিব নোখোজা কিছুমান চিন্তাশীল লোকৰ মাজত 'মানৱতাবাদ' নামৰ এটা মতবাদে ঠাই পাইছে। এওঁলোক মানৱ-হিতৈষী। মানৱতাবাদে মানুহৰ উন্নতি, মঙ্গল আৰু সুখ-শান্তিকে বিচাৰে। সকলোৱে ইয়াকেই বিচাৰে। এতিয়া প্ৰশ্ন হৈছে—মানুহে 'মানৱতাবাদ' কিয় স্বীকাৰ কৰিব লাগে, বা মানুহে মানুহৰ উপকাৰ কিয় কৰিব লাগে; আৰু অন্যায়-অপকাৰ কিয় কৰিব নালাগে? তোমাক প্ৰাণে মাৰি তোমাৰ ধন-সম্পত্তিখিনি মই আনিলে কিয় বেয়া হব? মইতো তাকে কৰি ভাল পাওঁ। মানৱতাবাদৰনো গুৰি ক'ত? ইয়াৰ উত্তৰ তেওঁলোকৰ হাতত নাই। এই মহান প্ৰশ্নৰ উত্তৰ বেদ-উপনিষদে দিছে। তাকে ওপৰত চমুকৈ কোৱা হৈছে। যিহেতু একে আত্মাই সকলোতে ব্যাপ্ত হৈ আছে, বা একেজন পৰমেশ্বৰেই সকলো জীৱৰ হৃদয়তে আছে, সেই কাৰণে লোকৰ অপকাৰ কৰা মানে, বা লোকক দুখ-কষ্ট দিয়া মানে, আত্মাৰে অহিত কৰা বা নিজৰে দুখ-কষ্ট চপাই লোৱা।

জগত আৰু জীৱনত যদি কিবা এটা সনাতন সত্য নাই, তেন্তে ভাল-বেয়া, ন্যায়-অন্যায়, নীতি-অনীতি, একোৰে মূল্য নাথাকিব। জীয়াই থকা বা নথকাৰো কোনো মূল্য স্বীকাৰ কৰিব পৰা নহব। কিন্তু সেইটো হব নোৱাৰে। জীৱনৰ মূল্য আছে, আৰু ভাল-বেয়া, ধৰ্ম্ম-অধৰ্ম্মৰো সম্পূৰ্ণ মূল্য আছে। মূঠৰ ওপৰত, অনেক বাৰেভচহু কথা চোবাই থাকি কোনো লাভ নাই। আত্মা-ঈশ্বৰক মানি, তেওঁক আনন্দস্বৰূপ বুলি জানি তেওঁক লাভ কৰিবলৈ চেষ্টা কৰাই জীৱনৰ উদ্দেশ্য আৰু একমাত্ৰ কৰ্ত্তব্য।

সংসাৰৰ অলপীয়া আৰু বিনাশী সুখ ভগৱানৰ ওচৰত বিচৰাটো এটা মহাভুল। সৃষ্টি-সংসাৰৰ মাজত এনে কোন সুখ নাই, যাক ঈশ্বৰ-প্ৰাপ্তি বা প্ৰকৃত ধাৰ্ম্মিকতাৰ লগত তুলনা কৰিব পাৰি।

যদি কোনোবাই সংসাৰ-নিকাৰৰ হাত সাৰি নিত্যানন্দময় ধাম লাভ কৰিবলৈ বিচাৰে, তেন্তে ধৰ্ম্মৰ পথ গ্ৰহণ কৰিব লাগিব। গুবৰুৱাই গোবৰৰ মাজতে থাকি ভালপোৱাৰ দৰে, কোনোৱে যদি সংসাৰৰ মাজতে থাকি ভাল পায়, তেন্তে তেনে মানুহৰ কাৰণে ধৰ্ম্ম বা ঈশ্বৰ-চিন্তাৰ কোনো আৱশ্যকতা নাই।

সংসাৰখন জানিবা এখন বন্দীশাল। ইয়াত জীৱবিলাক বন্দী হৈ আছে। জীৱবিলাকে সংসাৰৰ বন্দীশালত কিছুমান সা-সুবিধা ভোগ কৰিব পাৰে, আৰু কিছুমান নোৱাৰে। বন্দীশালৰ ভিতৰত বন্দীবিলাকে সৰহ সা-সুবিধা ভোগ কৰিবলৈ সদায় যত্ন কৰি থাকে; আৰু অলপমান সুবিধা পালেও বহুত আনন্দ পায়; নিজকে কৃতাৰ্থ মানে। বন্দীশালৰ ভিতৰত কিছু পৰিমাণে হ'লেও স্বাচ্ছন্দ্য লাভ কৰাটো সৌভাগ্য আৰু সুখৰ বিষয়। কিন্তু যিমানেই সুখ-স্বচ্ছন্দতা লাভ কৰক, যি বন্দীশাল সি বন্দীশালেই। তাৰ ভিতৰত অলপ অধিক সুবিধা ভোগ কৰিবলৈ পাই নিলাজ বন্দীবোৰে যদি পাহৰি যায় যে বাহিৰৰ মুক্ত আকাশৰ তলত যি আনন্দ আৰু তৃপ্তি পোৱা যাব, তাৰ তুলনাত বন্দীশালৰ ভিতৰৰ সামান্য অধিক সুখ-স্বচ্ছন্দতা একোৱেই নহয়, তেন্তে সেই বন্দী-বোৰক মানুহ বুলি গণ্য কৰাই টান হৈ পৰিব।

আমিও তেনে অৱস্থাতে পৰিছোঁ। এই সংসাৰৰ সামান্য সুখ-অনুভূতিকে লৈ—অস্থায়ী পাৰ্থিব সম্পদখিনিকে লৈ আমি পৰমানন্দময় ঈশ্বৰক পাহৰি গৈছোঁ। সংসাৰ-বন্দীশালৰ অলপীয়া সুখতে মতলীয়া হৈ আমি অমৃত-স্বাদৰ অনন্ত মধুৰতালৈ আওকাণ কৰিছোঁ।

সেইদেখি যদি এই বন্দী অৱস্থাৰপৰা মুক্ত হৈ স্বৰূপানন্দ সমুদ্ৰত অৱগাহন কৰিব খোজা, তেন্তে ঈশ্বৰৰ আৰাধনা কৰা, ধৰ্ম্মৰ পথ গ্ৰহণ কৰা! ধৰ্ম্মই সকলো সুখৰ আধাৰ। ধৰ্ম্মই সকলো সুখ দিয়ে আৰু সকলোকে সুখ দিয়ে।

প্ৰেম আৰু দৰ্শন

উপনিষদৰ ঋষিয়ে কৈছে—

"জগতৰ যিপিনেই চোৱা, দেখিবলৈ পাবা, সকলো জীৱৰে কেৱল আত্ম-তৃপ্তিয়েই চৰম লক্ষ্য। এই জগতত কোনেও নিজকে অতৃপ্ত ৰাখিবলৈ নিবিচাৰে। এই বিশ্ব জগতত আত্মাই সৰ্ব্বাপেক্ষা প্ৰিয়তম পদাৰ্থ। এই নশ্বৰ জগতত পতিয়ে পত্নীক, পত্নীয়ে পতিক যি ভাল পায়—সেই ভালপোৱাৰ মূলতে সেই আত্মা। পতিয়ে নিজ আত্মতৃপ্তিৰ কাৰণে পত্নীক ভাল পায়। পত্নীয়েও নিজ আত্মতৃপ্তিৰ কাৰণেহে পতিক ভাল পায়।"* সন্তানৰ কাৰণে মানুহে সন্তানক ভাল নাপায়; নিজৰ আত্মাক ভাল পায় কাৰণেহে বা আত্মতৃপ্তিৰ কাৰণেহে মানুহে নিজৰ সন্তানক ভাল পায়। মানুহে সংসাৰৰ সকলো বস্তুকে ভাল পায় কেৱল আত্মতৃপ্তিৰ কাৰণে। কোনো বস্তুক বা মানুহক সেই বস্তু বা মানুহৰ কাৰণে ভাল নাপায়; আত্মতৃপ্তিহে সেই ভালপোৱাৰ মূল কাৰণ। এই আত্মতৃপ্তিয়েই জগত-প্ৰবাহৰো বা জীৱন-প্ৰবাহৰো মূল কথা। এই ভালপোৱাকে আশ্ৰয় কৰি জীৱন তিষ্ঠিছে। বিশ্বজগতৰ সকলো প্ৰাণীয়েই নিজক অতিকৈ ভাল পায় কাৰণেহে প্ৰাণীজগত জীয়াই আছে। "আত্মতৃপ্তিয়েই মূল আকাঙ্ক্ষাৰূপে প্ৰাণীজগতত বিদ্যমান।" এই আত্মতৃপ্তি কি?

আত্মতৃপ্তি মানে আত্মাৰ তৃপ্তি। "জীৱশ্ৰেষ্ঠ মানুহে এই (সাধাৰণ) আত্মতৃপ্তিতে সন্তুষ্ট নাথাকি আত্মাৰ প্ৰকৃত স্বৰূপ সন্ধানত ৰত হৈ আত্মাৰ বিষয়ে জানিবলৈ যত্ন কৰে। তপস্যাৰ দ্বাৰা, সাধনাৰ দ্বাৰা, জ্ঞানৰ দ্বাৰাই তত্ত্ব-অন্বেষীজনে আত্মাৰ প্ৰকৃত স্বৰূপত নিমগ্ন হ'ব পাৰিলেই অমৃত-পথৰ সন্ধান পাব পাৰে।

······এনে আত্মশীল চিত্ত অভ্যাস যোগৰ দ্বাৰাই আত্মাত স্থিতি লাভ কৰিবলৈ সমৰ্থ হয় আৰু আত্মযোগ অৱস্থাত উপনীত হব পাৰে। এনে অৱস্থাপ্ৰাপ্ত সাধকৰ ভেদদৃষ্টি বিলুপ্ত হৈ যায়; জগতৰ প্ৰতি সমদৰ্শন লাভ কৰে।······তেতিয়া একমাত্ৰ জ্ঞানময়, আনন্দময়, নিত্যময় আত্মাৰ নিবিড় অনুভূতি বা আত্মপ্ৰত্যক্ষৰ বাহিৰে আন কোনো বস্তু বা বিষয়ৰ স্বাতন্ত্ৰ্য (প্ৰত্যক্ষ) অনুভূতি নাথাকে।"* তেতিয়া সাধকে পৰমাত্মা পৰমেশ্বৰক উপলব্ধি কৰিবলৈ সমৰ্থ হয়, আৰু আনন্দ সমুদ্ৰত নিমজ্জিত হৈ পৰে।

মানুহ বুলিলে বা 'মই' বুলিলে তিনিটা মূল বস্তু বা উপাদানক বুজায়। তিনিওটা মিলিহে এটা মানুহ বা জীৱ হয়। প্ৰথমতে এটা পাঞ্চভৌতিক দেহ, দ্বিতীয়তে মন, তৃতীয়তে আত্মা। এই তিনিৰ সংযোগেই এটা আচল মানুহ বা সম্পূৰ্ণ মানুহ। আমাৰ দেহ-মনৰ মাজত থকা এই আত্মা সত্য, নিত্য আৰু নিৰ্ম্মল। দেহ আৰু মনৰ প্ৰকৃত বা স্থায়ী অস্তিত্ব নাই। আত্মা মুখৰ কথা বা তৰ্ক-বিতৰ্কৰ বস্তু নহয়। ভক্ত, জ্ঞানী সাধকে নিৰ্ম্মল মনেৰে আত্মাক জানিব পাৰে, প্ৰত্যক্ষ কৰিব পাৰে। আত্মা উপলব্ধিৰ বস্তু। আত্মাক আত্মাই জানিব পাৰে, অৰ্থাৎ আত্মাই নিজ স্বৰূপত অৱস্থান কৰে।

আত্মা সকলো জীৱৰে হৃদয়ত আছে। আত্মা অনাদি আৰু অনন্ত। আত্মাৰ জন্ম নাই, গতিকে মৃত্যুও নাই। আত্মা সৃষ্টি হোৱা বস্তু নহয়, গতিকে বিনাশহীন। আত্মা কাৰোপৰা হোৱা নাই; আত্মাৰ পৰাহে সকলো হৈছে। আত্মা সকলোৰে কাৰণ, কিন্তু আত্মা নিজে অকাৰণ। সৰ্ব্বব্যাপী, সৰ্ব্বশক্তিমান আত্মাই ঈশ্বৰ। পৰমেশ্বৰেই আত্মাৰূপে সকলো জীৱৰ মাজত বিৰাজ কৰিছে। একেটা সূৰ্য্যৰ প্ৰতিবিম্ব যিদৰে একেসময়তে অনেক ঠাইৰ পানীত সমানে পৰিব পাৰে, আৰু অনেক সূৰ্য্যৰূপে আমাৰ চকুত প্ৰতিভাত

* পদ্মশ্ৰী নলিনীবালা দেৱীৰ ৰচনাৱলৰা

হব পাৰে, সেইদৰে একেজন ঈশ্বৰেই জীৱ-আত্মাৰূপে প্ৰত্যেক প্ৰাণীৰ মাজত বিকশিত হৈছে। সকলো কাঠতে জুই আছে। আমি যাক অগ্নিদেৱতা বোলোঁ, সেই অগ্নি সকলো কাঠতে একেদৰে আছে। সকলোৰে হৃদয়ত গোপনে নিবাস কৰা আত্মাও মূলতে এজনেই। আমি তেওঁক নেদেখিহে বা অনুভৱ কৰিব নোৱাৰিহে জীৱবোৰক ভিন্ন ভিন্ন ৰূপত দেখিবলৈ পাইছোঁ। জ্ঞানৰ দৃষ্টিৰে চালে আমি সকলোকে একে দেখিম; সকলোতে একেজনকে দেখিম। নিত্য, নিৰ্ম্মল আৰু নিৰ্গুণ ঈশ্বৰে কিয় এইদৰে ভিন্ন ভিন্ন ৰূপে অৱস্থান কৰিছে, তাৰ কাৰণ আমি হয়তো নাজানো। এই বিষয়ত তৰ্ক-যুক্তি নাখাটে। সেই চৈতন্যময় পৰমেশ্বৰৰ অনন্ত ইচ্ছা মানুহৰ জ্ঞান-বুদ্ধিৰ অতীত। নাম আৰু ৰূপৰ মাজেদিহে মানুহে সকলো বস্তুৰ ধাৰণা কৰিব পাৰে। দেশ-কালৰ অতীত, নিৰাময়, নিৰাকাৰ ঈশ্বৰৰ সম্পূৰ্ণ ধাৰণা মানুহে কৰিব নোৱাৰে—তেওঁক নিঃশেষকৈ বুজিব নোৱাৰে। সেই পৰমেশ্বৰ পূৰ্ণৰূপে সকলোতে আছে। জগতৰ বাহিৰে-ভিতৰে একে ৰূপেৰেই অৱস্থান কৰিছে—তেওঁৰ পূৰ্ণতাৰ অকনো হানি হোৱা নাই। সেই কাৰণেই উপনিষদে কৈছে—'পূৰ্ণস্য পূৰ্ণমাদায় পূৰ্ণমেবাৱশিষ্যতে'। (অৰ্থাৎ পূৰ্ণৰপৰা পূৰ্ণক বাদ দিলে পূৰ্ণই বাকী থাকে।) এইয়া আধ্যাত্মিক ৰাজ্যৰ কথা। তাত একৰ এক গ'লে শূন্য নাথাকে; একৰ এক গ'লেও একেই বাকী থাকে।

(ইয়াত দ্বৈতবাদ আৰু অদ্বৈতবাদৰ আলোচনা কৰিব খোজা নাই। জীৱাত্মা পৰমাত্মাৰ অংশ—এইটো যেনেদৰে সত্য, জীৱাত্মা আৰু পৰমাত্মা মূলতে একেই—ইও তেনেদৰেই সত্য। ঈশ্বৰ আৰু আমি জীৱবিলাক মূলতঃ একে উপাদানেৰেই গঠিত। ঈশ্বৰে আমাক তেওঁৰ নিজৰপৰাই নিজে সৃষ্টি কৰিছে—সেই অৰ্থত জীৱ আৰু ঈশ্বৰ উপাদানৰ ফালৰপৰা অভিন্ন। আকৌ ঈশ্বৰ আমাৰ নিমিত্ত কাৰণ, অৰ্থাৎ জীৱসমূহ আৰু জগতক সৃষ্টি কৰিছে; গতিকে

তেওঁ আমাতকৈ শ্ৰেষ্ঠ আৰু পৃথক। পৰমেশ্বৰৰ ৰাজ্যত এক, দুই, তিনি, চাৰিৰ হিচাপ হয়তো নাই। সেইয়া ঈশ্বৰৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে।)

(এই প্ৰবন্ধত আমি আত্মা-ঈশ্বৰ একজনেই বুলি ধৰি সহজভাৱে আলোচনাত প্ৰবৃত্ত হৈছোঁ। স্বৰূপাৰ্থত দ্বৈতবাদ, অদ্বৈতবাদ, সকলোবোৰ অনৰ্থক তৰ্ক মাথোন। পথাৰৰ মাজৰ শিমলুৰ নিচিনা যেই সেই ফালৰপৰাই পোন দেখি। বেদ-বেদান্তত কোনো 'বাদ' নাই। এইবোৰ আলোচনা-সমালোচনা পিচৰ পণ্ডিতসকলে কৰিছে। আমি প্ৰেম-ভক্তিৰে ভগৱানক জানিব পাৰোঁ; গতিকে আমি আৰু ভগৱানৰ মাজত বিৰাট ব্যৱধান। হয়তো তেওঁ আমাক সামৰি লব—নিজৰ বিৰাট বুকুত স্থান দিব—সেইয়া বেলেগ কথা; আমি তাৰ কাৰণে চিন্তা কৰাৰ আৱশ্যক নাই।)

আত্মা-ঈশ্বৰ সকলোৰে আদি, মধ্য আৰু অন্ত। পাৰমাৰ্থিক দৃষ্টিত তেওঁৰ বাহিৰে আৰু একো নাই। জ্ঞানী ভক্তই সৰ্ব্বত্ৰ ভগৱানকেহে দেখে, আন একো নেদেখে। ই অতি উচ্চতম খাপ। যেতিয়া সাধকে এই ঐক্য অনুভৱ কৰে, তেতিয়া তাত 'দুই' থাকিব নোৱাৰে; অখণ্ড আনন্দৰ বাহিৰে আন একো থাকিব নোৱাৰে।

এই আত্মাক জনা বা উপলব্ধি কৰাই জীৱৰ একমাত্ৰ লক্ষ্য। প্ৰকৃত তৃপ্তি আৰু আনন্দও তাতেই। সংসাৰৰ বস্তুবোৰৰপৰা পোৱা তৃপ্তি সামান্য আৰু খন্তেকীয়া। সংসাৰৰ ক্ষণিক আনন্দই আমাক তৃপ্ত কৰিব নোৱাৰে। আত্মা নিজে অসীম অনন্ত আনন্দৰ ভাণ্ডাৰ। তেওঁক জানিলেহে বা আত্মাই নিজতে নিজক প্ৰতিষ্ঠা কৰিব পাৰিলেহে সেই আনন্দ-ভাণ্ডাৰৰ দুৱাৰ মুকলি হব। সেয়ে নহলে মাথোন অতৃপ্তিভৰা ক্ষণিক তৃপ্তিকে লৈ অসাৰতাৰ মাজত ঘূৰি ফুৰিব লাগিব। সংসাৰৰ সুখৰ মায়া প্ৰকৃত আনন্দ-স্বৰূপৰ ছাঁয়াহে মাথোন। আমি সংসাৰ-মৰুভূমিত আত্মানন্দৰ মৰীচিকাহে খেদি ফুৰিছোঁ। প্ৰকৃত আনন্দ-সমুদ্ৰৰ অকণমান ছবি এটাহে আমি

আমাৰ জীৱন আৰু মনৰ মাজেদি প্ৰতিফলিত হোৱা দেখিবলৈ পাইছোঁ।

আত্মা বা ঈশ্বৰৰ তিনিটা লক্ষণ বা বিভাৱ আছে। সেইদেখি তেওঁৰ নাম সচ্চিদানন্দ। ঈশ্বৰ সৎ, চিৎ আৰু আনন্দ স্বৰূপ। সৎ শব্দই স্থিতি বা সত্যক বুজায়। ঈশ্বৰৰ স্থিতি অনন্ত আৰু তেৱেঁই সত্য। চিৎ মানে চৈতন্য, জ্ঞান। ঈশ্বৰৰ গাত এই গুণ তিনিটা আছে—এইটো অৰ্থ নহয়; এই গুণ কেইটাই তেওঁ। জগতত যিবোৰ আছে বা সত্য বুলি অনুভৱ হৈছে, তাৰ মূলতে তেওঁ। তেওঁ সকলো স্থিতি বা অস্তিত্বৰ মূল। গতিকে তেওঁ সৎ। আকৌ, ঈশ্বৰ চিৎ বা চৈতন্যময় বা জ্ঞানময় বুলিলে বুজিব লাগে যে চৈতন্য বা জ্ঞানেই তেওঁ। তেওঁ জ্ঞানী নহয়, জ্ঞানেই তেওঁ। এই চিৎ শক্তিৰ দ্বাৰাই জগতে আৰু জগতৰ জীৱবোৰে জ্ঞান-বুদ্ধিৰ প্ৰেৰণা পাইছে—বিশ্বই চেতনা পাইছে। সেইদৰে ঈশ্বৰ আনন্দ বা আনন্দময়—ৰসময়; (ৰস—আনন্দ)। তেওঁ আনন্দত থাকে—এইটো অৰ্থ নহয়; আনন্দই তেওঁ। তেওঁ আনন্দ স্বৰূপ। আনন্দই তেওঁৰ ৰূপ। জীৱজগতে তেওঁৰ পৰাই আনন্দ লাভ কৰে। তেওঁ নিজেই আনন্দ আৰু সকলোকে আনন্দিত কৰে। গতিকে তেওঁ সকলো স্থিতি, সকলো জ্ঞান, চেতনা আৰু সকলো আনন্দৰ মূল। এই তিনিটা ভাৱ বা বিভাৱ ঈশ্বৰাংশ জীৱত অবিশুদ্ধ আৰু অপূৰ্ণৰূপে থাকে। সাধনাৰ বলেৰে জীৱই ঈশ্বৰমুখী হৈ সেই বিভাৱ পূৰ্ণৰূপে লাভ কৰিব পাৰে।

জগতত আমি যি সুখ বা আনন্দ দেখিছোঁ বা অনুভৱ কৰিছোঁ, সেই আনন্দ ঈশ্বৰৰ পৰাই আহিছে। পৰমানন্দ ঈশ্বৰ আত্মাৰূপে জীৱৰ হৃদয়ত প্ৰবেশ কৰাৰ লগে লগে তেওঁৰ আনন্দৰ পূৰ্ণৰূপ ঢাক খালে। ভগৱান নিজেই যেন নিজৰ মায়াৰ জালত বান্ধ খালে। সেইটো কিয় হ'ল, আমি নাজানো; কিন্তু কথা হলে সঁচা। যি হওক, যেহেতু পৰমানন্দ ভগৱান আত্মাৰূপে আমাৰ

মাজত আছে, আমি চাব জানিলে, উপলব্ধি কৰিব পাৰিলে, সকলোতে কেৱল আনন্দকে দেখিম। পৰিদৃশ্যমান জগতত আমি যি অলপমান প্ৰেম বা ভালপোৱা ভাবৰ বিকাশ দেখিছোঁ, সেইয়া ঈশ্বৰৰ প্ৰেমামন্দ মহাসমুদ্ৰৰে এক কণিকা। অনন্ত, অখণ্ড আনন্দ সৃষ্টিৰ মাজেদি খণ্ডিতভাৱে প্ৰকাশ পাইছে। এইয়া তাৰেই ঘনীভূত ৰূপ।

সাংসাৰিক প্ৰেম ঈশ্বৰ-প্ৰেমৰ বা স্বয়ং ঈশ্বৰৰ এক প্ৰতিবিম্ব। মানুহৰ দেহ-মনৰ মাজেদি প্ৰতিফলিত হোৱা পৰমানন্দই জাগতিক প্ৰেমৰ ৰূপ লৈছে। স্বৰূপাৰ্থত প্ৰেমেই আনন্দ আৰু প্ৰেমানন্দই ঈশ্বৰ। দেহাৰ প্ৰতি থকা আকৰ্ষণ প্ৰেম নহয়—আত্মাৰ প্ৰতি থকা আকৰ্ষণহে আচল প্ৰেম। প্ৰকৃত আনন্দ তাতহে আছে।

ঈশ্বৰ প্ৰেমানন্দময়। প্ৰেম আৰু আনন্দ দুটা বস্তু নহয়। প্ৰেমেই আনন্দ আৰু আনন্দই প্ৰেম। কঁৰীয়া সোণেই আৰু সেই সোণেই কঁৰীয়া। সেইদৰে এখন কাপোৰৰ ক্ষেত্ৰত সূতাই কাপোৰ আৰু কাপোৰেই সূতা। যেনেকৈ জুইৰপৰা তাপক আঁতৰাব নোৱাৰি, পানীৰপৰা শীতলতাক নিলগ কৰিব নোৱাৰি, তেনেকৈয়ে প্ৰেম আৰু আনন্দক বেলেগে চাব নোৱাৰি। অনন্ত প্ৰেমেই পৰমেশ্বৰৰ স্বৰূপ। সংসাৰৰ প্ৰেম (বা আনন্দ) পৰমেশ্বৰৰ এক জিল্‌মিল্ ৰেঙনি। মানব-মনৰ সৰু খিৰিকীখনেদি জীৱনলৈ সোমাই অহা প্ৰেমৰ পোহৰ কণিকে লৈ আমি অনন্ত জীৱনৰ পথত আগুৱাই গৈছোঁ—এই আশাকে লৈ যে এদিন নহয় এদিন আমি সেই জ্যোতিৰ্ম্ময়—প্ৰেমময়—আনন্দময়ৰ দৰ্শন পাম,—তেওঁৰ অনন্ত প্ৰেম-পয়োধিত নিজকে বিলীন কৰি দিব পাৰিম। আমি যে 'অমৃতৰ সন্তান'—আমাৰ ভিতৰতো যে অমৃতৰ—আত্মানন্দৰ বীজ নিহিত আছে, সেই কাৰণেই আমি নমৰোঁ—আমি জীয়াই থাকোঁ।

আমি জানি বা নাজানি সেই আত্মা ঈশ্বৰকে ভাল পাই আহিছোঁ, ইয়াত সন্দেহ নাই। কাৰোবাক বা কিবা বস্তুক

ভালপোৱা মানেই আত্মাক ভালপোৱা। আমি অজ্ঞান মানুহে এই মহান-সত্যৰ সম্ভেদ পোৱা নাই। আমি জ্ঞানকৃতভাবে আত্মাক ভাল পাবলৈ শিকিব লাগিব। সাংসাৰিক ভালপোৱাই আমাক বান্ধে, মুক্ত কৰিব নোৱাৰে, তৃপ্তি দিব নোৱাৰে। সংসাৰ যে বৰ দুখময়। সংসাৰক সংসাৰ হিচাপে ভাল নাপাই ঈশ্বৰ বুলি ভাল পালেই আমাৰ দুখৰ অৱসান হব।

আমি ভাল পোৱা সকলো বস্তুৰ ভিতৰত প্ৰধান আমাৰ দেহাটো। এই দেহত আত্মাৰ নিবাস কাৰণেই ই আমাৰ অতিকৈ প্ৰিয়। কিন্তু দেহটোৰ ভালপোৱাই আমাক তৰাব নোৱাৰে। যি আত্মাৰ কাৰণে দেহটোক ভাল পাওঁ, সেই আত্মাক জানিবলৈ আগ্ৰহ আৰু প্ৰযত্ন থাকিব লাগিব। লাহে লাহে এই আত্মিক ভালপোৱা বাঢ়ি যাব আৰু এদিন গোটেই বিশ্বকে আকোঁৱালি লব। নিজ দেহাৰ ভিতৰত দেখা আত্মাক আমি সকলোতে দেখিম। এই জ্ঞান-দৃষ্টিয়ে আত্মাৰ স্বৰূপ আৰু পূৰ্ণতা প্ৰকাশিত কৰিব। তেতিয়া প্ৰকৃত প্ৰেমৰ, প্ৰকৃত আনন্দৰ চিৰ-জ্যোতিৰ্ম্ময় ৰূপ দেখি ধন্য হ'ম, সুখী হ'ম। তেতিয়া গোটেই বিশ্বতে আত্মবোধ হব; আমি বিশ্বময় হৈ পৰিম। এটা ক্ষুদ্ৰ দেহাৰ মাজত থকা 'মই'টো বিশ্বব্যাপী মহান আৰু পূৰ্ণ 'মই'ত পৰিণত হব। মানুহৰ এই পূৰ্ণতা, অখণ্ডতা আনিব পাৰিব—পবিত্ৰ (ঈশ্বৰ) প্ৰেমে। এয়ে শাস্ত্ৰৰ সাৰ কথা।

আমি প্ৰেমেৰেই প্ৰেমানন্দক জানিব পাৰিম। আমি সকলোকে ভাল পাওঁ; কিন্তু প্ৰকৃততে আত্মাকহে ভাল পাওঁ—এই কথা অনুভৱ নকৰোঁ। আমি পুত্ৰ-পত্নী, ধন-ধান, ভাই-বন্ধু—সকলোকে ভাল পাওঁ। এই ভালপোৱা লৈয়ে সৃষ্টিৰ খেলা। এই ভালপোৱা বা প্ৰেমেই সৃষ্টিৰ আদি, আৰু তাতেই সৃষ্টিৰ নিবাস। এই প্ৰেমক আমি বাহিৰৰ পৰা আনি অন্তৰ্মুখী কৰি তুলিব লাগে। আমি সকলোকে দেখোঁ, কিন্তু নিজক

নেদেখোঁ। আমাৰ দৃষ্টি আৰু চিন্তা সদায় বহিৰ্মুখী। চকু আৰু মনে বাহিৰলৈ চায়, ভিতৰলৈ নাচায়—চাব নোখোজে। অভ্যাস আৰু যত্নেৰে আমি আমাৰ জ্ঞান-দৃষ্টিক অন্তৰ্মুখী কৰি তুলিব লাগিব। সুখ বাহিৰত নাই। সংসাৰৰ বাহিৰৰ বস্তুবোৰত—ৰূপ-যৌৱন বা ধন-ঐশ্বৰ্য্যত সুখ-শান্তি লাগি থকা নাই। সুখ-শান্তিৰ অনন্ত আকৰ আমাৰ ভিতৰতে আছে। আনন্দ-ভাণ্ডাৰ ভগবান আমাৰ হৃদিস্থিত আত্মা। তেওঁক উপলব্ধি কৰিব লাগিব অকৃত্ৰিম প্ৰেমেৰে। প্ৰথমতে হৃদয়ত তেওঁক দৰ্শন কৰিব লাগিব। তাৰ পাচত আমি বুজিব পাৰিম যে সেই একেজন আত্মা—ঈশ্বৰেই সকলোতে—সকলোৰে হৃদয়তে আছে। তেওঁনো ক'ত নাই? আত্মাই 'মই'; ময়েই আত্মা। গতিকে সেই অৱস্থাত এই মহান অনুভূতি হব যে 'মই' সকলোতে আছো। তাকেই ওপৰত 'বিশ্ব-মই' বা 'পূৰ্ণ-মই' বোলা হৈছে। আত্মাৰ সেই বিশ্বৰূপ একান্ত ভক্ত-সাধকে দেখিবলৈ পায়।

সেয়ে নহলে সংসাৰৰ বা দেহৰ ভালপোৱা যে অসাৰ্থক। সি প্ৰকৃত প্ৰেমৰ এক বিকৃত ৰূপ মাথোন। সেইয়া কায়া নহয়—ছায়াহে; ৰূপ নহয়—প্ৰতিৰূপহে; সঁচা নহয়, মিছাহে; জলাশয় নহয়, মৰীচিকাহে; সৌন্দৰ্য্য নহয়, কদৰ্য্যতাহে। পৰমাৰ্থত, সংসাৰখন যেনেকৈ ঈশ্বৰৰ বিকৃত ৰূপ বা ছায়াহে, তেনেকৈ সংসাৰৰ বস্তুবোৰৰ প্ৰতি থকা ভালপোৱাও প্ৰকৃত প্ৰেম বা আনন্দৰ এটা বিকৃত ৰূপ মাথোন। গতিকে প্ৰকৃত আনন্দ বা পূৰ্ণ আনন্দ বা অখণ্ড আনন্দ লাভ কৰিবলৈ হলে সকলোকে আত্মা বা ঈশ্বৰ বুলি জানি ভাল পাবলৈ শিকিব লাগিব। জগতৰ সকলো মহাপুৰুষে সেই কাৰণেই সকলোকে সমানে ভাল পাবলৈ শিক্ষা দিছে। সমস্ত জীৱক, বিশেষকৈ মানুহক আমি ঈশ্বৰ-জ্ঞান কৰিব লাগে আৰু ভাল পাব লাগে। মানৱ-প্ৰেমৰ জৰিয়তে আমি ভগবানক লাভ কৰিব পাৰোঁ—এই কথা কোৱাৰ অৰ্থ এয়েই। মানৱ

জাতিৰ কাৰণে ইয়াতকৈ মহান শিক্ষা, মহত্তৰ আদৰ্শ, উচ্চতম নীতি, পূৰ্ণতম সত্য আৰু শ্ৰেষ্ঠতম ধৰ্ম্ম নাই। প্ৰকৃত প্ৰেম বিশ্বপ্ৰেম। সেই প্ৰেমৰ পৰিধি অনন্ত আৰু আনন্দও অসীম। বিশ্বৰ সকলোকে নিজৰ দৰে, নিজৰ আত্মাৰ দৰে—ঈশ্বৰ বুলি ভাল পাব পাৰিলেই মানুহে পৰমানন্দ ধাম লাভ কৰিব। 'মই' বা 'আমি' সকলোতে আছোঁ—এই ভাব প্ৰতিষ্ঠিত হলে আমাৰ দুখ আৰু ভয় নোহোৱা হব; আমি মুক্ত হম। বিশ্ব-প্ৰেম আৰু পূৰ্ণ আনন্দ একেই কথা; একেটা টকাৰ দুপিঠিৰ দৰে। বিশ্বই ভগৱানৰ ৰূপ আৰু ভগৱান প্ৰেমময়—আনন্দময়। আত্মাই ভগৱান আৰু আত্মজ্ঞানেই পূৰ্ণানন্দ সমুদ্ৰ।

আৰ্চীত আমি যেনেকৈ নিজৰ মুখখনৰে প্ৰতিবিম্ব মাথোন দেখোঁ, সেইদৰে জগতৰ জীৱ বা মানুহবোৰক পূজা কৰিলে বা হৃদয়ৰ নিৰ্ম্মল প্ৰেম দান কৰিলে সেই প্ৰেম, সেই পূজা নিজলৈকে উভতি আহে। তাৰ ফলত নিজকেই পূজা কৰা হয়, নিজকেই তৃপ্ত আৰু আনন্দিত কৰা হয়। কাৰণ—দেহাটো 'মই' নহয়, আত্মাহে মই; আৰু সেই আত্মা এক—বহুত নহয়।

সেই কাৰণেই মহাপুৰুষ শঙ্কৰদেৱে লিখিছে—

"তুমি জগজীৱ তোমাক পূজিলে
মিলে আপোনাতে যাই।
যেন মুখশ্ৰীক প্ৰতিবিম্ব মুখে
দেখয় দৰ্পণ চাই॥"

অৰ্থাৎ, আৰ্চীত যেনেকৈ নিজৰ মুখৰ প্ৰতিবিম্বকে দেখে, তেনেকৈয়ে জগজীৱ ভগবন্তক পূজিলে জীৱই প্ৰকৃত জীৱত্ব লাভ কৰে, আত্ম-জ্ঞান লাভ কৰে, নিজকে চিনে—নিজ স্বৰূপত অৱস্থান কৰে।

মানৱ বন্দনা আৰু ধৰ্ম্ম

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ;
কৰা কৰা পূজা পাদ্য-অৰ্ঘ্য লৈ
জয় জয় মানৱ দেৱ।"

কবিতাফাঁকি অসমীয়া কবি চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ। কবিয়ে মানুহকে দেৱতা বা ঈশ্বৰ বুলিছে; মানুহকে পাদ্য-অৰ্ঘ্য লৈ পূজা কৰিবলৈ কৈছে। বেলেগ স্বৰ্গলোক এখন নথকাই সম্ভব; কাৰণ আমি তাক দেখা নাপাওঁ। গতিকে মানুহেই সত্য —মানুহেই সকলো। মানুহক মৰম কৰিলেই ধৰ্ম্ম লাভ হয়;—

"মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।"

মানুহক ভালপোৱাই ধৰ্ম্ম। এই সত্য সকলো মহাপুৰুষে মানৱ-জাতিক শিকাই গৈছে। মহাত্মা গান্ধীয়ে কৈছিল—"Service to man, service to God"; অৰ্থাৎ মানৱ সেৱাই ঈশ্বৰ সেৱা। মানুহক সেৱা কৰিলেই ঈশ্বৰক সেৱা কৰা হয়। নিৰাকাৰ ঈশ্বৰক পূজা কৰিবলৈ হলে সাকাৰ মানৱ-মূৰ্ত্তিয়েই সৰ্ব্বোত্তম প্ৰতীক। ভক্ত কবি চণ্ডীদাসে কৈছে—"সবাৰ উপৰে মানুষ সত্য, তাহাৰ উপৰে নাই।" এই মহৎ বাণীয়েও তাকেই সূচায়। মানুহেই শ্ৰেষ্ঠ; মানৱ-সেৱাই জীৱনৰ কৰ্ত্তব্য আৰু ধৰ্ম্ম।

মহাগুৰু যীচুয়েও তাকেই কৈছে। তেওঁৰ ভাষাত—"Thou shalt love thy Lord, thy God with all thy heart and with all thy soul and with all thy mind". This is the first and best commandment, and the second

is like unto it. "Thou shalt love thy neighbours as thy self". . On these two commandments hang all the law and prophets.

অৰ্থাৎ, "তুমি সকলো হৃদয়, সকলো প্ৰাণ আৰু সকলো চিত্তেৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা।" এয়ে প্ৰথম আৰু প্ৰধান আজ্ঞা। আৰু তাৰে নিচিনা দ্বিতীয়টো এই—"তোমাৰ চুবুৰীয়াক তোমাৰ নিচিনাকৈ প্ৰেম কৰা।" এই দুটা আজ্ঞাতে গোটেই বিধান আৰু ভাববাদীসকলৰ (ধৰ্ম্মগুৰুসকলৰ) বাক্য ওলমি আছে।" যীচুৱে প্ৰথমতে মনে-প্ৰাণে ঈশ্বৰক ভাল পাবলৈ বা ভক্তি কৰিবলৈ আৰু দ্বিতীয়তে মানুহক ভাল পাবলৈ উপদেশ দিছে। তেওঁৰ সমস্ত উপদেশৰ ভিতৰত এয়ে 'সৰ্ব্বোত্তম বিধি' বুলিছে। এই এটা বা দুটা উপদেশতে তেওঁৰ সকলো বাণীৰ সাৰাংশ আৰু জগতৰ আটাইবোৰ ধৰ্ম্মগুৰু বা ঐশ্বৰিক পুৰুষৰ মহান বাণীসমূহৰ তাৎপৰ্য্য নিহিত আছে। (ইয়াত এটা কথা লক্ষ্য কৰিবলগীয়া যে যীচুৱে চুবুৰীয়াক (Neighbour) বোলোতে, আমাৰ জীৱনত আমাৰ সংস্পৰ্শলৈ অহা সকলো মানুহকে, বা তাতোকৈ প্ৰশস্ত অৰ্থত গোটেই মানৱ জাতিকে বুজাইছে। বাস্তৱিকতে, এনে মূল্যৱান আৰু মানৱ জাতিৰ সৰ্ব্বমঙ্গলকাৰক উপদেশ জগতত নাই। যীচুৱে সৰ্ব্বজ্ঞ, সৰ্ব্বশক্তিমান আৰু সৰ্ব্বব্যাপী পৰমেশ্বৰত দৃঢ় বিশ্বাস আৰু দৃঢ় ভক্তি কৰাৰ লগতে মানুহকো প্ৰেম বিলাবলৈ শিকাই গৈছে। দুয়োটা সমান কথা; এটা এৰি আনটো সিদ্ধ হব নোৱাৰে। যি ঈশ্বৰক ভক্তি কৰে, তেওঁ মানুহক ভাল নাপাই থাকিব নোৱাৰে। আকৌ মানুহক ভাল পালেই ঈশ্বৰক ভালপোৱা হয়; মানুহৰ মাজতে ভগৱান আছে। মানুহক ভালপোৱা মানে মানুহৰ কাৰণে ত্যাগ কৰা—মানুহৰ উপকাৰ কৰা—মানুহৰ মঙ্গল সাধনৰ কাৰণে চেষ্টা কৰা। ইয়াকে বোলে পৰাৰ্থপৰতা বা মানৱ সেৱা।

যীচুৱে শত্ৰুকো ভাল পাবলৈ শিকাইছিল; কাৰণ শত্ৰু মানুহবোৰৰ মাজতো জানো ভগৱান নাই? তুমি কিবা কাৰণত এজন মানুহক বেয়া পালা বুলিয়েই সেই মানুহজন সম্পূৰ্ণ বেয়া হৈ যাব নোৱাৰে। শত্ৰুকো ভাল পাব পাৰিলেহে বুজা যাব যে মানুহে মানুহৰ মাজত থকা ভগৱানক উপলব্ধি কৰিব পাৰিছে— মানুহৰ মাজত লুকাই থকা ঈশ্বৰক জ্ঞান-দৃষ্টিৰে দেখিবলৈ পাইছে। এনে উদাহৰণ অনেক আছে। মুঠ কথা, মানৱ-প্ৰেমেই ধৰ্ম্ম— এই শিক্ষা প্ৰভু যীচুৱে আমাক দি গৈছে।

মহম্মদেও একে কথাকে কৈছিল। তেওঁ কৈছিল—"যি মানুহে নিজৰ কাৰণে যেনে ইচ্ছা কৰে, অন্যৰ কাৰণে তেনে ইচ্ছা নকৰে, তেওঁক ঈশ্বৰ বিশ্বাসী বুলিব নোৱাৰি।

"যি ভগৱানৰ সৃষ্ট জীৱক প্ৰীতিৰ চকুৰে নাচায়, ভগৱানেও তাক প্ৰীতিৰ চকুৰে নাচায়।

"সকলোতকৈ শ্ৰেষ্ঠ মানৱ তেৱেঁই, যাৰ দ্বাৰা মানৱ সমাজৰ সকলোতকৈ অধিক কল্যাণ সাধিত হয়।

"ক্ষুধাৰ্ত্তক আহাৰ দিয়া, পীড়িতক ঔষধ দিয়া; মুছলমানেই হওক, আৰু অন্য ধৰ্ম্মাৱলম্বীয়েই হওক, জাতিবৰ্ণ-নিৰ্ব্বিশেষে সকলো উৎপীড়িত লোকক সাহায্য কৰা।

"তুমি ঈশ্বৰক ভাল পাব খোজানে? তেনেহলে প্ৰথমতে মানুহক ভাল পোৱা।" ইত্যাদি।

এনেবোৰ বাণীয়ে স্পষ্টকৈ দেখুৱাই দিয়ে যে মানুহৰ মঙ্গল কামনাতকৈ ডাঙৰ ধৰ্ম্ম নাই—শ্ৰেষ্ঠ কৰ্ত্তব্য নাই। ইয়াকে বোলে সমদৰ্শন; সকলোকে সমান চকুৰে চোৱা; সকলোকে নিজৰ দৰে চোৱা।

চীন দেশৰ ধৰ্ম্মগুৰু কনফুচিয়াচেও এই মহান বাণীকে ধৰ্ম্ম বুলি প্ৰচাৰ কৰিছিল। তেওঁ কৈছিল যে—"সমস্ত মানৱ-জাতিক ভাল পোৱাই প্ৰেম।" সেয়ে ধৰ্ম্ম। এইটো অৱশ্যে ঠিক, যে

মানুহে দুই চাৰিদিনৰ ভিতৰতে মানৱ-প্ৰেমত মতলীয়া হব নোৱাৰে। ই দীঘলীয়া অভ্যাস আৰু সাধনাৰ ফল। সকলো মহান পুৰুষ আৰু ধৰ্ম্মগুৰুয়েই মানৱজাতিৰ মঙ্গলৰ কাৰণে চিন্তা কৰি গৈছে, আৰু মানৱ-সেৱাৰ ভেঁটিতে ধৰ্ম্মৰ সোণৰ-মন্দিৰ গঢ়ি থৈ গৈছে। চমু কথাত, যেয়ে মানুহৰ বেচি উপকাৰ কৰিছে, সেয়ে সিমান বেছি ভাল মানুহ বা অধিক মহৎ লোক।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে মহাগ্ৰন্থ কীৰ্ত্তনত এই তত্ব অতি সুন্দৰকৈ প্ৰকাশ কৰি গৈছে। (একেখিনি কথাই ভাগৱতৰ একাদশ স্কন্ধতো আছে।) এইয়া মহাভক্ত উদ্ধৱৰ প্ৰতি শ্ৰীকৃষ্ণৰ ধৰ্ম্মোপদেশ। ভাগৱত-ভক্তিৰ দুৱাৰ মুকলি কৰি বৈকুণ্ঠ-প্ৰয়াণৰ আগমুহূৰ্ত্তত তেওঁ উদ্ধৱক শিকাইছিল যে—সংসাৰৰ দুখ-নিকাৰৰ হাত সাৰিবলৈ হলে, কৰ্ম্মবন্ধন চিঙি মুক্তিৰ অময়া সুখ লাভ কৰিবলৈ হলে, বৈষ্ণৱৰ সঙ্গত ঈশ্বৰৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তনাদি কৰি ভক্তি অৰ্জ্জন কৰিব লাগে। সদায় ঈশ্বৰৰ চতুৰ্ভুজ ৰূপ হৃদয়ত সযতনে চিন্তা কৰিব লাগে আৰু প্ৰেম-ভক্তিৰ আনন্দ অনুভৱ কৰি কৃতকৃত্য হব লাগে। তেতিয়াই ঈশ্বৰ হৃদয়ত প্ৰকাশ হ'ব।

"ইয়াতোকৈ গভীৰ ৰহস্যৰ কথা কওঁ শুনা—ময়েই পৰমেশ্বৰ; (অৰ্থাৎ কৃষ্ণদেৱেই ঈশ্বৰ); মই, অৰ্থাৎ ঈশ্বৰ সকলো ভূততে (প্ৰাণীতে) ব্যাপ্ত হৈ আছোঁ। গতিকে সৰু-বৰ, উচ্চ-নীচ, ব্ৰাহ্মণ-চাণ্ডাল—সকলোতে সম-বুদ্ধি কৰিবা। বাহিৰৰ ৰূপ বা দেহাটোলৈ চকু নিদি ভিতৰৰ আত্মা-ঈশ্বৰতহে দৃষ্টি কৰিবা। বিশেষকৈ মনুষ্য-জাতিক সন্মান কৰিবা—বিষ্ণুজ্ঞান কৰিবা। মানুহ সকলো জীৱতকৈ শ্ৰেষ্ঠ। মানুহৰ মাজতে পৰমেশ্বৰৰ বিকাশ অধিক পৰিমাণে হৈছে। যিজনে মানুহক বিষ্ণুজ্ঞান কৰে—ঈশ্বৰ বুলি জ্ঞান কৰিবলৈ শিকে, তেওঁৰ মনৰ পৰা ঈৰ্ষা, দ্বেষ, অহঙ্কাৰ আদি ভাব দূৰীভূত হয়। নিৰ্ম্মল মনত 'মই' আৰু 'মোৰ' এই অহং ভাব নাথাকে।"

আমি যি 'মই' বুলি কৈছোঁ, যি 'মই'য়ে সদায় সুখ বিচাৰে,

যি 'মই'ক সদায় জীয়াই ৰাখিব খোজোঁ, যি 'মই'ক ওপৰলৈ নিব খোজোঁ, সেই 'মই'নো কি? সেই 'মই' হৈছে আত্মা। সেই আত্মা আমাৰ দেহৰ ভিতৰতে আছে। বিনাশী আৰু অস্থায়ী দেহটো 'মই' নহয়; অবিনাশী আৰু চিৰস্থায়ী, নিত্য আত্মাই 'মই'। সেই আত্মা দুখ-তাপ-জৰা-মৃত্যুৰ অতীত। যিজনে সেই আত্মাক জানিছে বা উপলব্ধি কৰিছে; তেওঁ সংসাৰৰ দুখৰ হাত সাৰে আৰু বাক্যেৰে প্ৰকাশ কৰিব নোৱৰা আনন্দ লাভ কৰে।

এতিয়া কথা হৈছে, সেই আত্মা মোৰ দেহাটোৰ মাজত যিদৰে আছে, সকলো মানুহৰে, সকলো জীৱৰে দেহাৰ মাজত একেদৰেই আছে; অৰ্থাৎ একে আত্মাই সীমাহীন জীৱৰাশিৰ সৰু-বৰ দেহবোৰত সমানে বিৰাজ কৰিছে। কাঠৰ মাজত জুই থকাৰ দৰে, দেহৰ মাজত আত্মা আছে। জুই একেকুৰাই। আত্মাও একেই। সেই আত্মাই ঈশ্বৰ। গতিকে 'মই' সকলোতে আছোঁ। 'মই' অকল 'মোৰ' দেহাটোতেই আবদ্ধ নহয়; 'মই' বিশ্বব্যাপি আছোঁ। 'মই'য়েই সকলোৰে ভিতৰতে গোপনে বিৰাজ কৰিছোঁ আৰু (হয়তো) সকলোৰে বাহিৰতো আছোঁ। এই আত্মাক যিজনে জ্ঞানৰ দৃষ্টিৰে নিজৰ ভিতৰত দেখে, তেওঁ লাহে লাহে আন মানুহ আৰু অন্যান্য জীৱৰ মাজতো তেওঁক দেখিবলৈ পায়। সকলোকে নিজৰ দৰে ভাল পোৱাৰ গূঢ়াৰ্থ এয়ে। আত্মাৰ চকুৰে চালে, বা আত্মিক ৰাজ্যত আপোন-পৰ নাই; তাত সকলো একে; সকলো 'মই' মাথোন—এনে দিব্যজ্ঞান লাভ কৰা মানুহে ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি 'বসুধৈব কুটুম্বকম্' (অৰ্থাৎ পৃথিৱীৰ সকলোৱেই কুটুম্ব)—এই স্বৰ্গীয় অনুভূতি পায়। মোৰ ভিতৰত থকা আত্মাই যদি সকলোতে আছে; তেন্তে 'মই' বিশ্বময় হৈ যাম; আপোন-পৰ ভাৱ থাকিব নোৱাৰে। গোটেই বিশ্বতে 'মই' আছোঁ, আৰু গোটেই বিশ্ব মোতেই আছে—এই আত্মানুভৱ হ'লে মানুহে মানুহক ঘৃণা কৰাৰ, অনাদৰ-অৱহেলা

কৰাৰ প্ৰশ্ন উঠিব নোৱাৰে। তেতিয়া মানুহলৈ স্বাভাৱিকতে প্ৰেম-প্ৰীতি জাগি উঠিব। তেতিয়া সংসাৰৰ সকলোকে প্ৰেম বিলাই শান্তি লাভ কৰিব। এয়ে মহাপুৰুষৰ মহান শিক্ষা। (কোৱা বাহুল্য যে ওপৰত উল্লেখ কৰা আত্মাই ঈশ্বৰ।)

সেই কাৰণেই মহাপুৰুষে লিখিছে—

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম॥" (কীৰ্ত্তন)

মানুহৰ বাহিৰেও সকলো জীৱকে ঈশ্বৰ-জ্ঞান কৰিবলৈ অভ্যাস কৰিব লাগে। সমস্ত ভূততে ঈশ্বৰ-বুদ্ধি নহয় মানে এইদৰে কায়মনোবাক্যে সদায় অভ্যাস কৰি থাকিব লাগে। এসময়ত নিশ্চয় সৰ্ব্বত্ৰ ব্ৰহ্মদৰ্শন সহজ আৰু সম্ভৱ হৈ উঠিব।

"বিষ্ণুময় দেখে যিটো সমস্ত জগতে।
জীৱন্তে মুকুত হোৱে অচিৰ কালতে॥" (কীৰ্ত্তন)

সকলোতে ব্ৰহ্মক বা ঈশ্বৰক দেখিব পৰা লোক অচিৰে মায়া-মুক্ত হয়; জীৱ হৈ পৰে শিৱ। তাৰ কাৰণে সহজ সাধনা এই যে সকলোকে নিজৰ দৰে দেখিব লাগে—নিজৰ দৰে ভাল পাব লাগে; নিজে যেনে কৰিলে ভাল পাওঁ, আনকো তেনে ব্যৱহাৰ কৰিব লাগে।

এয়ে ধৰ্ম্ম আৰু ধৰ্ম্ম-তত্ত্বৰ ৰহস্য।

এয়ে ভাগৱত ধৰ্ম্ম।

এয়ে সকলো ধৰ্ম্মৰ মূল আৰু সাৰ কথা।

এয়ে অবিনাশী আৰু সনাতন ধৰ্ম্ম।

আমি ধৰ্ম্মৰ নামত অধৰ্ম্ম আচৰণ কৰিছোঁ; অবিচাৰ, অনাচাৰ, ব্যভিচাৰ কৰিছোঁ; ধৰ্ম্মৰ নামত কাজিয়া-পেচাল লগাইছোঁ, ৰক্তপাত পৰ্য্যন্ত কৰিছোঁ; ইয়াৰ কাৰণ কি? আমি ধৰ্ম্ম কাক বোলে বুজিব পৰা নাই, বুজিবলৈকো অলপো চেষ্টা কৰা নাই। ভগৱানে মানুহক যেন সুমতি প্ৰদান কৰে!

মানৱ-সেৱাই ঈশ্বৰ সেৱা—এই মহাসত্যত সন্দেহ নাই। মাটিৰ বা কাঠৰ পুতলা এটাক ঈশ্বৰ জ্ঞান কৰি পৰি পৰি সেৱা কৰাতকৈ, তীৰ্থ বুলি পানী এটোপাকে মহাপবিত্ৰ জ্ঞান কৰাতকৈ, মানুহক ঈশ্বৰ জ্ঞান কৰাটো সহস্ৰ গুণে শ্ৰেষ্ঠ। নিৰাকাৰ ঈশ্বৰক পূজা কৰিবলৈ মানৱ-ৰূপেই প্ৰশস্ত। মানুহ আৰু জীৱৰূপে তেওঁ বিশ্বময়। তেওঁৰ সেই বিশ্বৰূপেই আমাৰ উপাসনাৰ সৰ্ব্বোত্তম ৰূপ। মানুহ আৰু জীৱৰূপী ঈশ্বৰ থাকোঁতে শিলৰ মূৰ্ত্তি বা মাটিৰ প্ৰতিমা কেলৈ লাগিছে? তীৰ্থলৈকে বা যোৱাৰ কি লাভ, আৰু মন্দিৰতহে ঈশ্বৰ আছে বুলি ভবাৰনো সৰহ মূল্য ক'ত? (প্ৰতিমা, মন্দিৰ আদিৰ প্ৰকৃত মূল্য আমি অস্বীকাৰ কৰা নাই। চঞ্চল মনক স্থিৰ কৰিবলৈ, নিৰাকাৰৰ ধাৰণা কৰিবলৈ, সেইবোৰৰ যথাৰ্থ আৱশ্যকতা আছে। সেইবোৰতকৈ মানুহকে ঈশ্বৰ মূৰ্ত্তি জ্ঞান কৰা আৰু মানৱ সেৱাকে জীৱনৰ ব্ৰত বুলি, মহাধৰ্ম্ম বুলি গ্ৰহণ কৰাটো অধিক—মূল্যবান, সৰ্ব্বাধিক শ্ৰেষ্ঠ—ইয়াকে বুজাব খুজিছোঁ।) মূৰ্ত্তি এটাৰ সমুখত দীঘল দি পৰাতকৈ, মানুহক সেৱা কৰাটো বেচি ভাল। মুঠতে, ঈশ্বৰ-উপাসনাৰ দুটি মাধ্যম—জড় মূৰ্ত্তি আৰু মানৱ মূৰ্ত্তিৰ ভিতৰত চেতন মূৰ্ত্তি মানুহেই শ্ৰেষ্ঠতৰ।

সকলো মানুহে সাধাৰণতে নিজৰ কাৰণে আৰু নিজৰ পুত্ৰ-পত্নী-পৰিয়ালৰ কাৰণেই সৰহকৈ ভাবে। পৰৰ কাৰণে চিন্তা কৰা টান; তেনে মানুহৰ সংখ্যা কম। সেই বুলি পৰৰ হিতৰ কাৰণে আত্ম-ত্যাগ কৰিব পৰা মানুহো জগতত অনেক আছে। পৰৰ উপকাৰৰ কাৰণেই জীৱনৰ আৱশ্যক বুলি তেওঁলোকে ভাবে। তেওঁলোক অতিশয় দয়াবান। পৰৰ দুখত তেওঁলোকৰ হৃদয় গলি যায়, সমবেদনা অনুভৱ কৰে। তেওঁলোক মহাত্মা পুৰুষ। তেওঁলোক দধীচি মুনিৰ দৰে সুমহান আত্মত্যাগী। তেওঁ-লোকৰ মতে—

পৰোপকাৰায় বহন্তি নদ্যঃ।
পৰোপকাৰায় দুহন্তি গাবঃ॥
পৰোপকাৰায় ফলন্তি বৃক্ষাঃ।
পৰোপকাৰায় শৰীৰমেতৎ॥

অৰ্থাৎ—নদীবিলাকে পৰৰ উপকাৰৰ কাৰণেই বৈ যায়; গাইবোৰে পৰৰ উপকাৰৰ কাৰণেই গাখীৰ দিয়ে; গছবোৰে পৰৰ উপকাৰৰ অৰ্থেই ফল ধৰে; আৰু এই শৰীৰটোও পৰৰ উপকাৰৰ কাৰণেই।

পৰ বুলিযে কোনো নাই। পৰৰ উপকাৰ কৰা মানে নিজৰ বা নিজৰ আত্মাৰেই উপকাৰ কৰা। ইয়াৰ ফলত মানৱ সমাজৰ যি মহা উন্নতি সাধিত হয়, তাৰ তুলনা নাই। যেতিয়া মানুহে মানুহক নিজৰ দৰে ভাল পাবলৈ শিকে, তেতিয়া সমাজত শান্তি, সমতা, সততা আৰু প্ৰগতিয়ে বিৰাজ কৰে। মানুহে যেতিয়া মানুহক প্ৰকৃতৰূপে ভাল পাবলৈ শিকে, আৰু কোনো স্বাৰ্থপৰতাৰ চেকা নাৰাখি কেৱল প্ৰেম বিলায়, তেতিয়া সমাজত হিংসা-খিয়াল আৰু ঘৃণা-বিদ্বেষৰ পৰিবৰ্ত্তে প্ৰেম-প্ৰীতিয়ে প্ৰভাৱ বিস্তাৰ কৰে। সকলো মানুহ যদি তেনেকুৱা হয়, তেন্তে পৃথিৱীখন স্বৰ্গৰাজ্যলৈ ৰূপান্তৰিত হৰ, পৃথিৱীতে মন্দাকিনীৰ ধাৰা ব'ব। সংসাৰ তেতিয়া প্ৰেমৰাজ্যত পৰিণত হ'ব।

মানুহবোৰ তেতিয়া দেৱতা হ'ব।

মহাগ্ৰন্থ কীৰ্ত্তনৰ ঈশ্বৰ

মহাপুৰুষ শঙ্কৰদেৱৰ ৰচিত কীৰ্ত্তনৰ বিষয়ে কবলৈ যোৱাটো আমাৰ পক্ষে অঠাই সাগৰত কাঠীজাল বোৱা বা বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ দৰে। তথাপি, টিপচি চৰায়ে ইডালি সিডালি কৰাৰ দৰে এই তৰাং আলোচনাটি আগবঢ়ালোঁ।

কীৰ্ত্তনত বিচাৰিব জানিলে সাহিত্যৰ সোৱাদ পোৱা যায়। সেইয়া সাহিত্যসেৱী লোকৰ মতামত। কিন্তু মহাপুৰুষসকলে সাহিত্য-সৃষ্টিৰ মানসেৰে কেতিয়াও হাতত কাপ নলয়—গ্ৰন্থাদি ৰচনা নকৰে; মহাপুৰুষ শঙ্কৰদেৱেও কৰা নাই। সমাজত ঈশ্বৰৰ গুণ-চৰিত্ৰ প্ৰচাৰ কৰিবলৈ—হৰি-নাম-ভক্তিৰ মহিমা প্ৰকাশ কৰিবলৈহে কীৰ্ত্তনাদি শাস্ত্ৰসমূহ ৰচনা কৰিছিল। তাৰ মাজত যদি সাহিত্য-ৰসৰ আস্বাদ পোৱা যায়, সেইটো গৌণ আৰু উপকৰা সাধাৰণ লাভ। সেই বিষয়ে অধিক চিন্তা-আলোচনা কৰি, কীৰ্ত্তনৰ নিচিনা গ্ৰন্থৰ ভিতৰত থকা ধৰ্ম্ম, ঈশ্বৰ আৰু ভক্তিৰ তত্ত্বালোচনাক পিচপেলাই থোৱাটো লোকচানৰ কথা। ইয়াৰ জৰিয়তে আমি ধৰ্ম্ম-কৰ্ম্মৰ গভীৰ আলোচনা আৰু সুচিন্তিত ৰচনা আদিৰে পোহৰ দেখিবলৈ আশা কৰিলোঁ।

কীৰ্ত্তন ভাগৱতৰ সাৰ। এইখন এখন শ্ৰেষ্ঠ ভক্তি-শাস্ত্ৰ। জ্ঞান আৰু কৰ্ম্মৰ পথেৰে ভগৱানক পাবলৈ টান; ভক্তিপথ সহজ আৰু সুগম। জ্ঞানী, অজ্ঞানী সকলো মানুহে এই পথে ভগৱানক লাভ কৰিব পাৰে। শ্ৰীমাধৱদেৱে 'সমস্ত বেদান্তৰ সাৰ শ্ৰীভাগৱত শাস্ত্ৰ' বুলিছে। আকৌ 'পুৰাণৰ সূৰ্য্য (শ্ৰেষ্ঠ) ইটো মহাভাগৱত।' এই মতে—'কৃষ্ণস্তু ভগৱান্ স্বয়ম্'—দৈৱকীনন্দন কৃষ্ণই স্বয়ং পৰমেশ্বৰ। জীৱৰ মঙ্গলৰ কাৰণে তেওঁ অৱতাৰ ধৰে, নানা ৰূপেৰে

পৃথিৱীলৈ আহে। তাৰ ভিতৰত কৃষ্ণই পূৰ্ণাৱতাৰ। কৃষ্ণ অৱতাৰত পূৰ্ণব্ৰহ্মৰ পূৰ্ণ অংশ অৱতীৰ্ণ হৈছে। এইয়া পৰমব্ৰহ্মৰ সাকাৰ ৰূপ—যাৰ উপাসনা সহজ আৰু জীৱই মুক্তিলাভ কৰাৰ পথ সুগম।

মহাপুৰুষে কীৰ্ত্তনৰ আৰম্ভণিতে 'ব্ৰহ্মৰূপী সনাতন'ক প্ৰণতি জনাইছে—'প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।' যি জন সকলোৰে মূল, সমস্ত ব্ৰহ্মাণ্ডৰ আদি, মধ্য আৰু অন্ত, সমস্ত জীৱসমূহৰ ধাৰক আৰু পালক, ব্ৰহ্মা হৰেও যাৰ চৰণ সদায় সেৱা কৰি থাকে, যাৰ ব্ৰহ্মময় ৰূপৰ ধাৰণা মানুহেহে নালাগে, দেৱতাইও কৰিব নোৱাৰে, সেইজন পৰমেশ্বৰকে তেৰাই প্ৰণাম জনাইছে। সেই ব্ৰহ্মৰূপ বাৰু কেনে? ওৰেষা বৰ্ণনাত আছে—

"মায়াতেসে দেখয় বিবিধ পৰিচ্ছেদ।
স্বৰূপত তোমাৰ কিঞ্চিতো নাহি ভেদ॥
চৈতন্য স্বৰূপে ব্যাপি এক নিৰঞ্জন।
তোমাক বুলিবে দ্বৈত কোন অজ্ঞজন॥
নিশ্চল নিৰ্ম্মল সূক্ষ্ম ৰূপ যিটো স্বামী।
দেৱে নজানন্ত তাঙ্ক কেনে জানো আমি॥"

পৰমব্ৰহ্মৰ সেই ৰূপৰ আদি-অন্ত, সীমা-পৰিসীমা নাই। তেওঁৰ অদ্বৈত ৰূপ। চৈতন্যময়, নিৰাকাৰ, নিৰঞ্জন ৰূপে তেওঁ সকলো ব্যাপি আছে। জ্ঞান-দৃষ্টিৰে চালে, সেই ৰূপৰ বাহিৰে আন একো দেখা নাপায়। সেয়ে অদ্বৈত জ্ঞান। তাত 'এক'ৰ বাহিৰে 'দুই' নাই। সেই নিশ্চল, নিৰ্ম্মল আৰু সূক্ষ্ম ৰূপৰ ধাৰণা দেৱতাইও কৰিব নোৱাৰে; ক্ষুদ্ৰ মানুহৰ কি সাধ্য!

সেই কাৰণেই ভকতে দিব্য চতুৰ্ভুজ ৰূপ হৃদয়ত ধ্যান কৰি ধন্য হয়, কৃতকৃত্য হয়। মহাপুৰুষৰ ভাষাত—

"অপৰ তোমাৰ ৰূপ যাত ভুজ চাৰি।
পীতবস্ত্ৰে শোভে শঙ্খ, চক্ৰ, গদাধাৰী॥

পিন্ধি আছো ৰত্নৰ মুকুট আৰ হাৰ।
কণ্ঠত কৌস্তুভ, গলে বনমালা যাৰ॥
এহিসে মূৰ্ত্তিক আৰাধন্ত দেৱগণে।
আকেসে ভকতজনে চিন্তে সৰ্ব্বক্ষণে॥"

পৰমেশ্বৰৰ এই দুটা ৰূপ। ওপৰত কোৱা নিৰ্ম্মল, নিৰ্গুণ, অব্যক্ত ৰূপ—অবাঙ্মনসোগোচৰ;—চিন্তা-মনৰ অতীত। গতিকে সুন্দৰ চতুৰ্ভুজ ৰূপেৰে তেওঁক চিন্তা কৰি ভকতে সংসাৰ-সাগৰ অনায়াসে পাৰ হয়। (এই ৰূপৰ মনোৰম বৰ্ণনা কীৰ্ত্তনৰে 'ধ্যান বৰ্ণন' অধ্যায়ত আছে।) অৰূপক ৰূপৰ মাজেদি, নিৰ্গুণক গুণৰ মাজেদি, অসীমক সীমাৰ মাজেদি চিন্তা কৰাই উত্তম পন্থা।

মহাপুৰুষে পোনতে এই নিৰাকাৰ পৰব্ৰহ্ম ৰূপলৈকে প্ৰণিপাত জনাইছে, আৰু ঈশ্বৰৰ অনন্ত ৰূপ, গুণ, শক্তি আৰু মহিমাৰ কিঞ্চিৎ আভাস দিছে। তেৱেঁই—'সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ'। তেওঁৰ ৰূপ-গুণ অচিন্তনীয়। গতিকে তেওঁৰ অৱতাৰী ৰূপৰ মাজেদি আমি তেওঁক পূজা কৰিব পাৰোঁ। কৃষ্ণই শ্ৰেষ্ঠ অৱতাৰ। গতিকে সেই ভগৱান কৃষ্ণৰ গুণলীলা গাই সংসাৰী জীৱ তৰিব পাৰে। দৈৱকীনন্দন কৃষ্ণ ৰূপহীন পৰমেশ্বৰৰ সুন্দৰতম প্ৰতিৰূপ।

সেইজন ঈশ্বৰৰ অনন্ত ৰূপৰ ধাৰণা আৰু বৰ্ণনা কীৰ্ত্তনত অনেক ঠাইত আছে। 'লীলামালা'ত আছে—

"নাহি উতপতি নাহি মৰণ।
সদায়ে প্ৰণামো তান চৰণ॥"

এইয়া ঈশ্বৰৰ সংজ্ঞা বা সূত্ৰ (Definition)। যাৰ উৎপত্তি আৰু প্ৰলয় নাই, অথচ যি জন সদায় আছে, তেওঁৰ চৰণত প্ৰণাম! যি বস্তুৰ জন্ম আছে, সি স্থিতি, বৃদ্ধি, পৰিণাম, ক্ষয় আৰু বিনাশ—এই কেইটা অৱস্থা প্ৰাপ্ত হয়। ঈশ্বৰৰ জন্ম, জৰা, মৃত্যু নাই। তেওঁ সৃষ্টি হোৱা বস্তু নহয়। সদায় থকা বুলিলে যাক বুজায়, সেয়ে তেওঁ। তেওঁ সকলো স্থিতি বা অস্তিত্বৰ মূল কাৰণ। তেওঁ

অবিনাশী, সত্য, নিত্য শাশ্বত। তেওঁ সমস্ত কাৰণৰ কাৰণ, তেওঁ কিন্তু অকাৰণ। কাৰ্য্য-কাৰণ-সম্বন্ধ তেওঁত নাখাটে। তেওঁ সকলোতকৈ শ্ৰেষ্ঠ আৰু মহত্তম সত্য।

তেওঁৰ দেহ, ইন্দ্ৰিয় একো নাই; অথচ তেওঁ সকলো দেখে, সকলো শুনে, সকলো কৰে! তেওঁ সকলোৰে কৰ্ত্তা। তেওঁ সকলো কৰ্ত্তাৰে কৰ্ত্তা। তেওঁ 'স্ৰষ্টাৰো স্ৰষ্টা', বিধতাৰো বিধতা, তেওঁ জগতৰ গতি, মতি, পিতা-মাতা—সকলো। তেওঁ সৰ্ব্বশক্তিমান —অনন্ত শক্তিমান। তেওঁ সৰ্ব্বগুণৱান—অনন্ত গুণৱান। তেওঁৰ সকলো অনন্ত।

পৰমেশ্বৰ নিৰ্গুণ। তথাপি তেওঁ মায়াশক্তিৰ বলেৰে নিজকে নিজেই জীৱবোৰক সৃষ্টি কৰে; সৃষ্টিৰ মাজত ভঙা-পতা কৰি আনন্দ পায়। কিন্তু তেওঁ সম্পূৰ্ণ নিৰ্ম্মল আৰু নিৰ্লিপ্ত। এইবোৰৰ দোষে-গুণে তেওঁক স্পৰ্শ কৰিব নোৱাৰে। পদুমৰ পাত পানীত থাকে; কিন্তু পানীয়ে তাক তিয়াব নোৱাৰে। পৰমেশ্বৰো তেনেকুৱাই। তেওঁ নিৰ্গুণ হৈয়ো সগুণ আৰু সগুণ হৈও নিৰ্গুণ। সগুণ ৰূপে তেওঁ সৃষ্টি-স্থিতি-প্ৰলয়কাৰী, পৰম কৰুণাময়; বৈকুণ্ঠ-বিহাৰী হৰি। তেওঁ সকলোৰে হৰ্ত্তা-কৰ্ত্তা বিধতা। আকৌ নিৰ্গুণ ৰূপত তেওঁ এই সকলোৰে অতীত; সৃষ্টি-স্থিতি-প্ৰলয়ৰ (তিনি গুণৰ) উৰ্দ্ধত। সকলো কৰিও একো নকৰা—তেওঁৰ এই অৱস্থাই নিৰ্গুণ। ইয়াৰ ৰূপ নাই, সীমা নাই, আদি নাই, অন্ত নাই, একো নাই; অথচ তেওঁ চিৰ জ্যোতিষ্মান, চিৰসুন্দৰ, কেৱল আনন্দময়।

শ্ৰীশঙ্কৰদেৱৰ ভাষাত—

"ত্ৰিগুণা মায়াক কৰি আশ্ৰয়।
আত্মাত স্ৰজা যত জীৱচয়॥
স্ৰজন পালন কৰা আপোনে।
নোছোৱে তাৰ কিছু দোষে-গুণে॥"

ঈশ্বৰ সৃষ্টিৰ গৰাকী। তেওঁ বৈকুণ্ঠত থাকে। যি সকলে

তেওঁক ভক্তি কৰে, তেওঁলোকক সেই বৈকুণ্ঠত স্থান দিয়ে। বৈকুণ্ঠ ধাম—চৈধ্যভুবনৰ সিপাৰে। তাত মায়া নাই, কালৰো প্ৰবেশ নিষেধ। তাত সদায় কেৱল আনন্দই বিৰাজ কৰে। ভক্তই তেওঁৰ সান্নিধ্য লাভ কৰি অনন্ত সুখী হয়।

তেওঁক হৃদয়ত বিচাৰিলেই পায়।

"সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তত্ব নাপাই তোমাক বিচাৰে বাহিৰত॥" (হৰমোহন)

আমি নাজানিহে তেওঁক বাহিৰত অৰ্থাৎ মন্দিৰত, তীৰ্থত বা তথাকথিত পবিত্ৰ ঠাইত বিচাৰোঁ। তেওঁ পৰমাত্মা। আত্মাৰূপে সকলোৰে হৃদয়তে আছে। বাহিৰত খপ্জপাই ফুৰাবিলাকে তেওঁক নাপায়।

"সবাৰো হৃদয়ে বিষ্ণু আছন্ত সাক্ষাত।" (প্ৰহ্লাদ চৰিত্ৰ)

হৃদয়ত তেওঁক লগ পোৱাৰ পিচত ভক্ত সাধকে এই উপলব্ধি লাভ কৰে যে তেওঁ সকলো জীৱৰে হৃদয়ত আছে, আৰু অতিশয় সূক্ষ্মৰূপে বাহিৰ-ভিতৰ সকলোতে আছে।

"বাহিৰে ভিতৰে জানা ইটো জগতৰ।
পৰিপূৰ্ণ ৰূপে আছোঁ পৰম ঈশ্বৰ॥
সবাহাতে আছোহো ঈশ্বৰ অন্তৰ্য্যামী।
জ্ঞানদৃষ্টি চাই মোক ফুৰিবা প্ৰণামি॥" (একাদশ)

জ্ঞান-দৃষ্টিৰে ভকতে তেওঁক সকলোতে দেখা পায়। তেওঁ বিশ্বময়। তেওঁ বিশ্বৰূপী। বিশ্বই তেওঁৰ ৰূপ।

"যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ
হৰিত পৃথক কোনো নোহে।" (হৰমোহন)

যেহেতু ভগৱানে নিজৰ পৰাই জীৱ আৰু জগতক সৃষ্টি কৰিছে, পৰমাৰ্থতঃ সকলোৱেই ভগৱানৰ ৰূপ। উপাদান হিচাপে ঈশ্বৰ আৰু জগতৰ মাজত কোনো প্ৰভেদ নাই। সকলো এক। সেয়ে অদ্বৈতবাদ। (সেই কাৰণেই অদ্বৈতবাদীয়ে জীৱ, জগত আৰু ঈশ্বৰ

একে বুলি কয়; জীৱ আৰু জগতৰ প্ৰকৃত অস্তিত্ব নাই বুলিয়েই কয়। স্বৰূপতে এক ব্ৰহ্ম মাথোন সকলোতে সূক্ষ্মৰূপে আছে। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে শ্ৰীশঙ্কৰদেৱৰ ৰচনাসমূহত এনে কোনো 'বাদ' নাই। দ্বৈতবাদ, অদ্বৈতবাদ আদি অনৰ্থক তৰ্কজাল মাথোন। হয়তো সকলো বাদেই সঁচা; বাক্-বিতণ্ডাহে মিছা।)

হৰমোহনত—

"তুমি কাৰ্য্য কাৰণ সমস্তে চৰাচৰ।
সুবৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ॥
তুমি পশু পক্ষী সুৰাসুৰ তৰুতৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন্ন ভিন্ন॥"

দৰাচলতে সোণ আৰু কঁড়িয়াৰ মাজত কোনো পাৰ্থক্য নাই। সোণেই কঁড়িয়া আৰু কঁড়িয়াই সোণ। জ্ঞানী-ভক্তৰ দৃষ্টিত গোটেই জগত বিষ্ণুময়। তেওঁ সৰ্ব্বত্ৰ সমদৰ্শন বা ব্ৰহ্মদৰ্শন কৰে।

ঈশ্বৰৰ অনন্ত মহিমা। তেওঁক নিঃশেষকৈ কোনে জানিব পাৰে? কোনেও নোৱাৰে। তেওঁ যে অনাদি, অনন্ত। তেওঁক বোধহয় নিজেহে জানিব পাৰে; বোধহয় নিজেও সম্পূৰ্ণকৈ জানিব নোৱাৰে।

"ব্ৰহ্মায়ো নপান্ত অন্ত তোমাক নজানে বেদে
আপুনিও নজানা সমূলি।
এতেক জানিয়া আমি তোমাৰ চৰণে স্বামী
ভজিলোহো জয় জয় বুলি॥" (বেদস্তুতি)

মহাপুৰুষে কীৰ্ত্তনত ঈশ্বৰৰ কথা এইদৰেই কৈছে। আৰু বহুত। এইয়া সামান্য আলোচনা মাথোন। একান্ত ভক্তিমান পুৰুষে তেওঁক পাব পাৰে; তেওঁৰ পৰমানন্দ ৰূপতে বিলীয়মান হব পাৰে; কিন্তু নিমখৰ পুতলাই সাগৰ জুখিব নোৱৰাৰ দৰে, তেওঁৰ অনন্ত মহিমাৰ পাৰ কোনেও পাব নোৱাৰে।

বতাহ চকুৰে নেদেখি। বতাহত গছ-পাত আদি লৰাহে আমাৰ

চকুত পৰে। জুইকো চকুৰে দেখা নাপায়। গছ-বন বা কাঠ-বাঁহত লাগিলেহে জুইৰ অস্তিত্ব আমি দুচকুৰে দেখা পাওঁ। কোনো আধাৰ নোহোৱাকৈ জুই আমাৰ দৃষ্টিগোচৰ হব নোৱাৰে। কাঠৰ মাজতে জুই থাকে, ঘঁহিলে ওলায়। তেন্তে দেখা যায়, জুইৰ দুটা ৰূপ আছে। কাঠৰ মাজত থকা অদৃশ্য ৰূপ আৰু কোনো বস্তুত লাগিলে প্ৰকাশ পোৱা দৃশ্য ৰূপ। কাঠৰ মাজত থকা অদৃশ্যৰূপী জুইক চকুৰে নেদেখাৰ দৰেই, জগত-সংসাৰৰ বাহিৰে-ভিতৰে থকা অব্যক্তৰূপী ঈশ্বৰক আমি চকুৰে নেদেখোঁ—ইন্দ্ৰিয়েৰেও অনুভৱ নকৰোঁ। তেওঁক জ্ঞান-দৃষ্টিৰেহে দৰ্শন কৰিব পাৰি। তাকেই উপলব্ধি (Realisation) বোলে। জুই যেনেকৈ কোনো বস্তুৰ সহায়তহে আমাৰ দৃষ্টিগোচৰ হব পাৰে, সেইদৰে সৃষ্টিৰ মূল আৰু প্ৰকৃত সত্তা ঈশ্বৰো কোনো আধাৰ বা আশ্ৰয়ৰ মাজেদিহে প্ৰকাশিত হব পাৰে। ঈশ্বৰৰ প্ৰকৃত নিৰাকাৰ, নিৰাময় ব্ৰহ্মৰূপ —আমাৰ বাক্য-মনৰ অগোচৰ। সেই ৰূপত তেওঁ অব্যক্ত, অজ্ঞেয়, অপ্ৰমেয়, অনাদি আৰু অনন্ত। কিন্তু তেওঁ এই বিশ্বজগতৰ মাজেদি—সুবিশাল সৃষ্টি-কাৰ্য্যৰ মাজেদি আত্মপ্ৰকাশ কৰিছে। তেওঁৰ অনন্ত মহিমা এই সৃষ্টিৰ মাজেদি কিছু পৰিমাণে হলেও বিকশিত হৈ উঠিছে। সেই আত্মপ্ৰকাশেই বিশ্ব-সংসাৰ সৃষ্টিৰ কাৰণ। অৰ্থাৎ অনাদি, অনন্ত ভগৱানে সৃষ্টিৰ মাজেদি নিজক প্ৰকাশ কৰিবলৈ বিচাৰিছে। "ব্ৰহ্মক জানিবলৈ হলে জগতৰ সৃষ্টি, স্থিতি আৰু লয়ৰ কাৰণ ৰূপেই জানিব লাগিব।" সেয়ে নহয়, বুজিব পাৰিলে জগতেই ঈশ্বৰ। জগতৰ বাহিৰে তেওঁৰ সত্তা বা অস্তিত্ব আমাৰ কাৰণে অচিন্ত্য আৰু অব্যক্ত—অনিৰ্ব্বচনীয়। সমস্ত বিশ্বই তেওঁৰ বিকশিত ৰূপ। তেওঁ বিশ্বৰূপ। সকলোৰে মাজত তেওঁ অদৃশ্যৰূপে আছে। বিশ্বৰ ভিতৰত মানৱ ৰূপৰ মাজেদি তেওঁৰ মহিমা সৰহকৈ প্ৰকাশ পাইছে। সেইকাৰণে আমি মানৱ-সেৱাৰ যোগেদি তেওঁক উপলব্ধি কৰিব পাৰোঁ। মানৱ-সেৱাই

মহাধৰ্ম্ম। মানুহক (আৰু সকলো জীৱকে) বিষ্ণুজ্ঞান কৰিব পৰাটোৱেই ধৰ্ম্মৰ শুদ্ধ-সৰল পথ—জীৱন আৰু কৰ্ত্তব্যৰ সেন্দুৰীয়া আলি।

মানুহক বিষ্ণুজ্ঞান কৰিব পৰাটো সহজ কথা নহয়। তাৰ কাৰণে ভগৱানৰ কৃপা আৰু কঠোৰ, দীঘলীয়া সাধনাৰ প্ৰয়োজন। বিশ্ব-সংসাৰৰ সকলোবোৰ যদি ঈশ্বৰৰ ইচ্ছাত হৈছে বুলি মানো, তেন্তে আমাৰ জীৱনৰ উন্নতি বা আধ্যাত্মিক উৎকৰ্ষ সাধনো তেওঁৰ কৃপাতে—তেওঁৰ ইচ্ছাতে হব বুলি মানিবই লাগিব। দিনে-ৰাতিয়ে, অহৰ্নিশে তেওঁৰ নাম-গুণ গাই থাকি তেওঁতে মন নিমজ্জিত কৰিব পাৰিলেই আমি তেওঁৰ কৃপাৰ পাত্ৰ হব পাৰিম। আমাৰ কাৰণে নামেই ঈশ্বৰ। মহাপুৰুষে একাষাৰতে সমস্ত শাস্ত্ৰৰ সাৰ আৰু ধৰ্ম্মপথৰ নিৰ্দ্দেশ স্পষ্টকৈ দিছে—

"ভাই, মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ॥"

নাম লওঁতে লওঁতে আমাৰ মন শুদ্ধ হব আৰু ভক্তিভাৱ দৃঢ় হব। তেতিয়া সকলোতে বিষ্ণুজ্ঞান উপজিব। ভক্তি সাধনাৰ শেষ স্তৰত মানুহে বুজিব পাৰে যে সমস্ত জগতেই ঈশ্বৰ বা ঈশ্বৰৰ বিকশিত ৰূপ। তেতিয়া তেওঁক সম্পূৰ্ণকৈ জানিবলৈ আৰু অধিক পলম নহয়। চমু কথাত, ভগৱানক জানিবলৈ ভক্তিৰ পথেই শ্ৰেষ্ঠ। ঈশ্বৰৰ গুণ-নাম শ্ৰৱণ-কীৰ্ত্তনেই ভক্তিৰ সুগম পথ।

মহাগুৰু বুদ্ধ আৰু সাধ্বী সুজাতা

বিশ্ববন্দিত মহাগুৰু বুদ্ধই মানৱজাতিৰ মঙ্গলৰ কাৰণে যি সুমহান ত্যাগ আৰু কৰ্ত্তব্য কৰি গল, তাৰ তুলনা নাই। তেওঁ মানুহক চাৰিটা সত্য শিকাই গল। সেই কেইটা হৈছে:—

(১) দুখ—অৰ্থাৎ সংসাৰ দুখেৰে ভৰা। কেৱল মূৰ্খবোৰেহে এই কথা উপলব্ধি কৰিব নোৱাৰে। সংসাৰত য'তেই অলপ সুখ বা আনন্দ আছে, তাতেই দুখো আছে। এয়ে বুদ্ধই শিকোৱা প্ৰথম সত্য।

(২) দুখৰ কাৰণ—বাসনা। জগতত একোৱেই অকাৰণ হব নোৱাৰে। সকলো কাৰ্য্যৰে একোটা কাৰণ থাকে। সংসাৰৰ দুখৰো কাৰণ আছে। সেই কাৰণ—বাসনা। সংসাৰৰ বস্তুবোৰৰ প্ৰতি বাসনা বা সুখৰ তৃষ্ণাই আমাৰ সমস্ত দুখৰ গুৰি। ই হয় আমাৰ অজ্ঞতাৰ দোষত। আমি সত্য এৰি অসত্যক সাৱটি ধৰা কাৰণেই সুখ বিচাৰোঁতে দুখকেহে পাওঁ।

(৩) এই দুখৰ অৱসান হব পাৰে। বাসনাৰ শেষ হলে, আৰু প্ৰকৃত জ্ঞান লাভ হলেই আমাৰ দুখ নাইকিয়া হব। তাৰ উপায় বুদ্ধই দিছে। সেই উপায় হৈছে—অষ্টাঙ্গিক মাৰ্গ অনুসৰণ কৰা। (ক) সম্যক দৃষ্টি (খ) সম্যক জ্ঞান (গ) সম্যক বাক (ঘ) সম্যক ব্যৱহাৰ (ঙ) সম্যক জীৱিকাৰ্জ্জন (চ) সম্যক চেষ্টা (ছ) সম্যক মনন (জ) সম্যক সমাধি—এই কেইটাই দুখ-নিবৃত্তিৰ উপায়। (সম্যক মানে সম্পূৰ্ণ বা উত্তম।)

(৪) দুখৰ নিবৃত্তি অৱস্থাই নিৰ্ব্বাণ। সেই অৱস্থাত সংসাৰ-প্ৰৱাহ বন্ধ হয়; সংসাৰৰ দুখ-তাপ নোহোৱা হয়; বিশ্ব-লীলাৰ লোপ হয়। সংসাৰ-দুখৰ নিৰ্য্যানেই নিৰ্ব্বাণ।

এই কেইটাই বুদ্ধই শিকোৱা সত্য আৰু বৌদ্ধধৰ্ম্মৰ মূলতত্ব। ইয়াৰ ওপৰতে ভিত্তি কৰি বৌদ্ধধৰ্ম্মৰ আটাইবোৰ গ্ৰন্থাদি ৰচিত হৈছে; আৰু ইয়াৰ ওপৰতে ভিৰ দি বিভিন্ন মতবাদবো উদ্ভৱ হৈছে। অৱশ্যে, ভাৰতবৰপৰা বাহিৰলৈ গৈ বৌদ্ধধৰ্ম্মৰ স্বৰূপ ভালেখিনি বিকৃত হৈ পৰিল। আজি হিন্দুৱে বুদ্ধক ঈশ্বৰৰ অৱতাৰ বুলি পূজা কৰে; অথচ বৌদ্ধধৰ্ম্মৰ মানুহ ভাৰতত নাই। ইয়াৰ কাৰণ, বুদ্ধৰ বাণীয়ে প্ৰকৃত ৰূপ এৰি বিকৃত ৰূপ ললে। সি যি কি নহওক, সংসাৰৰ দুখ গুচাবলৈ—জীৱই নিৰ্ব্বাণ বা মুক্তি লাভ কৰিবলৈ মহাগুৰু বুদ্ধই যি ধৰ্ম্মৰ বন্তি জ্বলাই থৈ গল, তাৰে পোহৰত সহস্ৰ-কোটি লোকে সত্যৰ সন্ধান পাইছে, আৰু অগণন জীৱৰ দুখ নিবাৰণ হৈছে।

*　　　　*　　　　*

সুজাতা আছিল এজন ধনী মানী জমিদাৰৰ পত্নী। Light of Asia (এচিয়াৰ জ্যোতি) নামৰ কিতাপত সুজাতাৰ আখ্যান এইদৰে আছে: সুজাতা এগৰাকী সুন্দৰী আৰু পতি-পৰায়ণা ৰমণী। তেওঁৰ স্বামীও গুণৱান পুৰুষ আছিল। চৰিত্ৰশালিনী সুজাতাৰ সান্নিধ্য লাভ কৰি তেওঁ অতিশয় সুখী হৈছিল। তেওঁলোকৰ এটা মাত্ৰ অভাৱ আছিল যে তেওঁলোকৰ পুত্ৰ-সন্তান নাছিল। নানা পূজা-প্ৰাৰ্থনা কৰাতো তাৰ ফল নহৈছিল। শেষত সুজাতাই মনস্থ কৰিছিল যে তেওঁলোকৰ যদি এটি পুত্ৰসন্তান হয়, তেনেহলে ওচৰৰে বন-দেৱতাক এটি অতি উৎকৃষ্ট ভোগ দিব। ইয়াৰ কিছুদিনৰ পিচত সুজাতাই সঁচাকৈয়ে এটি সুন্দৰ পুত্ৰসন্তান লাভ কৰিলে। তেওঁলোক দুয়ো অতিশয় সুখী আৰু সন্তুষ্ট হল। সুজাতাৰ কোনো চিন্তা নাথাকিল।

আগতে মনস্থ কৰামতে সুজাতাই এহাতে এটি সোণৰ পাত্ৰত সযতনে আৰু বহুমূল্যেৰে তৈয়াৰ কৰা পৰমান্নৰ 'ভোগ' লৈ, আনহাতে মৰমৰ পোণাটিক লৈ বন-দেৱতাৰ উদ্দেশ্যে সহচৰীৰ

সৈতে ঘৰৰ বাহিৰ ওলাল। কি আচৰিত! সেই হাবিৰ মাজতে এজোপা গছৰ তলত তপস্যামগ্ন, ক্ষীণকায়, অথচ সৌম্যমূৰ্ত্তি, উদ্ভাসিত জ্যোতিৰে বুদ্ধক দেখা পালে। সুজাতাই ভাবিলে যে বন-দেৱতা তেওঁৰ প্ৰতি প্ৰসন্ন হৈ নিজে ৰূপ ধৰি তেওঁৰ ভোগ খাবলৈ এইদৰে বহি আছে। ভক্তি-ভৰা হৃদয়েৰে সুজাতাই সোণৰ ভোগ-পাত্ৰ বুদ্ধৰ চৰণত নিবেদন কৰিলে।

ইতিমধ্যে অতিশয় তপস্যাৰ ক্লেশ সহ্য কৰিব নোৱাৰি গৌতম বুদ্ধৰ শৰীৰ শুকাই-ক্ষীণাই গৈছিল। সুজাতাৰ নিবেদিত পৰমান্ন ভোজন কৰি তেওঁ বহুখিনি সবলতা লাভ কৰিলে। তেওঁৰ মুখৰ জ্যোতি বহুগুণে চৰিল।

সবলা সুজাতাই সেৱা জনাই সুধিলে—"আপুনি সঁচাকৈয়ে বন-দেৱতা হয়নে?" বুদ্ধই ধীৰে ধীৰে উত্তৰ দিলে—"মই দেৱতা নহওঁ, তোমাৰ এজন ভাইহে। আগতে মই ৰাজকুমাৰ আছিলোঁ, আৰু এতিয়া মই সংসাৰৰ প্ৰকৃত সত্যৰ সন্ধানকাৰী এজন সাধক। মই জীৱনৰ পোহৰ বিচাৰিছো।" তাৰ পিচত তেওঁ সুজাতাক প্ৰশ্ন কৰিলে—"বাৰু সুজাতা কোৱাচোন, তুমি জীৱনত কি পাইছা? জীৱন আৰু জীৱনত পোৱা মানুহৰ মৰম-চেনেহকে লৈ তুমি বাৰু সঁচাকৈয়ে সুখী হৈছানে?"

সাধ্বী সুজাতাই উত্তৰ দি কলে—"পূজনীয় ৰাজকুমাৰ! মোৰ মনৰ কথা কওঁ শুনক। মই অলপতে সন্তুষ্ট। মই জীৱনক লৈ বাস্তৱিকে সুখী হৈছোঁ। মোৰ স্বামী আৰু আদৰৰ ধন কেঁচুৱাটিৰ মৰমৰ মাজত ডুব গৈ থাকি মই সঁচাকৈয়ে সন্তুষ্ট। ৰাতিপুৱা শোৱাৰপৰা উঠিয়েই মই ভগৱানক স্মৰণ কৰোঁ, আৰু মঙ্গলৰ কাৰণে প্ৰাৰ্থনা জনাওঁ। ঘৰুৱা কাম-বন কৰি, আৰু লগুৱা-লিগিৰীহঁতক কাম-কাজৰ দিহা-পৰামৰ্শ দি মই দিনটো সুখেৰে কটাওঁ। মই দুপৰীয়া-গধুলি মোৰ স্বামীক নিজহাতে শুশ্ৰূষা কৰোঁ। আমাৰ এই অকণমান ল'ৰাটিৰ বাবে আমি দুয়ো সুখী।

শাস্ত্ৰই কৈছে যে সৎকৰ্ম্মশালী, পুণ্যৱান আৰু পুত্ৰৱান লোক মৰণৰ পিচত স্বৰ্গগামী হয়। মই শাস্ত্ৰ আৰু মহাপুৰুষৰ বাণীবোৰ সত্য আৰু পৱিত্ৰ বুলি বিশ্বাস কৰোঁ। মই ভাবোঁ যে ভালৰ ফল সদায় ভাল হয় আৰু বেয়াৰ ফল সদায় বেয়া হয়। এই কথা সকলো দেশ, সকলো কাল আৰু সকলো মানুহৰ ক্ষেত্ৰতে সমানে সত্য। মিঠা আমৰ গছত মিঠা আম লাগে, আৰু বিহৰ গছত বিহগুটিয়েই হয়। মৰম-প্ৰীতিৰপৰা বন্ধুতা আহে, আৰু হিংসা-ঘৃণাৰপৰা শত্ৰুতা বাঢ়ে। এয়ে সংসাৰৰ নিয়ম। এই নিয়ম জীৱনত যেনেদৰে সত্য, মৰণতো বা জীৱনৰ পাচতো তেনেদৰেই সত্য বুলি মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ। হয়তো ইহকালত কৰা কামৰ ফল পৰকালত সৰহকৈহে ভোগ কৰিবলৈ পাম। কাৰণ, দেখিবলৈ পাওঁ যে, এটা ধানৰপৰা গজা এজোপা ধানগছত বহুত ধান হয়। সেইদৰেই হয়তো এইকালত কৰা অলপ ভাল কামৰ ফলেৰেই পৰকালত অশেষ সুখ-সম্পদ ভোগ কৰিবলৈ পাম।

"মাননীয় ৰাজকুমাৰ! হয়তো মোৰ জীৱনলৈ হঠাৎ অনেক দুখ-কষ্টও আহিব পাৰে। মোৰ মৰমৰ সন্তানে মোক এৰি যাব পাৰে। মই বৰ দুখ পাম। তেতিয়াও মই মোৰ স্বামীৰ কাৰণে জীয়াই থাকিম। আকৌ, মোৰ স্বামীৰ যদি মৃত্যু হয়, তেওঁৰ লগতে মই হাঁহি-মুখে চিতাত উঠিম। কাৰণ, ধৰ্ম্মশাস্ত্ৰই কৈছে যে, পতিৰ লগত সতী যোৱা তিৰোতাৰ যিমান মূৰৰ চুলি আছে, সিমান কোটি বছৰ তেওঁৰ স্বামীয়ে স্বৰ্গত বাস কৰিব। গতিকে, মোৰ কোনো ভয় নাই; আৰু বিশেষ কোনো দুখ নাই। সংসাৰত অনেক দুখী-দৰিদ্ৰ মানুহ আছে—মই সেই কথা জানো; আৰু তেওঁলোকৰ মঙ্গলৰ কাৰণে সদায় দেৱতাক প্ৰাৰ্থনা জনাওঁ। মই নীতিত (সুনীতিত) বিশ্বাস কৰোঁ, আৰু নীতিমতে চলোঁ। গতিকে মোৰ বিশ্বাস যে মোৰ যি হব, সকলো ভালেই হব; কাৰণ, যিটো ভাল বুলি বুজিছোঁ, মই তাকেহে কৰিছোঁ।"

সুজাতাৰ কথা সিমানতে শেষ হ'ল। বুদ্ধই তেতিয়া ক'লে যে সুজাতাৰ কথাই তেওঁক জ্ঞান দিলে। সুজাতা যেন গুৰুৰো গুৰু। সুজাতাৰ মুখৰপৰা ওলোৱা কথাখিনি শুনাত সহজ হ'লেও তাত মানব-জীৱনৰ উচ্চ আদৰ্শ—জীৱনৰ দৰ্শন নিহিত আছে। সুজাতালৈ চাই তেওঁ মূৰ দোঁৱালে আৰু মঙ্গল কামনা কৰিলে।

মহাগুৰু বুদ্ধ আৰু সাধ্বী সুজাতাৰ কথোপকথনৰ পৰা আমি বাৰু কি শিক্ষা পাব পাৰোঁ? বুদ্ধদেৱে কঠোৰ তপস্যাৰে মহাজ্ঞান —বুদ্ধত্ব লাভ কৰি জীৱৰ দুখ-নিবৃত্তিৰ উপায় দিলে। বুদ্ধৰ প্ৰদৰ্শিত পথে অগণন লোক পোহৰৰ দেশলৈ—নিৰ্ব্বাণৰ জ্যোতিৰ্ম্ময় ধামলৈ আগবাঢ়ি যাব লাগিছে আৰু সদায় গৈ থাকিব। আৰু সুজাতা? সুজাতাই যি পথ অৱলম্বনৰ কথা ক'লে, সেই পথে কোন যাব? সেই পথে গ'লে কোনখিনি পাবগৈ? সুজাতাৰ লক্ষ্যস্থানেই বা ক'ত?

মহাগুৰু বুদ্ধই ক'লে যে "জীৱন দুখেৰেই গঢ়া। দুখৰ কাৰণ বাসনা বা ভোগৰ তৃষ্ণা। এই তৃষ্ণা নুপূৰে। সেই কাৰণেই আমি দুখ পাওঁ।" গতিকে তৃষ্ণাকে দূৰ কৰিব লাগে। ই ছলেৰেই ছল কঢ়াৰ নিচিনা পন্থা। এইমতে, সংসাৰ আৰু জীৱনৰ আন্ধাৰ ফালটোলৈ লক্ষ্য ৰাখি দুৰ্গম বাটেদি পোহৰৰ ৰাজ্যলৈ ধীৰে ধীৰে গৈ থাকিব লাগে। এই পথ দুৰ্গম আৰু কষ্টসাধ্য। ভোগৰ মাজেদি বিৰক্তি কেতিয়াও নাহে। কায়-কষ্ট নকৰাকৈ সংসাৰ-দুখৰ নিৰ্য্যাণ কৰিব নোৱাৰি। বুদ্ধৰ মত বৈৰাগ্যৰ পথ। তেওঁ নিজৰ জীৱনৰ মাজেদিয়েই এই আদৰ্শ প্ৰমাণ কৰি গৈছে।

কিন্তু সুজাতাৰ প্ৰদৰ্শিত বা অনুসৃত পথত পোনপটীয়াকৈ বৈৰাগ্যসূচক আদৰ্শ নাই। এই পথ ভোগ আৰু ত্যাগৰ সংমিশ্ৰণেৰে ৰচনা কৰা হৈছে। সুজাতাৰ ভোগ আছিল; কিন্তু মনত ভোগৰ লিপ্সা বা বাসনাৰ জুইৰ লেলিহান শিখা নাছিল।

সুখ আছিল, কিন্তু তাৰ কাৰণে অদম্য স্পৃহা নাছিল। সুজাতাৰ জীৱনত দুখ-বেজাৰ আছিল; কিন্তু সেয়ে তেওঁক বিচলিত কৰিব নোৱাৰিছিল—সম্পূৰ্ণ অভিভূতা হোৱা নাছিল। সুখ আৰু দুখক সমান চকুৰে চাবলৈ সুজাতাই যত্ন কৰিছিল। ই তেওঁৰ কাৰণে স্বাভাৱিক মনোবৃত্তি আছিল। সুজাতাৰ কাৰণে ধৰ্ম্মৰ কঠোৰ অনুশাসন হয়তো নাছিল; কিন্তু মনে স্বাভাৱিকভাবেই সংযমৰ বন্ধন মানি লৈছিল। কোনো বিষয়তে সুজাতাই যথেচ্ছাচাৰ কৰিবলৈ বিচৰা নাছিল। সুজাতা নীতি-পৰায়ণা আছিল। তেওঁ অজ্ঞাতসাৰেই অন্যায়, অনীতি আৰু অধৰ্ম্মৰ পিছল বাটৰপৰা আঁতৰি ফুৰিছিল।

সুজাতাৰ মনত দয়া আছিল; কিন্তু মায়া নাছিল। মৰম-চেনেহ আছিল; কিন্তু মোহ নাছিল। ভক্তি আৰু শ্ৰদ্ধা আছিল; কিন্তু স্বাৰ্থান্ধতা নাছিল। ভগৱানত বিশ্বাস আছিল; কিন্তু পাৰ্থিব সুখ-সম্পদ লাভৰ অদমনীয় কামনা নাছিল। সুজাতা আছিল শুদ্ধতাৰ পূজাৰিণী। সুজাতাই 'বেয়া' পৰিহাৰ কৰি 'ভাল'বোৰ গ্ৰহণ কৰিছিল। ইয়াত ভোগ আৰু ত্যাগ দুয়োটাই আছে। ই উভয়ৰে সংমিশ্ৰণ।

এই পথে গ'লে মানুহৰ মনলৈ নিৰ্ম্মলতা আহে। মন নিৰ্ম্মল হবলৈ হলে, নিশ্চলতা বা স্থিৰতা লাগে। সুখে-দুখে স্থিৰ, অবিচলিত অৱস্থাত মনলৈ শান্তি আহে আৰু তাৰ চৰম—উচ্চতম অৱস্থাই নিৰ্ব্বাণ। সুজাতা অতি ধীৰে ধীৰে সেই পথেই গৈ আছিল। তেওঁ স্বামী, পুত্ৰ আৰু আত্মীয় মানুহবিলাকৰ স্নেহ-শ্ৰদ্ধাৰ মাজেদি নিজকে ত্যাগ কৰিবলৈ শিকিছিল। পৰক মৰম বিলাই নিজক তৃপ্ত কৰাই ধৰ্ম্মৰ মূল কথা। সেই আত্ম-তৃপ্তিত স্বাৰ্থৰ গোন্ধ নাই। তেতিয়া মানুহৰ ভিতৰত থকা ক্ষুদ্ৰ 'মই'য়ে বিশ্বৰূপ ধাৰণ কৰিবলৈ আৰম্ভ কৰে। দেহ-সৰ্ব্বস্বতাক পৰিহাৰ কৰিব পাৰিলে ক্ষুদ্ৰ 'মই' নোহোৱা হৈ যায়। সেয়ে নিৰ্ব্বাণ—

সেয়ে মুক্তি, সেয়ে ধৰ্ম্ম বা ধৰ্ম্মৰ পথ। মহাগুৰু বুদ্ধই ত্যাগৰ মাজেদি এই 'অহং'টোক বিলুপ্ত কৰি দিবলৈ শিক্ষা দিছিল।

সুজাতাইও জানো তাকেই কৰা নাছিল? তেওঁ সাধ্য অনুসৰি মানৱ-সেৱাৰ যোগেদি জীৱনৰ তৃপ্তি বিচাৰিছিল। তেওঁ পতিৰ লগত সতী যাব, আৰু তেওঁৰ স্বামীদেৱতাই কোটি কোটি বছৰ স্বৰ্গবাস কৰিব—এই বিশ্বাসৰ মাজত যি আত্মত্যাগৰ আদৰ্শ নিহিত আছে, সি বুদ্ধৰ মহান ত্যাগৰ অংশবিশেষ মাথোন। সুজাতাই পৰৰ মাজত নিজক বিলীন কৰি দিবলৈ অজানিতেই কাম কৰি গৈছিল, আৰু প্ৰকৃত ধৰ্ম্মৰ পথতে গতি কৰিছিল।

সুজাতাৰ জীৱনৰ পথ সততা আৰু সাধুতাৰ পথ। দেখাত সুগম হলেও কাৰ্য্যতঃ ই দুৰ্গম। সুজাতাই নিজে জীৱনৰ এই মূল্যবোধৰ চেতনা কিদৰে অনুভৱ কৰিছিল, আমি নাজানোঁ; কিন্তু এইটো জানোঁ যে তেওঁ জীৱনৰ মূল্য সমূলি অস্বীকাৰ কৰা নাছিল; জীৱনক অৰ্থহীন সপোন বুলি গণ্য কৰা নাছিল। সততা আৰু সাধুতাৰ আদৰ্শক জীৱনৰ সত্য তথ্য বুলি তেওঁ গ্ৰহণ কৰিছিল। প্ৰেম-প্ৰীতিকে জগত আৰু জীৱনৰ শ্ৰেষ্ঠতম আৰু সনাতন সত্য বুলি মনে-প্ৰাণে বিশ্বাস কৰিছিল। সাধু জীৱন যাপন কৰাই সুজাতাৰ একমাত্ৰ লক্ষ্য আছিল। সেইকাৰণেই শিৰোনামত 'সাধ্বী [সাধু+(স্ত্ৰী)-ঈ] সুজাতা' বোলা হৈছে।

হাঁহি আৰু চকুলোৰ মধুৰ মিলন—
এয়ে হায় মানৱ জীৱন।

—এইটোও সুজাতাই বুজিছিল; কিন্তু অধৈৰ্য্য নহৈছিল। দুখ বা আন্ধাৰ ফালটোলৈকে চাই চাই হুমুনিয়াহ কাঢ়ি বহি থকা বিধৰ লোক সুজাতা নাছিল। তেওঁ সদায় আগলৈকে আগুৱাই গৈছিল। কাকো দুখ নিদিয়াকৈ সুখী হোৱাৰ চেষ্টা তেওঁ কৰিছিল। পলায়নবাদী বা দুখবাদী মনোভাৱ সুজাতাৰ নাছিল। জীৱনক তেওঁ সত্য আৰু সুন্দৰৰ চকুৰে চাবলৈ শিকিছিল। ধন্য সুজাতা!

সুজাতাই কৰ্ম্মফল মানিছিল। ভালৰ ফল ভাল হোৱা (আৰু বেয়াৰ ফল বেয়া হোৱা) তেওঁ সদায় সংসাৰত দেখি আহিছিল। সেইকাৰণে তেওঁ সিদ্ধান্ত কৰিছিল যে, তেওঁ সদায় ভালকেহে কৰিব; আৰু তাৰ ফল নিশ্চয় ভালেই হব। এই দৃঢ় বিশ্বাসে সুজাতাৰ চৰিত্ৰত যি মহত্ত্ব আৰোপিত কৰিছে, সি পৃথিৱীতকৈ ডাঙৰ, সূৰ্য্যতকৈ উজ্জ্বল, চন্দ্ৰতকৈও সুন্দৰ, ফুলতকৈও ধুনীয়া আৰু জীৱনতকৈও বেচি। মহাজ্ঞানী দাৰ্শনিক পণ্ডিত ৰাধাকৃষ্ণনে কৈছে—Nothing but goodness is good. (অৰ্থাৎ যিটো ভাল, সেয়েহে মাথোন ভাল।) সুজাতাইও দেখোন তাকেই ক'লে। সুজাতা শুদ্ধা আৰু সাধ্বী। জীৱনৰ অৰ্থ বিচাৰি, কৰ্ত্তব্যৰ পথ বিচাৰি, জগতৰ সত্য বিচাৰি, চিৰকাল নানা তৰ্ক-বিতৰ্ক, বাদ-বিসম্বাদ কৰি থকাতকৈ সুজাতাৰ দৰে সততাৰ শুদ্ধ-সৰল পথেদি ধীৰে ধীৰে গৈ থকাই সুগম আৰু উত্তম। সেই পথত গৈ থাকিলেই মানুহ ভগৱানৰ ওচৰ পাবগৈ বা নিৰ্ব্বাণ লাভ কৰিবগৈ। সেয়ে জীৱনৰ পৰম সাধন। তাতেই জীৱনৰ সৌন্দৰ্য্য। তাতেই সত্য-শিৱ-সুন্দৰৰ অনন্ত নিবাস।

সংশয়হীন বিশ্বাস

জগতখন অতি বিশাল। এই বিশালতা কিমান দূৰলৈ বিস্তৃত, সেই কথা মানৱ-মনৰ অগোচৰ। এই সৃষ্টি— আমি যিমানলৈকে দেখিব পাৰোঁ আৰু ভাবিব পাৰোঁ—সেই সৃষ্টি কিমান দূৰলৈকে আছে, তাক মানুহৰ সীমাবদ্ধ জ্ঞান-শক্তিৰে জানিব নোৱাৰি; জানি শেষ কৰিব নোৱাৰি। সৃষ্টিৰ চাৰিসীমা আছেনে নাই, নাই যদি—কি আছে, বা সীমাহীন মানে কি—এই কথা অনুভৱ কৰিবলৈ মানুহৰ মন বা মগজুত উপযুক্ত শক্তিৰ অভাৱ। সৃষ্টি অনাদি আৰু অনন্ত। মানুহে মানুহৰ শক্তিৰে সৃষ্টিৰ সামান্য অংশ এটাৰ কথা মাথোন জানিব পাৰে। তাৰ বাহিৰেও স্থূল আৰু সূক্ষ্মৰূপে সৃষ্টিৰ অনেক অংশ নিশ্চয় আছে যাৰ বিষয়ে মানুহে জানিব নোৱাৰে; কাৰণ সৃষ্টি অনন্ত। অনাদি বোলাৰ অৰ্থ এয়ে যে আমি দেখা বা জনা সৃষ্টিখন পোনতে কেতিয়া সৃষ্টি হল— তাৰ আদি ক'ত আমি নাজানো। আদি নাই কাৰণেই ইয়াৰ অন্তও নাই।

মানুহৰ চিন্তাশক্তিৰ এটি সহজ আৰু সত্য ফল এই যে সকলো কাৰ্য্যৰে একোটা কাৰণ থাকে। কাৰণ নোহোৱাকৈ একো নহয়। গতিকে ই এটা যুক্তিযুক্ত সিদ্ধান্ত যে এই সৃষ্টিৰ—মানুহে জ্ঞানৰ মাপকাঠিৰে জুখিব নোৱৰা এই সীমাহীন জগতৰ এজন স্ৰষ্টা বা মূল কাৰণ আছে। আমি তেওঁক সাধাৰণ দৃষ্টিৰে নেদেখিব পাৰোঁ, সহজ জ্ঞানেৰে তেওঁৰ উমান নাপাব পাৰোঁ, ইন্দ্ৰিয়েৰে তেওঁক অনুভৱ নকৰিব পাৰোঁ; কিন্তু তেওঁ যে আছে সি ঠিক। ই মানুহৰ সহজ জ্ঞানৰ সত্য অনুভূতি। জগতৰ যি মূল কাৰণ, অসীম বিশ্বৰ যিজন অধীশ্বৰ, তেৱেঁই ঈশ্বৰ। সেইজন যেয়ে হওক বা যেনে-

কুৰাই হওক, তেওঁ আছে। তেওঁ জগতৰ কৰ্ত্তা, নিয়ামক আৰু বিধাতা। তেওঁক 'ঈশ্বৰ' বোলা, 'ব্ৰহ্ম' বোলা, 'গড' (God) বোলা, 'ৰাম' বোলা, 'ৰহিম' বোলা বা শূন্য বোলা, কোনো আপত্তি নাই। তেওঁ কিন্তু আছে। সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডৰ সীমা (মনেৰে) পাৰ হব পাৰিলেহে তেওঁক পোৱা যায়—উপলব্ধি কৰা যায়। তেওঁ সহজলভ্য নহয়—দুৰ্লভ। তেওঁক অবিশ্বাস কৰিবলৈ যুক্তি নাই। তেতিয়া হলে মানুহৰ জ্ঞান আৰু চিন্তাশক্তিকে অস্বীকাৰ কৰিব লাগিব।

বিশ্বকৰ্ত্তা ঈশ্বৰ আছে। ই বিশ্বাসযোগ্য। মই বিশ্ব-ব্ৰহ্মাণ্ডৰ আটাইবোৰ ঠাইলৈ বা গ্ৰহ-উপগ্ৰহলৈ যোৱা নাই ; কিন্তু সেইবোৰ আছে বুলি জানোঁ আৰু বিশ্বাস কৰোঁ। সেইদৰেই ঈশ্বৰ আছে বুলিও মই নিঃসংশয়ে বিশ্বাস কৰোঁ। মই জ্ঞান-চকুৰে ঈশ্বৰক দেখা নাই ; কিন্তু 'নাই' বুলি কবলৈ মোৰ কি অধিকাৰ আছে ? সাধক, মহাপুৰুষসকলে ঈশ্বৰক দেখিছে—উপলব্ধি কৰিছে। তেনেকুৱা অনেক মহৎ লোক সকলো দেশতে, সকলো কালতে আছে। জগতৰ ধৰ্ম্ম-শাস্ত্ৰসমূহে ইয়াৰ সত্যতা প্ৰমাণ কৰিছে। মই ঈশ্বৰৰ সাক্ষাৎ লাভ কৰা নাই কাৰণেই 'ঈশ্বৰ নাই' বুলি কেনেকৈ ক'ম ? কিজানি ঈশ্বৰ নাই ; কিজানি ঈশ্বৰ আছে। মই তেওঁক দেখিব লাগিব ; তুমিও তেওঁক দেখিব লাগিব। সকলোৱে তেওঁক দেখিব লাগিব ; আৰু এদিন নহয় এদিন দেখিবই বুলি মই বিশ্বাস কৰোঁ।

ঈশ্বৰ ইন্দ্ৰিয়াতীত। তেওঁক চকুৰে নেদেখি, কাণেৰে নুশুনি। তেওঁ সূক্ষ্মাদপি সূক্ষ্ম। তেওঁ অণুতকৈও অণু। এডাল চুলিৰ আগ এটাক এশ ভাগ কৰি তাৰ এভাগক আকৌ এশভাগ কৰিলে যিমান হয়, তেওঁ তাতোকৈ সূক্ষ্ম। সেই সূক্ষ্মতা আমি অনুমান কৰিব নোৱাৰোঁ। মুঠতে তেওঁ অব্যক্ত—বাক্য-মনৰ অগোচৰ। সেই বুলিয়েই তেওঁ নাইকিয়া হব নোৱাৰে। সাধাৰণ চকুৰে

নেদেখা অনেক বস্তু আছে। সেইবোৰৰ কিছুমানক যন্ত্ৰ-পাতিৰ সহায়ত দেখিব পৰা হৈছে। বহুতক নেদেখি। সেইবুলিয়েই সেইবোৰ নাই নেকি? 'সময়' বোলা বস্তুটোক আমি চকুৰে নেদেখোঁ, বা ইন্দ্ৰিয়েৰে অনুভৱ নকৰোঁ। সেই কাৰণেই 'কাল' বা 'সময়' নাই নেকি? অতীন্দ্ৰিয় আৰু অতিশয় সূক্ষ্ম এখন জগত নাই বুলি কোনে ক'ব পাৰে?

ঈশ্বৰ সূক্ষ্মৰূপে অৱস্থান কৰা কাৰণেই অজলা মানুহে তেওঁক লৈ সদায় বাদ-বিসম্বাদ কৰে, অবিশ্বাস কৰিব খোজে, আৰু মনৰ মাজত ধুৰঁলি-কুৰঁলি অৱস্থা এটাৰ সৃষ্টি কৰে। তথাপি সংসাৰত এবিধ মানুহ সদায় ঈশ্বৰ-সন্ধানী, ঈশ্বৰ প্ৰেমিক, ঈশ্বৰ-বলীয়া। ঈশ্বৰ যদি নাই, তেন্তে মানুহে তেওঁক বিচাৰিব কিয়—তেওঁৰ নামত ব্যাকুল হব কিয়? নোহোৱা বস্তু এটাৰ কাৰণে মানুহৰ ইমান চিন্তা-চৰ্চ্চা কিহৰ গৰজত? কোনো নোহোৱা বস্তুৰ কাৰণে মানুহ ইমান ব্যস্ত হব নোৱাৰে। যি বস্তু-বাস্তৱিকতে নাই, তাকে লৈ জগতৰ ভক্ত, সাধক, মহাপুৰুষসকলে শান্ত, সমাহিত, সুখী আৰু সন্তুষ্ট হব নোৱাৰে। তেওঁ আছে। তেওঁ আমাৰ জীৱনৰো জীৱন, প্ৰাণৰো প্ৰাণ। তেওঁ আমাৰ সকলোবোৰৰে মূল। তেওঁ সকলোতে আছে। তেওঁ জন্মতো আছে, মৰণতো আছে, সুখতো আছে, দুখতো আছে, হাঁহিতো আছে, কান্দোনতো আছে, আন্ধাৰতো আছে, পোহৰতো আছে, আগতো আছে, পাচতো আছে; তেওঁ সৃষ্টিৰ বাহিৰতো আছে, ভিতৰতো আছে; তেওঁ সুচিন্তাতো আছে, দুশ্চিন্তাতো আছে; স্মৃতিতো আছে, বিস্মৃতিতো আছে, বিশ্বাসতো আছে, সন্দেহতো আছে। তেওঁ সকলোতে আছে, আৰু সকলোৰে ওপৰতে আছে। তথাপি তেওঁৰ স্থিতি বহুতৰ কাৰণে সন্দেহজনক। তেওঁক কোনোবাই দেখিছে বা উপলব্ধি কৰিছে—এইটোও বহুতে বিশ্বাস কৰিবলৈ টান পায়। তথাপি তেওঁ আছে।

"হে ঈশ্বৰ, তুমি যদি সঁচাকৈয়ে নাই,
মূৰ্খবোৰে 'নাই' বুলি কাৰ গুণ গায়?"

ঈশ্বৰ যদি নাই, তেন্তে 'নাই' 'নাই' বুলি মানুহে কাৰ কথা কয়? 'নাই' বুলি যাৰ কথা কয়, তেৰেঁই ঈশ্বৰ। ঈশ্বৰৰ নাম নাই (অৰ্থাৎ নামহীন) বা তেওঁৰ নাম 'নাই' (শ্ৰীনাই)।

ঈশ্বৰক শুদ্ধ, নিৰ্ম্মল মনেৰে দৰ্শন কৰিব পাৰি। মুখেৰে ক'লেই নহয় বা যুক্তি-তৰ্কেৰেও নহয়। তাৰ কাৰণে ঐকান্তিক ভক্তি আৰু সাধনা লাগে।

সৃষ্টিখন য'ৰপৰা আৰু যাৰদ্বাৰা সৃষ্ট হৈছে, সহজ কথাত তেৰেঁই ঈশ্বৰ। বিশ্ব-সৃষ্টিৰ উদ্দেশ্য কি, আমি নাজানোঁ। আমি নাজানোঁ বুলিয়েই সৃষ্টি-কাৰ্য্য উদ্দেশ্যবিহীন হব নোৱাৰে। অসীম বিশ্ব মানুহৰ কাৰণেই সৃষ্টি হোৱা নাই। সীমাহীন সৃষ্টিৰ বুকুত মানুহ যে কিমান ক্ষুদ্ৰ! (অৱশ্যে মানুহৰ মাজতে অতি সূক্ষ্মৰূপে —আত্মাৰূপে ঈশ্বৰ লুকাই আছে—সেইয়া বেলেগ কথা।) তুমি-মই ঈশ্বৰক দেখা নাই; কিন্তু তেওঁ আছে; আৰু তেওঁ সৃষ্টি কৰা জগতৰ উদ্দেশ্যও আছে। জগত আৰু জীৱনৰ একোৱেই উদ্দেশ্যহীন নহয়। সকলোবোৰ উদ্দেশ্যবিহীন বুলি কোৱা মানুহ কাণ্ডজ্ঞানহীন নাইবা সংসাৰ-বলীয়া।

'মই' কোন, কিয়, ক'ৰপৰা আহিলোঁ, ইয়াৰ পিচত ক'লৈ যাম—ইত্যাদি অনেক প্ৰশ্ন অনেক মানুহৰ মনলৈ আহে। অৱশ্যে সকলো মানুহৰ মনত এনে প্ৰশ্নই কোনো আলোড়ন সৃষ্টি নকৰে—কোনো দুৰ্ব্বাৰ কৌতুহল জাগ্ৰত নকৰে—ই সঁচা। সংসাৰত কোনো দুটা বস্তুয়েই একে নহয়—একে হবই নোৱাৰে। সংসাৰ বিচিত্ৰতাময়। কিছুমান চিন্তাশীল লোকে জগতৰ আদি-অন্তৰ বিষয়ে, সৃষ্টিৰ দুৰ্জ্ঞেয় ৰহস্যৰ বিষয়ে গভীৰভাবে চিন্তা কৰে। ইয়েই প্ৰমাণ কৰে যে তেনেবোৰ ৰহস্য বা গোপন সত্যৰ সন্ধান মানুহে পাব পাৰে আৰু মানুহক লাগে। এইবোৰ মহাসত্যৰ

সন্ধান মহাপুৰুষসকলে আমাক দি গৈছে। বিশ্বাস কৰিব নোৱাৰিলে আৰু শক্তি থাকিলে সেইবোৰ নতুনকৈ প্ৰমাণ কৰাৰ ভাৰ তোমাৰ-মোৰ নিচিনা মানুহৰ ওপৰত। কাৰ্য্যতঃ প্ৰমাণ নকৰাকৈ আনৰ শুদ্ধ-সৰল বিশ্বাসত আঘাত কৰি কোনো কথা কব নাপায়। নহয় জানো?

মানুহ অসীমৰ অজলা সন্তান। মানুহ অসীমৰ পৰা আহিছে, আৰু অসীমলৈকে উভতি যাব। যদি অসীম, অনন্তৰ পৰা আহা নাই, তেন্তে ক'ৰ পৰানো আহিল? আগলৈ এই আটাইবোৰ ক'লৈনো যাব? যদি কোৱা—শূন্যৰ পৰা আহিছে, আৰু শূন্যলৈকে উভতি যাব, তেনেহলে আমি ক'ম—'শূন্য'ই ঈশ্বৰ। পিচে যিমানেই নহওক, প্ৰথমতে বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰিহে ধৰ্ম্ম বা ঈশ্বৰ-তত্ত্বৰ সত্যতা নিৰূপণ কৰিব পাৰি। প্ৰথমতে বিশ্বাস, তাৰ পিছত প্ৰমাণ। তাকে নকৰি, অনৰ্থক তৰ্কজাল পাতি লাভ নাই।

ঈশ্বৰৰ অস্তিত্বৰ ওপৰত সন্দেহ কৰাৰ এটা প্ৰধান আপত্তি এই যে, ঈশ্বৰ যদি আছে, আৰু তেওঁ পৰম কৰুণাময়, তেন্তে তেওঁৰ সৃষ্ট জগতত ইমান দুখ-যন্ত্ৰণা কিয়? আনন্দময় ভগৱানৰ পৰা দুখ-যাতনা কিয় সৃষ্টি হ'ল? এই প্ৰশ্ন অতি পুৰণি; অথচ মহান, গভীৰ আৰু চিৰ-নতুন। দেশে-দেশে, যুগে-যুগে চিন্তাশীল মানুহে এই প্ৰশ্ন কৰি আহিছে, আৰু আগলৈকো কৰি থাকিব। এই প্ৰশ্ন যাৰ মনত উদয় হোৱা নাই, সেই মানুহৰ মন-বুদ্ধিৰ উপযুক্ত বা পৰ্য্যাপ্ত পৰিমাণৰ বিকাশ নাইহোৱা বুলি বুজিব লাগে। মানুহ জাতিয়ে যদি কেতিয়াবা এই ধৰণৰ প্ৰশ্ন কৰিবলৈ এৰি পেলায়, তেন্তে বুজিব লাগিব যে মানুহ ইতিমধ্যে বহুত তললৈ নামি গল। ঈশ্বৰৰ বিষয়ে, জগত আৰু জীৱনৰ আদি-অন্তৰ বিষয়ে ভাবিব পৰা শক্তি মানুহৰহে আছে। মানুহ সেইকাৰণেই মানুহ।

মহাপুৰুষসকলে সেই প্ৰশ্নৰ উত্তৰত কৈছে, যে সৃষ্টিখন ঈশ্বৰৰ অনন্ত মহিমাৰ এক অপূৰ্ব্ব প্ৰকাশ। সীমাহীন সৃষ্টি-কাৰ্য্যৰ মাজেদি তেওঁৰ মহিমাৰ অলপমান প্ৰকাশ পাইছে। ই তেওঁৰ ধেমালি। ইয়াকে কৰি ঈশ্বৰে ৰং পাইছে। মেকুৰী-পোৱালিয়ে ইটোৱে সিটোৱে কামোৰা-কামুৰি কৰি ধেমালি কৰে; আমি চাই ৰং পাওঁ। আমাৰ সুখ-দুখে ভৰা ধেমালি চাই ভগৱানেও ৰং পাইছে।

অসীম বিশ্বৰ অধীশ্বৰ, অনাদি-অনন্ত ঈশ্বৰৰ ইচ্ছাও অনাদি-অনন্ত হব পাৰে। সেইজন পৰমেশ্বৰৰ ইচ্ছা আৰু মহিমা ক্ষুদ্ৰ মানুহে কেনেকৈ জানিব! সৃষ্টিৰ তত্ব আৰু তেওঁৰ মহিমা (বোধহয়) ভগৱানে নিজেহে ভালকৈ জানে। এই নিগূঢ় ৰহস্য মানুহে আজিলৈকে সম্যক উপলব্ধি কৰিব পৰা নাই, আৰু ভবিষ্যতেও নোৱাৰিব। এই কথাটোকে ঋগ্বেদৰ এটা ঋকত ব্যক্ত কৰা হৈছে—

"ইয়ং বিসৃষ্টিৰ্যত আবভূব যদি বা দধে যদি বা ন।
যোঽস্যাধ্যক্ষঃ পৰমে ব্যোমন্‌ৎসো অংগ বেদ যদি বা ন॥"

১০।২১৯।৭

অৰ্থাৎ এই সৃষ্টি কেনেকৈ হল, এই ৰহস্য যদি ভেদ কৰিব পাৰে, তেনেহলে একমাত্ৰ তেৱেঁইহে পাৰে, যি ইয়াৰ অধ্যক্ষ হৈ পৰম ব্যোমধামত আছে। আন কি, তেৰোঁ নাজানিব পাৰে। (কিজানি তেওঁ জানে, কিজানি তেওঁ নাজানে।)

মুঠ কথা, সংসাৰলৈ দুখ-কষ্ট কিয় আহিল, সংসাৰেই বা কিয় সৃষ্টি হল, মানুহে নাজানে—জানিব নোৱাৰে। সি ইচ্ছাময়ৰ ইচ্ছা। উত্তৰটো যুক্তিপূৰ্ণ।

সৃষ্টিৰ গুপুত ৰহস্য মানুহে নজনাটোহে সম্ভৱ। সেইটো বিষয় সৃষ্টিৰ আগৰ বা সৃষ্টিৰ বাহিৰৰ। সৃষ্টিৰ ভিতৰৰ কথাকে আমি সম্পূৰ্ণে জানিব নোৱাৰোঁ। গতিকে সৃষ্টিৰ মূল বা সৃষ্টিকৰ্ত্তাৰ ইচ্ছাৰ বিষয়ে মানুহে জানিব কেনেকৈ?

সংসাৰত দেখা যায়, কোনোৱে হয়তো অন্যায়ৰ-অধৰ্ম্ম কৰিও ধনী-মানী হৈছে; আৰু কোনোজনে হয়তো ন্যায়বান, চৰিত্ৰবান হৈও জীৱনত অনেক দুখ-কষ্টকেহে পাইছে। ইয়াৰ কাৰণ কি? ইয়াৰ কাৰণে ঈশ্বৰ জগৰীয়া নহয়। ইয়াৰ কাৰণ কৰ্ম্মফল। মানুহে যেনে কৰ্ম্ম কৰে তেনে ফল পায়। বৰ্ত্তমান জন্মৰ আগতো আমি আছিলোঁ, আৰু ইয়াৰ পিচতো আমি থাকিম. কাৰণ, আমাৰ মাজত থকা আত্মা অবিনাশী। কৃত কৰ্ম্মৰ ফল ভোগ কৰিবলৈ—কৰ্ম্মফলৰ বোজা পিঠিত বান্ধি আমি অনেকানেক বাৰ সংসাৰলৈ আহিছো আৰু গৈছো। এই যাত্ৰাৰ আদি বা আঁতিগুৰি আমি নাপাওঁ। ইয়াতে প্ৰশ্ন উঠে, যে এসময়ত যেতিয়া সৃষ্টি নাছিল, ঈশ্বৰে প্ৰথমে জীৱ আৰু জগত সৃষ্টি কৰিলে, তেতিয়া জীৱৰ সেই প্ৰথম জন্মত কৰ্ম্মফল ক'ৰ পৰা আহিল! সৃষ্টিৰ আদিতে জীৱই কোন জন্মৰ কৰ্ম্মফল ভোগ কৰিবলৈ পালে? প্ৰশ্ন নিশ্চয় যুক্তিসঙ্গত। এই প্ৰশ্নৰ উত্তৰো অতি চমৎকাৰ। মানুহৰ চিন্তা আৰু জ্ঞানৰ সুন্দৰ চানেকী!!

এই প্ৰশ্নৰ উত্তৰ এক প্ৰকাৰে ওপৰত দিয়াই হৈছে। সৃষ্টিৰ পূৰ্ব্বকালত জীৱৰ লগত কৰ্ম্মফলৰ সংযোগ প্ৰথমতে কেনেকৈ হ'ল, ক'ৰপৰা আহিল, আমি নাজানোঁ বা জানিব নোৱাৰোঁ। সৃষ্টিৰ আদি অৱস্থাত বা সৃষ্টিৰ পূৰ্ব্বকালত একমাত্ৰ ভগৱানৰ বাহিৰে আন একো নাছিলেই দেখোন। তেতিয়া জানো 'কাল' আছিল? ঈশ্বৰে হয়তো জীৱৰ লগতে কৰ্ম্মকো প্ৰথমতেই সাঙুৰি দিলে। তাকেই বোলে লীলাময়ৰ লীলা।

এই প্ৰশ্নকে আৰু একৰকমে সোধা হয়—কণী আগনে কুকুৰা আগ? প্ৰথমতে কণীৰ সৃষ্টি নে কুকুৰাৰ সৃষ্টি? কণী নহলে কুকুৰা নহয়, আৰু কুকুৰা নহলেও কণী নহয়। তেন্তে সৃষ্টিৰ মূলত কোনটো আগ? তেতিয়াও সেই একে উত্তৰকে দিব লাগিব, যে ঈশ্বৰে প্ৰথমতে তেওঁৰ ইচ্ছামতে কুকুৰা বা কণী যেই সেই

এটা সৃষ্টি কৰি দিলে। ঈশ্বৰে যদি সীমাহীন বিশ্বৰ সৃষ্টি কৰিব পাৰে, তেন্তে তেনে কৰিব নোৱৰাৰ কাৰণ নাই। সমস্ত সৃষ্টি-সংসাৰেই যেতিয়া তেওঁৰ ইচ্ছাত আহিছে আৰু গৈছে, তেন্তে সৃষ্টিৰ ভিতৰৰ সৰু-বৰ সকলো বস্তুতেই একেটা নিয়ম খাটে। সকলো তেওঁৰ ইচ্ছামতে হয়। আটাইবোৰ তেওঁৰ অধীন।......

ইয়াৰ উত্তৰ আৰু একৰকমে দিয়া হৈছে। আমি সৃষ্টিৰ পূৰ্ব্বকাল বুলি যি কথা কৈছোঁ, সি বাৰু কেনেকুৱা? প্ৰকৃততে সি এক কল্পৰ আদি মাথোন। এসময়ত ঈশ্বৰে সৃষ্টিখন তৈয়াৰ কৰা বুলি আমি কৈছোঁ। কিন্তু, তাৰ আগতেনো কি আছিল? কালৰ আদি আৰু অন্ত ক'ত? সৃষ্টিখন তৈয়াৰ হোৱাৰ আগতে ই ক'ত আছিল? সৃষ্টিখন শূন্যৰপৰা আহিল বুলি কলে নহব। কালৰো আদি থাকিব নোৱাৰে। অন্ততঃ, আমি মানুহে কালৰ আদি আৰু অন্ত কল্পনা কৰিব নোৱাৰোঁ। সিদ্ধান্ত এই যে, এক কল্পৰ আগতে বা এবাৰ সৃষ্টিৰ বিকাশ হোৱাৰ আগতে ই সূক্ষ্মৰূপে, ভাৱৰূপে পৰমেশ্বৰত অৱস্থান কৰে। এজোপা প্ৰকাণ্ড বটগছ এটা অকণমান গুটিৰ ভিতৰতে সোমাই থাকে। সেইদৰে ব্ৰহ্মাণ্ড-ৰাশিও কল্পৰ আদিত ঈশ্বৰতে নিহিত থাকে। এই বৰ্ত্তমান সৃষ্টি বা কল্পৰ আগতো একেদৰেই সৃষ্টি হৈছিল, সৃষ্টি লোপ পাইছিল; আৰু কল্প-কল্পান্তৰে এইদৰেই সৃষ্টি-কাৰ্য্য চলি থাকিব। সৃষ্টি-প্ৰক্ৰিয়াৰ আদি বা অন্ত থাকিব নোৱাৰে। প্ৰথম সৃষ্টি বা প্ৰথম কল্প বা জীৱৰ প্ৰথম জন্ম বুলি এটা কথা উত্থাপন হব নোৱাৰে। সৃষ্টি-প্ৰবাহ ঈশ্বৰৰ দৰেই অনাদি আৰু অনন্ত। দুয়োটা জানিবা দুডাল সমান্তৰাল সৰলৰেখা। মানুহৰ জ্ঞানে তাৰ দুই মূৰ ঢুকি নাপায়।

কাল অনাদি, অনন্ত। কালৰ আদি বুলিলে কি বুজায়, আমি ভাবিব নোৱাৰোঁ। তেতিয়া প্ৰশ্ন হব—তাৰ আগতেনো কি আছিল? কালৰ আদি-অন্ত, সৃষ্টিৰ পৰিসীমা আমি নাপাওঁ।

গতিকে, কণী আগনে কুকুৰা আগ, এই প্ৰশ্নৰ উত্তৰ আমাৰ হাতত নাই, বা তেনে প্ৰশ্ন হবই নোৱাৰে। যেতিয়া সৃষ্টি নাছিল, কেৱল ঈশ্বৰহে আছিল, তেতিয়া কাৰ্য্য-কাৰণ সম্বন্ধও নিশ্চয় নাছিল। সেই কাৰণে তাত 'আগ' আৰু 'পিছ' বুলি কোনো কথা উঠিব নোৱাৰে। মানুহৰ সীমিত মনে অৰূপৰ ৰূপ দেখিব নোৱাৰে—অসীমৰ সীমা চুব নোৱাৰে। ই সাধাৰণ কথা।

আমাৰ দৃষ্টিত কাল আৰু সৃষ্টি দুয়োটা অনাদি। অনাদি হলেই অন্তহীন হব লাগিব। ই যুক্তি-সিদ্ধ। কিন্তু সৃষ্টিৰ কৰ্ত্তা পৰমেশ্বৰ তাৰো বাহিৰত—তাৰো ঊৰ্দ্ধত। যেতিয়া সৃষ্টি নাথাকে (হয়তো কেতিয়াবা নাথাকিব) তেতিয়া কালো নাথাকিব, আটাইবোৰ পৰমেশ্বৰতে অৱস্থান কৰিব। (অতিশয় সূক্ষ্মৰূপে।) ঈশ্বৰ সৃষ্টিৰ কৰ্ত্তা আৰু কালৰো বিধতা। সেইজন ঈশ্বৰ চৈতন্যময়—জ্ঞানময়। তেওঁ আনন্দময়। তেওঁ জ্ঞানী নহয়; জ্ঞানেই তেওঁ। তেওঁ আনন্দত থাকে—সেইটো নহয়, আনন্দই তেওঁ। তেৱেঁই জ্ঞান, তেৱেঁই আনন্দ। সংসাৰলৈ আনন্দ আৰু জ্ঞান তেওঁৰ পৰাই নিজৰি নিজৰি পৰিছে। তেওঁ সকলো জ্যোতিৰ জ্যোতি। তেওঁৰ পৰাই সকলোৱে পোহৰ পাইছে। তেওঁ সকলোতে আছে—তেৱেঁই সকলো।

অদ্বৈতবাদী বা মায়াবাদীসকলে এই প্ৰশ্নৰ উত্তৰ আন এক-প্ৰকাৰে দিয়ে। তেওঁলোকে কয় যে, জীৱ আৰু জগত বুলি কোনো বস্তু দৰাচলতে নাই; এক ব্ৰহ্মইহে মাথোন আছে। ব্ৰহ্মৰ বাহিৰে আন একো নাই। আমি অজ্ঞান বা ভ্ৰমতহে জগতখন দেখিছোঁ। মানুহে ভুলতে কেতিয়াবা জৰীডালকে সাপ যেন দেখে। আচলতে জৰীহে সত্য, সাপ অসত্য। যেতিয়া জৰীডাল দেখে, তেতিয়া সাপ নেদেখে; আৰু সাপ দেখিলে জৰী নেদেখে। একেসময়তে যেই সেই এটাহে মাথোন দেখে। সেইদৰে মানুহে ব্ৰহ্ম বা ঈশ্বৰক দেখিলে জগতখন নেদেখে, আৰু

জগত দেখিলে ব্ৰহ্মক নেদেখে। স্বৰূপাৰ্থত, জগতৰ বাস্তৱ অস্তিত্ব নাই। 'ব্ৰহ্ম সত্য, জগৎ মিথ্যা।' জগতখন প্ৰকৃততে নাই। গতিকে জগতৰ দুখ-বেজাৰবিলাকো দৰাচলতে নাই। ব্ৰহ্মক দেখাৰ লগে লগে সকলো নাশ পায়। যেহেতু, এই মুহূৰ্ত্তে নাশ পাব পাৰে, সংসাৰৰ দুখ-কষ্টবোৰ সত্য বস্তু নহয়। (মায়াবাদীৰ এই মত তৰ্কৰ বস্তু হব পাৰে। আমি প্ৰসঙ্গক্ৰমে উল্লেখ কৰিলোঁ মাত্ৰ।)

সসীম জ্ঞানৰ মানুহে ঈশ্বৰক নিশ্চয় জানিব পাৰে; কিন্তু পৰিপূৰ্ণৰূপে নোৱাৰে। মানুহৰ মনে নাম আৰু ৰূপ বাদ দি কোনো কথা ভাবিব নোৱাৰে। গতিকে আমি ঈশ্বৰক কোনো নামেৰে মাতোঁ, আৰু কিবা এটা সাকাৰ ৰূপত উপাসনা কৰোঁ। ঈশ্বৰক উপলব্ধি কৰিবলৈ হলে, এই পন্থাকে নিশ্চয় অৱলম্বন কৰিব লাগিব। অনবৰত চিন্তা কৰোঁতে কৰোঁতে আমাৰ মন ঈশ্বৰময় হৈ যাব। সেয়ে ধৰ্ম্মৰ পথ।

জীৱনৰ পথ বিচাৰি, মৰণৰ অৰ্থ বিচাৰি, মানৱধৰ্ম্মৰ মূলসূত্ৰ বিচাৰি, মহাপুৰুষৰ আদৰ্শকে অনুকৰণ কৰিব লাগিব। ইতৰ জীৱ-জন্তুৰ দৰে খোৱা-শোৱা আৰু সন্তানাদি প্ৰতিপালন কৰাই মানৱ-ধৰ্ম্ম হব নোৱাৰে। মানুহৰ জ্ঞান-বুদ্ধি-বিবেক আছে। ভাল-বেয়া, কৰ্ত্তব্য-অকৰ্ত্তব্য, সুন্দৰ-অসুন্দৰ, ধৰ্ম্ম-অধৰ্ম্ম, ইহকাল-পৰকাল, সত্য-অসত্য, স্বৰ্গ-নৰক, পশুত্ব-মনুষ্যত্ব, নীতি-দুৰ্নীতি, মানুহ আৰু ঈশ্বৰ—এইবোৰ বিষয়ে চিন্তা-চৰ্চ্চা কৰিবপৰা ক্ষমতা মানুহৰে আছে। জীৱনৰ মূল্য আছে। মানুহৰ জীৱন সংসাৰ-অৰণ্যত 'এনেয়ে' ফুলি উঠা আৰু 'এনেয়ে' মৰহি যোৱা এপাহ বনফুল নহয়;—এই সিদ্ধান্ত কৰিবপৰা শক্তি মানুহৰ আছে। অসীমৰ অনন্ত নীলিমাক আকোঁৱালি লবলৈ দুৰ্দ্দমনীয় হেঁপাহ কৰিবপৰা এখন হৃদয়ৰ অধিকাৰী মানুহ। মানুহ মানুহেই; পশু নহয়। গতিকে মানুহ সত্যান্বেষী—সত্যৰ সাধক হবই লাগিব। সেয়ে মানৱ-ধৰ্ম্ম। তাকে সাধন কৰিবলৈকে মানুহ সংসাৰলৈ আহিছে।

মনুষ্য জীৱনৰ 'অহা' আৰু 'যোৱা'ৰ মাজেদি সত্যৰ জ্যোতি প্ৰতিভাত হৈ উঠিবই লাগিব। সেয়ে জগতৰ অৰ্থ, আৰু জীৱনৰ মূল্য। সেয়ে মানুহৰ জীৱন-দৰ্শন।

সসীম মানুহ অসীম ঈশ্বৰৰ সন্তান। জিজ্ঞাসু আৰু আতুৰ হৈ মাতিলেই অসীম সসীমৰ সীমালৈ ন'বি আহিব। লাগে মাথোন শ্ৰদ্ধা আৰু ব্যাকুলতা।

আনন্দ আৰু পৰমানন্দ

সকলো জীৱই সকলো সময়তে আনন্দ বিচাৰিছে। আনন্দ লাভ সকলোৰে লক্ষ্য। যেই কোনো প্ৰকাৰে সকলোকে কেৱল আনন্দ লাগে। সকলোৱে আনন্দ-বলীয়া। মানুহ আনন্দৰ কাৰণেই জীয়াই আছে, আৰু আনন্দৰ আশাতে কেতিয়াবা মৰিবলৈকো বাঞ্ছা কৰে। দুৰাৰোগ্য ব্যাধিগ্ৰস্ত বা দুৰন্ত চিন্তাগ্ৰস্ত মানুহে কেতিয়াবা হয়তো ভাবে—'মৰিলেই ভাল হয়।' মৰিলেই দুখৰ অৱসান হব—সুখ পাব—এই বুলি মানুহে কদাচিত মৰিবলৈকো বিচাৰে। মুঠতে মানুহ আনন্দ-প্ৰয়াসী—আনন্দ পথৰ যাত্ৰী। এই অন্তহীন যাত্ৰাৰ স্বৰূপ কি ?

আনন্দৰ কাৰণেই মানুহে সকলো কৰে। মানুহে মানুহক ভাল পায়—আনন্দৰ কাৰণে। মানুহে মানুহক বেয়া পায়, হিংসা কৰে—আনন্দৰ কাৰণে। ইন্দ্ৰিয়ৰ তৃপ্তি বিচাৰে—আনন্দৰ কাৰণে। চোৰে চুৰ কৰে; তাকে কৰি সি আনন্দ পায়। মানুহে পৰৰ উপকাৰ কৰে; আত্মত্যাগ কৰি তৃপ্তি পায়। তাৰো মূলতে আনন্দ-তৃষ্ণা। এই অসীম আনন্দ-তৃষ্ণা মানুহৰ জন্মগত প্ৰবৃত্তি। ই সকলোৰে লগতে লাগি আছিছে।

ঈশ্বৰ অনন্ত আনন্দৰ আকৰ। তেওঁ অক্ষয় আনন্দ স্বৰূপ। আনন্দই তেওঁৰ নিজা ৰূপ। আনন্দই তেওঁ। সংসাৰলৈ আনন্দ তেওঁৰ পৰাই আহিছে। পিচে, সংসাৰত আনন্দৰ পৰিমাণ অতি কম। আমাৰ শাস্ত্ৰই কৈছে যে, ঈশ্বৰৰ ইচ্ছাত জীৱই পূৰ্ণ আনন্দ ভোগ কৰাৰ পৰা বঞ্চিত হ'ল। জীৱবোৰ পূৰ্ণানন্দময় ঈশ্বৰৰে অংশ। কিন্তু ঈশ্বৰৰ মায়া শক্তিৰ প্ৰভাৱত জীৱৰ পৰমানন্দ অনুভূতি ঢাক খাই পৰিল। ছাইয়ে যেনেকৈ আঙঠাক ঢাকি

থাকে, মায়াইও তেনেকৈ ঈশ্বৰাংশ জীৱৰ অখণ্ড আনন্দৰ দিব্য অনুভূতিক ঢাকি ধৰিলে। শিয়ালৰ গাঁতত আৰু শিয়াল-পোৱালিৰ লগত ডাঙৰ-দীঘল হোৱা সিংহ-পোৱালি এটাই নিজেই দুৰ্ভাগ্যবশতঃ বুজিব নোৱৰা হ'ল যে সি শিয়াল নহয়—সিংহহে। এদিন সিংহ এটা আহি তাক বুজালে যে সি শিয়াল নহয়, সিংহৰ পোৱালিহে। সি কিন্তু একোপধ্যে পতিয়ন যাব নোখোজে। জুৰি এটাৰ পাৰলৈ মাতি নি সিংহই তাক তাৰ মুখখন আৰু ধুনীয়া কেশৰবোৰ দেখুৱালে। তেতিয়াহে সি বুজিব পাৰিলে যে সি সঁচাকৈয়ে সিংহৰ পোৱালিহে। তেতিয়া সি এটা গোজৰণি মাৰিলে। তাৰ শব্দত অৰণ্য কঁপি উঠিল। আমিও তেনেকৈয়ে আমাৰ স্বৰূপ পাহৰি পেলাইছোঁ। আমাৰ ভিতৰতো যে ঈশ্বৰাংশ আত্মা গোপনে বিৰাজ কৰিছে—আমি ভাবিব নোৱৰা হৈ পৰিলোঁ। আমি দেহাভিমানী সামান্য মানুহ। দেহাটোকে আত্মা বুলি মানি আমি তাকে নানাপ্ৰকাৰে সজাই-পৰাই নিজকে ব্যস্ত ৰাখিছোঁ। গেলি-পচি যোৱা মাটিৰ মানুহ-টোকে জীৱন-সৰ্ব্বস্ব বুলি ভাবি আচল 'মই'ক আওহেলা কৰিছোঁ। যিসকল মহাত্মা পুৰুষে আমাক আত্মাৰ সন্ধান দিছে, তেওঁলোকৰ পবিত্ৰ বাণীকো বিশ্বাস কৰিবলৈ টান পাওঁ আৰু উৰাই-ঘূৰাই বাক্-বিতণ্ডা মাথোন কৰি ভাল পাওঁ।

মানুহ (বা জীৱ) বুলিলে তিনিটা বস্তুৰ সমষ্টি—দেহ, মন আৰু আত্মা—এই তিনিওটা লৈহে এটা সম্পূৰ্ণ মানুহ। আত্মা যে আছে তাৰ প্ৰমাণ চকু-কাণ বা বাক্‌চাতুৰী নহয়। পাৰ্থিব জ্ঞান আৰু দৃষ্টিৰে আমাৰ মাজত থকা অবিনাশী আত্মাক জানিব নোৱাৰি। সুদৃঢ় বিশ্বাস আৰু দীঘলীয়া সাধনাৰ বলেৰে সেই আত্মা-ঈশ্বৰক উপলব্ধি কৰিব পাৰি। আত্মা অতিশয় সূক্ষ্ম। আত্মাক অনুভৱ কৰা বাস্তৱিকে অতি দুৰূহ। সেইকাৰণেই মানুহে আত্মাক বা আত্মা-ঈশ্বৰ বিষয়ৰ আলোচনাক আওকাণ

কৰে; বহুতে পৰাপক্ষত গা এৰা দি চলে। আমাৰ শৰীৰতকৈ মন (আৰু ইন্দ্ৰিয়বিলাক) সূক্ষ্ম। মনতকৈও সহস্ৰ গুণে সূক্ষ্ম হৈছে আমাৰ আত্মা। মন অস্থিৰ, চঞ্চল। মনৰ লগত দেহাৰ পোনপটীয়া সম্বন্ধ আছে। দেহাৰ অসুস্থতাত মনও অসুস্থ হৈ পৰে। দেহা ভালে থাকিলে মনো ভাল থাকে। আত্মা কিন্তু স্থিৰ, নিশ্চল, নিৰ্ম্মল আৰু জ্যোতিৰ্ম্ময়। আত্মা জন্ম-মৃত্যুবিহীন।

মনেই সুখ আৰু দুখৰ গুৰি। শৰীৰৰ সহায়ত আমি যি সুখ-দুখ অনুভৱ কৰোঁ, তাৰো মূলতে মন। গৰমৰ দিনত ঠাণ্ডা বস্তু চুই ভাল লাগে। এই সুখানুভূতি মনৰ মাজেদিয়েই হয়। আমাৰ মাজতে লুকাই থকা পৰমানন্দময় অজৰ-অমৰ আত্মাকো নিৰ্ম্মল, শুদ্ধ মনেৰে উপলব্ধি কৰিব পাৰি। চমু কথাত—দেহা, মন আৰু আত্মা—এই তিনিওকে লৈ সুখ বা আনন্দৰ অনুভূতি হয়। গতিকে সুখ মুঠতে তিনি প্ৰকাৰৰ—দৈহিক, মানসিক আৰু আত্মিক বা আধ্যাত্মিক সুখ।

(১) **শাৰীৰিক সুখ**:—জাৰৰ দিনত গৰম কাপোৰ লৈ বা জুইৰ তাপ লৈ ভাল লাগে। ই দৈহিক সুখ। সেইদৰে, পৰিশ্ৰমৰ পিচত বিছনাত পৰি শুই থাকিলে বা গা-মূৰ পিটিকি দিলে আৰাম অনুভৱ হয়। চকুৰে ভাল বস্তু চাই থাকি ভাল লাগে। কাণেৰে শুৱলা সুৰ বা গীত-মাত শুনি ভাল লাগে। নাকেৰে সুগন্ধ লৈ সুখ পোৱা যায়। খোজকাঢ়ি ফুৰাতকৈ যান-বাহনত উঠি ফুৰিলে ভাল লাগে। নিজে কষ্ট কৰি বিচনি মৰাতকৈ অইনে বিচি দিলে বেচি ভাল লাগে। অইন মানুহে বান্ধি-বাঢ়ি খুৱালে আমি সুখ পাওঁ—কাৰণ, আমাৰ নিজৰ শৰীৰত কষ্ট নহয়। স্বাস্থ্য ভালে থাকিলে মনত আনন্দ পোৱা যায়। এইবোৰ শাৰীৰিক সুখৰ উদাহৰণ। শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গৰ সহায়ত আমি এনে সুখ অনুভৱ কৰোঁ।

(২) **মানসিক সুখ**:—মানসিক সুখৰ মূলতে সম্পূৰ্ণ মনৰ

ক্ৰিয়া। ইয়াৰ কাৰণে শৰীৰক কামত নলগালে নহয়; কিন্তু ব্যৱসায়টো মনৰ। যেনে—পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ খবৰ পাই অতিশয় আনন্দ লাগিল। তোমাৰ বন্ধু এজনে এটা ভাল উপাধি লাভ কৰিলে বুলি জানিব পাৰি আনন্দ পালা। এইবোৰ মানসিক সুখৰ উদাহৰণ। পঢ়ুৱৈয়ে কিতাপ পঢ়ি আনন্দ পায়। কবিয়ে কবিতা লিখি, আৰু বৈজ্ঞানিকে গৱেষণাগাৰত পৰীক্ষা-নিৰীক্ষা চলাই আনন্দ পায়। জ্ঞানীয়ে জ্ঞানৰ চৰ্চ্চা কৰি আৰু চিন্তাশীল মানুহে সৃষ্টিৰ গভীৰ, গোপন ৰহস্যসমূহৰ কথাকে চিন্তা কৰি কৰি অপৰিসীম আনন্দ লাভ কৰে। একোজন প্ৰেমিকে হয়তো ৰূপ-যৌৱনহীনা নাৰী এগৰাকীৰ ৰূপতে বিশ্বৰ সৌন্দৰ্য্য দেখা বুলি ভাবে। এইবোৰ বৌদ্ধিক বা মানসিক কাৰ্য্য। তাৰ ফলত পোৱা সুখকে বৌদ্ধিক বা মানসিক সুখ বোলে। ল'ৰা-ছোৱালীয়ে 'মোমাইৰ পদূলিত ঘোঁৰা বান্ধি'য়েই (অৰ্থাৎ মোমায়েকৰ ঘৰলৈ যাব বুলিয়েই) আনন্দত ডং ছেকৰায়। আদৰ্শ-প্ৰিয় মানুহে মনৰ মাজত উচ্চ আদৰ্শ এটাকে পোষণ কৰি পৰম সুখ পায়। তুমি কাৰোবাৰ কথা ভাবি নাইবা কাৰোবালৈ মনত পেলাই আনন্দ পোৱা। পুতেক বিদেশত আছে; অলপতে আহিব—এই আশা কৰি মাক-বাপেকে পোৱা আনন্দ মানসিক আনন্দ। তোমাৰ কিবা ভাল কাম এটাৰ কাৰণে দহজনে প্ৰশংসা কৰিলে। তোমাৰ সেই আনন্দ মানসিক।

শাৰীৰিক আনন্দতকৈ মানসিক আনন্দ উচ্চস্তৰৰ। শাৰীৰিক আনন্দ অতি অল্পকাল মাথোন স্থায়ী। মানসিক আনন্দ সেই অনুপাতে দীৰ্ঘকাল স্থায়ী। জাৰকালি গৰম পানীৰে গা-ধুই পোৱা আনন্দ, পানীখিনি চলাৰ পিচতে নাইকিয়া হয়; কিন্তু মনে-বিচৰা বস্তু এটা পোৱাৰ আনন্দই বহুত পৰলৈকে মনৰ মাজত দোলা দি থাকে। সাধাৰণতে, শাৰীৰিক সুখৰ কাৰণে এজনৰ কাৰণে আন এজনে কষ্ট কৰিবলগীয়া হয়। এজনে

দোলাত বা ঘোঁৰাত উঠি আনন্দ পায়; কিন্তু ঘোঁৰাই বা দোলা-ভাৰীয়ে তাৰ কাৰণে কষ্ট স্বীকাৰ কৰিব লাগে।

(৩) **আধ্যাত্মিক সুখ:**—আত্মাক অনুভৱ কৰিলে, আত্মাক জানিলে, আত্মাত মন নিবিষ্ট হলে, বা আত্মাত স্থিতিলাভ কৰিলে যি আনন্দ পোৱা যায়, তাৰ তুলনা নাই। কোনো পাৰ্থিব আনন্দৰ লগত তাৰ তুলনা হব নোৱাৰে। আত্মা অনাদি আৰু অনন্ত। আত্মা সৃষ্টি হোৱা বস্তু নহয়; গতিকে বিকাৰবিহীন আৰু অবিনাশী।

"অবিনাশী নিত্যধন অমৰণ অভগন
অনন্ত উন্নতিশীল আতমা জানিবা।" —(জীৱনসঙ্গীত)

আত্মাক অস্ত্ৰ-শস্ত্ৰই নাকাটে, জুয়েও নোপোৰে। আত্মা অণু হৈও সৰ্ব্বব্যাপী আৰু সনাতন। আমাৰ প্ৰত্যেক জীৱৰ হৃদয়ত আত্মাৰূপে লুকাই থকাজনেই ঈশ্বৰ। তেওঁক জানিব পাৰি প্ৰেমেৰে—ভক্তিৰে। প্ৰেম-ভক্তিৰ বলেৰে ঈশ্বৰক জানিব পাৰি বা উপলব্ধি কৰিব পাৰি। তেতিয়াই অনন্ত সুখ-সাগৰত নিমজ্জিত হোৱা যায়। সেই সুখৰ অন্ত নাই। সেয়ে বৈকুণ্ঠ। তাত সংসাৰৰ চাপ নাই, দুখ আৰু তাপ নাই; আছে মাথোন অনন্ত স্থিতি আৰু অক্ষয় আনন্দ। সেই মহানন্দ লাভ কৰাই জীৱ-সৃষ্টিৰ উদ্দেশ্য। আমি জানি বা নাজানি সংসাৰত যি আনন্দ বিচাৰি হায়ৰাণ হৈছোঁ, সেই আনন্দ খন্তেকীয়া আৰু অমুষ্ঠুপীয়া। সেই আনন্দক বিজুলীৰ চিক্‌মিকনিৰ লগত তুলনা কৰিব পাৰি। সাংসাৰিক আনন্দই আমাক তৃপ্ত কৰিব নোৱাৰে—আমাৰ মনে প্ৰকৃত শান্তি নাপায়। আমি—আমাৰ মন অসীম আনন্দ-তীৰ্থৰ যাত্ৰী। আমি জানি বা নাজানি যি আনন্দৰ সন্ধানত ৰত হৈছোঁ, তাৰ লক্ষ্য আত্মা—ঈশ্বৰ। জীৱৰ মাজত প্ৰকৃত আনন্দৰ অংশ আছে কাৰণেই জীৱ আনন্দ-বলীয়া। তাকে মাথোন জানি বিচাৰিব লাগিব; নজনাকৈ সংসাৰৰ অসাৰ বস্তুবোৰৰ মাজত

খপ্‌জপাই ফুৰিলে নহব। মন নিৰ্ম্মল হলেহে তাত আত্মা-ঈশ্বৰৰ দিব্যৰূপ স্পষ্টৰূপে দেখা যায়।

সকলো ধৰ্ম্মগুৰু আৰু ধৰ্ম্মশাস্ত্ৰসমূহে এই কথাকে কৈছে। সংসাৰৰ আনন্দক তুচ্ছজ্ঞান কৰি, পৰমানন্দ লাভৰ কাৰণে ব্যাকুল হলেহে তাক পোৱা যায়। ইয়াকে বোলে ধৰ্ম্ম বা ধৰ্ম্মৰ উদ্দেশ্য বা ফল। গভীৰ চিন্তা আৰু অন্তৰ্দৃষ্টিৰ সহায়ত এই কথাৰ সত্যতা প্ৰত্যক্ষভাবে আমি অনুভৱ কৰিব পাৰোঁ। (অৱশ্যে তাৰ কাৰণে সুমেধা আৰু প্ৰযত্ন লাগিব।) তাকে কৰিব নোৱাৰিলে, মহাপুৰুষসকলক আৰু তেওঁলোকৰ বাণীকে বিশ্বাস আৰু সাৰোগত কৰিব লাগিব। পূৰ্ণানন্দ লাভৰ সেয়ে প্ৰকৃষ্ট পথ। অৱশ্যে, কোনোৱে যদি সংসাৰৰ সুখতে আত্মনিয়োগ কৰি সন্তুষ্ট হব পাৰিছে, আৰু পৰমানন্দ লাভত বিশ্বাস স্থাপন কৰিব নোৱাৰে, তেন্তে তেওঁ সংসাৰতে মজি থাকক। যি বিচাৰে সেয়েহে পায়। যি দুৱাৰত টুকুৰিয়ায়, তাৰ বাবেহে দুৱাৰ মুকলি হয়। তাকেহে কয়—

"কল্পতৰু বৃক্ষ যদি সবাতো সমান।
মাগন্তাজনক মাত্ৰ কৰে ফলদান॥"

চাতুর্ব্বর্ণং ময়া সৃষ্টং...

চাতুর্ব্বর্ণ্যং ময়া সৃষ্টং গুণকর্ম্মবিভাগশঃ।
তস্য কর্ত্তাৰমপি মাং বিদ্ধ্যকর্ত্তাৰমব্যয়ম্॥

এইটো গীতাশাস্ত্ৰৰ ৪ৰ্থ অধ্যায়ৰ ১৩শ শ্লোক। ইয়াৰ অৰ্থ এই—গুণ আৰু কৰ্ম্মৰ বিভাগ অনুসাৰে মই চাৰি বৰ্ণৰ সৃষ্টি কৰিছোঁ হয়, কিন্তু মই তাৰ (সৃষ্টি) কৰ্ত্তা হলেও মোক অকৰ্ত্তা আৰু বিকাৰৰহিত বুলি জানিবা।

ভগৱান শ্ৰীকৃষ্ণই এই শ্লোকতে প্ৰসঙ্গক্ৰমে ব্ৰাহ্মণাদি চাৰি বৰ্ণৰ সৃষ্টিৰ উল্লেখ কৰিছে। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ—এই চাৰি জাতিৰ বিভাগ গুণ আৰু কৰ্ম্ম অনুসাৰে হয়। কালৰ গতিত জাতিভেদৰ নীতিত দুৰ্নীতিয়ে ঠাই ললে। ফলত আমাৰ দেশৰ অনেক ক্ষতি সাধন হৈছে। যুগে যুগে জ্ঞানী লোকসকলে ইয়াৰ তত্ব প্ৰকাশ কৰি অজ্ঞানতা দূৰ কৰিবলৈ চেষ্টা কৰি আহিছে। তেনে আলোচনা দুটিমান আগবঢ়োৱা হ'ল।

বঙ্গদেশৰ লিখক বঙ্কিমচন্দ্ৰই তেওঁৰ 'সাম্য' নামে কিতাপত লিখিছে—"পৃথিৱীত যতপ্ৰকাৰ সামাজিক বৈষম্যৰ উৎপত্তি হৈছে, ভাৰতৰ পূৰ্ব্বকালৰ বৰ্ণবৈষম্যৰ দৰে গুৰুতৰ বৈষম্য কেতিয়াও কোনো সমাজত প্ৰচলিত হোৱা নাই।......এই বৈষম্যৰ ফলত ভাৰতবৰ্ষ অৱনতিৰ পথত ঠিয় হ'ল। সকলো উন্নতিৰ মূল জ্ঞানোন্নতি।......বৰ্ণবৈষম্যই জ্ঞানোন্নতিৰ পথ বন্ধ কৰিলে। শূদ্ৰ জ্ঞানালোচনাৰ অধিকাৰী নহয়, একমাত্ৰ ব্ৰাহ্মণ তাৰ অধিকাৰী। ভাৰতৰ অধিকাংশ লোক ব্ৰাহ্মণেতৰ বৰ্ণ। এতেকে অধিকাংশ লোক মূৰ্খ হ'ল।.....

"মানুহ বিষণ্ণ, ব্যস্ত, শঙ্কিত হৈ পৰিল। ব্ৰাহ্মণসকলে লিখে —'সকলো কামেই পাপ—সকলো কামৰে প্ৰায়শ্চিত্ত কঠিন।' তেনেহলে কি বিপ্ৰেতৰ বৰ্ণৰ পাপৰপৰা মুক্তি নাই? পাৰত্ৰিক সুখ কি ইমানেই দুৰ্লভ?······এই ধৰ্ম্মশাস্ত্ৰ-পীড়াৰপৰা কোনে উদ্ধাৰ কৰিব?······"

ইয়াৰ উত্তৰ দি তেওঁ কৈছে যে তেতিয়া বিশুদ্ধাত্মা শাক্যসিংহই অনন্তকাল স্থায়ী মহিমা বিস্তাৰ কৰি ভাৰতাকাশত উদয় হৈ ক'লে —"মই উদ্ধাৰ কৰিম······তোমালোক সকলো সমান। ব্ৰাহ্মণ-শূদ্ৰ সমান। সকলো মানুহেই সমান। সকলোৱেই পাপী; সকলোৰে উদ্ধাৰ সদাচৰণৰ দ্বাৰা। বৰ্ণ বৈষম্য মিছা। যাগ-যজ্ঞ মিছা। ······মিছা ত্যাগ কৰি সকলোৱে সত্য ধৰ্ম্ম পালন কৰা।"·····

এইজন লিখকেই তেওঁৰ গীতাত লিখিছে—"যি ক'ব খোজে যে, আগতে জীৱৰ জন্ম, তাৰ পিচত তাৰ সত্বগুণাদি স্বভাৱ, তেওঁ অৱশ্যেই স্বীকাৰ কৰিব লাগিব যে মানুহৰ ব্ৰাহ্মণত্বাদি বংশানুসাৰে নহয়—গুণানুসাৰেহে। ব্ৰাহ্মণৰ সন্তান হলেই তেওঁ ব্ৰাহ্মণ হব, এনে নহয়। সত্বগুণ-প্ৰধান স্বভাৱ হলে, শূদ্ৰৰ পুত্ৰ হলেও ব্ৰাহ্মণ হব আৰু ব্ৰাহ্মণৰ ল'ৰাৰ তমোগুণ-প্ৰধান স্বভাৱ হলে তেওঁ শূদ্ৰ হব; ভগবৎ বাক্যৰপৰা এয়ে সহজ উপলব্ধি।

"মই যে এটা নতুন মত গঢ়ি নিজে প্ৰচাৰ কৰিছো—সেইটো নহয়। প্ৰাচীন কালত শঙ্কৰ, শ্ৰীধৰ আৰু ঋষিসকলেও এই মত প্ৰচাৰ কৰিছিল।"

এইবুলি তেওঁ মহাভাৰত আৰু গৌতমসংহিতা আদিৰপৰা শ্লোক উদ্ধৃত কৰি ইয়াৰ প্ৰমাণ ডাঙি ধৰিছে। (সেইবোৰ ইয়াত উল্লেখ কৰা নহল।)

গীতাশাস্ত্ৰী শ্ৰীজগদীশচন্দ্ৰ ঘোষে তেওঁৰ শ্ৰীগীতাত লিখিছে— "ব্ৰাহ্মণ সত্বগুণ-প্ৰধান। শম, দম, তপ, শৌচ, ক্ষমা, সৰলতা, জ্ঞান, বিজ্ঞান আৰু আস্তিকতা (ঈশ্বৰ আৰু বেদ আদিত বিশ্বাস)

তেওঁৰ স্বভাৱৰ প্ৰধান গুণ। সেই অনুসাৰে যজন, যাজন, অধ্যয়ন, অধ্যাপনা, দান আৰু প্ৰতিগ্ৰহ—এই ছটা কাম তেওঁৰ কাৰণে নিৰ্দ্দিষ্ট হৈছে। ক্ষত্ৰিয়ৰ প্ৰকৃতি সত্বগুণ মিশ্ৰিত ৰজোগুণ-প্ৰধান। শৌৰ্য্য-বীৰ্য্য আৰু যুদ্ধ-নিপুণতা আদি তেওঁৰ চৰিত্ৰৰ প্ৰধান গুণ। এই কাৰণে······ৰাজ্যৰক্ষা, প্ৰজাপালন আদি কাম তেওঁৰ কাৰণে নিৰ্দ্দিষ্ট কৰিছে। বৈশ্য চৰিত্ৰত তমঃ সংমিশ্ৰিত ৰজোগুণৰ আধিক্য। এই কাৰণে কৃষি-বাণিজ্যাদি তেওঁৰ কাম নিৰ্দ্দিষ্ট হৈছে। শূদ্ৰৰ প্ৰকৃতিত ৰজঃ সংমিশ্ৰিত তমোগুণৰ আধিক্য। তেওঁলোক স্বভাৱতে জড়বুদ্ধি। এইকাৰণে কেৱল পৰিচৰ্য্যাত্মক কাম তেওঁলোকৰ কাৰণে নিৰ্দ্দিষ্ট হৈছে। এইদৰে, ব্ৰাহ্মণৰ জ্ঞান, ক্ষত্ৰিয়ৰ তেজ, বৈশ্যৰ ধন আৰু শূদ্ৰৰ সেৱাৰ দ্বাৰা সমাজ-ৰক্ষাৰ সুশৃঙ্খল ব্যৱস্থা হৈছে।”······

আকৌ কৈছে—“সমাজ মাত্ৰতেই কৰ্ম্মানুসাৰে শ্ৰেণীবিভাগ আছে। যিসকলে ধৰ্ম্ম আৰু জ্ঞানচৰ্চ্চা কৰে, আৰু লোক-শিক্ষা দিয়ে, তেওঁলোকেই ব্ৰাহ্মণ। যিসকলে দেশৰক্ষা কৰে তেওঁলোক ক্ষত্ৰিয়। যিসকলে কৃষি, শিল্প, বাণিজ্যৰ দ্বাৰা দেশৰ অন্ন-বস্ত্ৰৰ ব্যৱস্থা কৰে, তেওঁলোক বৈশ্য; আৰু এই তিনিশ্ৰেণীৰ সাহায্যৰ কাৰণে যিসকলে পৰিচৰ্য্যাত্মক কাম কৰে, তেওঁলোক শূদ্ৰ। এইবোৰ কামৰ ভিতৰত যেয়ে যিহকে গ্ৰহণ কৰে, উপজীৱিকাৰ কাৰণেই হওক, বা যি কাৰণেই হওক, যি কামৰ ভাৰ নিজে গ্ৰহণ কৰে, সেয়ে তেওঁৰ অনুষ্ঠেয় কৰ্ম্ম, তেওঁৰ কৰ্ত্তব্য (Duty), সেয়ে তেওঁৰ স্বধৰ্ম্ম······।” ইত্যাদি।

যুগাচাৰ্য্য স্বামী বিবেকানন্দই জাতিভেদ সমস্যাৰ বিষয়ে বহুত ঠাইত আলোচনা কৰিছে। তেওঁৰ মতে, বৰ্ণভেদ আদি প্ৰথাবোৰ ধৰ্ম্মৰ সৈতে সাঙোৰ খোৱা বুলি বিশ্বাস হলেও, প্ৰকৃততে তেনে নহয়। আচলতে ধৰ্ম্মত কোনো জাতিভেদ নাই বা ধৰ্ম্মৰ লগত ইয়াৰ সম্বন্ধ নাই। বহুতো ধৰ্ম্ম-সংস্কাৰকে জাতিভেদ প্ৰথাক

ধৰ্ম্মীয় ব্যৱস্থা বুলি ধৰি ভুল কৰি গৈছে। (দাৰ্শনিক পণ্ডিত ৰাধাকৃষ্ণণেও এই মতকে প্ৰকাশ কৰিছে।)

বৰ্ণবিভাগৰ পৰিকল্পনাটো প্ৰকৃততে বৰ ভাল। ইয়াৰ যথাৰ্থ মৰ্ম্ম নুবুজা কাৰণে আমাৰ ক্ষতি হৈছে। ব্ৰাহ্মণ মানৱতাৰ চৰম অভিব্যক্তি; আৰু সেইদেখি সমাজৰ প্ৰত্যেকজন মানুহকে ব্ৰাহ্মণত্বলৈ নিয়াই ভাৰতীয় জাতিভেদৰ লক্ষ্য। নিম্নশ্ৰেণীৰ লোকক উন্নত কৰিবলৈ লোৱা ই এটা প্ৰচেষ্টা। ব্ৰাহ্মণ মানে এজন পূৰ্ণ মানৱ। ব্ৰাহ্মণ বুলিলে এজন নিঃস্বাৰ্থ, মহাজ্ঞানী, বিশ্বপ্ৰেমিক, নীতিপৰায়ণ আধ্যাত্মিক লোকক বুজায়। এনেবোৰ মহৎ গুণৰ সমাবেশেই ব্ৰাহ্মণত্ব। তেনে ব্ৰাহ্মণত্বই হিন্দু সমাজৰ আদৰ্শ।

বৈশ্য, শূদ্ৰ আদি জাতিৰ মানুহবোৰে সৎ গুণবোৰৰ কৰ্ষণ বা অনুশীলন কৰি ক্ৰমে ক্ৰমে ওপৰলৈ গৈ থাকিব লাগে। এই যত্ন সমাজত সদায় থাকিব লাগে; আৰু সকলোৱে যত্ন কৰিব লাগে। বিশেষকৈ ব্ৰাহ্মণ বা সমাজৰ শিক্ষাদাতা বা সমাজ গঢ়োতাসকলে তাৰ কাৰণে অহোপুৰুষাৰ্থ কৰিব লাগে। তেনে সমাজত সুখ-শান্তিয়ে বিৰাজ কৰিব; তাত 'ৰামৰাজ্য'ৰ প্ৰতিষ্ঠা হব। জাতি ভেদৰ প্ৰকৃত আদৰ্শ সেয়ে। ব্ৰাহ্মণসকলে অমূলক বংশ-মৰ্য্যাদা পোষণ নকৰি, নিজৰ চৰিত্ৰত আধ্যাত্মিকতাৰ বিকাশ কৰি, অব্ৰাহ্মণবোৰক উন্নত কৰি, মনুষ্যত্ব—ব্ৰাহ্মণত্ব প্ৰমাণ কৰিব লাগিব। তাকো কৰিব লাগিব সেৱকৰ ভাৱতহে—মাতব্বৰী বা অহঙ্কাৰ ভাৱত নহয়। "আধুনিক ব্ৰাহ্মণ সমাজে এই কথা যেন পাহৰি নাযায়—ইয়েই তেওঁলোকৰ ওচৰত মোৰ আন্তৰিক নিবেদন।"

—(স্বামী বিবেকানন্দ)

গুণ আৰু কৰ্ম্ম অনুসাৰে যি বৰ্ণভেদ হয়, সি সুসঙ্গত আৰু কল্যাণকাৰক। ই সকলো কাল আৰু সকলো দেশতে সত্য। এই নিয়মৰ বাহিৰত কোনো থাকিব নোৱাৰে। এই ভেদ স্বাভাৱিক।

আৰ্য্য ঋষিসকলে বা ভগৱান শ্ৰীকৃষ্ণই এই তত্ত্ব বুজিয়েই তাক প্ৰচাৰ কৰিছিল। এই ধৰণৰ প্ৰকৃত বৰ্ণভেদ প্ৰথা অকল ভাৰত কিয়, পৃথিৱীৰ সকলো দেশৰ লোকৰ পক্ষেই স্বাভাৱিক; আৰু তাক সম্যকৰূপে কাৰ্য্যকৰী কৰিব পাৰিলে সৰ্ব্বতোভাৱে মঙ্গল।

ভগৱান শ্ৰীকৃষ্ণই কৰ্ম্মযোগৰ ব্যাখ্যা কৰি কৈছে যে স্বধৰ্ম্ম পালন কৰি সকলোৱে সদ্গতি লাভ কৰিব পাৰে। চাৰি বৰ্ণৰ নিজ নিজ কাম সকলো সমান। তাৰ ফলো সমান। ব্ৰাহ্মণে যজন-যাজনাদি কৰি যি ফল পায়, ক্ষত্ৰিয়ই দেশ বা ধৰ্ম্ম ৰক্ষাৰ কাৰণে যুদ্ধ কৰি সেই একে ফল পায়। এজন মুচিয়ে নিজ কৰ্ত্তব্য হিচাপে জোতা চিলাই কৰি যি ফল লাভ কৰে, এজন ধীবৰে মাছৰ ব্যৱসায় কৰি যি ফল লাভ কৰে, সেই ফল ৰজাৰ ৰাজ্য শাসনৰ ফলতকৈ কোনো প্ৰকাৰে হীন নহয়। অৱশ্যে কাম কৰিব লাগিব অতিশয় নিষ্ঠাৰে সৈতে আৰু নিষ্কাম হৈ। দাসে যেনেকৈ গৃহস্থৰ কাম কৰে, আমিও তেনেকৈ আমাৰ কৰ্ত্তব্য কাম ঈশ্বৰৰ সেৱা বুলি কৰি যাব লাগে; আৰু তাৰ ফলাফল ঈশ্বৰতে অৰ্পণ কৰিব লাগে। তেতিয়াই নিৰাসক্ত হৈ কৰ্ম্মৰ বন্ধনৰ পৰা মুক্ত হব পাৰি; আৰু কৰ্ম্মই হৈ পৰে ধৰ্ম্ম।

মূল প্ৰশ্ন

বিজ্ঞানৰ নতুন নতুন আবিষ্কাৰৰ লগে লগে মানুহৰ ধৰ্ম্ম আৰু ঈশ্বৰ-বিশ্বাস কমি আহিছে বুলি কোনোৱে কব খোজে। আমি হেনো 'অজ্ঞেয় আৰু অদৃশ্যজনকে ঈশ্বৰ নাম দি লৈছোঁ।'* আমি যেতিয়া কিবা এটাৰ কাৰণ বিচাৰি নাপাওঁ, তেতিয়াই ঈশ্বৰৰ নাম কৈ দিওঁ, আৰু সেইটো ঈশ্বৰে কাম বুলি কৈ সান্ত্বনা পাওঁ। গতিকে কিছুমানে হয়তো ভাবে যে মানুহে সদায় তেনে দৈৱিক, অলৌকিক শক্তি এটাৰ ওচৰত মূৰ দোঁৱাই থাকিব নালাগিব; কাৰণ বিজ্ঞানে আটাইবোৰ গোপন ৰহস্যৰ দুৱাৰ এদিন আমাৰ কাৰণে মুকলি কৰি পেলাব। দাৰ্শনিক ৰাধাকৃষ্ণণে এঠাইত ব্যঙ্গাত্মক সুৰত কোনোবাই কোৱা বুলি কৈছে যে জগতত আমি যিমান দুৰ্য্যোগ আৰু দুখ-কষ্টৰ সন্মুখীন হৈ থাকিব লগীয়া হৈছে, তাৰপৰা অনুমান কৰিব পাৰি যে বিশ্ব প্ৰকৃতিৰ যদি কোনো শাসক আছে, তেন্তে সেই শাসকজন অমনযোগী দেৱতা বা ভাগ্য। তেওঁ কেতিয়াও দয়ালু বা মঙ্গলময় হব নোৱাৰে।

বিশাল বিশ্বৰ বুকুত পৃথিৱীৰ স্থিতি আৰু মানুহৰ অৱস্থান ইমান নগণ্য যে ইয়াৰ কিবা মূল্য আছে বুলি কেতিয়াবা ভাবিবই নোৱাৰি। মানুহৰ জীৱন বা পৃথিৱীৰ স্থিতি এটা উপকৰা কথা বা মূল্যহীন ব্যাপাৰ যেনহে বোধ হয়। এই বিশ্বখন অকল মানুহ সৃষ্টি কৰিবলৈকে পৰিকল্পিতভাৱে তৈয়াৰ কোৱা বুলি অনুমান কৰিব পাৰি; কিন্তু বিশ্বাস কৰিব নোৱাৰি। 'মানুহেই জীৱ-সৃষ্টিৰ চূড়ান্ত আৰু চৰম বিকাশ' বুলি কোনোবাই

* ডঃ ৰাধাকৃষ্ণণৰ ৰচনাৰ পৰা

বুকুত হাত দি ক'ব পাৰিবনে? পৃথিৱীলৈ মানুহ অহাই বা কিমান দিন হৈছে?

ঈশ্বৰ বা আত্মাক আমি দেখিব বা চুই চাব নোৱাৰোঁ। কোনোবাই দেখি পোৱাৰো স্পষ্ট প্ৰমাণ নাই যেন লাগে। পাৰলৌকিক, আধ্যাত্মিক জগত এখন আছে যদিও সি ইন্দ্ৰিয়াতীত। গতিকে, সংসাৰৰ এভাগ মানুহে তাক অবিশ্বাস কৰাই স্বাভাৱিক। বিশ্ববৰেণ্য ধৰ্ম্মগুৰুসকলৰ মতবোৰ শুদ্ধ বুলিনো ক'বা কেনেকৈ? তেওঁলোকৰ মাজতে দেখোন বহুত অমিল। নানা মুনিৰ নানা মত। সেই কাৰণে ঈশ্বৰ মানুহৰ কাল্পনিক ৰূপ বুলি কোৱা হয়। মানুহেহে ঈশ্বৰক সৃষ্টি কৰিছে; ঈশ্বৰে মানুহক সৃষ্টি কৰা নাই—এনে এটা কথা আছে। কোনোবা সুচতুৰ মানুহে হেনো সমাজত শান্তি-শৃঙ্খলা ৰক্ষাৰ কাৰণে ঈশ্বৰৰ সৃষ্টি কৰিলে। বাস্তৱ জীৱনতো দেখা যায়, ঈশ্বৰে পোনপটীয়াকৈ কোনো কামকে নকৰে। তেওঁক অতিশয় কাতৰ-কণ্ঠে মাতিলেও তেওঁৰ দৰ্শন পাবলৈ নাই। পুত্ৰহীনা বিধৱাৰ আকুল বিননি তেওঁ দেখোন কাণ পাতি নুশুনে। সুখ আৰু দুখৰ, উন্নতি আৰু অধোগতিৰ কাৰণ ঈশ্বৰ বুলি কবলৈ টান লাগে; কাৰণ তেনে এজন বিশ্ব-নিয়ন্তাৰ নিৰ্দ্দেশত কোনো কাম হোৱা আমি দেখিবলৈ নাপাওঁ। মুঠৰ ওপৰত, ঈশ্বৰ চকু-কাণ আদি পঞ্চেন্দ্ৰিয়ৰ বাহিৰ। সেইকাৰণেই তেওঁৰ ওপৰত সহজতে গভীৰ বিশ্বাস স্থাপন কৰা নহয়। আচলতে ঈশ্বৰেই মহত্তম সত্য; কিন্তু তেওঁ সূক্ষ্মাদপি সূক্ষ্ম। তেওঁৰ বিষয়ে বুজোৱা বা বিশ্বাস কৰোৱা সহজ নহয়। তেওঁৰ বিষয়ে চিন্তা কৰা মানুহৰ সংখ্যাও কম। (অৱশ্যে গভীৰভাবে।)

ধৰ্ম্ম বিষয়ত সন্দেহী লোক সংসাৰত অলেখ। সেই বিষয়ে তৰ্ক-যুক্তিৰো অন্ত নাই। হাজাৰ হাজাৰ গ্ৰন্থ লিখা হৈছে, আৰু হাজাৰ হাজাৰ বছৰ ধৰি তৰ্ক-বিতৰ্ক চলিব লাগিছে। তথাপি

ধৰ্ম্মৰ প্ৰভাৱ জগতত আছে। মানৱ-মনত ইয়াৰ প্ৰভাৱ অপৰি-সীম। অলেখ তৰ্ক-যুক্তিমূলক গ্ৰন্থাদিয়ে মানুহক সন্তুষ্ট কৰিব পৰা নাই। সত্য-সন্ধানী মন নিগূঢ় তত্বৰ সন্ধান পাবৰ কাৰণে সদায় ব্যগ্ৰ আৰু ধাবমান। মৃত্যুতেই সকলোৰে শেষ হয় বুলি সকলো মানুহ সন্তুষ্ট আৰু ক্ষান্ত হৈ থাকিব পৰা নাই। প্ৰাকৃতিক নিয়মানুসাৰে ভোগেই জীৱনৰ চৰম লক্ষ্য বুলি সকলোৱে মানি নলয়। Eat, drink and be merry—(খোৱা, পিয়া আৰু স্ফূৰ্ত্তি কৰা)—এই মতবাদে সকলো শ্ৰেণীৰ মানুহৰে জ্ঞান-তৃষ্ণাৰ নিবৃত্তি কৰিব পৰা নাই। ভোগে আমুৰাবলৈ সৰহ দিন নালাগে। তত্বজিজ্ঞাসু, সন্ধানী মানুহৰ সাধনা আৰু জ্ঞান-চৰ্চ্চাই যীচু, বুদ্ধৰ দৰে অনেকৰ জন্ম দিছে; বেদ-বেদান্ত, গীতা-ভাগৱত, কোৰাণ-বাইবেলৰ সৃষ্টি কৰিছে। আৰু কত কি!

ঈশ্বৰ, আত্মা, পৰকাল আছেনে নাই—এই প্ৰশ্ন অতি পুৰণি। প্ৰশ্নৰ সমাধানো সন্দেহজনক। তৰ্ক আৰু সন্দেহ চিৰকাল থাকেনে নাথাকে নাজানো। কিন্তু মোৰ প্ৰশ্ন ঠিক সেইটো নহয়। ধৰ্ম্মগুৰুসকলৰ ভিতৰত কাৰ কথা কিমান সঁচা, (বোধহয় সকলোৰে বাণীৰ সাৰমৰ্ম্ম একেই), নীতিবাদৰ মূল্য কিমান বা জীৱনৰ কৰ্ত্তব্য কি—এইবোৰ বিষয়ত মতভেদ সদায় আছে। তাত মাত মতা মোৰ উদ্দেশ্য নহয়। মোৰ মনত সদায় এটা প্ৰশ্ন জাগে। মোৰ জনা-নজনা কালৰেপৰা এই প্ৰশ্ন অন্তৰত জাগি আছিছে। তাৰ উত্তৰ বিচাৰি মোৰ মনত ব্যাকুলতাৰ সৃষ্টি হৈছে। সেই প্ৰশ্নৰ উত্তৰ পোৱাৰ আৱশ্যকতা মই মনে-প্ৰাণে অনুভৱ কৰোঁ। এই অভিলাষ স্বাভাৱিক আৰু সঙ্গত। মই মোৰ জীৱন, মন আৰু চিন্তাৰ অস্তিত্ব—নিজৰ মূল্য যিদৰে অনুভৱ কৰোঁ, সেই প্ৰশ্নৰ উত্তৰ পোৱাৰ আৱশ্যকতাও একেদৰেই অনুভৱ কৰোঁ। ই মোৰ সমস্ত সত্তা বিয়পি আছে। ইয়েই যেন মোৰ জীৱন-বৃত্তৰ কেন্দ্ৰ। সেই প্ৰশ্ন হৈছে—এই সৃষ্টিৰ আদি-

অন্ত ক'ত? অসীম বিশ্বৰ সৃষ্টিৰ কাৰণ কি? সৃষ্টিখন কিয় হ'ল, আৰু ক'ৰপৰা হ'ল? আমি (বা 'মই') কিয় সৃষ্টি হলোঁ? সংসাৰলৈ কিয়, ক'ৰপৰা আহিলোঁ, কলৈ যাম? আৰু যামেইবা কিয়? ইয়াতে সদায় নাথাকোঁ কিয়? মোৰ স্থিতি, মোৰ অস্তিত্ব, মোৰ জীৱন, মোৰ মৰণ—মোৰ সকলো—এইবোৰ কি আৰু কিয়? মই আছোঁ, আমি আছোঁ, সমস্ত সৃষ্টি সংসাৰ আছে। কিয় আছে? কেতিয়াবা তুমি, মই নাথাকিম। হয়তো সকলোবোৰেই নাথাকিব। কিন্তু কিয় নাথাকিব? আছেইবা কিয়, আৰু কেতিয়াবা নাথাকিবই বা কিয়? সৃষ্টিৰ অনন্ত (?) প্ৰবাহ—সৃষ্টিৰ অভেদ্য সাঁথৰ কি আৰু কিয়? (কোৱা বাহুল্য যে, প্ৰশ্নবোৰ দেখাত বেলেগ বেলেগ যেন বোধ হলেও মূলতে একেটা প্ৰশ্ন মাথোন।) **একাষাৰতে ক'বলৈ গলে, জীৱন আৰু জগত কিয় সৃষ্টি হ'ল?—এয়ে মূল প্ৰশ্ন।**

কোনোবা বৈজ্ঞানিকে হেনো সন্দেহ কৰিছে যে একালত হয়তো মানুহ নামৰ এজাতি জীৱৰ অস্তিত্বই নোহোৱা হব। হয়তো একালত কোনোবা জন্তুয়েই এই পৃথিৱীত শাসন কৰিব বা আগেয়েও হয়তো কৰিছিল। সিহঁত চিৰদিন থাকিব বুলি ভাবিছিল; কিন্তু নাথাকিল। মানুহেও কিজানি ভুল কৰিয়েই ভাবিছে যে সিহঁত জগতৰ শ্ৰেষ্ঠ জীৱ আৰু চিৰকাল সংসাৰ ভোগ কৰি থাকিব। মানুহৰ চিন্তা, কল্পনা, অনুভূতি—সকলোবোৰ কিজানি ভুলৰ বাহিৰে আন একো নহয়। মানুহৰ নীতি, ধৰ্ম্ম, সততা, ঈশ্বৰ-বিশ্বাস—এইবোৰ কিজানি সমূলঞ্চে অসাৰ্থক আৰু অমূলক। এই আটাইবোৰ কিজানি আকাশকুসুম বা স্বপ্নহে। তেতিয়া কি হব? মই তেনে প্ৰশ্ন কৰা নাই। ঈশ্বৰ, পাপ-পুণ্য, ধৰ্ম্ম-তত্ব আদিৰ আলোচনাৰ প্ৰশ্ন মই তোলা নাই। কৰ্ত্তব্য-অকৰ্ত্তব্যৰ বিষয়েও মতভেদৰ অনৰ্থক খৰিয়াল উপস্থিত কৰিব খোজা নাই। মোৰ প্ৰশ্ন সকলোৰে ওপৰত; আৰু ই সকলো

প্ৰশ্নকে সামৰি লৈছে। ওপৰত কোৱাৰ দৰে নানা প্ৰশ্ন কোনোবাই সুধিলে, মই ঘূৰাই একেটা প্ৰশ্নকে সুধিম যে আমি যিমান দিনেই নাথাকোঁ, বা সংসাৰখন যিমানদিনেই নাথাকক, বা মানুহ জাতিৰ অৱস্থিতি যিমানদিনেই স্থায়ী নহওক, যিমানদিন থাকিম বা থাকিব—সেইকেইদিন থকাৰনো কাৰণ কি? এদিন যাম—সকলো যাব। সেই একেটা প্ৰশ্ন—কিয় যাব, কলৈ যাব, আহিছিল বা কিয়? আমি আছোঁ, নানা প্ৰকাৰে জীৱন ধাৰণ কৰিছোঁ। এইবোৰ কৰিবলৈ পালোঁ কিয়? আমি দেখা, শুনা আৰু অনুভৱ কৰাবোৰ কি? সেইবোৰৰ আদি ক'ত, অন্ত ক'ত? সমস্ত সৃষ্টিৰ মূল ক'ত?

বিজ্ঞানে নতুন নতুন আবিষ্কাৰ কৰিছে, আৰু সদায় কৰি থাকিব। বৈজ্ঞানিকে জগতৰ ভিতৰৰ কথাহে কয়, আৰু জগতৰ ভিতৰত থকা বস্তুৰ সহায়তহে নতুন বস্তু তৈয়াৰ কৰে বা নতুন তথ্য আবিষ্কাৰ কৰে। কিন্তু সৃষ্টিৰ মূলীভূত পদাৰ্থ বা গোটেই সৃষ্টিখন বৈজ্ঞানিকৰ গবেষণাগাৰৰ ভিতৰত নাই; থাকিব নোৱাৰে। গতিকে সৃষ্টিখন কিয় হ'ল, ক'ৰপৰা হ'ল—এই প্ৰশ্নৰ উত্তৰ বিজ্ঞান আৰু বিজ্ঞানীৰ হাতত নাই।

ইয়াৰ উত্তৰ দিব পাৰে দৰ্শনে। সেইকাৰণেই কোৱা হয় যে বিজ্ঞানৰ য'ত শেষ হৈছে, তাৰপৰাই দৰ্শনৰ আৰম্ভ হৈছে। এইবোৰ প্ৰশ্নৰ যথাৰ্থ আৰু সন্তোষজনক উত্তৰ জ্ঞানী মানুহে পাব পাৰে, আৰু পাইছে বুলি মই ভাবোঁ। ধৰ্ম্মৰ নিগূঢ় ৰহস্য-সমূহৰ আৰু পৰমেশ্বৰৰ প্ৰত্যক্ষ উপলব্ধি বা দৰ্শন মানুহে লাভ কৰিব পাৰে বুলি মই নিৰ্ব্বিবাদে মানি লওঁ, আৰু অইনেও মানি লোৱাটো মই ভাল পাওঁ। মই আছোঁ, মই চিন্তা কৰিছোঁ—এইকথা যিদৰে বেলেগে প্ৰমাণ কৰাৰ আৱশ্যকতা নাই, মোৰ সহজ-সৰল বিশ্বাসকো কোনো যুক্তিতৰ্কেৰে বা আন উপায়েৰে প্ৰমাণ কৰিব নালাগে। মনীষীসকলে কৈছে যে 'ব্যক্তিগত

অভিজ্ঞতাই ধৰ্ম্মৰ প্ৰাণ আৰু প্ৰমাণ।' এই মৃত্যুশীল শৰীৰৰ যোগেদিয়ে মানুহে পৰম সত্য বা আধ্যাত্মিক জীৱনক আবিষ্কাৰ আৰু উপলব্ধি কৰিব পাৰে। ই এক অতীন্দ্ৰিয় অনুভূতি। ঈশ্বৰৰ লগত মানুহৰ সাক্ষাৎ বা যোগাযোগ সাধনৰ কথা অকল এটা যুগতে বা এখন দেশতে আবদ্ধ নহয়। "এনে প্ৰমাণ ইমান বিশাল আৰু বিস্তৃত যে তাৰপৰা আঁতৰি যাবৰ কোনো উপায় নাই।......ইয়াৰ প্ৰমাণ বা অৰ্থৰ কাৰণে ই বাহিৰৰ একোলৈকে অপেক্ষা কৰিব নালাগে। ই স্বতঃসিদ্ধ আৰু স্বয়ং-প্ৰকাশ।...... এনেকুৱা অভিজ্ঞতাৰ অৰ্থ লৈ যিমানেই হাই-কাজিয়া নকৰোঁ, আমি কিন্তু এই অভিজ্ঞতাৰ বাস্তৱতা সম্বন্ধে কোনো সন্দেহ কৰিব নোৱাৰোঁ।"। (ৰাধাকৃষ্ণণ)

এইয়া গভীৰ অন্তৰ্দৃষ্টিৰ কথা। এক অনিৰ্ব্বচনীয় অভিজ্ঞতা, য'ত "সমস্ত অনুভূতি বিলীন হৈ যায়।" এনে উদাহৰণৰ অভাৱ বিশ্বসাহিত্যত নাই।

আৰ্য্য ঋষি-মনীষীসকলৰ কথাকে মই ক'ব খোজোঁ। তেওঁলোকৰ মনত সৃষ্টি-ৰহস্যৰ হাজাৰ প্ৰশ্নই জুমুৰি দিছিল। জীৱনক সম্পূৰ্ণৰূপে জনাৰ আগ্ৰহৰ আতিশয্যত তেওঁলোক ব্যাকুল হৈ পৰিছিল। অপৰিসীম জ্ঞান-চৰ্চ্চা আৰু কঠোৰ সাধনাৰে তেওঁলোকে মহান প্ৰশ্নসমূহৰ উত্তৰ বিচাৰি পাইছিল—সমস্যাৰ সমাধান কৰিছিল। তাৰেই ফলস্বৰূপ—বেদান্ত, বেদ, গীতা-ভাগৱত আদি মহান আৰু পৱিত্ৰ গ্ৰন্থসমূহ। যাক জানিলে সকলো জনা হয়, তেওঁক তেওঁলোকে জানিছিল। তেওঁক ব্ৰহ্ম বোলা, পৰমেশ্বৰ বোলা, পূৰ্ণতা বোলা, বিহকে নোবোলা, কোনো আপত্তি নাই। তেৱেঁই সকলো প্ৰশ্নৰ উত্তৰ। তেৱেঁই সকলোৰে আদি আৰু অন্ত। তেৱেঁই "মানৱ-সত্তাৰ সত্য আৰু পৰম অৱস্থা।" সেয়ে সচ্চিদানন্দ, জগতৰ আদি কাৰণ—অনাদি কাৰণ—

"কাৰণৰো কাৰণ তুমিসে অকাৰণ।" —দশম

তেওঁক জানিবলৈ বা মূল প্ৰশ্নৰ উত্তৰ পাবলৈ যত্ন কৰাই ধৰ্ম্মৰ পথ বা ধৰ্ম্ম।

এয়া মোৰ বিশ্বাস। অৰ্থাৎ মই মহাপুৰুষসকলক আৰু তেওঁলোকৰ বাণী ধৰ্ম্মশাস্ত্ৰসমূহক জ্ঞান-বিশ্বাসেৰে সত্য বুলি মানো। বেদৰ বাণীক আপ্ত-বাক্য বোলে। আপ্ত মানে অভ্ৰান্ত ঋষিবাক্য। তাক বেলেগে প্ৰমাণ কৰিব নালাগে। ই প্ৰত্যাদেশ বা revealation. এইয়া সমাধিলব্ধ জ্ঞান—পৰিপূৰ্ণ সত্যৰ জ্যোতিৰ্ম্ময় প্ৰকাশ।

কাম আৰু কৰ্ম্মযোগ

মানুহৰ জীৱন কৰ্ম্মময়। জন্মৰেপৰা মৃত্যুলৈকে কাম নকৰাকৈ কোনো থাকিব নোৱাৰে। কাম জীৱৰ লগতে লাগি আহিছে। খোৱা-পিন্ধা, হঁহা-কন্দা, ফুৰা-চকা, উঠা-বহা, ভবা-চিন্তা কৰা, শৌচ-প্ৰস্ৰাৱ কৰা আদি সকলোবোৰেই কাম। আনকি উশাহ-নিশাহ লোৱাও কামৰ লেখত পৰে। সেইকাৰণেই কোৱা হৈছে যে কাম নকৰাকৈ কোনো এখন্তেকো থাকিব নোৱাৰে। মুঠৰ ওপৰত, জীয়াই থকাটোৰেই অতি ভয়ঙ্কৰ কাম। অন্য কথাত কবলৈ হলে, জীয়াই থাকিবৰ কাৰণে যি কৰা হয়, সেই সকলোবোৰেই কাম।

প্ৰত্যেক কামৰে ফল আছে। ই সৃষ্টিৰ অখণ্ডনীয় নিয়ম। সাধাৰণ কামবিলাকৰ ফল আমাৰ চকুত নপৰিব পাৰে, বা আটাইবিলাক কামৰ ফলেই আমাৰ অজ্ঞাতে ফলিব পাৰে, কিন্তু ফল অৱশ্যম্ভাৱী। আমাৰ হাতটো বা আঙুলিটো এফালে লৰচৰ কৰাৰো ফল আছে। মনেৰে কৰা অকণমান চিন্তা এটাৰো উপযুক্ত ফল ফলিবই। ইয়াৰ গত্যন্তৰ নাই। গতিকে এইদৰেও কব পাৰি যে যিহৰে একোটা ফল আছে, তাকেই কৰ্ম্ম বোলে। এই ফল অতিশয় সূক্ষ্মৰূপে মন-সাগৰৰ তলিত অৱস্থান কৰে, আৰু জীৱনৰ শেষত এই জীৱনত কৰা আটাইবোৰ কামৰ ফল স্বৰূপেই ইয়াৰ পিচৰ জন্ম বা জীৱনৰ গতি নিৰ্দ্ধাৰিত হয়; অৰ্থাৎ, এই জন্মত কৰা কামৰ ফল অনুসৰিয়েই মানুহে পিচৰ জন্মত ভাল বা বেয়া অৱস্থাত জন্মলাভ কৰে, আৰু সুখ-দুখ ভোগে।

ভাল কামৰ ভাল ফল আৰু বেয়া কামৰ বেয়া ফল আমি নিশ্চয় ভুগিব লাগিব। কৰ্ম্মফলৰ হাত কোনেও সাৰিব নোৱাৰে।

এদিন নহয় এদিন মানুহে কৃতকৰ্ম্মৰ ফল ভোগ কৰিবই কৰিব। এয়েই কৰ্ম্ম-বন্ধন। সকলো কৰ্ম্মৰ ফলে জীৱক বান্ধে। কৰ্ম্মৰ ফল ভোগ কৰিবলৈকে জীৱবোৰ সংসাৰলৈ আয়াযাত কৰে। সৎ কৰ্ম্মৰ ফল ভোগ কৰিবলৈ উচ্চলোকত আৰু অসৎ কৰ্ম্মৰ ফল ভোগ কৰিবলৈ নীচলোকত জন্ম হয় বুলি শাস্ত্ৰই কৈছে। কৰ্ম্মৰ বান্ধোনৰপৰা মুক্ত হব পাৰিলে জীৱ সংসাৰলৈ আহিব লগীয়া নহয়; আৰু জন্ম-মৰণৰ দুখ-যাতনাৰপৰা মুক্তি পায়। এইটো ঠিক যে ভাল কামৰ ফল ভোগ কৰিবলৈকো জীৱ সংসাৰলৈ আহিব লাগিব। উপমাৰে ক'ব পাৰি যে লোহাৰ শিকলিও শিকলি, আৰু সোণৰ শিকলিও সেই শিকলিয়েই। দুয়ো বান্ধে। ভাল আৰু বেয়া দুয়োবিধ কৰ্ম্মই বন্ধন বা জন্ম-মৃত্যুৰ কাৰণ।

ইয়াৰপৰা মুক্ত হবৰ উপায় কি? মহাশাস্ত্ৰ গীতাই এই বিষয়ে আলোচনা কৰিছে। ভগবান শ্ৰীকৃষ্ণই কৰ্ম্মৰ মাজেদিয়েই কৰ্ম্ম-বন্ধনৰপৰা মুক্ত হোৱাৰ উপায় দিছে।—

সংসাৰত কোনো কামেই দোষশূন্য নহয়। জুইৰ লগত যেনেকৈ ধোঁৱা থাকে, সেইদৰে সকলো কামতে কিবা অলপ নহয় অলপ দোষ থকাটো স্বাভাৱিক। তথাপি কাম কৰিব লাগিব। কাম নকৰি নিষ্কৰ্ম্মা হৈ থাকিলে আমাৰ জীৱনযাত্ৰাই হয়তো অচল হৈ পৰিব। আকৌ, হাত-ভৰি আদি কৰ্ম্মেন্দ্ৰিয় কেইটাক কামত নলগালেই যে কাম কৰা নহল, তেনে নহয়। কৰ্ম্মেন্দ্ৰিয়ৰ দ্বাৰা কাম নকৰি, মনেৰে সংসাৰৰ চিন্তা কৰি থাকিলেও কাম কৰা-নকৰা সমান হয়। (ঈশ্বৰৰ চিন্তা কৰিবলৈ বহি যদি মনেৰে বিষয়-চিন্তা কৰা হয়, তেন্তে সেইয়া ঈশ্বৰ-চিন্তা হ'ল নে, দুৰ্ঘোৰ সংসাৰ-চিন্তা হ'ল? অৰ্থাৎ, বাহিৰে দেখাটোৱেই প্ৰকৃত কাম নহয়, তাত মনৰ সংযোগ লাগে।) প্ৰকৃত কথা হৈছে যে, কৰ্ম্মৰ ফলৰ প্ৰতি মনত আসক্তি বা অনুৰাগ নোহোৱাকৈ কৰ্ত্তব্য কৰি যাব লাগে। কাম কৰিব লাগে, কিন্তু মনেৰে তাৰ

ফল বাঞ্ছা কৰিব নালাগে। এয়ে গীতাশাস্ত্ৰ তথা ভগৱান কৃষ্ণদেৱৰ কৰ্ম্মযোগৰ আদৰ্শ।

কোনোৱে হয়তো স্বৰ্গসুখ বাঞ্ছা কৰি তপ-জপ-যজ্ঞ আদি অনেক পুণ্যকৰ্ম্ম সম্পাদন কৰে। কোনোৱে হয়তো ধন-মান-যশ আদি লাভৰ আশাত জীৱনত অনেক কাম কৰে। এইবোৰ কৰ্ম্মৰ ফলে নিশ্চয় সংসাৰত মেৰিয়াই বান্ধিব। সেই ফল ভোগ কৰিবৰ কাৰণে সংসাৰত ভ্ৰমিব লাগিব। তপ-জপ-যজ্ঞ আদি শুভ কৰ্ম্মৰ ফলস্বৰূপে স্বৰ্গলাভ হলেও, অনেক কালৰ পিচত স্বৰ্গৰপৰা তললৈ খহি পৰিব লাগিব। স্বৰ্গসুখ অনন্ত নহয়। কোনো কামৰে ফল অনন্তকাল স্থায়ী হব নোৱাৰে। গতিকে কোনো অভিপ্ৰায় লৈ কাম কৰিব নালাগে। কামৰ ফল কামেই বুলি ভাবি কাম কৰি যাব লাগে। কৰ্ত্তব্য কাম কৰি যি আনন্দ পোৱা যায়, তাৰ কাৰণেই কৰ্ত্তব্য কৰিব লাগে। ঠিকমতে কৰিব জানিলে কৰ্ত্তব্য কৰি বিমল আনন্দ পোৱা যায়। কোনোবাই যদি কাম কৰি আনন্দ অনুভৱ কৰা নাই, তেন্তে সেইয়া তাৰ নিজৰ মূৰ্খামি। সেই মানুহৰ কাম কৰাৰ মনোবৃত্তি বা অনুভৱন শুদ্ধ হোৱা নাই বুলি বুজিব লাগিব। ভাল কাম কৰিলে ভাল—সেই কাৰণেই তাক কৰিব লাগে। তাৰ অন্য কোনো ফলাকাঙ্ক্ষা থাকিব নালাগে। স্বধৰ্ম্ম সাধনত, অৰ্থাৎ নিজৰ কৰ্ত্তব্য কৰ্ম্ম সম্পাদন কৰাত কিবা দোষ হলেও সি লেখত নপৰে; যেহেতু দোষশূন্য কাম সংসাৰত নাই। গতিকে স্বধৰ্ম্ম বা স্বকৰ্ত্তব্য চকু মুদি কৰি যাব লাগে। তাৰ ফলত অকল আনন্দই নহয়, মহাজ্ঞানো লাভ হয়। সেই জ্ঞানে জীৱক সংসাৰ-মুক্ত কৰে।

গীতাৰ ২য় অধ্যায়ৰ ৪৭ নং শ্লোকৰ দুটা মাথোন শাৰীতে কৰ্ম্মযোগৰ বা কৰ্ম্মপ্ৰণালীৰ মূল সূত্ৰটি পৰিষ্কাৰভাৱে কোৱা আছে—

কৰ্ম্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন।
মা কৰ্ম্মফলহেতুভূৰ্মা তে সঙ্গোঽস্ত্বকৰ্ম্মণি॥

অৰ্থাৎ, কৰ্ম্মতহে তোমাৰ অধিকাৰ, ফলত তোমাৰ অধিকাৰ কেতিয়াও নাই। কৰ্ম্মফল লাভৰ আশাত যেন তুমি কৰ্ম্মত প্ৰবৃত্ত নোহোৱা; আৰু কৰ্ম্ম নকৰিবলৈকো যেন তোমাৰ প্ৰবৃত্তি নহয়।

কৰ্ত্তব্য কাম নিষ্কামভাৱে কৰাটো অৱশ্যে টান। কিন্তু অভ্যাস কৰিলেই সকলো আয়ত্তাধীন হৈ পৰে। ধনী মানুহৰ ঘৰৰ চাকৰ-বাকৰে মূৰৰ ঘাম মাটিত পেলাই কাম কৰে। ফলত গিৰিহঁতৰ ভঁৰাল ভৰে, সিহঁতৰ একো লাভ নহয়। আকৌ, কিবা কাৰণত যদি পথাৰত খেতি নহয়, তেতিয়াও সিহঁতৰ একো ক্ষতি নহয়; হব গিৰিহঁতৰহে। সিহঁতে কেৱল গিৰিহঁতৰ কামহে কৰে, লাভ-ক্ষতিৰ কথা চিন্তা নকৰে। আমিও সেইদৰে আমাৰ যাবতীয় কামবোৰ ভগৱানৰ কাম বুলি নিষ্ঠাৰে সৈতে একাণপৰা কৰি গৈ থাকিব লাগে। আমি তেওঁৰ ভৃত্য।—ভৃত্যই স্বামীৰ কাম কৰিবই লাগে—সেই ভাবতে আমি কৰ্ত্তব্য কৰা উচিত। তেতিয়া কৰ্ম্মৰ ভাল-বেয়া ফলে আমাক বান্ধিব নোৱাৰে। এইদৰে নিঃস্বাৰ্থভাৱে কাম কৰিলে মনত শক্তিও পোৱা যায়। মাক-বাপেকে সন্তানৰ কাৰণে কিমান পৰিশ্ৰম কৰে। অথচ তাতেই আনন্দ আছে; আৰু সন্তানৰ প্ৰেমত আপ্লুত হৈ কাম কৰা কাৰণে মনত বল পোৱা যায়—কাম কৰি ভাগৰ নালাগে—বিৰক্তি বোধ নহয়। সকলো কাম এইদৰে কৰিবলৈ শিকিব আৰু অভ্যাস কৰিব লাগে।

সাধাৰণতে কোনো কামত কৃতকাৰ্য্য হলে আমি আনন্দ পাওঁ, আৰু অকৃতকাৰ্য্য হলে মনত বেজাৰ পাওঁ। কৰ্ম্মৰ বা কৰ্ম্মফলৰ প্ৰতি আসক্তি থকা কাৰণেই এনে হয়। আকৌ, টান কাম হলে আমি তাক কৰিবলৈ এলাহ কৰোঁ বা বহুসময়ত নিষ্কৰ্ম্মা হৈ বহি থাকিয়েই সময় কটাই ভাল পাওঁ। এনে কৰাটো অধম বা

তামসিক প্ৰবৃত্তিৰ মানুহৰ লক্ষণ। কোনো কাম টান বুলি ভাবিবৰ আৱশ্যক নাই, কামৰ আৱশ্যকতাহে আচল কথা। নিজৰ আৰু দহৰ মঙ্গলৰ কাৰণে যি কাম কৰাৰ দৰকাৰ ,তাক মনে-প্ৰাণে কৰিবই লাগে; আন একোলৈকে চকু দিব নালাগে। গৃহস্থৰ চাকৰে জানো টান কাম বুলি ওজৰ-আপত্তি কৰে? যিটো কাম চাকৰে ভাল নাপায়, তাক 'নকৰোঁ' বুলি জানো এৰি থাকিব পাৰে? কামৰ ভাল-বেয়াৰ বিচাৰ তাৰ ওচৰত নাই। কাম কৰা-নকৰাত তাৰ কোনো নিজৰ বা নিজা মনোভাব নাই। গিৰিহঁতৰ তুষ্টি আৰু উন্নতিৰ কাৰণে মাথোন সি সকলো কাম কৰিব লাগে। কাম ঈশ্বৰৰ, ফলো ঈশ্বৰে; আমি মাথোন যন্ত্ৰস্বৰূপ কৰ্ত্তাহে।

কৰ্ত্তব্য বুলিলে কি বুজায়—এনে এটা প্ৰশ্ন স্বাভাৱিকতে উঠে। দেশে-দেশে, যুগে-যুগে কৰ্ত্তব্যৰ নিৰ্দ্ধাৰণ বিভিন্ন ৰূপত কৰা হয়। সেইবোৰ দেখাত বহুসময়ত অদ্ভুত আৰু বিপৰীতমুখী। সাধাৰণ এটা উদাহৰণ দিলেই কথাটো বুজা সহজ হব। কোনোবা দেশত মদ চুলেই মহাপাপ বুলি বিবেচিত হয়। কোনো দেশত আকৌ মদ খোৱাটো অকৰ্ত্তব্য বা দোষণীয় বুলি ভবা নহয়। তাত ঢোকাঢোকে মদ পিয়াটো সাধাৰণ কথা। কোনো দেশৰ বা জাতিৰ আচাৰ-নীতি কিছুমান আন দেশৰ মানুহৰ লগত সমুলি নিমিলে। তথাপি কৰ্ত্তব্য বুলিলে কি বুজায়—এই প্ৰশ্নৰ উত্তৰত সহজতে কব পাৰি যে জন্মৰ অবস্থানুসাৰে জীৱন ধাৰণ আৰু দহৰ, সমাজৰ মঙ্গলৰ কাৰণে যি কাম কৰিব লগীয়া হয়, সেয়ে কৰ্ত্তব্য কৰ্ম্ম। কামৰ সৰু-বৰ নাই। ৰজাই ৰাজকাৰ্য্য পৰিচালনা কৰা যেনে, সেনাপতিয়ে সৈন্য পৰিচালনা কৰা যেনে, শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়া বা মুচিয়ে জোতা চিলাই কৰা বা খেতিয়কে হাল বাই পথাৰত খেতি কৰাও তেনে। সকলো কামেই প্ৰকৃত-পক্ষে সমান। নিজৰ নিজৰ কাম আন্তৰিকতাৰে সুচাৰুৰূপে

কৰিলেই স্বধৰ্ম্ম-সাধনৰ ফল লাভ হয়। সকলো কামৰ ফল ঈশ্বৰতে অৰ্পণ কৰিব জানিলেই কাম কৰ্ম্মযোগত পৰিণত হয়।

গৃহস্থীলোকৰ কৰ্ত্তব্যৰ বিষয়ে দুআষাৰমান ইয়াতে উল্লেখ কৰা হ'ল। গৃহস্থী জীৱন নিয়াৰিকৈ পালন কৰা সহজ কথা নহয়। প্ৰকৃত গৃহস্থাশ্ৰমী হব পাৰিলে, মানুহ ইহকালে পৰকালে সুখী হব পাৰে আৰু দিব্যজ্ঞানৰ অধিকাৰী হব পাৰে, যি জ্ঞানৰ ফলস্বৰূপে মানুহ মুক্ত হয়—সংসাৰ বন্ধন গুচে।

গৃহস্থীলোকৰ প্ৰধান কৰ্ত্তব্য হৈছে, সৎভাৱে ধন-ধান উপাৰ্জ্জন কৰা আৰু পৰিয়ালক ভালদৰে ভৰণ-পোষণ কৰা। পিতৃ-মাতৃক সকলো প্ৰকাৰে সুখ-সন্তোষ দিবলৈ চেষ্টা কৰাটো গৃহস্থীলোকৰ এটি প্ৰধান ধৰ্ম্ম। পুত্ৰ-পত্নী আৰু আন সকলোকে চেনেহ বিলাই ভোকৰ ভাত, পিয়াহৰ পানী পাবলৈ সুবিধা দিয়াটো গৃহস্থৰ ডাঙৰ কৰ্ত্তব্য। এইবোৰ দায়িত্ব অতি গধুৰ। পত্নীক সুখেৰে ৰখা আৰু বিপদ-আপদত ৰক্ষা কৰাৰ সম্পূৰ্ণ ভাৰ গৃহস্থৰ ওপৰত। সেয়ে নহলে তেনে গৃহস্থীত লক্ষ্মীয়ে বাস নকৰে বুলি শাস্ত্ৰই কৈছে। পত্নীৰ বাহিৰে আন তিৰোতাৰ কথা গৃহস্থই মনেৰেও ভাবিব নাপায়। তেহে গৃহস্থী-ধৰ্ম্ম স্বৰূপত ৰক্ষা পৰিব।

দুখী-দৰিদ্ৰৰ প্ৰতি দয়াবান আৰু শত্ৰুৰ প্ৰতি কঠোৰ আৰু নিষ্ঠুৰ হোৱাটো গৃহস্থাশ্ৰমী লোকৰ কৰ্ত্তব্য। তেওঁ দুৰ্নীতি আৰু শত্ৰুতাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। শত্ৰুক কদাচিতো লাই নিদিব। নহলে পাপে চুব। সত্যবাদী আৰু প্ৰিয়বাদী হোৱাটো গৃহস্থৰ ধৰ্ম্ম। ধন উপাৰ্জ্জন আদি সকলো ক্ষেত্ৰতে সাধুতা অৱলম্বন কৰি গৃহস্থই পৰিশ্ৰমী জীৱন যাপন কৰিব লাগে। জ্ঞান আৰু ধন অৰ্জ্জনৰ কাৰণে তেওঁৰ ঐকান্তিক চেষ্টা সদায়েই থাকিব লাগিব। তেওঁৰ উপাৰ্জ্জনৰ দ্বাৰা দহজনৰ উপকাৰ হোৱাৰ বাঞ্ছা তেওঁৰ মনৰপৰা কেতিয়াও গুচিব নালাগিব। দুষ্টৰ সঙ্গ পৰিহাৰ

কৰি সন্ত-মহন্তৰ সঙ্গত থাকি গৃহস্থই ধৰ্ম্ম-চিন্তা কৰা অতি উত্তম কৰ্ত্তব্য।

এনেকুৱা কৰ্ম্মময় আৰু পবিত্ৰ জীৱন যাপন কৰা গৃহস্থীয়ে যোগী বা সন্ন্যাসীৰ মৰ্য্যাদা লাভ কৰিব—তাত সংশয় নাই। প্ৰকৃত গৃহস্থী বা সংসাৰী লোকে নিজৰ কৰ্ম্মসমূহৰ দ্বাৰা মানৱ সমাজৰ হিতসাধন কৰাৰ চেষ্টাত সদায় থাকিব। আকৌ আৱশ্যক হলে সকলোকে ত্যাগ কৰিবলৈকো মনক সাজু কৰি ৰাখিব লাগিব। আৱশ্যক হলে ৰজাই ৰাজ-সম্পদকো খেৰ-কুটা হেন জ্ঞান কৰি ভৰিৰে ঠেলি দিব পৰা মানসিক ক্ষমতা তেওঁৰ থাকিব লাগিব। তেতিয়াহে সেইজন ৰজা প্ৰকৃত কৰ্ম্মযোগী হব পাৰিব।

মুঠৰ ওপৰত, সংসাৰী মানুহে সাংসাৰিক কামৰ মাজেদিয়েই প্ৰকৃত জ্ঞানী বা সন্ন্যাসীৰ উচ্চ অৱস্থা লাভ কৰিব পাৰে। কথাটো শুনাত যেনে চমু আৰু সহজ, কাৰ্য্যক্ষেত্ৰত কিন্তু তেনে নহয়—এই কথা মনত ৰাখিব লাগিব।

কাম কৰি ফল বাঞ্ছা নকৰাটোকে গীতাই উৎকৃষ্ট কৰ্ম্মপন্থা বুলিছে। পদুমৰ পাত পানীতে থাকে, অথচ নিতিতে। সেইদৰে কামৰ মাজতে থাকিও তাত নিৰ্লিপ্ত হৈ থাকিব লাগে। Duty is worship (কৰ্ত্তব্যই পূজা); অৰ্থাৎ কৰ্ত্তব্য কাম ঠিকমতে পালন কৰিলেই ঈশ্বৰৰ পূজা কৰা হয়। কৰ্ত্তব্য কৰি ঈশ্বৰৰ সেৱা কৰিছোঁ বুলি ভাবিব লাগে। নিষ্কামভাৱে কাম কৰাৰ এয়ে শ্ৰেষ্ঠ উপায়। ঈশ্বৰৰ কাৰণে কাম কৰিবা আৰু মানুহৰপৰা তাৰ কাৰণে কোনো প্ৰতিদান বা পুৰস্কাৰ নিবিচাৰিবা। ভগৱানৰ কাম কৰিবলৈ সুবিধা পোৱাৰ কাৰণে নিজকে ভাগ্যৱান বুলি ভাবিবা। এয়ে কৰ্ম্মযোগ বা কৰ্ম্মযজ্ঞ। সদায় এইদৰে ভাবি কাম কৰিবলৈ অভ্যাস কৰিব লাগে। এদিনতে বা এমাহতে কোনো মহৎ কাম সিদ্ধ হব নোৱাৰে। কৰ্ম্ম আৰু কৰ্ম্মৰ ফল দুয়োটা ঈশ্বৰে—এটাও আমাৰ নহয়। ঈশ্বৰে তেওঁৰ কিবা উদ্দেশ্য সিদ্ধিৰ কাৰণে

আমাক এই সংসাৰলৈ কিছুমান কাম কৰিবলৈ পঠাইছে। আমাৰ হতুৱাই তেওঁ কিবা উদ্দেশ্য সাধন কৰাই লৈছে। আমি যন্ত্ৰ, তেওঁ যন্ত্ৰী। আমি বীণা, তেওঁ আমাক বজাইছে। এনে ধৰণৰ মনোভাব কৰ্ম্মযোগৰ মূলসূত্ৰ; আৰু তেনে ভাবেৰে কাম কৰাইছে ঈশ্বৰৰ অভিপ্ৰেত বুলি জানিব লাগে।

কাম আৰু কৰ্ম্মযোগৰ ডাঙৰ পাৰ্থক্য এই যে, সাধাৰণ কৰ্ম্মীয়ে হাত-ভৰিৰে কাম কৰে, আৰু মনৰ অহং ভাৱেৰেও কাম কৰে; অৰ্থাৎ সকলো কাম 'মই' কৰা বুলি ভাবে। সকলো সময়তে মনত লাগি থকা 'মই' বা 'অহং' ভাবটোৱেই সকলো দুখ-কষ্টৰ মূল। দেহাটো আচলতে 'মই' নহয়। 'মই' আচলতে আত্মাহে। এই আত্মাই কোনো কাম নকৰে। দেহা আৰু ইন্দ্ৰিয়বোৰেহে কাম কৰে। আত্মা নিষ্ক্ৰিয়, নিৰ্ব্বিকাৰী আৰু নিৰ্ম্মল। আমি ভুলতে দেহাটোক 'মই' বা আত্মা বুলি ভাবি, কামবোৰ আত্মাই কৰা বুলি ধৰি লৈ কৰ্ম্ম-ফলৰ জালেৰে সংসাৰত বান্ধ খাওঁ। গতিকে 'অহং' ভাব পৰিহাৰ কৰি ঈশ্বৰাৰ্পণ বুদ্ধিৰে সকলো কাম কৰিব পাৰিলেই প্ৰকৃত 'মই' বা আত্মাৰ বিকাশ হব। আত্মোপলব্ধিয়েই জীৱনৰ উদ্দেশ্য আৰু সংসাৰৰ সাৰ বস্তু। দেহ-মনৰ ৰাজ্যত অনেক দুখ-বিকাৰ, আৰু আত্মাৰ অমৰাপুৰীত অনন্ত সুখ আছে। এই কথা সহজে উপলব্ধি কৰিব নোৱাৰিলেও প্ৰকৃততে সত্য। আমাৰ ভিতৰত থকা আত্মাই ঈশ্বৰ। সেইজন ঈশ্বৰৰ সন্তুষ্টিৰ কাৰণেই সকলো কাম কৰিব লাগে। আমাৰ বা 'মোৰ' কাৰণে কৰিব লগীয়া একো নাই। আমি আমাৰ ইচ্ছামতে জানো এই সংসাৰলৈ আহিছোঁ? সকলো তেওঁৰ ইচ্ছা। তেনে ভাবেৰে কাম কৰিলে কোনো কামৰে শুভ বা অশুভ ফলে বন্ধনস্বৰূপ হৈ দেখা নিদিয়ে। তেতিয়া কৰ্ম্মৰ ফল হব জ্ঞান। এই জ্ঞানে জীৱৰ মুক্তি সাধন কৰে।

সাংখ্য দৰ্শনৰ মূলকথা

পৰমেশ্বৰ আনন্দস্বৰূপ হৈও তেওঁ সৃষ্টি কৰা সংসাৰত ইমান দুখ-তাপ আদি কিয় আছে—এই মহান প্ৰশ্নৰ উত্তৰ মানুহে সন্তোষজনকভাৱে দিব নোৱাৰে বুলিয়েই বোধ হয়।

সেই কথা কেৱল সৃষ্টিকৰ্ত্তা পৰমপিতা পৰমেশ্বৰেহে জানে। জগতত যে দুখ আছে, এই কথা সঁচা। ইয়াক অস্বীকাৰ কৰিব নোৱাৰি। অজলা মানুহৰ বাহিৰে অইন সকলোৱে ইয়াক বুজিব পাৰে।

সাংখ্য দৰ্শনে প্ৰথমতে এই দুখৰ কথাকে কৈছে। সংসাৰৰ দুখ মুঠতে তিনি বিধৰ—

১। আধ্যাত্মিক দুখ—শাৰীৰিক আৰু মানসিক দুখ। যেনে—বেমাৰ বা শোক, ইত্যাদি।

২। আধিভৌতিক—পাৰ্থিব প্ৰাণীৰপৰা পোৱা দুখ। যেনে—সাপে কামোৰা, বাঘে খোৱা, ইত্যাদি।

৩। আধিদৈৱিক—অপাৰ্থিব কাৰণ বা দেৱতাৰপৰা পোৱা দুখ। যেনে—আত্মীয় বিয়োগ, শীত, গ্ৰীষ্ম, বজ্ৰপাত, ইত্যাদি।

এই কথা স্পষ্ট যে সংসাৰত সুখ আৰু দুখ দুয়োটা আছে। কাৰো জীৱনত হয়তো সুখ অলপ বেচি; আৰু কাৰোবাৰ হয়তো দুখেই বেচি। সুখৰ পিচত দুখ আহিবই। কোনো উপায়েৰে মানুহ সম্পূৰ্ণ সুখী হব নোৱাৰে। ধন-সম্পদ আদি যিবোৰ সাংসাৰিক বস্তুক মানুহে সাধাৰণতে সুখৰ হেতু বুলি ভাবে, সেইবোৰে মানুহক শান্তি আৰু তৃপ্তি দিব নোৱাৰে। সুখ হলেই দুখ নুগুচে, বা পাৰ্থিব সম্পদ লাভ কৰিলেই দুখৰ নিবাৰণ নহয়—মানুহ বাস্তৱিকতে সুখী নহয়।

বেদে বা বেদৰ কৰ্ম্মকাণ্ডই যি স্বৰ্গপ্ৰাপ্তিৰ উপায় দিছে, সিও অসাৰ্থক। তাৰপৰাও দুখৰ সমূলে বিনাশ নহয়। স্বৰ্গসুখৰো সীমা আছে। স্বৰ্গসুখ বিনাশী। হাজাৰ হাজাৰ বা কৌটি কৌটি বছৰ—যিমান কালেই স্বৰ্গসুখ ভোগ কৰক, এদিন তাৰপৰা পতন হবই। স্বৰ্গৰ অপেশ্বৰীহঁতে গতিয়াই তাৰপৰা খেদি দিব। গতিকে সাংখ্য দৰ্শনে উপায় দিছে যে চিৰকলীয়া আৰু আত্যন্তিক, অবিনাশী সুখ পাবলৈ হলে ব্যক্ত, অব্যক্ত আৰু জ্ঞ—এই তিনিটা তত্ত্বৰ স্বৰূপ জ্ঞান লাভ কৰিব লাগে। তেতিয়াহে মোক্ষ বা শ্ৰেয়ঃ লাভ হয়। তেতিয়া আৰু জীৱৰ সংসাৰ-দুখ নহয়। (ইয়াতে এটা কথা বুজিব লাগে যে, উপৰোক্ত তিনিটা তত্ত্ব কথা কিতাপত পঢ়িলেই বা জনা মানুহৰ মুখে শুনিলেই প্ৰকৃত জ্ঞান লাভ কৰা নহয়। মানুহ বা শাস্ত্ৰৰপৰা পোৱা জ্ঞানক যত্ন আৰু অভ্যাসৰ দ্বাৰা, গভীৰ চিন্তা আৰু ধ্যানৰ দ্বাৰা হৃদয়ত উপলব্ধি কৰিব লাগিব। সত্যক প্ৰত্যক্ষভাৱে জ্ঞান-চকুৰে দেখিব লাগিব। তাকেহে প্ৰকৃততে জ্ঞান বা 'বিজ্ঞান' বোলে। সত্যৰ এই উপলব্ধি মুখৰ কথা নহয়। তাৰ কাৰণে নিৰন্তৰ সাধনা লাগিব।)

ব্যক্ত মানে আমাৰ এই দৃশ্যমান জগত। গোটেই বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলো দৃশ্য বা অনুমেয় বস্তুয়েই ব্যক্ত পদাৰ্থ।

অব্যক্ত হৈছে প্ৰকৃতি (বা মূল প্ৰকৃতি)। যি কৰে সেয়ে প্ৰকৃতি। এই প্ৰকৃতিৰপৰাই জগতৰ সকলোবোৰৰ সৃষ্টি হৈছে। প্ৰকৃতি সৃষ্টিৰ মূলশক্তি বা মূল ক্ৰিয়া-শক্তি। এই প্ৰকৃতিক universal substance বা বিশ্বজগতৰ মূল পদাৰ্থ বুলিব পাৰি। ই সৃষ্টিৰ মূল উপাদান। ই অতিশয় সূক্ষ্ম। যোগীসকলে এই প্ৰকৃতিক দৰ্শন কৰিব পাৰে।

'জ্ঞ' বুলিলে পুৰুষ বা জীৱাত্মাক বুজিব লাগে। প্ৰকৃতি জড় শক্তি। চেতন পুৰুষে (বা 'জ্ঞ'ই) অচেতন প্ৰকৃতিক ক্ৰিয়াশীল কৰি তোলে। সাধাৰণ কথাত কবলৈ গলে, প্ৰকৃতি জানিবা

ধাতু আদিৰে তৈয়াৰ কৰা বিৰাট যন্ত্ৰ। ধৰা, যন্ত্ৰটো এবাৰ চলাই দিয়াৰ পিচত বহুকাল চলি থাকে। তেনে ক্ষেত্ৰত পোনতে চলাই দিয়া মূল শক্তিকে পুৰুষ বা জ্ঞ বোলে।

প্ৰকৃতি আৰু পুৰুষ উভয়ে অনাদি। উভয়েই সৃষ্টি হোৱা বস্তু নহয়; কালৰ অতীত।

প্ৰকৃতিৰপৰা বিকাৰ হৈ মহত্তত্ত্ব, অহঙ্কাৰ আদি তেইশটা তত্ত্বৰ (মূলবস্তু) সৃষ্টি হৈছে, অৰ্থাৎ দৃশ্যমান (ব্যক্ত) জগতখন হৈছে। দৃশ্যমান জগতেই প্ৰকৃতিৰ ক্ৰিয়া বা বিকাৰ বা বিকৃত অৱস্থা। ইয়াকে পৰিণামো বোলে। প্ৰকৃতি আৰু পুৰুষ দুয়ো অতীন্দ্ৰিয়। (সৃষ্টি নোহোৱা অৱস্থাত পুৰুষ আৰু প্ৰকৃতিৰ পাৰ্থক্য অনুমান কৰিব নোৱাৰি। সৃষ্টিৰ ভিতৰত বা সৃষ্টি-কাৰ্য্যৰ ভিতৰেদি চাইহে সাংখ্যকাৰে প্ৰকৃতি আৰু পুৰুষ—এই দুটা মূল তত্ত্বক দেখা পাইছে।) দুয়োৰো সংযোগতে ব্যক্ত জগতৰ সৃষ্টি হৈছে। অকল প্ৰকৃতিয়ে একো কৰিব নোৱাৰে। সৃষ্টিৰ মূলত প্ৰকৃতি আৰু পুৰুষ। এয়ে সাংখ্যৰ মূল কথা।

পুৰুষ নিষ্ক্ৰিয় আৰু উদাসীন হৈ থাকিও প্ৰকৃতিক ক্ৰিয়াশীল কৰি তোলে। পুৰুষে একো নকৰে বুলি কৈও একে সময়তে এইটোও কব লাগিব যে তেওঁৱেই সকলো কৰায়। মানুহে হাতে-ভৰিয়ে কাম কৰাৰ দৰে পুৰুষে কোনো কাম নকৰে। পুৰুষৰ স্থিতি বা অস্তিত্ব মাত্ৰই জড় প্ৰকৃতিক কাৰ্যকৰী কৰি তোলে। পুৰুষে একো কৰিব নালাগে। প্ৰকৃতিয়ে নিজে সকলো কৰে। পুৰুষ অণু, সৰ্ব্বব্যাপী আৰু জীৱৰ সকলো জ্ঞান, চেতনা, আনন্দৰ মূল। সাংখ্য দৰ্শনে কৈছে যে এনে পুৰুষ অসংখ্য। অৰ্থাৎ, প্ৰতি জীৱৰ দেহতে একোজন পুৰুষ বিৰাজমান।

সৃষ্টিৰ মূলত যে অব্যক্ত প্ৰকৃতি, ইয়াৰ প্ৰমাণ স্বৰূপে সাংখ্য-কাৰে কৈছে যে সকলো কাৰ্য্যৰে একোটা কাৰণ থাকে। কাৰণ নোহোৱাকৈ চৈধ্য ভুৱনত একো হব নোৱাৰে। আমি দেখা এই

জগতখন বাস্তৱ আৰু সত্য। এই জগত কাৰ্য্য আৰু ইয়াৰ কাৰণ প্ৰকৃতি। প্ৰকৃতিৰপৰাই সকলোবোৰ হৈছে। এই বিশ্বজগত প্ৰকৃতিৰ (জড় শক্তিৰ) বিকাৰ বা পৰিণাম বা কাৰ্য্য। জগত-কাৰ্য্যৰ কাৰণ বিচাৰ কৰি গৈ গৈ শেষত প্ৰকৃতিক পোৱা যায়। কিন্তু প্ৰকৃতিয়ে অকলে একো কৰিব নোৱাৰে। প্ৰকৃতিক পুৰুষৰ অৱস্থিতিৰ সহায়তা লাগে।

জীৱৰ দেহত থকা চিৎ বা চৈতন্য শক্তিয়েই পুৰুষ। পুৰুষ অকৰ্ত্তা হৈও জড় শক্তিক নিয়ন্ত্ৰণ কৰে। নহ'লে জড় শক্তিৰ ক্ৰিয়া-কলাপৰ কোনো উদ্দেশ্য বা শৃঙ্খলা নাথাকিলহেঁতেন। প্ৰকৃতি নিয়মাধীন। প্ৰকৃতিৰ অধিষ্ঠাতা পুৰুষ। প্ৰকৃতিৰ কাৰ্য্যবোৰ দেখি আমি অনুমান কৰিব পাৰোঁ যে কোনোবা এজনে ইয়াক সুশৃঙ্খলভাবে চলাই নিছে, আৰু ইয়াৰ অৰ্থাৎ সমস্ত সৃষ্টি-কাৰ্য্যৰ কিবা উদ্দেশ্য আছে। জগতখন 'এনেয়ে' হোৱা নাই। প্ৰকৃতিৰ মাজেদি পুৰুষে নিজক দেখে। আমি আৰ্চিত নিজৰ মুখখন চোৱাৰ দৰে পুৰুষে প্ৰকৃতি বা জড়শক্তিৰ মাজেদি নিজকে চায়। ইয়েই হৈছে আত্মোপলব্ধি। সেয়ে জীৱৰ (পুৰুষৰ) মুক্তিৰ পথ। সেই মুক্তিৰ উদ্দেশ্যেই প্ৰকৃতিৰ লগত পুৰুষৰ সংযোগ ঘটে। প্ৰকৃতত পুৰুষ অকৰ্ত্তা হৈও কেনেকৈ প্ৰকৃতিক নিয়ন্ত্ৰণ কৰে, এই কথাটো মানুহে সহজে বুজিব নোৱাৰে। তাৰ কাৰণে আত্মাৰ (পুৰুষৰ) স্বৰূপ জ্ঞান দিব্য অনুভূতিৰে লাভ কৰিব লাগিব।

প্ৰকৃতি আৰু পুৰুষৰ সংযোগেই সংসাৰ। এই সংযোগৰ স্বৰূপ বুজিবৰ কাৰণে সাংখ্যকাৰে এটা ধুনীয়া উপমা দিছে। উপমাটি হৈছে, কণা আৰু খোৰাৰ সংযোগ। এটা অন্ধ (দুচকু কণা) মানুহ ক'লৈকো যাব নোৱাৰে। খোৰা এটাইও সেইদৰে বাট বুলি যাব নোৱাৰে। কিন্তু খোৰা যদি কণাৰ কান্ধত উঠে, তেনেহলে কাৰ্য্যসিদ্ধি হয়। খোৰাই কান্ধত উঠি বাট দেখুৱাব আৰু কণা গৈ থাকিব। প্ৰকৃতি-পুৰুষৰ সম্বন্ধও তেনেকুৱাই।

অকল পুৰুষে সৃষ্টি নকৰে; পুৰুষ নিষ্ক্ৰিয়; ক্ৰিয়াহীন। অকল প্ৰকৃতিয়েও সৃষ্টি কৰিব নোৱাৰে; প্ৰকৃতি জড়, অচেতন, সৃষ্টি-শক্তিহীন। উভয়ৰ সংযোগতে সংসাৰ। এই সংযোগৰ আৰু এটা তুলনা দিয়া হৈছে। এডোখৰ স্ফটিক পাথৰৰ ওচৰত এটা ৰঙা ফুল ৰাখিলে, স্ফটিক ডোখৰ ৰঙা হৈ পৰে। আকৌ, তাৰ ওচৰত এটা নীলা ৰঙৰ ফুল থলে তাক নীলা দেখা যাব। স্ফটিক পাথৰৰ ৰং বৰ বগা। তাৰ ওচৰত থকা (ফুলৰ) ৰং সি প্ৰতিফলিত কৰে। যেই কোনো ৰং গ্ৰহণ কৰি পাথৰ ডোখৰে যেন নিজত্ব হেৰুৱাই পেলায়। পুৰুষেও সেইদৰে প্ৰকৃতিৰ গুণ আহৰণ কৰি নিজক পাহৰে, আৰু অগুণ পুৰুষে নিজকে গুণময় বুলি ভাবি সংসাৰত ঘূৰে। এই সংযোগ চিৰস্থায়ী সংযোগ নহয়। যেতিয়া পুৰুষে (অৰ্থাৎ জীৱই) বুজিব পাৰে যে তেওঁ প্ৰকৃতিতকৈ পৃথক, তেতিয়াই পুৰুষ প্ৰকৃতিৰ বন্ধনৰপৰা—সংসাৰৰ বন্ধনৰপৰা মুক্ত হয়; তেতিয়াই জীৱৰ দুখ গুচে।

সৃষ্টিৰ ভিতৰৰপৰা জ্ঞান-সাধনাৰ চকুৰে চাই মহামুনি কপিলে এই মহাসত্য মানৱ-জাতিক শিকাই থৈ গ'ল।

এই প্ৰকৃতি আৰু পুৰুষৰ তত্ত্ব উপলব্ধি কৰিব পাৰিলে, উভয়ৰ পৃথকত্ব উপলব্ধি কৰিব পাৰিলেই, জীৱৰ মোক্ষ লাভ হয়। জীৱ তেতিয়া প্ৰকৃতিৰ বা অনাদিকাল চলি থকা সংসাৰ-চক্ৰৰ বাহিৰ হৈ যায়। এইবোৰ অতিশয় সূক্ষ্ম তত্ত্বৰ সম্যক ধাৰণা কৰিবলৈ গভীৰ চিন্তা আৰু ধ্যান-উপাসনাৰ প্ৰয়োজন। কোনো মহৎ কাম অলপদিনৰ চেষ্টাতে সিদ্ধ হব নোৱাৰে।

পুৰুষৰ চেতনাশক্তি প্ৰকৃতিৰ ওপৰত আৰোপিত হলে প্ৰকৃতিয়ে সকলো কাম কৰিব পৰা হয়। উভয়ৰে সংযোগৰ ফলত প্ৰকৃতিৰ গুণ পুৰুষত আৰু পুৰুষৰ গুণ প্ৰকৃতিত পৰিলক্ষিত হৈ পৰে। তেতিয়া অচেতন প্ৰকৃতি চেতন যেন বোধ হয়, আৰু চেতন পুৰুষো অচেতন যেন হৈ পৰে। পুৰুষে তেতিয়া নিজৰ নিৰ্ম্মল

স্বৰূপ পাহৰি যায়। তেতিয়াই আমি দেহাটোকে 'মই' বুলি ভাবোঁ, আৰু প্ৰকৃত আত্মা বা পুৰুষক বিচাৰ নকৰি সংসাৰ-ভ্ৰমত পৰি থাকোঁ আৰু জড় (ব্যক্ত) জগতখনহে দেখোঁ ; তাৰ কথাতে নিমগ্ন থাকোঁ, আৰু আত্মাক নেদেখোঁ গুণে অবহেলা কৰোঁ। মানুহে যেতিয়া এই কথা স্বৰূপকৈ বুজিব পাৰিব, তেতিয়া প্ৰকৃতি-পুৰুষৰ সংযোগ নোহোৱা হব—আত্মা মুক্ত হব। প্ৰকৃত জ্ঞানৰ বলেৰে এই সংযোগ দূৰ কৰিব পাৰি। এডাল লোহা জুইত গৰম কৰিলে বঙা হৈ পৰে। তেতিয়া জুই আৰু লোহাৰ পাৰ্থক্য নোহোৱা হৈ যায়। পিচত আকৌ চেঁচা হলে দুয়োটা পৃথক হৈ পৰে। আত্মাক বা পুৰুষক সেইদৰেই প্ৰকৃতিৰপৰা পৃথক কৰিব পাৰি—জ্ঞানৰ বলেৰে। মুক্ত জীৱই সেই অৱস্থাত দেহাটোকে 'মই' বুলি নাভাবে—সংসাৰ-ভ্ৰমত নপৰে—অহঙ্কাৰ ভাৱ নাশ পায় ; জীৱ হৈ পৰে শিৱ।

(বেদান্তাদি দৰ্শনে সেই অজ্ঞানতাকে 'মায়া' বুলিছে। ঈশ্বৰৰ মায়া শক্তিৰ প্ৰভাৱত জীৱাত্মা বা পুৰুষৰ শুদ্ধ-বুদ্ধ-মুক্ত স্বভাৱ ঢাক খাই পৰে।)

এয়ে সাংখ্য দৰ্শনৰ মূল কথা। সাংখ্য সিমানতে ক্ষান্ত হ'ল। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে বেদান্ত দৰ্শন আৰু এখোপ আগবাঢ়ি গৈ অতি উচ্চতম সত্যৰ সন্ধান মানৱ জাতিলৈ আগবঢ়ালে। বেদান্তই সাংখ্যৰ এই সত্যকে অধিক সত্যৰূপে প্ৰকাশ কৰিলে। উজ্জ্বল শুভ্ৰতাক জানিবা অধিক উজ্জ্বলতৰ শুভ্ৰতাৰূপে প্ৰকাশ কৰি দেখুৱালে। সাংখ্য জানিবা সৃষ্টি-তত্ত্বৰ সোণৰ মন্দিৰ আৰু বেদান্ত তাৰেই শিৰৰ কলচী।

সাংখ্যৰ মতে পুৰুষ (আত্মা) বহুত—অসংখ্য। প্ৰত্যেক জীৱৰ দেহতে পুৰুষ বিদ্যমান। পুৰুষ বহুত বোলা কথাতে অনেক ব্ৰহ্মজ্ঞ আচাৰ্য্যই অনেক বাদ-প্ৰতিবাদ কৰি গৈছে। আচলতে সাংখ্যই শুদ্ধকেহে কৈছে। পুৰুষ বহুত, সিও সঁচা ; আৰু বেদান্তৰ

মতে আত্মা (বা ব্ৰহ্ম) এক—সিও সমানে সঁচা। সাংখ্যৰ জ্ঞ বা পুৰুষেই বেদান্তৰ ব্ৰহ্ম (বা ঈশ্বৰ)। তেৱেঁই পৰমেশ্বৰ। তেৱেঁই ভক্তৰ ভগৱন্ত হৰি—সৃষ্টি-স্থিতি-প্ৰলয়ৰ কাৰণ। দেখাত বা শুনাত দুজন হলেও মূলতে একেজনেই। সেই চৈতন্যময় ৰাজ্যত 'দুই' থাকিব নোৱাৰে। আত্মা (পুৰুষ) চৈতন্যময় আৰু সৰ্ব্বব্যাপী। আমি সাংসাৰিক দৃষ্টিৰে দেখাত দুটা সৰ্ব্বব্যাপী বস্তু থাকিব নোৱাৰে। কিন্তু সেইয়া যে সৃষ্টি-সংসাৰৰ উৰ্দ্ধত অৱস্থিত। আমি অলপ বুদ্ধিৰ মানুহে জাগতিক দৃষ্টিৰে চাই বাদ-প্ৰতিবাদ কৰি পাৰ নাপাম। "আত্মা আৰু ব্ৰহ্ম (যদি পৃথক বুলি ধৰা যায়) উভয়ে চিন্ময় বস্তু; গতিকে দেশ আৰু কালৰ অতীত। আমাৰ চিন্তা আৰু ধাৰণাই দেশ-কাল অতিক্ৰম কৰিব নোৱাৰে।" গতিকে, যি দেশ-কালৰ অতীত, সেই বস্তুৰ মাজত সম্বন্ধ কি, বা প্ৰকৃত স্বৰূপ কি, আমি জনাটো সম্ভৱ নহবও পাৰে।

সহজ কথাত কবলৈ গলে, আত্মা আৰু পৰমাত্মা ভেদ হৈও অভেদ। এক দৃষ্টিত দুয়োৰে মাজত ভিন্নতা আছে। জীৱাত্মা পৰমাত্মাৰ অংশ। পৰমেশ্বৰৰ ইচ্ছাত জীৱ মায়াবদ্ধ হৈ সংসাৰত সোমাই পৰিল, আৰু কালচক্ৰত ঘূৰিবলৈ ধৰিলে। পৰমেশ্বৰত ভক্তি কৰি জীৱ মায়ামুক্ত হব পাৰে; জীৱ শিৱ হব পাৰে। ভক্তি হলেই দিব্যজ্ঞান—আত্মজ্ঞান আপোনা-আপুনি হয়। জীৱই নিজক চিনিব পাৰে।

অদ্বৈতবাদীৰ মতে আত্মা এক। আত্মা (বা ব্ৰহ্মৰ) অংশ থাকিব নোৱাৰে। সেই মতে, আত্মাই মায়াৰ গুণত নিজৰ স্বৰূপ পাহৰি গৈছে। আচলতে জগত-সংসাৰৰ যথাৰ্থ স্থিতি নাই। কেৱল আত্মাহে সত্য। "ব্ৰহ্ম সত্য, জগৎ মিথ্যা।" কিন্তু নিশ্চল, নিৰ্ম্মল, নিৰ্গুণ আত্মাক কিহুকালৰ কাৰণে হলেও কিয় ঢাকি ৰাখে, সেই প্ৰশ্নৰ উত্তৰ ডেওঁলোকে দিব নোৱাৰে। আমিও কওঁ যে অনাদি-অনন্ত, সৰ্ব্বব্যাপী ব্ৰহ্মৰ অংশ কেনেকৈ থাকিব

পাৰে, আমি তাক নাজানো—মানুহে জানিব নোৱাৰে; কিন্তু আছে' জীৱ অংশ হলেও, জীৱৰ মাজতে ঈশ্বৰৰ পূৰ্ণতা নিহিত আছে। পৰমেশ্বৰ প্ৰত্যেক জীৱৰ মাজত পূৰ্ণৰূপে আছে। ঈশ্বৰ জগতৰ বাহিৰে-ভিতৰে পূৰ্ণৰূপেই আছে। সাংখ্যই তলৰপৰা—জগতৰ ফালৰপৰা চাই—মায়াৰ আবৰণৰ মাজেদি চাই বহুত পুৰুষ দেখিছে। ই সত্য। কিন্তু সেই আত্মাৰ জ্যোতিৰ্ময় ৰাজ্যত প্ৰৱেশ কৰি ভক্ত সাধকে উপলব্ধি কৰে যে সকলো এক। সেই ব্ৰহ্মময় ৰাজ্যত দ্বিতীয় নাই। সেয়ে অদ্বৈত জ্ঞান। সেয়ে নিৰ্গুণ জ্ঞান। প্ৰকৃততে সকলো জীৱ-চৈতন্য পৰমাত্মাৰ মাজতে অৱস্থান কৰে কাৰণেই জ্ঞানীসকলে দুয়োকে একে বুলিয়েই ভাবে। সাংখ্যৰ পঞ্চবিংশ তত্ত্ব (পুৰুষ) ষড়বিংশ তত্ত্বৰ (অৰ্থাৎ পৰমাত্মাৰ) ভিতৰতে থাকে। "তাত একেই দুই—দুয়েই এক।"

মহাপুৰুষ শ্ৰীমাধৱদেৱে 'নামঘোষা'ত এটি ঘোষাতে ইয়াৰ সিদ্ধান্ত সহজতে দি থৈছে—

"ঈশ্বৰৰ সেৱা কৰন্তে জীৱৰ
গুচয় মায়াৰ ভ্ৰম।
ব্ৰহ্মপদে শুদ্ধ জীৱক বোলয়
ঈশ্বৰ পৰমব্ৰহ্ম॥" ১৭৪

মহাপুৰুষে কৈছে যে মায়ামুক্ত শুদ্ধ জীৱকে ব্ৰহ্ম বোলে। ঈশ্বৰত সেৱা ভক্তি কৰি জীৱই মায়াৰ ভ্ৰম গুচাব পাৰে। আৰু আমি যাক ঈশ্বৰ বোলোঁ, তেৱেঁই পৰম ব্ৰহ্ম। ইয়াত বাদ-বিসম্বাদৰ ঠাই নাই। শাস্ত্ৰৰ গূঢ়াৰ্থ বুজিহে মানুহ তৰ্ক-বিতৰ্কত প্ৰবৃত্ত হয়। মহাপুৰুষৰ এই সিদ্ধান্ত সকলোৰে গ্ৰহণীয়। জীৱ যেতিয়া মুক্ত হয়, তেতিয়া জীৱক ব্ৰহ্ম বোলে। শুদ্ধ-মুক্ত জীৱ মায়াৰ বাহিৰ হৈ যায়; কিন্তু মায়াৰ অধীশ্বৰ নহয়। মায়াৰ ঈশ্বৰ পৰমাত্মা পৰমেশ্বৰহে। তেওঁ মায়াক আশ্ৰয় কৰি জীৱ আৰু জগতৰ সৃষ্টি কৰে। সৃষ্টি, স্থিতি আৰু প্ৰলয়-কাৰ্য্যৰ মাজেদি তেওঁ লীলা কৰে; তেওঁৰ

স্বৰূপৰ—মহিমাৰ কিঞ্চিৎ বিকাশ হয়। জীৱ মুক্ত হলেও বা ব্ৰহ্মস্বৰূপত অৱস্থান কৰিলেও সৃষ্টি-স্থিতি-প্ৰলয় আদি কৰিব নোৱাৰে। (তেনেকুৱা হলে, সকলো মুক্ত জীৱই দেখোন নিজে নিজে ভিন্ন ভিন্ন সৃষ্টি কৰিবলৈ ইচ্ছা কৰিব পাৰে। সি অসম্ভৱ)। সেই কাম কেৱল ঈশ্বৰৰহে। গতিকে ব্ৰহ্ম আৰু পৰমব্ৰহ্মৰ মাজত ভিন্নতা তেতিয়াও থাকে নিশ্চয়। সৃষ্টি-কাৰ্য্যৰ বাহিৰে আন সকলোবোৰ গুণ মুক্ত জীৱই লাভ কৰে। পৰমব্ৰহ্মৰ মাজতে ব্ৰহ্মৰ নিবাস। গতিকে সাংখ্যৰ সিদ্ধান্ত নিৰ্ভুল।*

আমি মহৰ্ষি কপিলক ভগৱানৰ অৱতাৰ বুলি মানো। তেওঁলৈ আমাৰ সহস্ৰ প্ৰণতি আগবঢ়ালোঁ।

* যেতিয়া সৃষ্টি নাথাকে, তেতিয়া ব্ৰহ্ম আৰু পৰমব্ৰহ্মৰ পাৰ্থক্য লোপ পায়; প্ৰকৃতি-পুৰুষ এক হৈ পৰে।

সংসাৰৰ দুবিধ মানুহ

সংসাৰত অসংখ্য মানুহৰ অহা-যোৱা সদায় চলি আছে। অগণন মানুহৰ স্বভাৱ-চৰিত্ৰ আৰু প্ৰকৃতি বিভিন্ন। কোনো কাৰো লগত নিমিলে। জগতত বিচিত্ৰ চৰিত্ৰৰ মানুহ আছে। সেইবোৰ নিৰ্ণয় কৰা অতি কঠিন। তথাপি সংসাৰৰ সকলোবোৰ মানুহক চমুকৈ মাত্ৰ দুটা ভাগত ভাগ কৰিব পাৰি। ই মহাপবিত্ৰ গীতা-শাস্ত্ৰৰ মত। সহজ ভাষাত এবিধক ধাৰ্ম্মিক বা ঈশ্বৰভাবাপন্ন, আৰু আনবিধক অধাৰ্ম্মিক বা আসুৰিক প্ৰকৃতিৰ মানুহ বুলিব পাৰি।

গীতাৰ ১৬শ অধ্যায়ৰ নাম—দৈবাসুৰ সম্পদ-বিভাগ যোগ। ইয়াত দৈবীসম্পদ বা দেবপ্ৰকৃতিযুক্ত আৰু আসুৰিক সম্পদ বা অসুৰ প্ৰকৃতিযুক্ত—এই দুই প্ৰকৃতিৰ মানুহৰ স্বভাৱ-চৰিত্ৰৰ বৰ্ণনা দিছে। দৈবী প্ৰকৃতি বুলিলে সাত্বিক গুণসমূহকে বুজিব পাৰি; আৰু আসুৰিক প্ৰকৃতিয়ে ৰজঃ আৰু তমোগুণৰপৰা উৎপন্ন হোৱা স্বভাৱক বুজায়। জগতৰ প্ৰত্যেক মানুহেই ইয়াৰ যেই সেই এবিধৰ লেখত পৰিবই।

প্ৰথমতে দৈবী প্ৰকৃতিৰ মানুহৰ কথাকে চোৱা যাওক। তেনেলোক অনেক সৎ আৰু মহৎ গুণৰ আধাৰস্বৰূপ। তেওঁ-লোকৰ গাত দোষ-পাপ আৰু অন্যায়-অধৰ্ম্মৰ মাত্ৰা কম। তেওঁ-লোক বাহিৰে ভিতৰে পৰিষ্কাৰ আৰু সততে মানৱজাতিৰ মঙ্গল-চিন্তাকাৰী। স্বামী বিবেকানন্দৰ ভাষাত—They are the salt of the earth (তেওঁলোকেই সংসাৰৰ প্ৰকৃত মানুহ)। তেনে লোক স্বভাৱতে নিৰ্ভীক আৰু শুদ্ধ-সবল চিত্তৰ। তেওঁলোকৰ মনত আত্মজ্ঞানৰ স্পৃহা সদাজাগ্ৰত। সংসাৰৰ অসাৰ বস্তুবোৰৰ জ্ঞানলাভৰ কাৰণে তেওঁলোকৰ আগ্ৰহ নাই। শাস্ত্ৰ-আলোচনা

আৰু জ্ঞান-চৰ্চ্চাৰ যোগেদি তেওঁলোকে আত্মোপলব্ধিৰ অভিলাষ আৰু সাধনা কৰি জীৱন কটায়। ই দৈৱী প্ৰকৃতিৰ মানুহৰ প্ৰধান গুণ।

তেনেলোক স্বভাৱতে দানশীল আৰু দয়ালু। মানুহৰ দুখ-দুৰ্গতি দেখি তেওঁলোকৰ চিত্ত দ্ৰৱ হৈ পৰে আৰু পাৰ্য্যমানে তাৰ প্ৰতিকাৰ কৰি দুখ মোচনৰ চেষ্টা কৰে।

ইন্দ্ৰিয়সংযম তেওঁলোকৰ এক বিশেষ গুণ। কাম-ক্ৰোধ-লোভ-মোহাদিৰ বশীভূত নহবলৈ যত্ন কৰি তেওঁলোকে মনত শান্তি লাভ কৰে। শাস্ত্ৰ-অধ্যয়ন, তপস্যা (অৰ্থাৎ ধৰ্ম্মলাভৰ কাৰণে শাৰীৰিক ক্লেশকো বৰণ কৰা), সৰলতা আৰু অহিংসা আদি সৎগুণবোৰ তেওঁলোকৰ গাত বিদ্যমান। তেওঁলোকে অকাৰণতে কোনো প্ৰাণীক হিংসা কৰিব নোখোজে, পীড়ন নকৰে; সঁচাৰ বাহিৰে মিছা নকয়, আৰু খং-ৰাগ দমন কৰি চলে। তেওঁলোক ত্যাগী আৰু শান্তিপ্ৰিয়। তেওঁলোকে পৰৰ দোষ কৈ নুফুৰে, বা পৰছিদ্ৰ বিচাৰি নুফুৰে। তেনেলোক স্বভাৱতে প্ৰিয়বাদী, অচঞ্চল (গহীন স্বভাৱৰ), তেজস্বী, ক্ষমাশীল, ধৈৰ্য্যশীল আৰু অনভিমানী। এনেবোৰ সৎগুণ বা স্বভাৱ লৈ দৈৱী প্ৰকৃতিৰ লোকে জন্মগ্ৰহণ কৰে আৰু জীৱনকালত সেইবোৰ গুণৰ উৎকৰ্ষ আৰু পূৰ্ণবিকাশৰ কাৰণে পুৰুষাৰ্থ কৰে। তাৰ ফলত সেই জীৱৰ সদগতি বা উৰ্দ্ধগতি হয়—ভগৱানৰ কাষ চাপি যায়।

এইবোৰ দৈৱী সম্পদ বা সাত্বিক গুণ সকলো মানুহৰ গাত সমানে নাথাকে। কাৰ গাত কিমান আছে, বা নাই, তালৈ লক্ষ্য নকৰি, তেনেবোৰ গুণৰ অধিকাৰী হবলৈ সকলো লোক সদায় যত্নপৰ হব লাগে। যত্নৰ অসাধ্য একো নাই। যত্ন কৰিলে ৰত্ন পায়। লাগে মাথোন ইচ্ছা আৰু চেষ্টা। য'তে ইচ্ছা ত'তে বাট। মনুষ্য জন্ম সাৰ্থক কৰিবলৈ, প্ৰকৃত মনুষ্যত্ব লাভ কৰিবলৈ বা জীৱনৰ পূৰ্ণতা লাভ কৰিবলৈ পোনতে ইচ্ছা

বা আন্তৰিক হেঁপাহ লাগে। তাৰ পিচত ঐকান্তিক চেষ্টাৰ দৰকাৰ। যি চেষ্টাত কোনো কপটতা বা আত্মপ্ৰৱঞ্চনাৰ মলিনতা নাই, তেনে চেষ্টাৰেহে জগতত সকলোবোৰ মহৎ কাৰ্য্যৰ সম্পাদন সম্ভৱ। 'মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন'—এই ভাব লৈ কামত লাগিব লাগে। 'এক জ্ঞান, এক ধ্যান; এক বিনে নাই আন'—এই ভাবনাই সিদ্ধিলাভৰ অব্যৰ্থ মহৌষধ। সৎ উদ্দেশ্য লৈ সৎ কাৰ্য্যৰ পথত আগবাঢ়িলে, হাজাৰ বাধা-বিঘিনি উপস্থিত হলেও, এদিন সফলকাম হবই।

অসুৰ স্বভাৱৰ মানুহৰ গাত সৎগুণৰ ভাগ কম। তেনে মানুহৰ সৎ চিন্তা আৰু শুভ বুদ্ধি অতি বিৰল। পৃথিৱীৰ দুখ-দৈন্যৰ কাৰণ একপ্ৰকাৰ ইহঁতকে বুলিব পাৰি। সিহঁতে ভাল বা সৎ চিন্তা এৰি অসৎ ভাবৰ আশ্ৰয় লৈ ভাল পায়। সিহঁতে ধৰ্ম্ম আৰু অধৰ্ম্মৰ কথা চিন্তা নকৰে। ধৰ্ম্ম বা কি, অধৰ্ম্মই বা কি, তেনে কথালৈ সিহঁতৰ ভ্ৰূক্ষেপ নাই। সিহঁতৰ চিন্তা-চৰ্চ্চা, ইচ্ছা-অভিলাষ, ধন-সম্পদ, খোৱা-পিয়া আৰু ল'ৰা-ছোৱালী আদি বিষয়তে আবদ্ধ। সেইবোৰকে লৈ ব্যস্ত হৈ থাকোতেই, ধৰ্ম্ম খায় নে পিন্ধে—সেই কথা বুজিবলৈ সিহঁতে অৱসৰেই নাপায়। ধৰ্ম্মাধৰ্ম্ম, সত্যাসত্য আৰু কৰ্ত্তব্য-অকৰ্ত্তব্যৰ জ্ঞান সিহঁতৰ নাই। অকল সেয়ে নহয়, দেহ-মনৰ পবিত্ৰতা বোলা বস্তু এটা আছে বুলিও সিহঁতে নাভাবে। সিহঁতৰ মানত সত্য আৰু অসত্য, সুনীতি আৰু দুৰ্নীতি দুয়ো সমান। ভোগ আৰু স্বাৰ্থসিদ্ধিৰ বাবে দুয়োকে সমানে ব্যৱহাৰ কৰা সিহঁতৰ স্বভাৱ। ঠাইতে মিছা কথা কবলৈ কোনো সঙ্কোচ বা মুখলজ্জা সিহঁতৰ নাই। পতিকে সদাচাৰ, শুদ্ধতা আদি গুণ তেনে মানুহৰ গাত বিচৰাটো পৰ্ব্বতত কাছ-কণী বিচৰাৰ নিচিনা কথা।

আসুৰিক প্ৰবৃত্তিৰ মানুহে জগতৰ ভাল বস্তুবোৰত কোনো মূল্য আৰোপ কৰিব নোখোজে। সিহঁতৰ মতে ধৰ্ম্মশাস্ত্ৰবোৰ

অসত্য আৰু মূল্যহীন। শাস্ত্ৰসমূহৰ প্ৰামাণ্য সিহঁতে অস্বীকাৰ কৰে, আৰু কয় যে সংসাৰত সত্য বুলি কোনো বস্তু নাই; মৃত্যুতেই সকলোৰে শেষ হয়। জীয়াই থকা দিনকেইটা ভোগ-বিলাসৰ মাজেদি কটোৱাই জীৱনৰ একমাত্ৰ লক্ষ্য। তাকে নকৰি ধৰ্ম্ম-কৰ্ম্ম বা ঈশ্বৰ, আত্মা আদি অসাৰ কথাবোৰ চিন্তা কৰি সময় কটোৱা মানুহবোৰ সিহঁতৰ মতে মূৰ্খ। তেনেবোৰ ধৰ্ম্মভাবাপন্ন মানুহে হেনো হাত এৰি হেঁতা খেপিয়ায়; কোলাৰটো এৰি বোকাৰটোলৈ আশা কৰে। জীৱন কালতে যদি সুখভোগ কৰা নহয়, বা একোকে পোৱা নহয়, তেন্তে মৰণৰ পিচত পৰকালত কিবা পাবলৈ আশা কৰাটো সম্পূৰ্ণ নিৰ্ব্বুদ্ধিতা মাথোন বুলি সিহঁতে কয়।

জগত-সৃষ্টিৰ মূলত কোনো মহাসত্য, অদৃশ্য অনন্ত শক্তি বা ঈশ্বৰ আছে বুলি সিহঁতে প্ৰাণ গলেও বিশ্বাস নকৰে। সিহঁত অতি নীৰস আৰু কঠুৱা। প্ৰেম-প্ৰীতি বা নীতিৰ মৰ্য্যাদা সিহঁতে মানি নলয়। জীৱৰ সুখ-দুখ, সৃষ্টি-কৌশলৰ মহত্ব আৰু অপূৰ্ব্ব শৃঙ্খলা দেখিও এই জগতক মূল কাৰণহীন বা ঈশ্বৰহীন বুলি সিহঁতে ভাবে। স্ত্ৰী আৰু পুৰুষৰ মিলন-সম্ভোগৰপৰা জীৱ সৃষ্টি হোৱাৰ দৰেই সকলো জগতৰ সৃষ্টি সম্ভৱ হৈছে বুলি এইবিধ মানুহে কয়। জগতৰ বস্তুবোৰ মানুহৰ ইন্দ্ৰিয়-তৃপ্তিৰ কাৰণেই সৃষ্টি হোৱা বুলি সিহঁতে অনুমান কৰে। কাম-তৃষ্ণা উপশম কৰিবৰ কাৰণে সিহঁতে ভাল-বেয়া সকলো কৰে, আৰু যেই কোনো প্ৰকাৰে সুখ-ভোগ কৰাই সিহঁতৰ জীৱনৰ মূল সূত্ৰ।

এনে মত অৱলম্বন কৰি এই অল্পবুদ্ধি আৰু বিকৃত মনৰ মানুহবিলাকে অনেক অহিত আৰু যথেচ্ছাচাৰ কৰে, যাৰ ফলত মানুহৰ দুখ-কষ্ট বাঢ়ে। পৰৰ উপকাৰৰ সলনি সিহঁতে জানি বা নাজানি অপকাৰহে কৰে। সিহঁত মানুহ আৰু জগতৰ শত্ৰু। সিহঁতৰ কল্যাণ নাই।

সেইবোৰ মানুহৰ মন অসংখ্য কামনা-বাসনাৰে ভৰা। কামনাৰ অন্ত নাই। তাৰে কিছুমান পূৰণ হলেও, নতুন নতুন কামনাই তাৰ ঠাই পূৰায়হি। কামনা পূৰণৰ নিমিত্তে সিহঁতে যিহকে-তিহকে কৰে। সেইবোৰ কাৰ্য্যত দাম্ভিকতা, অহঙ্কাৰ আৰু অভিমান প্ৰকাশ পায়। আৱশ্যক বোধ কৰিলে, তন্ত্ৰ-মন্ত্ৰাদিৰ দ্বাৰাও স্ত্ৰী-বস্ত্ৰাদি লাভ কৰিবলৈ কু চেষ্টা চলায়, আৰু দুৰাশাৰ বশবৰ্ত্তী হৈ অনেক কদাচাৰ কৰে। মৃত্যুকাল পৰ্য্যন্ত অপৰিমিত বিষয়-চিন্তাই সিহঁতৰ মন জৰ্জ্জৰিত কৰে। সিহঁতৰ চিন্তা নুগুচে আৰু কেতিয়াও শান্তি নাপায়। মন-সাগৰত উঠি-পৰি থকা অসংখ্য কামনা-বাসনাৰ ঢৌৱে অনবৰত হোল-পাৰ লগাই থাকে। মনৰ স্থিৰতা, শান্ত অৱস্থা নোহোৱা কাৰণে, শত শত আশাৰ পাশত বদ্ধ হৈ গোটেই জীৱন অস্থিৰতাই থাকোঁতেই মৃত্যু আহি কাষ চাপেহি। কিন্তু মৰণৰ কথা তাৰ আগতে সিহঁতে নাভাৱে; ভাবিব নোৱাৰে। সেইবিধ মানুহে ইহকালত শান্তি নাপায়, আৰু পৰকালতো পোৱাৰ আশা নাই।

ধন-সম্পদেই সুখ-সন্তোষৰ প্ৰধান উপায়—এইবুলি ভাবি অসৎ উপায়েৰে হলেও ধন আৰ্জ্জিবলৈ সিহঁতে অহৰহ চেষ্টা কৰে। 'আজি এইখিনি পালোঁ, কালিলৈ ইয়াতকৈও সৰহকৈ পাব লাগিব; আজি ইমান ধন হ'ল, কালিলৈ আৰু সৰহ হব; আজি এই শত্ৰুক পৰাজিত কৰিলোঁ, কালিলৈ আৰু শত্ৰুক বশীভূত কৰিব লাগিব; মই সকলো ভোগৰ অধিকাৰী; মই শক্তিমান, সুখী আৰু ধনী; মোৰ সমান কোন আছে?'—এনেবোৰ ভাৱত উন্মত্তপ্ৰায় হৈ সিহঁতে ক্ষমতাশালী হবলৈ বাঞ্ছা কৰে। মান-সন্মানৰ বা প্ৰভাৱশালী হোৱাৰ আশাত সিহঁতে কেতিয়াবা দান-দক্ষিণা বা পূজা-পাৰ্ব্বণ আদি কামো কৰি দেখুৱায়। তাৰ দ্বাৰা অৱশ্যে ধৰ্ম্ম বা পুণ্যৰ সলনি আত্মপ্ৰশংসাহে বিচাৰে। দানী-মানী বুলি সুখ্যাতি পোৱাৰ আশাত সিহঁতে দান কৰে বা উৎসৱ আদি

পালন কৰে। আত্মাৰ উন্নতি সিহঁতৰ কাম্য নহয়। তাত সিহঁতৰ বিশ্বাস নাই; আৰু বিশ্বাসকাৰী ধাৰ্ম্মিক লোককো অবজ্ঞাৰ চকুৰে চায়। পাৰিলে ক্ষমতাধীন কৰিবলৈ চেষ্টা কৰে।

শাস্ত্ৰই কৈছে যে এনেবোৰ মানুহৰ অধোগতি হয়, আৰু জন্ম-জন্মান্তৰে সংসাৰৰ ক্লেশ ভোগ কৰে।

ইয়াৰপৰা পৰিত্ৰাণৰ উপায় হৈছে কাম, ক্ৰোধ আৰু লোভ পৰিত্যাগ কৰা; আৰু ঈশ্বৰ-চিন্তাত মনক নিয়োজিত কৰা। আসুৰিক প্ৰবৃত্তিবোৰ প্ৰধানতঃ কাম, ক্ৰোধ আৰু লোভৰপৰাই উদ্ভৱ হয়। গতিকে মানুহে শ্ৰেয়ঃ আৰু কল্যাণ কামনা কৰিলে এই তিনিটাক পৰিহাৰ কৰিব লাগিব। তাৰ কাৰণে উপায় হৈছে, শাস্ত্ৰৰ বিহিত বিধি অনুসাৰে চলি ধৰ্ম্মাধৰ্ম্ম আৰু কৰ্ত্তব্যা-কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰা। শুদ্ধ আৰু সত্যৰ পথত চলিবলৈ হলে, শাস্ত্ৰৰ পৱিত্ৰ বাণীত বিশ্বাস স্থাপন কৰিব লাগিব। ধৰ্ম্মশাস্ত্ৰৰ বাণীসমূহ অভ্ৰান্ত আৰু সমস্ত মানৱ জাতিৰ মঙ্গলকাৰক। সেইবোৰ নৰৰূপী ভগৱানৰ শ্ৰীমুখৰ বাণী। সত্য-ঈশ্বৰক উপলব্ধি কৰা মহামানৱসকলৰ জ্ঞানৰ প্ৰকাশেই বেদ-বেদান্ত, গীতা-ভাগৱত আদি শাস্ত্ৰসমূহ। সেইবোৰত অবিশ্বাস কৰাটো অযুক্তিকৰ, আৰু মূৰ্খতাৰহে চিন। গতিকে শাস্ত্ৰৰ বিধান মানি কৰ্ত্তব্য কৰিলেই জীৱৰ সৰ্ব্বতোপ্ৰকাৰ মঙ্গল হব। তাকে কৰিলেই কাম-ক্ৰোধ-লোভ আদি পৰাভূত হব, মনৰ মলি দূৰীভূত হব, আসুৰিক প্ৰবৃত্তিৰ ঠাইত দৈৱী প্ৰকৃতিয়ে বিৰাজ কৰিব; হৃদয়ত সত্যৰ জ্যোতি প্ৰতিভাত হৈ উঠিব।

(স্ত্ৰী আদি ভোগ্য বিষয়ৰ প্ৰতি যি অভিলাষ সেয়ে কাম। ই মহা অনিষ্টকাৰী। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে কৈছে—

স্ত্ৰী, মদ্য, মাংস সেৱাৰ কথা।
কৈ মৰে কৰে জন্মক বৃথা॥

অৰ্থাৎ স্ত্ৰীসেৱা, মদ্যপান আৰু মাংস সেৱাৰ কথা কৈ কৈয়েই

মানুহে বহুমূলীয়া জীৱন নষ্ট কৰে। এতেকে ইয়াক এৰিবলৈ সদায় চেষ্টা কৰিব লাগে।

পৰৰ বস্তু-সম্পদলৈ আশা কৰাই লোভ। ইও অনৰ্থৰ হেতু। আকৌ ক্ৰোধৰপৰাও মানুহৰ সৰ্ব্বনাশ হয়। নিজৰ স্বাৰ্থসিদ্ধি নহলেই মানুহৰ খং উঠে। এই তিনিওটাই মানুহৰ দুখ আৰু অধঃপতনৰ গুৰি। শাস্ত্ৰৰ নীতি অনুসাৰে চলি মানৱ জীৱনৰ কৰ্ত্তব্য কাম নিয়াৰিকৈ সমাধা কৰিলেই জীৱৰ কল্যাণ হয়— মুক্তিৰ কণ্টকাকীৰ্ণ পথ সুগম আৰু সুৰভিত হৈ উঠিব।)

ভক্তি আৰু জ্ঞানৰ পথ

শ্ৰীমদ্ভাগৱদগীতাৰ একাদশ অধ্যায়ত ভগৱানে অৰ্জ্জুনক বিশ্বৰূপ দৰ্শন কৰোৱাৰ বৰ্ণনা আছে। শ্ৰীকৃষ্ণৰ শৰীৰতে অৰ্জ্জুনে দিব্য দৃষ্টিৰ বলেৰে অসীম-অনন্ত জগতবোৰ দেখিবলৈ পালে। আদি-অন্ত নোহোৱা, সহস্ৰ সূৰ্য্যৰ দীপ্ত-প্ৰভাৰে উদ্ভাসিত সেই বিশ্বৰূপ দেখি অৰ্জ্জুন স্তম্ভিত আৰু ভীত হৈ পৰিছিল। সেই অবৰ্ণনীয় ৰূপৰ মাজতে অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতকো দেখি অৰ্জ্জুন কৃতাৰ্থ হ'ল। তাৰ পিচত অৰ্জ্জুনে প্ৰশ্ন কৰিলে—

এবং সততযুক্তা যে ভক্তাস্ত্বাং পৰ্য্যুপাসতে।
যে চাপ্যক্ষৰমব্যক্তং তেষাং কে যোগবিত্তমাঃ॥ ১২।১।

অৰ্থাৎ যিবিলাক ভক্তই সততে একান্ত চিত্তেৰে তোমাক সাকাৰ ৰূপত উপাসনা কৰে, আৰু যিবিলাকে অব্যক্ত, নিৰাকাৰ, অক্ষৰ ব্ৰহ্মৰ উপাসনা কৰে, এই উভয়ৰ মাজত শ্ৰেষ্ঠ সাধক কোন ?

অৰ্জ্জুনে জানিবলৈ বিচাৰিছে যে সগুণ ব্ৰহ্মৰ উপাসনা আৰু নিৰ্গুণ ব্ৰহ্মৰ উপাসনা কৰা লোকৰ মাজত শ্ৰেষ্ঠ কোন ? (কোৱা বাহুল্য যে ভক্তি মাৰ্গত সগুণ ব্ৰহ্মহে উপাসনা হব পাৰে। ভক্তৰ মতে ঈশ্বৰ সৃষ্টি-স্থিতি-প্ৰলয়ৰ কৰ্ত্তা, আৰু তেওঁ প্ৰকৃতি আৰু পুৰুষতকৈ [জীৱতকৈ] পৃথক আৰু শ্ৰেষ্ঠ। তেওঁ আত্মাৰো আত্মা পৰমাত্মা। তেওঁ অনন্ত শক্তিমান, অনন্ত গুণৱান আৰু অসীম কৰুণাময় পৰমপুৰুষ। তেওঁক প্ৰেমেৰে লাভ কৰিব পাৰি—তেওঁ প্ৰেম-ভক্তিৰ বশ। আকৌ, নিৰ্গুণ বা অক্ষৰ ব্ৰহ্মৰ উপাসনা একপ্ৰকাৰ 'বিশেষ চিন্তা' মাথোন।) গতিকে কোন বিধ উত্তম ?

ভগৱানে তাৰ উত্তৰত কলে—

মষ্যাবেশ্য মনো যে মাং নিত্যযুক্তা উপাসতে।

শ্রদ্ধয়া পৰয়োপেতাস্তে মে যুক্ততমা মতাঃ ॥

অর্থাৎ, যিবিলাকে মোৰ প্রতি (সগুণ বা গুণময় ঈশ্বৰৰ প্রতি) নিতান্ত অনুৰক্ত আৰু নিবিষ্টমনা হৈ পৰম শ্রদ্ধাৰে মোৰ উপাসনা কৰে, তেওঁলোকেই মোৰ শ্রেষ্ঠ সাধক।

এই শ্লোকত ভগৱানে স্পষ্টকৈ কলে যে ব্যক্ত উপাসনা বা ভক্তিৰ পথেই শ্রেষ্ঠ সাধন-পথ। কিন্তু নির্গুণ উপাসনাও সফলেই। যি সকলে সমবুদ্ধিযুক্ত (সর্ব্বত্র সমদৃষ্টি), সকলো জীৱৰ হিতপৰায়ণ আৰু জিতেন্দ্রিয় হৈ (ইন্দ্রিয়বোৰক বিষয়ৰপৰা আঁতৰাই আনি) অক্ষৰ, অচিন্তনীয়, নিত্য ব্রহ্মৰ উপাসনা কৰে, সেইসকলেও মোক পায়।

সগুণ আৰু নির্গুণ দুয়োটা পৰমেশ্বৰৰ বিভাব বা অবস্থা। তেওঁ যেনেকৈ সগুণ, তেনেকৈ নির্গুণো। তথাপি ভগৱানে নিজেই কলে যে সাকাৰ ৰূপৰ আৰাধনা কৰা ভক্তসকলহে তেওঁৰ মানত শ্রেষ্ঠ। ইয়াৰ কাৰণ—

ক্লেশোঽধিকতৰস্তেষামব্যক্তাসক্ত চেতসাম্।

অব্যক্তা হি গতির্দুঃখং দেহবদ্ভিৰবাপ্যতে ॥ ৫ ॥

অব্যক্ত, নির্গুণ ব্রহ্মত আসক্ত সেইসকল সাধকৰ সিদ্ধিলাভত অধিক ক্লেশ হয়; কাৰণ দেহাভিমানী (দেহধাৰী বা দেহটোক 'মই' বুলি ভবা) লোকৰ পক্ষে নির্গুণ ব্রহ্মত নিষ্ঠা লাভ কৰা অতি কঠিন। মন আৰু ইন্দ্রিয়ক দমন কৰা বাস্তৱিকতে টান কাম। দেহাভিমানী জীৱই দেহাৰ মায়া আৰু মোহ সহজে এৰিব নোৱাৰে। দেহাটো 'মই' নহয়; আত্মাহে 'মই'—এই ধাৰণা দৃঢ়তৰ কৰাটো কষ্টসাধ্য। এই জ্ঞানৰ পথত আগবাঢ়ি যাবলৈ হলে অনাত্মা বস্তুবোৰৰ প্রতি অনাসক্তি আহিব লাগে, আৰু আত্মাৰ প্রতি আসক্তি বাঢ়িব লাগে। দেহ, ইন্দ্রিয়, মন, বুদ্ধি—

এইবোৰৰ এটাও আত্মা নহয়। আত্মা এইবোৰৰ অতীত। গতিকে, জ্ঞান-পথৰ সাধকে এই অনাত্মা বস্তুবোৰক চিন্তাপথৰপৰা বিদূৰিত কৰিব লাগে; কেৱল আত্মা বা ব্ৰহ্মই সত্য; আন সকলো অসত্য—এই চিন্তাত মন নিমগ্ন কৰিব লাগে। অৱশেষত আত্মাক প্ৰত্যক্ষ কৰিব লাগে—আত্মাই আত্মাৰ স্বৰূপত অৱস্থান কৰিব লাগে। এই পথ খুৰৰ ধাৰৰ ওপৰেদি খোজ কঢ়াৰ দৰে বিপদজনক। এই পথে ব্ৰহ্মক লাভ কৰিবলৈ হলে প্ৰখৰ চিন্তা আৰু ধাৰণাশক্তিৰ প্ৰয়োজন। সুমেধাযুক্ত লোকৰ বাহিৰে সাধাৰণৰ পক্ষে ই সম্ভৱপৰ নহয়। গতিকে সগুণ ঈশ্বৰৰ উপাসনা সুগম আৰু উত্তম পথ।

পৰমেশ্বৰতে সকলো কৰ্ম্ম অৰ্পণ কৰি, তেওঁতে চিত্ত স্থিৰ কৰি, ভক্তিৰে সৈতে তেওঁৰ ধ্যান আৰু উপাসনা কৰিব লাগে। যদি মন স্থিৰ নহয়, তেন্তে পুনঃ পুনঃ অভ্যাসৰ দ্বাৰা স্থিৰতা আনিবলৈ যত্ন কৰি থাকিব লাগে। এনে অভ্যাসযোগৰ দ্বাৰা ঈশ্বৰক পাব পাৰি। তাকো কৰিবলৈ টান পালে ভগৱানে কৈছে যে, তেওঁৰ প্ৰীতিৰ কাৰণে শ্ৰৱণ, কীৰ্ত্তন, পূজা, পাঠ আদি ধৰ্ম্মমূলক কামবোৰৰ অনুষ্ঠান কৰিব লাগে। এইবোৰ ঈশ্বৰৰ প্ৰীতিজনক কাম। এইবোৰৰ দ্বাৰাও তেওঁক তুষ্ট কৰিব পাৰি।

তাতোকৈ সহজ উপায় এটাও আছে বুলি তেওঁ কৈছে। পূজা-অৰ্চ্চনা আদি অনুষ্ঠানবিলাক সমাধা কৰিবলৈ টান পালে (টান পোৱা স্বাভাৱিক), তেওঁতে শৰণ বা আশ্ৰয় লৈ সংযতচিত্ত হৈ সকলো কামৰ ফল ত্যাগ কৰিলেও কাৰ্য্যসিদ্ধি হব।

এই ক্ষেত্ৰত, পূজা-অৰ্চ্চনা আদি ধৰ্ম্মীয় কাৰ্য্য মাত্ৰ সম্পাদনৰ প্ৰশ্ন নুঠে। জীৱনত কৰ্ত্তব্য হিচাপে যিমান কাম কৰিব লগীয়া হয়, সেই আটাইবোৰকে নিষ্ঠাৰে সৈতে কৰিব লাগে; আৰু তাৰ ফল বাঞ্ছা নকৰি সকলো ফল ভগৱানতে অৰ্পণ কৰিব লাগে। পূজা-সেৱা আদি কষ্টকৰ কামৰ যি ফল, সাধাৰণ কৰ্ত্তব্য কাম

ঈশ্বৰাৰ্পণ বুদ্ধিৰে কৰিলে, সেই একেই ফল পোৱা যায়। তাই গৃহস্থৰ কাম কৰাৰ দৰে, সকলো ঈশ্বৰে কাম বুলি একমনে কৰি যাব লাগে। তেতিয়া সেই সাধাৰণ কামবোৰেই ঈশ্বৰৰ কাম বা ঈশ্বৰ সেৱাৰ কাৰ্য্যস্বৰূপ হৈ উঠিব। অৱশ্যে অন্তৰত সুদৃঢ় বিশ্বাস আৰু একান্ত শৰণৰ ভাব বদ্ধমূল হব লাগিব। তেতিয়াই মন নিৰ্ম্মল হব আৰু ভক্তিৰ উদয় হব।

তেনেকুৱা ভক্তিমান পুৰুষৰ লক্ষণ কি? সমাজত তেওঁলোক কেনেকৈ চলে বা চলিব লাগে? ভক্তিৰ প্ৰথম সোপানত উপনীত হৈ ভক্তই ভক্তিৰ পৰিপক্ক অৱস্থা লাভ কৰিবলৈ কেনেভাৱে যত্নপৰ হব লাগে, সেই বিষয়ে ভগবানে ইয়াৰ পিচত কৈছে। পৰম ভক্ত হবলৈ হলে, পুৰুষে সকলো জীৱৰ প্ৰতি কৰুণা আৰু মিত্ৰভাৱ কৰিব লাগে; নিৰহঙ্কাৰী আৰু সুখ-দুখৰ প্ৰতি সমভাৱাপন্ন হবলৈ যত্ন কৰিব লাগে। তেনে সাধুলোক ক্ষমাশীল, সদা-সন্তুষ্ট আৰু সংযতচিত্ত। তেওঁ হৰ্ষ, ক্ৰোধ, ভয় আৰু উদ্বেগৰপৰা মুক্ত। তেওঁ নিৰপেক্ষ, পবিত্ৰ আৰু কৰ্ম্মকুশল। তেওঁৰ ওচৰত শত্ৰু-মিত্ৰ, মান-অপমান, সুখ-দুখ সকলো সমান। তেওঁৰ একোলৈকে আসক্তি নাই। স্তুতি বা নিন্দাই তেওঁৰ মন বিচলিত কৰিব নোৱাৰে। তেওঁ স্থিৰচিত্ত আৰু সততে ঈশ্বৰ-পৰায়ণ। তেনে ভক্তই ভগবানৰ অতিশয় প্ৰিয়।

এইয়া গীতাৰ দ্বাদশ অধ্যায়ৰ আলোচ্য বিষয়। সাৰাংশ এই যে—জ্ঞানতকৈ ভক্তি শ্ৰেষ্ঠ; ভক্তিৰ পথ সুগম আৰু উত্তম। ভক্তিৰ ফলত ঈশ্বৰ-জ্ঞান আপোনা-আপুনি হয়। ভাগৱত শাস্ত্ৰই এই ভক্তিৰ তত্ত্বক সুন্দৰ আৰু বিস্তাৰিতৰূপে বৰ্ণনা কৰিছে। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে তাকেই আমাৰ দেশত প্ৰচাৰ কৰি মুক্তিৰ দুৱাৰ মেলি থৈ গৈছে।

মহাপুৰুষৰ সাহিত্য-প্ৰতিভা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সাহিত্য ৰচনা কৰোঁ বুলি বা কবি-সাহিত্যিক হোৱাৰ মানসেৰে কীৰ্ত্তন, দশম আদি পুথিবোৰ ৰচনা কৰা নাছিল। তেনে বাসনা তেৰাৰ দৰে মহাপুৰুষৰ কাৰণে স্বপ্নৰো অগোচৰ কথা। এই কথা অকল শঙ্কৰদেৱতে নহয়, পৃথিৱীৰ সকলো মহৎ লোক বা প্ৰকৃত কবি-সাহিত্যিকৰ গাতে খাটে। জনসমাজত প্ৰশংসা বা সম্মান লাভ কৰিবৰ কাৰণে কোনো মহৎ মনৰ লোকেই আশা নকৰে। যি লোকে নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ চিন্তা এৰি পৰৰ উপকাৰৰ কাৰণে চিন্তা কৰে, তেৱেঁই মহৎ লোক। এনে উদাৰ, বহল মনোবৃত্তিৰ লোকে গোটেই জগতকে নিজৰ দৰে চায়। বিশ্ব-মানৱৰ কল্যাণৰ কাৰণেই জীৱনৰ আৱশ্যকতা বুলি তেওঁলোকে উপলব্ধি কৰে; আৰু জন-কল্যাণৰ কামত সমস্ত শক্তি, সমস্ত জীৱন নিয়োজিত কৰে। তেওঁলোকে সুবিধা অনুসৰি কেতিয়াবা সাহিত্য আদি কলাৰ (Art) সহায় লৈ কাৰ্য্যসিদ্ধি কৰে।

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে অসমত জন্মগ্ৰহণ কৰিছিল আৰু ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল। শঙ্কৰদেৱ আছিল প্ৰকৃত ধাৰ্ম্মিক, ধৰ্ম্ম-সংস্কাৰক আৰু প্ৰচাৰক। জীৱনত যি পৰম সত্যৰ সন্ধান পাইছিল, যি দিব্যজ্ঞানৰ আলোকে জীৱন-মন উজলাই তুলিছিল, সেই জ্ঞান-জ্যোতিৰ পোহৰত যাতে সকলোৱে বাট বুলিব পাৰে, তাৰেই চেষ্টা মহাপুৰুষে কৰি গৈছে। শাস্ত্ৰ-সাগৰ মথি লাভ কৰা জ্ঞান-ৰত্ন মানুহৰ মাজত বিলাই দিয়াৰ হেঁপাহেৰেই মহাপুৰুষে শাস্ত্ৰসমূহ ৰচনা কৰিছিল। ঈশ্বৰ আৰু ঈশ্বৰ-ভক্তিৰ মহিমা প্ৰচাৰ কৰাৰ উদ্দেশ্যেই গীত, নাট, কাব্য, ভটিমা, বৰগীত

আদি ৰচনাত হাত দিছিল। জগতৰ সকলো কণজন্মা পুৰুষেই এনে কৰে। নিজৰ অপূৰ্ব্ব আৰু মহান আদৰ্শৰ অনুভূতিক ৰূপ দিবলৈ তেওঁলোকে হাতত কলম লয়—যাতে তাৰ সহায়ত মানুহে তেনে আদৰ্শৰ পথেদি আগুৱাই গৈ সত্য-শিৱ-সুন্দৰৰ মোহন মন্দিৰত উপনীত হব পাৰে। শ্ৰীমন্ত শঙ্কৰৰ নিচিনা এজন শ্ৰেষ্ঠ আধ্যাত্মিক পুৰুষক সেই কাৰণেই এজন সাহিত্যিকৰ চকুৰে চোৱাটো সঙ্কীৰ্ণ দৃষ্টিভঙ্গীৰ পৰিচয় মাথোন।

কোনো গ্ৰন্থত অতি মহৎ ভাব-অনুভূতি বা মহান সত্যৰ প্ৰকাশ হলেই, সেই গ্ৰন্থ মহান আৰু কালজয়ী গ্ৰন্থৰূপে পৰিগণিত হয়। শ্ৰীশঙ্কৰদেৱৰ লেখীয়া পুৰুষৰ ৰচনাত এনে কিছুমান সত্যৰ আলোচনা আছে, যিবোৰ চন্দ্ৰ-দিবাকৰ থাকে মানে তো সত্যই, আনকি তাৰ পিচতো সত্য। ঋষি, মনীষী বা মহাপুৰুষসকলে যি সনাতন সত্যৰ বাতৰি দিয়ে, সেইয়া মানুহ জাতি বা এই পৃথিৱীখন নাথাকিলেও সত্য হব পাৰে। ই একো অবিশ্বাস্য কথা নহয়। আজিৰ যুগৰ বৈজ্ঞানিকসকলে আৱিষ্কাৰ কৰা সত্যবোৰ আৱিষ্কাৰৰ আগতো একেদৰেই সত্যৰূপে আছিল; আৰু মানুহ জাতিয়ে কেতিয়াবা পাহৰি গলেও সেইবোৰ সমানেই সত্য হৈ থাকিব।

মহাপুৰুষসকল প্ৰতিভাশালী লোক। তেওঁলোক স্বাভাৱিকতে প্ৰতিভাশালী লিখকো। সহজাত প্ৰতিভাই তেওঁলোকক সহজ-ভাৱেই সকলো দিনে যশস্যাশালী কৰি তোলে। তাৰ কাৰণে তেওঁলোকে বিশেষ পৰিশ্ৰম কৰিব নালাগে। মহাসত্যৰ বাতৰি জগতক দিবলৈ যাওঁতে, তেওঁলোকে কোৱা কথাবোৰ বা তেওঁলোকে লিখা গ্ৰন্থবোৰ স্বাভাৱিকতে অনুপম গ্ৰন্থ বা 'সাহিত্য' হৈ পৰে। তেওঁলোক সুমহান শিল্পী। যেনেকৈ এজন নৃত্যশিল্পীৰ দেহৰ সাধাৰণ অঙ্গ-ভঙ্গী কিছুমানেই দৰ্শকৰ মনত পুলক সৃষ্টি কৰে, সেইদৰে মহান প্ৰতিভাশালী শিল্পীৰ কথাবোৰেই 'সঙ্গীত' আৰু

লিখাবোৰেই 'সাহিত্য'। তেওঁলোকৰ কথাত সঙ্গীতৰ ঢৌ বাগৰে, আৰু লিখাত সাহিত্যৰ ৰস নিজৰে। মহান আৰু গভীৰ ভাব-অনুভূতি কথাৰে বা লিখাৰে প্ৰকাশ কৰিবলৈ যত্ন কৰিলে এনেকুৱাই হয়। বাঁহ-কাঠেৰে ৰং-ৰহন দি তৈয়াৰ কৰা এখন সিংহাসনতকৈ হীৰা-মুক্তা খচিত এখন সোণৰ সিংহাসন নিশ্চয় সহস্ৰগুণে অধিক মূল্যবান। অৱশ্যে দুয়োখনেই একে আকাৰ-প্ৰকাৰৰ আসন। সেইদৰে সাধাৰণ সাহিত্যও সাহিত্য, আৰু ধৰ্ম্ম বা দৰ্শনৰ তত্ত্বসমূহেৰে ভৰা সাহিত্যও সাহিত্যই। কিন্তু দুইবিধৰ মাজত সাগৰ-সঙ্কাশ ব্যৱধান। এটা জোনাকী পৰুৱা আৰু আনটো আকাশৰ তৰা।

মহাপুৰুষসকলৰ গাত আমি বিচাৰি পোৱা 'সাহিত্য-প্ৰতিভা' এটা সাধাৰণ গুণ বা লক্ষণহে। 'সাহিত্য'—তিনিটা আখৰৰ এই বিশেষ অৰ্থবাচক শব্দটো তৈয়াৰ হোৱাৰ আগতো পৃথিৱীৰ বিভিন্ন দেশত অনেক সাহিত্যৰ বনফুল ফুলি সৌৰভ বিলাইছিল। পৃথিৱীৰ অলেখ জন-সাহিত্য বা অলিখিত মৌখিক সাহিত্য ইয়াৰ প্ৰমাণ। আমিহে এতিয়া সেইবোৰ বিচাৰি আনি বাণী-মন্দিৰৰ শৰাইত সজাইছোঁহি—'সাহিত্য' আখ্যা দিছোঁ। সেই স্বভাৱ-কবিসকলে অন্তৰৰ তীব্ৰ অনুভূতিক ভাষা দিবলৈহে বিচাৰিছিল—'সাহিত্য' বা তেনে কিবা সৃষ্টি কৰিবলৈ বিচৰা নাছিল।

মহাপুৰুষৰ ৰচিত গ্ৰন্থসমূহ জানিবা সোণেৰে সজোৱা মন্দিৰ; হীৰা পতোৱা তাৰ ওখ কলচীটো গোটেই বিশ্বৰ মানুহে জিলিকি থকা দেখে; তাক ইটাৰে সজা ধুনীয়া পকীঘৰ এটাৰ লগত তুলনা কৰিব নোৱাৰি। মাণিক-মুকুতাৰ মালা এধাৰক যিদৰে চিক্মিকীয়া কাঁচৰ মণিৰে তৈয়াৰ কৰা মালা এধাৰিৰ লগত তুলনা কৰিব নোৱাৰি (অথচ দুই ধাৰেই মালা), সেইদৰে মানুহৰ মন খন্তেকৰ কাৰণে 'ৰঞ্জিত' 'ৰঞ্জিত' কৰি তোলা 'লঘু' সাহিত্যক প্ৰতিভাশালী মহাপুৰুষৰ ৰচনাৰ লগত তুলনা কৰিব নোৱাৰি।

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ ৰচনাৰ 'হৰমোহন' অধ্যায়ৰ কথাকে

ধৰক। শ্ৰীকৃষ্ণই বিশ্ববিমোহিনী নাৰীৰূপ ধৰি দৈত্যবিলাকক মোহ নিয়াইছিল; আৰু সেই ছলেৰে দেৱতাসকলক সাগৰ মথি উলিওৱা অমৃত পান কৰাইছিল। সেই খবৰকে পাই শিৱই তেওঁৰ নাৰীৰূপ চোৱাৰ আশাত এদিন বৈকুণ্ঠলৈ ভগৱন্তৰ ওচৰলৈ গ'ল, আৰু মোহিনী নাৰীৰূপটো দেখুৱাবলৈ প্ৰাৰ্থনা জনালে। শ্ৰীকৃষ্ণই 'চাব নালাগে' বুলি কৈছিল, কিন্তু মহেশে নামানিলে। তেতিয়া তেওঁক সেই ৰূপ দেখুৱালে; সংসাৰমোহিনী নাৰীবেশে মহেশক বিমুগ্ধ কৰিলে। এই অপৰূপ ৰূপৰ জেউতিত তেওঁৰ চকুত চমক্ লাগিল—জলক্-তবক্ কৰিবলৈ ধৰিলে। কামদেৱক ভস্ম কৰা বুলি কৰা অহঙ্কাৰ নিমিষতে ছাই হৈ গ'ল ভগৱন্তই দয়া কৰি মায়াৰ ছলেৰে মহেশক বুজাই দিলে—উপলব্ধি কৰাই দিলে যে তেওঁৰ নিচিনা মহাযোগীও কুৎসিৎ নাৰীৰূপৰ বিষম প্ৰভাৱৰপৰা বিমুক্ত নহয়। মোহিনী নাৰীৰূপৰ সহায়ত মায়াৰ স্বৰূপ বুজাবলৈ যত্ন কৰা হৈছে; অৰ্থাৎ এই নাৰীৰূপে ভগৱানৰ মায়াশক্তিক বুজাইছে।

মায়াৰ অসীম প্ৰভাৱ—এই তত্ত্ব বুজাবৰ কাৰণেই 'হৰমোহন'ৰ সৃষ্টি। ই বৈকুণ্ঠৰ সাধু—আধ্যাত্মিক জগতৰ ৰূপকথা। সম্পূৰ্ণ সঁচা কথা নহয়; সত্য কথাহে। কিন্তু তাৰ মাজেদি প্ৰকাশ পোৱা সত্যৰ মূল্য অসীম। মহাপুৰুষ শঙ্কৰদেৱৰ নিচিনা সাহিত্য-শিল্পীৰ হাতত পৰি ধৰ্মৰ গূঢ়-তত্ত্ব স্বৰূপ এই লঠামুৰা গছডাল কাব্যিক বৰ্ণনাৰ ফুলে-পাতে জকমকীয়া হৈ উঠিল। বৈকুণ্ঠই ৰূপ সলালে। তাত দিগন্ত বিস্তৃত মনোৰম উদ্যানৰ সৃষ্টি হ'ল। ...হেজাৰ-বিজাৰ নানা বৰণৰ ফুল ফুলিল, বতাহত হালি-জালি কৰিলে...মৌ চুহিবলৈ ভোমোৰা আহিল। কুলি-কেতেকীয়ে সুমধুৰ সুৰত মাতিলে; শুনোতাৰ মন শাঁত পৰি গ'ল!...সৰোবৰত ভেঁট ফুলিল, পদুম ফুলিল; ৰাজহাঁহ চৰিল.....। ফুৰন ফুলাৰ পৰা ৰূপেৰে নাৰী মূৰ্ত্তিৰ আবিৰ্ভাব হ'ল। শিৱই দেখিলে ,

ভালকৈ চালে···; উন্মাদ হৈ গ'ল···; কঁকালৰ বাঘছাল ক'ৰবাত সুলকি পৰিল···। আৰু কত কি!

ইয়াৰ আঁৰত—এই ৰূপকথাৰ সোৱাদলগা বৰ্ণনাৰ অন্তৰালত আছে ভগৱানৰ তত্ত্ব আৰু ভক্তিৰ মহিমা। সেয়াহে ভক্ত কবিৰ বক্তব্য বা ৰচনাৰ প্ৰকৃত উদ্দেশ্য। উল্লেখযোগ্য যে এই 'হৰমোহন' অধ্যায়ত (ইয়াত 'কীৰ্ত্তন' পুথিৰে উল্লেখ কৰিছোঁ), আৰম্ভণিতে মহেশৰ মুখত যি কৃষ্ণস্তুতি দিয়া হৈছে, সেইয়া ভাগৱত ধৰ্ম্মৰ শ্ৰেষ্ঠতম তত্ত্বেৰে ভৰা। ঈশ্বৰৰ দাৰ্শনিক তত্ত্ব বিচাৰি উপনিষদাদি শাস্ত্ৰ পাত-পাত কৰি চাবৰ আৱশ্যক নহয়—যদি এইখিনি কথা ভালদৰে আয়ত্ত কৰা হয়। সেইবোৰ বিষয় আলোচনা কৰাৰ শক্তি আমাৰ নাই; প্ৰসঙ্গক্ৰমে উল্লেখ কৰিলোঁ মাথোন। ধৰ্ম্মৰ অনেক গভীৰ তত্ত্ব এই হৰমোহন অধ্যায়তে মহাপুৰুষে উল্লেখ কৰি গৈছে। সমস্ত ৰচনাসমূহতে অনেক মধুৰ দাৰ্শনিক তত্ত্ব সহজ আৰু সুন্দৰভাৱে আলোচনা কৰিছে। তত্ত্বান্বেষী জিজ্ঞাসুলোকে সেইবোৰ পাইছে; আৰু তাক হৃদয়ঙ্গম কৰি, জ্ঞানামৃত পান কৰি কৃতাৰ্থ হৈছে।

মুঠৰ ওপৰত, মহাপুৰুষে ইয়াত যি আদিৰসৰ সৃষ্টি কৰিছে, তাৰ উদ্দেশ্য মনোৰঞ্জন; যাতে ধৰ্ম্ম আৰু দৰ্শনৰ তত্ত্বসমূহ মানুহে আগ্ৰহেৰে পঢ়ে আৰু উপকৃত হয়। মহাপুৰুষে সাহিত্যত ফুলনি বা বৈকুণ্ঠত ৰমণী সৃষ্টি কৰাৰ মূল উদ্দেশ্য হৈছে, ৰসসৃষ্টিৰ মাজেদি ভাগৱতী ধৰ্ম্মৰ তত্ত্ব জনসমাজত বহুলভাৱে প্ৰচাৰ কৰা। তাকে কৰিবলৈ যাওঁতে যি 'সাহিত্য' সৃষ্টি হৈছে, সেইয়া তেওঁৰ গৌণ সৃষ্টিহে। ইংৰাজীত তাক By-product (উপজাত বা উপকৰা সৃষ্টি) বোলে। মহাপুৰুষৰ ক্ষেত্ৰত ই এটা সাধাৰণ 'ব্যাপাৰ'।

আকৌ গজেন্দ্ৰ-উপাখ্যানত কি কব খোজা হৈছে? গজেন্দ্ৰ নামৰ মদমত্ত হাতীটোৱে সৰোবৰত জলক্ৰীড়া কৰি থাকোতে ঘৰিয়ালে ঠেঙত কামোৰ মাৰি দ পানীলৈ টানিবলৈ ধৰিলে।

টনা-আজোৰা বহুকাল চলিল। শেষত গজেন্দ্ৰই আতুৰ হৈ ভগৱানক স্তুতি কৰিবলৈ ধৰিলে। ভগৱানে আহি গজেন্দ্ৰক গ্ৰাহৰ হাতৰপৰা ৰক্ষা কৰিলেহি। ইয়াৰ ভাবাৰ্থ এয়ে যে, সংসাৰত মানুহ যিমানেই ধনী-মানী, তেজস্বী বা প্ৰতাপী নহওক, মৃত্যু ঘৰিয়ালে যেতিয়া ধৰিবহি, তেতিয়া তেওঁৰ ৰক্ষা নাই। ভগৱানত একান্তভাৱে আশ্ৰয় গ্ৰহণ কৰিব নোৱাৰিলে বাৰম্বাৰ মৃত্যু-যাতনাৰপৰা উদ্ধাৰ নাই।

এই মূলতত্ত্বকে শ্ৰীশঙ্কৰদেৱে কাব্যিক ৰহণেৰে মনোহৰকৈ প্ৰকাশ কৰিছে। মানুহে যাতে আগ্ৰহ কৰি পঢ়ে, আৰু চৰ্চা কৰে, তাৰ বাবেই ইয়াৰ কাহিনীভাগ ৰসযুক্ত কৰি তুলিবলৈ যত্ন কৰিছে। অকল শঙ্কৰদেৱেই নহয়, সকলো কবি-সাহিত্যিকেই ভাব বা সত্যৰ প্ৰকাশত এই কৌশল প্ৰয়োগ কৰে। সাহিত্যৰ এয়ে সৃষ্টি-চাতুৰ্য্য, সাহিত্য-সৃষ্টিৰ সৌন্দৰ্য্য। ইয়াৰ নামেই 'আৰ্ট' (Art) বা কলা। লিখকজনাৰ প্ৰতিভা বা শক্তিৰ ওপৰত ইয়াৰ উৎকৃষ্টতা বা নিকৃষ্টতা নিৰ্ভৰ কৰে।

অধিক উদাহৰণৰ প্ৰয়োজন নাই।

মুঠতে, শ্ৰীশঙ্কৰদেৱে 'ৰস'ৰ কাৰণে ৰসসৃষ্টি বা 'সাহিত্য'ৰ কাৰণে সাহিত্য সৃষ্টি কৰা নাই। ভগৱান শ্ৰীকৃষ্ণ আৰু তেওঁৰ প্ৰতি অচলা ভক্তি-ধৰ্ম্মৰ বিষয়ে বৰ্ণনা কৰিবলৈ যাওঁতে এনে কিছুমান শব্দ গাঁথনিৰ ইন্দ্ৰজাল সৃষ্টি কৰিলে, বা এনে এক মনোৰম ভাষাত কথাবোৰ কলে বা লিখিলে যে সেইয়া এক অনুপম সাহিত্য-বস্তুত পৰিণত হ'ল। আধ্যাত্মিক ৰাজ্যৰ উচ্চতম অনুভূতিৰ লিপিবদ্ধ ৰূপ উত্তম ৰূপৰ সাহিত্য নহৈ আৰু নো কি হব পাৰে? অবৰ্ণনীয়ক বৰ্ণনা কৰিব খুজিলে, অব্যক্তক ভাষাৰে ব্যক্ত কৰিব খুজিলে, অসীমক সীমাৰ মাজেৰে প্ৰকাশ কৰিব খুজিলে, সত্য-শিব-সুন্দৰৰ সৌন্দৰ্য্য-প্ৰভা মানৱ-হৃদয়ত পেলাব খুজিলে, তাৰ বাঙ্ময় বা ভাষাময় ৰূপ অপৰূপ নহৈ নোৱাৰে। তাক সুন্দৰ কৰিবলৈ বিশেষ চেষ্টা নকৰিলেও, সি স্বতঃস্ফূৰ্ত্তভাৱেই

সুন্দৰ, চিত্তস্পৰ্শী, প্ৰাণস্পৰ্শী ভাষাত প্ৰকাশ পাব ; আৰু সকলোৰে আদৰণীয় হ'বই। অনুভূতিহে আচল কথা। সত্য-সুন্দৰৰ অপূৰ্ব্ব, দিব্য অনুভূতি লাভ কৰাহে সকলোৰে ভাগ্যত নঘটে।

শ্ৰীমন্ত শঙ্কৰৰ ৰচনাসমূহৰ মাজত কেৱল সাহিত্যৰ ৰসকে বিচাৰি হায়ৰাণ হ'বৰ কাৰণ নাই। সিমানতে ব্যস্ত থকাটো দুৰ্ব্বুদ্ধিতাৰ কাম হ'ব নিশ্চয়। অলপমান কাব্য-ৰসৰ আস্বাদকে লৈ সন্তুষ্ট থাকিলে, মহাপুৰুষৰ ৰচনাৰ সাৰ্থকতা কাৰ্য্যকৰী হ'ব নে? নাৰিকল খাবলৈ লৈ, তাৰ বাকলিকে চোবালে নাৰিকল খোৱাৰ তৃপ্তিৰপৰা বঞ্চিত হ'ব লাগিব। শ্ৰীশঙ্কৰদেৱৰ ৰচনাত কেৱল কাব্য-ৰস বিচৰাটো স্বৰ্গত ভাল ঘিউ-মাখন বিচৰাৰ নিচিনাই কথা। স্বৰ্গলাভ যদি সম্ভৱ হয়, তেন্তে তাত অমৃত বিচৰাহে জ্ঞানীৰ কাম।

সাধুকথাৰ অজলা মানুহটোৱে অৰণ্যৰ মাজত প্ৰথমতে কিছুমান তামৰ মুদ্ৰা পালে। বিস্ময়ানন্দত অভিভূত হৈ সি পাৰেমানে সেইবোৰ তাৰ মোনাটোত ভৰালে ; আৰু অলপ দূৰ আগবাঢ়িল। সি দেখিলে চিক্‌মিকাই থকা অসংখ্য ৰূপৰ মুদ্ৰা। তামৰ পইচা-বোৰ পেলাই সি মোনাটোত ৰূপবোৰ ভৰালে। সি আকৌ আগুৱাই গ'ল। অলপ বেলিৰ মূৰত তাৰ চকুত চমক্ লগাই তুলিলে অসংখ্য সোণৰ মোহৰে। এইবাৰ সি মোনাটো পূৰ্ণ কৰিলে সোণেৰে।

আমিতো সাধুকথাৰ অজলা মানুহটো নহয়। আমি বেচকৈ জানো যে শ্ৰীমন্ত শঙ্কৰৰ ৰচিত গ্ৰন্থসমূহৰ পাতে পাতে বহুমূলীয়া হীৰা-মুকুতাৰ অক্ষয় ভাণ্ডাৰ আছে। অলপ আগুৱাই গলেই, চৰ্চ্চা কৰিলেই আমি সেই জ্ঞান-ৰত্নৰ ভাণ্ডাৰত হাত দিব পাৰিম। আমি নুবুজাকৈ থকা নাই যে, মহাপুৰুষ দুজনাৰ কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী, নাট, বৰগীতৰ মাজত বিচাৰিব জানিলে অমৃত-ৰসৰ নিজৰা বৈ থকা দেখিবলৈ পাম। বৈকুণ্ঠত প্ৰকাশ কৰি থকা হৰি-নাম ৰসৰ প্ৰেম-অমৃতৰ নদীৰ পাৰ ভাঙি দি শ্ৰীমন্ত শঙ্কৰে

ব্ৰহ্মাণ্ডলৈ বোৱাই আনিলে। সেই প্ৰেম-অমৃতৰ অক্ষয় ভাণ্ডাৰ এতিয়া তেওঁৰ ৰচিত শাস্ত্ৰসমূহৰ মাজতে, তেওঁৰ ধৈ যোৱা অৱস্থাতে আছে। আমি বাৰু অমৃতৰ সলনি ঘোলখিনিকে খাই কিয় সন্তুষ্ট হবলৈ বিচাৰিছো? ৰজাৰ ওচৰত সৰহকৈ ধন বিচাৰি গৈ এক দৰিদ্ৰই ৰাজদুৱাৰৰ দুৱৰীটোৰ চেহেৰা-পাতি দেখি ভয় খোৱাদি খাই, তাৰ হাতৰপৰা আধলি এটাকে পাই সন্তুষ্ট হ'ল, আৰু ৰাজ-অনুগ্ৰহ লাভ কৰা বুলি ভাবি তৃপ্তিৰ নিশ্বাস পেলালে। আমি জানো সেই দৰিদ্ৰ মানুহটোৰ অজ্ঞতাক উপহাস নকৰিম?

শ্ৰীশঙ্কৰদেৱৰ পূৰ্ণ পৰিচয় দিছে শ্ৰীমাধৱদেৱে। শ্ৰীমাধৱদেৱে গুৰুজনাক ঈশ্বৰ কৃষ্ণৰ অংশাৱতাৰ বুলিছে। ঈশ্বৰে শঙ্কৰৰূপে অৱতাৰ ধৰিলে। অৱতাৰ ধৰি কি কৰিলে? শ্ৰীমাধৱদেৱৰ নিজৰ ভাষাত—

হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু। —নামঘোষা

গুৰু ভটিমাতো কৈছে যে ঈশ্বৰে শঙ্কৰৰূপে মায়া নৰ-দেহা ধৰি হৰি-ভক্তি বহুলভাৱে প্ৰচাৰ কৰি পাপত মজি থকা লোক-বিলাক উদ্ধাৰ হোৱাৰ উপায় কৰিলে। তাৰ কাৰণে তেওঁৰ শাস্ত্ৰ সাগৰ মন্থন কৰি, চাৰি বেদ, ছৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণৰ সাৰ হৰি নাম-ধৰ্ম্ম প্ৰকাশ কৰিলে। তাৰ ফলত—

গীত কবিত্ব গুণ শঙ্কৰদেৱৰ
কীৰ্ত্তি গায়া বহুদূৰ।

তেওঁৰ কবিত্ব আদি শক্তি আৰু গুণৰ যশস্যা চাৰিওফালে বিয়পি পৰিল। ৰজা-প্ৰজা সকলোৱে তেওঁৰ পবিত্ৰ আৰু সুগম নাম-ধৰ্ম্ম গ্ৰহণ কৰি কৃতাৰ্থ হ'ল। মহাপুৰুষৰ তথা ভাগৱতী ধৰ্ম্মৰ অনৰ্থক বিৰোধিতা কৰা একশ্ৰেণীৰ পাণ্ডিত্যাভিমানী পণ্ডিতৰ মুখ টো খালে।

হৰি-নাম-ভক্তি-ধৰ্ম্ম প্ৰচাৰহে মূলকথা, সাহিত্য ৰচনা গৌণ। আৰু মহাপুৰুষৰ মতে ৰামনামেই ধৰ্ম্ম বা ধৰ্ম্মৰ সুগম আৰু উত্তম

পথ। নামত একান্ত ৰতি হলেই গতি হয়। অব্যক্ত ঈশ্বৰ নামৰ মাজেদিয়েই ব্যক্ত হয়। গতিকে নামেই ঈশ্বৰ। ভুকুতি (সাংসাৰিক সুখ-ভোগ) আৰু মুকুতি হৰি নামেই দিব পাৰে। হৰি-নামত একান্ত বিশ্বাস ৰাখি অহৰ্নিশে স্মৰণ আৰু শ্ৰৱণ-কীৰ্ত্তন কৰি থাকিলে মানুহৰ মন নিৰ্ম্মল হয়। নিৰ্ম্মল মনোদাপোনত পৰমেশ্বৰৰ ৰূপ প্ৰতিভাত হৈ উঠে। সেইকাৰণেই মহাপুৰুষৰ গ্ৰন্থত বাৰে বাৰে সহস্ৰবাৰ এই উপদেশকে পোৱা যায়—

বিচাৰি শাস্ত্ৰত পাইবা এহিসে যুগুতি। (যুক্তি)
কৃষ্ণৰ নামেসে সাধে ভুকুতি মুকুতি॥
কলিৰ পৰম ধৰ্ম্ম জানা হৰি নাম।
শঙ্কৰে ৰচিলা ডাকি বোলা ৰাম ৰাম॥

ওম্ শান্তি! ওম্ শান্তি!!
ওম্ শান্তি!!!